ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় আলোচনী

পঞ্চম সংখ্যা ২০১৯-২০ বৰ্ষ

# প্ৰবাহিনী

পঞ্চম সংখ্যা
২০১৯-২০ বৰ্ষ

ধেমাজি
স্নাতকোত্তৰ
প্ৰশিক্ষণ
মহাবিদ্যালয়
আলোচনী




সম্পাদক
পৰমদ্বীপ বুঢ়াগোহাঁই


## উচৰ্গা

আদৰ্শ, ত্যাগৰ মৃত্যু নহয়
মৃত্যু হয় মাথোঁ শৰীৰৰ
সময়ৰ তুলিকাই অশ্ৰুৰ তেজাল কণিকাৰে
আদৰ্শ ব্যক্তিসকলৰ লগতে
মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা
অশেষ ত্যাগ
আৰু
কষ্ট স্বীকাৰ কৰি
চিৰ বিদায় লোৱা
মহান ব্যক্তিসকলক
মহাবিদ্যালয়ে সদায় মনত ৰাখিব।
তেওঁলোকৰ চৰণত অৰ্ঘ্য নিবেদি
২০১৯-২০ বৰ্ষৰ "প্ৰবাহিনী"ক
উচৰ্গা কৰিলোঁ।

-সম্পাদনা সমিতি


সময়ৰ পৃষ্ঠা স্মৃতিৰ

# প্ৰবাহিনী

৫ম সংখ্যা

ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়

(২০১৯-২০)

সম্পাদক ঃ পৰমদ্বীপ বুঢ়াগোহাঁই

<u>তত্ত্বাৱধায়কদ্বয়ঃ</u>

ৰবী দত্ত নেওঁগ          সুৰজিত বৰা




***প্ৰীতি আৰু শুভেচ্ছাৰে...***

প্ৰতি,

শ্ৰীযুত/শ্ৰীযুক্তা......................................................................................

.................................................................................................. হাতত

উষ্ম আদৰেৰে 'প্ৰবাহিনী'২০১৯-২০ অৰ্পণ কৰিলোঁ।

অধ্যক্ষ/সম্পাদিকা

ধেঃ স্নাঃ প্ৰঃ মহাঃ

*PRABAHINEE, Dhemaji P.G.T. College*
*MAGAZINE*
*5th Issue, 2019-20*
*Edited by Paramadeep Buragohain, Published by Dhemaji P.G.T. College Traineer Union and Printed at Chitrangkan, Dhemaji Chariali-787057.*

সম্পাদনা সমিতি

| | |
|---|---|
| শ্ৰী প্ৰদীপ কুমাৰ দাস | ঃ মুখ্য উপদেষ্টা |
| ড° বুধিন্দ্ৰ বৰুৱা | ঃ উপদেষ্টা |
| ৰবী দত্ত নেওঁগ | ঃ তত্ত্বাৱধায়ক |
| সুৰজিত বৰা | ঃ তত্ত্বাৱধায়ক |
| হিৰেণ বৰুৱা | ঃ উপদেষ্টা |
| দেৱ খনিকৰ | ঃ উপদেষ্টা |
| ৰণজিৎ শইকীয়া | ঃ উপদেষ্টা |
| তছিল শইকীয়া | ঃ উপদেষ্টা |
| পৰমদীপ বুঢ়াগোহাঁই | ঃ সম্পাদক |
| ধীৰেণ কোঁচ | ঃ সদস্য |
| মুনমী গগৈ | ঃ সদস্যা |
| গিৰিমল্লিকা গগৈ | ঃ সদস্যা |
| অনিন্দিতা চেতিয়া | ঃ সদস্যা |
| বিস্মৃতা কোঁচ | ঃ সদস্যা |
| পূজা গগৈ | ঃ সদস্যা |
| মালবিকা গগৈ | ঃ সদস্যা |
| হিমাদ্ৰী বুঢ়াগোহাঁই | ঃ সদস্যা |
| যুতিকা পাটোৱাৰী | ঃ সদস্যা |
| গীতামণি পেগু | ঃ সদস্যা |
| ৰিছা দলে | ঃ সদস্যা |
| সুদিপ্তা দাস | ঃ সদস্যা |

-ঃ প্ৰকাশক ঃ-
ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ
প্ৰশিক্ষাৰ্থী গোট

- বেটুপাত -
জিতু গগৈ

- বৰ্ণ সংস্থাপন -
অৰুণ লালুং, বিতুপন লালুং

- মুদ্ৰণ -
চিত্ৰাংকণ, ধেমাজি চাৰিআলি
ভ্ৰাম্যভাষ ঃ ৯৯৫৭১৬৩৩৮৫

PRADAN BARUAH
MEMBER OF PARLIAMENT
(LOK SABHA)

सत्यमेव जयते

33-35, South Avenue,
New Delhi- 110 011
Tel : 011-23017268, 20317068

Ward No. 6, Rup Nagar
Aradhol, PO & Dist Dhemaji,
Assam, PIN : 787 057
Mobile : + 91-9435048271
E-mail : baruah.pradan@gmail.com



# শুভেচ্ছাবাণী

তাৰিখ ঃ ২৫/০২/২০২১

**প্ৰতি,**

শ্ৰীমান পৰমদ্বীপ বুঢ়াগোহাঁই
**'প্ৰবাহিনী',** আলোচনী সম্পাদক
ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়, ধেমাজি।

আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। ধেমাজি জিলাৰ প্ৰাণকেন্দ্ৰত অৱস্থিত ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ে শিক্ষাৰ বিকাশ, উপযুক্ত মানৱ সম্পদ গঢ় দিয়া আৰু সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টিত সদায় অৰিহণা আগবঢ়াই আহিছে।

এই মহাবিদ্যালয়ৰ আলোচনী **'প্ৰবাহিনী'** প্ৰকাশৰ খবৰ পাই অতিকৈ সুখী হৈছো। মহাবিদ্যালয়ৰ এই আলোচনীৰ লেখনি সমূহ সুন্দৰ হওঁক, সমাজ জীৱনত যোগাত্মকতাৰ সুঁতি বওঁক তাৰেই আমাৰ কাম্য। আশাকৰো **'প্ৰবাহিনী'** সুন্দৰ তথা সফল ৰূপত প্ৰকাশ পাওঁক তাৰে শুভেচ্ছা থাকিল।

Baruah

(প্ৰদান বৰুৱা)

**Ranoj Pegu**
MLA,
113 No. Dhemaji Constituency

सत्यमेव जयते

Add: Chauldhua Bali Gaon,
Gogamukh, Dhemaji, Assam
Ph: 91-99547-03825
ranojpegu@gmail.com



# শুভেচ্ছা বাণী

**প্ৰতি,**

শ্ৰী পৰমদ্বীপ বুঢ়াগোহাঁই
প্ৰবাহিনী, আলোচনী সম্পাদক
ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়, ধেমাজি।

**প্ৰিয় শ্ৰী বুঢ়াগোহাঁই,**

সমাজৰ সৰ্বাঙ্গীন দিশৰ উন্নয়নৰ কামনাৰে সমৃদ্ধ লিখনিৰ দ্বাৰা প্ৰস্তুত কৰা আলোচনী হ'ল এখন সমাজৰ এক পথ প্ৰদৰ্শক। ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী **'প্ৰবাহিনী'** ২০১৯-২০ বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি মই আনন্দিত হৈছোঁ আৰু প্ৰকাশ কাৰ্যৰ লগত জড়িত সকলোলৈ আন্তৰিক অভিনন্দন জনাইছোঁ।

শেষত সকলো শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা প্ৰশিক্ষাৰ্থী সকলৰ প্ৰচেষ্টাক শলাগ লৈছোঁ। লেখক-লেখিকাৰ প্ৰচেষ্টা নিৰৱধি হওঁক...

আলোচনীখনৰ ২০১৯-২০ বৰ্ষৰ সংখ্যাটো সুন্দৰ হওঁক, তাৰে শুভ কামনা—

ৰণোজ পেগু

*Narsing Pawar, IAS*
*Deputy Commissioner, Dhemaji*

*Tel : 03753-224046 (O)*
*03753- 224203 (R)*
*Fax: 03753-224393*
*E mail : dc-dhemaji@nic.in*



## শুভেচ্ছাবাণী

ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ে প্ৰতিবছৰৰ দৰে এই বছৰো মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী **"প্ৰবাহিনী"**ৰ প্ৰকাশৰ দিহা কৰিছে বুলি জানিব পাৰি নথৈ আনন্দিত হৈছো । ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশ কৰাৰ ক্ষেত্ৰত বিদ্যালয়/মহাবিদ্যালয়ৰ আলোচনীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে । **"প্ৰবাহিনী"** সুন্দৰ লিখনিৰে প্ৰকাশিত হওঁক আৰু ছাত্ৰ-ছাত্ৰীসকল ইয়াৰদ্বাৰা উপকৃত হওঁক তাকেই কামনা কৰিলো ।

ধেমাজি জিলাখনৰ শৈক্ষিক উত্তৰণত ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ে যথেষ্ট অৰিহণা আগবঢ়াই আহিছে । এই বাৰ্তাৰ যোগেদি সমূহ শিক্ষকবৃন্দ তথা ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ ।

**নৰসিং পৱাৰ, ভা.প্ৰ.সে.**

**প্ৰেৰক ঃ ড° বুদ্ধিন্দ্ৰ বৰুৱা**
অৱসৰপ্ৰাপ্ত অধ্যক্ষ
ধেমাজি মহাবিদ্যালয়, ধেমাজি
ও সভাপতি, পৰিচালনা সমিতি
স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়, ধেমাজি।



**প্ৰতি ঃ শ্ৰীমান পৰমদ্বীপ বৰগোহাঁই**
সম্পাদক
'প্ৰবাহিনী', স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ মুখপত্ৰ
ধেমাজি।

## শুভেচ্ছাবাণী

বাতৰি কাকত, আলোচনী, মুখপত্ৰ আদিয়ে বিশেষকৈ এটা জাতিৰ ভাষা আৰু সাহিত্যৰ পৰিচয় দাঙি ধৰে। এইক্ষেত্ৰত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, সংস্থা আৰু শিক্ষানুষ্ঠানৰ উদ্যোগত প্ৰকাশিত আলোচনী আৰু মুখপত্ৰই ভাষা-সাহিত্যৰ সমৃদ্ধিত বহুমূলীয়া বৰঙণি আগবঢ়াইছে। এখন মহান গ্ৰন্থত লিপিবদ্ধ তথ্যসমৃদ্ধ, গৱেষণামূলক, মৌলিক চিন্তা সমৃদ্ধ, নান্দনিক ৰসযুক্ত প্ৰভাৱশালী আৰু সাৱলীল প্ৰকাশভংগীৰে লিখা লেখনিয়ে পঢ়ুৱৈৰ মানসিক উৎকৰ্ষ সাধনত বিশেষ অৰিহণা যোগান ধৰে। বৰ্তমান বিদ্যালয় পৰ্যায়ৰপৰা আৰম্ভ কৰি মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদি উচ্চ শিক্ষানুষ্ঠানৰপৰা সময়ে সময়ে মুখপত্ৰ, আলোচনী, ক্ষুদ্ৰ পত্ৰিকা আদি প্ৰকাশৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে হাতত লোৱা প্ৰচেষ্টা মনকৰিবলগীয়া। শিক্ষক আৰু শিক্ষাৰ্থীৰ লেখনিয়ে এখন সমাজক প্ৰভাৱিত কৰি এটা সুস্থ শৈক্ষিক বাতাবৰণ আৰু বৌদ্ধিক পৰিমণ্ডল গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এনে মহান উদ্দেশ্য আগত লৈ ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ মুখপত্ৰ 'প্ৰবাহিনী' প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱা বুলি জানি আনন্দ অনুভৱ কৰিছোঁ। মুখপত্ৰখন সৰ্বাংগ সুন্দৰ হৈ পৰিপূৰ্ণ ৰূপত প্ৰকাশ হওক — তাৰে শুভকামনা জনালোঁ।


(ড° বুদ্ধিন্দ্ৰ বৰুৱা)





মাননীয় অধ্যক্ষ প্ৰদীপ কুমাৰ দাস

# মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনী






## প্ৰবাহিনী








ইংৰাজী বিভাগৰ পৰা
প্ৰকাশিত হাতে লিখা আলোচনী



# মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনী


অসমীয়া বিভাগৰ পৰা প্ৰকাশিত হাতে লিখা আলোচনী










## প্ৰাচীৰ পত্ৰিকা





## মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকল


ববী দত্ত নেওগ


দ্বীপেন গগৈ


বিনীতা বৰগোহাঁই


বিজয় দাস


সুৰজিৎ বৰা


ৰূপান্তৰ বৰপাত্ৰগোহাঁই


সূৰ্য্য বৰুৱা


পাৰ্থ প্ৰতীম চেতিয়া


মৌচুমী হাজৰিকা


বিমল লাহন (অতিথি)

## মহাবিদ্যালয়ৰ কৰ্মচাৰী সকল


মৌচুমী চুতীয়া দাস
(গ্ৰন্থাগাৰিকা)


গজেন চুতীয়া


প্ৰনৱ হাজৰিকা


জীৱকান্তি চুতীয়া


বিজয় গগৈ


যুগল গগৈ


অনিল চুতীয়া


দীন গগৈ


মইনা গোহাঁই

# সম্পাদনা সমিতি



প্ৰদীপ কুমাৰ দাস
মুখ্য উপদেষ্টা



ড০ বুধিন্দ্ৰ বৰুৱা
উপদেষ্টা



ৰবী দত্ত নেওগ
উপদেষ্টা



সুৰজিত বৰা
উপদেষ্টা



হিৰেণ বৰুৱা
উপদেষ্টা



দেৱ খনিকৰ
উপদেষ্টা



ৰঞ্জিত শইকীয়া
উপদেষ্টা



তছিল শইকীয়া
উপদেষ্টা



পৰমদ্বীপ বুঢ়াগোহাঁই
সম্পাদক



ধীৰেন কোঁচ
সদস্য



মুনমী গগৈ
সদস্যা



গিৰিমল্লিকা গগৈ
সদস্যা



অনিন্দিতা চেতিয়া
সদস্যা



বিস্মৃতা কোঁচ
সদস্যা



পূজা গগৈ
সদস্যা



মালবিকা গগৈ
সদস্যা



হিমাদ্ৰী বুঢ়াগোহাঁই
সদস্যা



যুতিকা পাটোৱাৰী
সদস্যা



গীতামণি পেগু
সদস্যা

ৰিচা দলে
সদস্যা





সুদিপ্তা দাস
সদস্যা

# সমন্বয়ক সমিতি ২০১৯-২০ বৰ্ষ



হিৰেণ বৰুৱা
সাধাৰণ সমন্বয়ক



নলিনী দলে
সমাজ সেৱা সমন্বয়ক



পৰমদ্বীপ বুঢ়াগোহাঁই
সাহিত্য আৰু আলোচনী সমন্বয়ক



ৰূপাংকৰ দেৱ চুতীয়া
ক্ৰীড়া সমন্বয়ক



জয়শ্ৰী শইকীয়া
সাংকৃতিক সমন্বয়ক

## মহাবিদ্যালয় সপ্তাহত শ্ৰেষ্ঠ বঁটা প্ৰাপকসকল ঃ



চিত্ৰজ্যোতি কলিতা
শ্ৰেষ্ঠ এথেলেটিকচ



সোনাৰাম গগৈ
শ্ৰেষ্ঠ তাৰ্কিক




লক্ষীজ্যোতি লাচন
শ্ৰেষ্ঠ সাহিত্যিক



পুলক গগৈ
শ্ৰেষ্ঠ গায়ক

## তত্ত্বাৱধায়কদ্বয়ৰ একলম....



ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰে পৰা যিসকল নমস্য ব্যক্তিৰ অশেষ ধৈৰ্য্য,ত্যাগ আৰু প্ৰচেষ্টাত মহাবিদ্যালয়খনে বৰ্তমানলৈকে শিক্ষক প্ৰশিক্ষণ যাত্ৰা অব্যাহত ৰাখিবলৈ সমৰ্থ হৈছে তেখেতসকলক জয়জয়তে প্ৰণিপাত জনাইছো। ভাষা-সাহিত্যই কোনো এক জাতিৰ পৰিচয় বহন কৰে। সেয়েহে সাহিত্য হৈছে সভ্যতাৰ প্ৰতীক। ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ দলিল স্বৰূপ আলোচনী 'প্ৰবাহিনী'ৰ পঞ্চম সংখ্যা (**২০১৯-২০** বৰ্ষ) প্ৰকাশৰ পৰিকল্পনা কৰি ধেমাজিৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ বিশিষ্ট চিন্তাবিদ সকলৰ লিখনি সম্পাদিত কৰি সাম্প্ৰতিক সময়ৰ এখন প্ৰতিছবি ধৰি ৰাখিবলৈ বিচৰা হৈছে। সম্পাদনা সমিতিৰ তত্বাৱধায়ক দায়িত্ব পালন কৰি আলোচনীখন সুন্দৰ তথা সক্ষম ৰূপত প্ৰকাশৰ বাবে সকলো সময়তে সহায় সহযোগিতা আগবঢ়াবলৈ পায় আমি নিজকে ধন্য মানিছো। কৰ'ণাৰ দুৰ্য্যোগ কালে অতিক্ৰম কৰাৰ পিচত খুউৰ কম সময়তে গ্ৰন্থখন প্ৰকাশ কৰিব লগা হোৱাত ভুল-ত্ৰুতি বৈ যোৱাটো স্বাভাৱিক। সম্পাদক শ্ৰীমান পৰমদ্বীপ বুঢ়াগোহাঁই ৰ লগতে সম্পাদনা সমিতিৰ লগত জড়িত প্ৰশিক্ষাৰ্থী সকলৰ একাগ্ৰতা আৰু কৰ্মতৎপৰতাৰ দেখি আমি গৌৰৱ অনুভৱ কৰিছো লগতে গ্ৰন্থখনিয়ে সৰ্বাংগ সুন্দৰভাৱে চাক্ষুষ ৰূপ পাবলৈ সমৰ্থ হ'ব বুলি আমি ভাবিছো। আশা ৰাখিছো, 'প্ৰবাহিনী'ত সন্নিৱিষ্ট লিখনিসমূহে পঢুৱৈ সমাজৰ দ্বাৰা সমাদৃত হ'ব।

সদৌ শেষত ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ আলোচনী 'প্ৰবাহিনীৰ' দীৰ্ঘায়ু কামনা কৰি তত্ত্বাৱধায়কদ্বয় পক্ষৰ পৰা সংশ্লিষ্ট সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**তত্ত্বাৱধায়কদ্বয়**

ৰবী দত্ত নেওঁগ　　　　সুৰজিত বৰা

ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়, ধেমাজি

# সম্পাদকীয়

## বাক স্বাধীনতা

স্বাধীন দেশৰ নাগৰিক হিচাপে আমি সংবিধান প্ৰদত্ত কিছুমান অধিকাৰ, স্বাধীনতা পাইছো। যাক কোনেও খৰ্ব কৰিব নোৱাৰে। এই অধিকাৰ সুৰক্ষাৰ বাবেও আমাৰ ওচৰত ন্যায়ালয় আছে। সংবিধানৰ অনুচ্ছেদ **১৯ (১)** (ক) ৰ দ্বাৰা প্ৰত্যেক ভাৰতীয় নাগৰিকে বাক স্বাধীনতাক মৌলিক অধিকাৰ হিচাপে লাভ কৰিছে। ই গণতান্ত্ৰিক সমাজ গঠনৰ বাবে অপৰিহাৰ্য।

সাম্প্ৰতিক সময়ত বাক স্বাধীনতা ধাৰণাটোৱে সমগ্ৰ বিশ্বতে বিৰ্তক সূচনা কৰিছে। ভাৰতবৰ্ষও ইয়াৰ ব্যতিক্ৰম নহয়। পূৰ্বৰ চৰকাৰসমূহৰ দৰে চলিত চৰকাৰখনেও শাসনভাৰ লোৱাৰ পিছৰে পৰা এই 'বাক স্বাধীনতা' সম্পৰ্কীয় বিৰ্তকটোৱে এক নতুন মাত্ৰা লাভ কৰিছে। JNU ৰ ঘটনা, চলিত চৰকাৰৰ মতাদৰ্শৰ বিপৰীত মেৰুত অৱস্থিত সংগঠন ওপৰত আক্ৰমণ আদিকে ধৰি শেহতীয়াকৈ CAA আন্দোলন, ইন্টাৰনেট বন্ধ, কৃষক আন্দোলনৰ ওপৰত কৰা অত্যাচাৰে স্পষ্টকৈ বুজাইছে যে বাক স্বাধীনতাৰ সন্দৰ্ভত এই চৰকাৰৰ গুৰুত্ব কিমান?

'বাক স্বাধীনতা'ৰ পথ পৰিৱৰ্তনত কৰ্পৰেট মিডিয়াৰ ভূমিকাক আওঁকান কৰিব নোৱাৰি। যি সংবাদ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয়। সেই সংবাদ মাধ্যমৰ কেতবোৰ কাৰ্য যেনে- নিৰপেক্ষহীন

বাতৰি পৰিৱেশন, সস্তীয়া বাতৰি পৰিৱেশন আদিয়ে বাক স্বাধীনতাৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিছে। তদুপৰি কাঠফুলা সদৃশ নিউজ পৰ্টেলে পৰিৱেশন কৰা বাতৰিত গুণগত দিশটো নোহোৱা হ'ল। যিহেতু সংবাদ মাধ্যমৰ ৰাজহত প্ৰধান উৎস হ'ল বিজ্ঞাপন। বিজ্ঞাপনৰ বাবে সংবাদ মাধ্যম সদায় কৰ্পৰেট গোটৰ ওপৰত নির্ভৰশীল হ'ব লগা হয়। এনে নির্ভৰশীলতা ধৰ্মৰ বাবেই আমি সম্পূৰ্ণ শুদ্ধ তথ্য বা বাতৰি লাভ কৰিবলৈ সক্ষম নহওঁ। বাতৰি কাকতৰ স্বাধীনতা সম্পৰ্কত কালমাৰ্ক্সে **১৮৪২** লিখি থৈ গৈছিল- "The free press is the ubiquitous Vigilant eye of a people's soul, the embodiment of a people's faith in itself, the eloquent link that connects the individual with the state and the world, the embodied culture that transforms material struggle into intellectual struggle and idealises their crude material form. It is a peoples frank confession to itself. It is the spiritual mirror in which people can see itself, and self examination is the first condition of wisdom."

বৰ্তমানৰ বিশ্বায়ণৰ যুগত বাক স্বাধীনতা ধৰাণাটোৱে সকলোকে আক্ৰান্ত কৰিছে। এইয়া এক বাস্তৱ সত্য। যিদৰে বাক স্বাধীনতা খৰ্ব হৈছে, সেইদৰে এই স্বাধীনতা সুৰক্ষাৰ বাবে সংগ্ৰামও চলিছে। **য'ত বাক স্বাধীনতা খৰ্ব হয়, তাতে বিপ্লৱৰ সূচনা হয়** আৰু বৈজ্ঞানিক চিন্তা-ধাৰা, পৰম্পৰাগত মানসিকতাৰ পট-পৰিৱৰ্তন হয়, যি ইতিহাসৰ সাক্ষ্য। শিক্ষা প্ৰসাৰে আমাৰ সচেতনতা বৃদ্ধি কৰিব। গতিশীল সমাজখনক একমাত্ৰ শিক্ষাইহে পৰিষ্কৃত কৰিব পাৰিব। আহক, বৈজ্ঞানিক দৃষ্টি-ভংগীক আঁকোৱালি লওঁ। গোড়ামী, বস্তুবাদী সমাজখনৰ মায়া জালৰ পৰা মুক্ত হৈ আমি এক ভাৰতীয়ই নতুন সমাজ গঢ়োঁ।

*পৰমদীপ বুঢ়াগোহাঁই*
*আলোচনী সম্পাদক*

# মহাবিদ্যালয়ৰ গীত

কথা - প্ৰদীপ কুমাৰ দাস
সুৰ - ৰাজেন গোহাঁই

আজি এই শুভক্ষণত
আজি এই ৰূপোৱালী দিনৰ
বন্দিত তোমাৰ নাম
জনাই তোমাক প্ৰণাম।।
আজি এই................

উদুলি মুদুলি তোমাৰ পদূলি
চৌদিশে উজ্বলিছে জ্ঞানৰ বন্তি
সুবাসিত ৰঞ্জিত ধৰণি
বন্দিত তোমাৰ নাম
জনাওঁ তোমাক প্ৰণাম।।

সময়ৰ ছন্দে ছন্দে
আমি গাঁও জীৱনৰ গান
লভিছোঁ আৰ্শীষ তোমাৰ
সাধিবলে মানুহৰ কল্যাণ
সেয়েহে আজি বন্দিত নাম
জনাওঁ তোমাক প্ৰণাম।।

পূৰ্ণতাৰ পথেৰে গতি কৰিবলৈ
দুহাত মেলি দিওঁ সহাৰি
যুগে যুগে সুন্দৰ সাধনাৰে
মহীয়ান হোৱা সবাৰে
সেয়েহে আজি বন্দিত নাম
জনাওঁ তোমাক প্ৰণাম।।❑

# সূচী পত্ৰ


<u>চিন্তা শিল্প</u>

**IMPORTANCE OF PROFESSIONAL ETHICS FOR TEACHERS**
Pradip Kumar Das

**গুণগত শিক্ষা ব্যৱস্থা আৰু সাম্প্ৰতিক সময়ৰ প্ৰত্যাহ্বান**
ড° বুধিন্দ্ৰ বৰুৱা

**সাম্প্ৰতিক আঞ্চলিক ৰাজনীতি আৰু আমাৰ সচেতনতা**
পল্লৱী ডেকা বুজৰবৰুৱা

**বিস্মৃতিৰ চমু আভাষ**
ডিম্বেশ্বৰ বৰুৱা

**অসমীয়া ভাষা-সংস্কৃতি সংৰক্ষণ আৰু সম্প্ৰসাৰণত অভিভাৱকৰ কৰণীয়**
ৰবী দত্ত নেওঁগ

**Gandhi's concept of Education and its ethical perspectives for the development of Peace**
Surajit Borah

**পৰিৱেশ্য কলা ঃ গুৰুত্ব আৰু প্ৰাসংগিকতা**
ৰূপান্তৰ বৰপাত্ৰ গোহাঁই

**ধেমাজি জিলাৰ জৈৱ-বৈচিত্ৰ সংকট আৰু সম্ভাৱনা**
মানস প্ৰতিম দত্ত

**The Importance of Value Education in the present day context**
Mousumi Hazarika

**বি.এড (B.Ed.) ডিগ্ৰী লাভ কৰাৰ পিছত কেৰিয়াৰৰ সুযোগ**
বুলজিৎ বুঢ়াগোহাঁই

**চলচ্চিত্ৰৰ প্ৰতি দৰ্শকৰ দায়িত্ব**
ড° প্ৰদীপ বড়া

**SEMESTER SYSTEM: AN INNOVATIVE TECHNIQUE ADOPTED FOR EXAMINATION REFORM**
Nirmali Boruah

**কবিতা শিক্ষাদান ঃ লক্ষ্য-উদ্দেশ্য আৰু শিক্ষণ পদ্ধতি সম্পৰ্কে যৎকিঞ্চিত আলোচনা**
বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই

**আইতাই যে চাউলত ধান দুটামান পেলাই বাছি থাকে একেবাৰে টুলুঙা বিষয় নহয় কিন্তু....প্ৰসিদ্ধ সাহিত্যিক ইমৰান শ্বাহৰ সৈতে অন্তৰংগ সাক্ষাৎকাৰ**
কবিতা বুঢ়াগোহাঁই/দেৱজিৎ বৰা

**শিক্ষা আৰু সামাজিক গতিশীলতা**
হীৰেণ বৰুৱা

**ঊনবিংশ শতিকাৰ অসমীয়া নাটক**
বিশ্বজিৎ বৰুৱা

**অসমৰ জনগোষ্ঠীৰ বিচ্ছিন্নতাবাদ আৰু শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰ প্ৰাসংগিকতা**
ধীৰেন কোঁচ

✎ **Mental Health- A Social Taboo**
✍ Anindita Chetia
✎ **ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ ইতিহাস আৰু বৰ্তমান শিক্ষাৰ ৰূপৰেখা**
✍ প্ৰসাদ চন্দ্ৰ মিলি
✎ **মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ঃ এক শৈক্ষিক দৃষ্টিকোণ**
✍ ৰিতেশ্বৰ লাগাছু
✎ **ৰোমান ছাইনী আৰু** Unacademy
✍ বেদব্ৰত গগৈ
✎ **সাম্প্ৰতিক অসমীয়া কবিতাৰ নতুনত্ব**
✍ মৌচুমী বৰুৱা
✎ **বৰ্তমান সময়ত প্ৰমূল্য শিক্ষাৰ প্ৰয়োজনীয়তা**
✍ প্ৰিয়ংকা দেউৰী
✎ **মাধৱদেৱৰ নাট আৰু ইয়াৰ বৈশিষ্ট্য**
✍ নিতুল কাকতি
✎ **মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেখেতৰ সৃষ্টিৰাজি**
✍ জ্যোৎস্না ৰাণী চেতিয়া
✎ **হাঁহিঃ এক বিশ্লেষণ**
✍ সন্ধ্যা দেৱী
✎ **সাম্প্ৰদায়িকতাবাদঃ মানৱতাৰ প্ৰতি ভাবুকি**
✍ কাকলি কোঁৱৰ
✎ **নাৰীজনিত অপৰাধ আৰু সবল মানসিকতা**
✍ জোনমণি মহন্ত

✎ **ONLINE SHOPPING AND ITS ADDICTION**
✍ Mainu Swargiary
✎ **মামণি ৰয়চম গোস্বামীৰ উপন্যাসত প্ৰতিবাদী নাৰী চৰিত্ৰৰ উপস্থাপন**
✍ ৰশ্মি কোঁচ
✎ **সামাজিক পৰিবৰ্তনত শিক্ষা**
✍ দেৱ খনিকৰ
✎ **আজিৰ সমাজ শিক্ষাৰ লক্ষ্য নিৰ্ধাৰণত পথভ্ৰষ্ট নেকি ?**
✍ বুদ্ধ গগৈ
✎ **বৃহত্তৰ অসমীয়া জাতি গঠনত চুতীয়াসকল ঃ এক চমু অৱলোকন**
✍ অজয় কুমাৰ চুতীয়া
✎ **" ভগৱান জগন্নাথৰ আৱিভাব"— এক জনশ্ৰুতি**
✍ ডলীমেধী দত্ত
✎ **প্ৰকৃতিৰ অনবদ্য অৱদান সৌন্দৰ্যৰ ৰম্যভূমি লেহ লাডাখ** ✍ অঞ্জলী চুতীয়া

<u>কবিতা</u>

✎ **"মৰীচিকা"**
✍ দেৱীকা গগৈ
✎ **"শীতৰ জেউতি"**
✍ লক্ষীজ্যোতি লাচন

✍ **মানৱতা হেৰাই গ'ল**
✍ গীতাঞ্জলী ফুকন
✍ **ঐকান্তিক**
✍ ৰেখামণি শইকীয়া
✍ **ৰাতিৰ আৰ্তনাদ**
✍ মুনমী গগৈ
✍ **সময়ৰ স্বাক্ষৰ**
✍ ধনীৰাম গগৈ
✍ **স্মৃতিৰ এখিলা পাত**
✍ গিৰি মল্লিকা গগৈ
✍ **মোৰ কল্পনাৰ দেশ**
✍ বীৰেন্দ্ৰ কুমাৰ শ্ৰীবাস্তৱ
✍ **হৃদয়ৰ আহ্বান**
✍ ধীৰেণ কোঁছ
✍ **প্ৰভাতী সূৰুযৰ আভা**
✍ আইৰিণ চুতীয়া
✍ **(The Negro Speaks of River) নদীৰ লগত কথাপতা কৃষ্ণাংগ মানুহজন**
মূল ঃ Langston Hughes
✍ অনুবাদক ঃ সুদীপ্তা দাস
✍ **হেৰুৱা সময়**
✍ ভাস্কৰ বৰুৱা
✍ **যমৰ আত্মহত্যা**
✍ নিতুল গগৈ
✍ **মানৱীয়তা**
✍ বিনু প্ৰভা পেগু
✍ **ফাগুন**
✍ ৰশ্মি ভূএঞা
✍ **আমি প্ৰেমত পৰো বাবেই**
✍ নীলাক্ষী গগৈ
✍ **সোণালী সপোনৰ শেষত**
✍ সবিতা ৰাণী দেৱী
✍ **আত্মবোধ**
✍ ৰশ্মি ভূএঞা
✍ **সৈনিক**
✍ দীপামনি বকল
✍ **জীৱন এক অন্তহীন সন্ধান**
✍ মনীষা বৰগোহাঁই

**লিমাৰিক**
✍ পৰমদ্বীপ বুঢ়াগোহাঁই
✍ কণিকা চমুৱা
✍ অঞ্জলি চুতীয়া

**গল্প সম্ভাৰ**
✍ **পট-পৰিৱৰ্তন**
✍ লক্ষীপ্ৰভা লাচন
✍ **সপোনৰ চকৰী**
✍ ফুনুমনি কোঁৱৰ
✍ **ৰূপান্তৰ**
✍ মাইনু নাথ

✎ **শৰতত তেজৰ ফাকু**
✍ সংগীতা বৰুৱা
✎ **আৰ্তনাদ**
✍ ভূবন চন্দ্ৰ বৰা
✎ **ভণ্ড দেশপ্ৰেমিক**
✍ দীপশিখা চুতীয়া
✎ **নিসংগতা, মই..........**
**আৰু সন্মুকত এখন তেজৰ নৈ**
✍ দীপাশ্ৰী বৰপাত্ৰ গোহাঁই
✎ **আৰ্তনাদ**
✍ ত্ৰিবেনী বড়া

**<u>অনুভৱৰ স্বৰ</u>**
✎ **সংগীত, কবিতা, জীৱন ইত্যাদি**
✍ নয়নমণি কছাৰী
✎ **নিয়ৰৰ মুকুতা সৰে অনুভৱৰ পাতে পাতে.............**
✍ ৰিমঝিম গগৈ

**<u>নীলাখামৰ চিঠি</u>**
✍ জ্যোৎস্না ৰাণী চেতিয়া
✍ নীলাক্ষী গগৈ

**<u>ফ্ৰেগ নৈনেছ-প্ৰাচীৰ প্ৰত্ৰিকা</u>**
✎ **SCIENCE EDUCATION IN SCHOOLS**
✍ Swastika Chutia
✎ **প্ৰাণায়াম**
✍ জনাৰ্দন দাস
✎ **অনুভৱৰ তিনিটা স্তৱক**
✍ হিমাদ্ৰী বুঢ়াগোহাঁই
✎ **সাৱধান গএঞা**
✍ পূজা গগৈ
✎ **জীৱন**
✍ মনোৰঞ্জন চিৰিং
✎ **শ্ৰম**
✍ ৰিতেশ্বৰ লাগাছু
✎ **শৰৎ**
✍ ৰঞ্জিত শইকীয়া
✎ Crimson Red
✍ Jawakhi Dutta
✎ Wondering Amidst the Clouds
✍ Anindita Chetia
✎ **"উচুপনি"**
✍ ফুনুমণি কোঁৱৰ
✎ **শিক্ষা প্ৰসাৰত গ্ৰন্থাগাৰৰ ভূমিকা**
✍ মৌচুমী চুতীয়া দাস

**<u>চিত্ৰ শিল্প</u>**

**সমন্বয়ক সকলৰ প্ৰতিবেদন**

**লেখক - লেখিকাৰ পৰিচিতি**

# IMPORTANCE OF PROFESSIONAL ETHICS FOR TEACHERS

Pradip Kumar Das.



Professional ethics is like a guide, which facilitates the teacher to provide quality education and inculcate good values among the learners. The professional ethics will enlighten the teachers that they have a major role in bringing desirable changes in the behaviour of the students. It also helps the teachers to understand their profession as a teacher. Their role is not just to become supreme and authoritarian in front of their students and colleagues. Teacher having the sense of professional ethics will treat their learners with love, care, affection and commitment. In addition to that, they would always ensure to make specific contribution from their angle.

The teacher must inculcate the fundamental professional ethics and values within them before entering into teaching profession. Some significant professional code of ethics for teachers that will assist the teachers to educate the students efficiently and effectively:-

➢ The teachers should always be aware of his/her roles and responsibili-

ties. He should actively provide his service to institution and student with happiness and satisfaction. They should provide maximum opportunities to students to excel in diverse aspects of development. Active professionalism is required in teaching profession. They cannot remain inactive or passive in the educational process. That is their fundamental duty for which they are being employed with expectations to serve the school and students.

➢ The teachers should have definite vision, how they will fulfill the present needs, requirements and aspirations of the learners. For that they need to be precise about their actions in their educational process. They should strategies planning and implement it effectively. Proper professionalism should be showcased by the teacher in order to meet the demands and requirements of students.

➢ The teachers should not be biased while imparting and evaluating the students' performance related with academic and co- curricular activities. They must respect all the students and treat them uniformly irrespective of caste, creed, gender, civil status, family status, sexual orientation, religion, age, disability, race, ethnicity, region, community and socio-economic status. Following this equality will motivate and reinforce the students to perform well in their academics and curricular activities.

➢ It is important for teachers to be honest, reliable and dedicated towards school and students. Such actions are embodied in integrity. Therefore, teachers should emphasize on implement integrity through their professional commitments, responsibilities and actions. This will enhance the development of the institution and students as a whole.

Teachers at all levels of education should focus on imparting quality education. It is the prime duty of the teacher to bring optimum development among the students. Teachers' should show an equal level of dignity to his profession, institution, students, colleagues and parents. Therefore, for successful teaching, the knowledge of professional ethics and its implementation is very essential for teachers.❑

# গুণগত শিক্ষা ব্যৱস্থা আৰু সাম্প্ৰতিক সময়ৰ প্ৰত্যাহ্বান

ড° বুদ্ধিন্দ্ৰ বৰুৱা

**গু**ণগত শিক্ষা হৈছে এক জীৱন ব্যাপী প্ৰক্ৰিয়া। কাৰণ গুণগত শিক্ষাই আমাক জ্ঞান দিয়ে, সুস্থ দৃষ্টিভংগী দিয়ে, দক্ষতা বৃদ্ধি কৰে, আত্মবিশ্বাস বঢ়াই তোলে, সামাজিক দায়বদ্ধতা বৃদ্ধি কৰে, সংস্কৃতিবান কৰি গঢ়ি তোলে, মানৱীয় প্ৰমূল্যবোধৰ উন্মেষ ঘটোৱাৰ লগতে ব্যক্তিত্বৰ বিকাশ ঘটাই সমাজমুখী চিন্তা-চেতনাৰে সমাজখন গতিশীল কৰি তোলে। কিন্তু সাম্প্ৰতিক শিক্ষা ব্যৱস্থাই সমাজলৈ আশাৰ বতৰা কঢ়িয়াই অনাত সফল হ'ব পৰা নাই বুলি বহুতো অভিযোগ উঠিছে। আমাৰ দেশৰ উচ্চ শিক্ষা ব্যৱস্থাৰ পৰা অসমৰ শিক্ষা ব্যৱস্থা পৃথক নহয়। কিছুমান ৰাজ্যৰ তুলনাত অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত গুণগত মান ওপৰত যদিও তাতে সন্তুষ্ট থকা উচিত নহয়। বিভিন্ন কাৰণত উচ্চ শিক্ষাৰ ক্ষেত্ৰত আশা কৰা মতে পৰিৱৰ্তন হোৱা নাই। আমাৰ ৰাজ্যত কৰিবলগীয়া বহুত কাম আছে। এইক্ষেত্ৰত অসম চৰকাৰে, শিক্ষাবিভাগ, লগতে বিশ্ববিদ্যালয় কেইখনৰ যথেষ্ট কৰণীয় আছে।

বৰ্তমান সময়ত অসমৰ নিবনুৱাৰ ছবিখন বৰ দুখলগা। নিবনুৱাৰ তালিকাত বহুসংখ্যক অভিযন্তা, অন্যান্য কাৰিকৰী শিক্ষাৰে শিক্ষিত লোক, আগশাৰীৰ আই আই টি কেইখনৰ ছাত্ৰ-ছাত্ৰী, বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰী অন্তৰ্ভুক্ত হ'বলগীয়াটো বৰ চিন্তাৰ বিষয়। অন্যান্যসকলৰ কথা নকলোঁৱেইবা। দেশৰ আন ৰাজ্যত বহু অভিযান্ত্ৰিক মহাবিদ্যালয় বন্ধ হৈ গৈছে আৰু কিছু বন্ধ হোৱাৰ পথত। তেনে অৱস্থাত আমাৰ ৰাজ্যত এনে অভিযান্ত্ৰিক মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ব ধৰিছে। গতিকে নতুনকৈ প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়সমূহৰ পৰা ওলাই অহা স্নাতক অভিযন্তাসকলৰ অৱস্থা কি হ'ব সেয়া বিচাৰ কৰি চাব লাগিব। অসমত বৰ্তমান ৬খন চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয় আছে। লগতে ৮ খন অভিযান্ত্ৰিক মহাবিদ্যালয় প্ৰতিষ্ঠাৰ বিভিন্ন পৰ্যায়ত আছে। আনহাতে এখন আই আই টি, এখন আই আই আই টি আৰু কিছুসংখ্যক ব্যক্তিগত খণ্ডৰ অভিযান্ত্ৰিক মহাবিদ্যালয়ে পাঠ্যক্ৰম আগবঢ়াই আছে। গতিকে আমাক চৰকাৰী খণ্ডত কিমানখন এনে অনুষ্ঠানৰ প্ৰয়োজন আৰু ব্যক্তিগত খণ্ডৰ কিমানখন অভিযান্ত্ৰিক মহাবিদ্যালয়ে অনুমতি পাব তাৰ এটা সঠিক নীতি থকা প্ৰয়োজন। অন্যথাই জধে-মধে গঢ়ি উঠা এনে অভিযান্ত্ৰিক মহাবিদ্যালয়ত পঢ়ি এচামে সৰ্বস্বান্ত হোৱাৰ উপৰিও বিচৰা মতে সংস্থাপন নাপাই আন এক

সামাজিক সমস্যাৰ সৃষ্টি কৰিব। যোৱা দুবছৰমানৰ আগতে অসম সচিবালয়ত তৃতীয় বৰ্গৰ পদত নিযুক্তি পোৱা প্ৰাৰ্থীসকলৰ ভিতৰত ৮৫জন অভিযন্তা অন্তৰ্ভুক্ত হোৱাটো মনকৰিবলগীয়া। অন্যান্য অনুষ্ঠানতো তৃতীয় বৰ্গৰ পদসমূহ অভিযন্ত্ৰাসকলে দখল কৰাত অন্যান্য স্নাতকসকলৰ বাবে আন এক সমস্যাৰ সৃষ্টি হৈছে। ৰাজ্যখনত প্ৰতিবছৰে সৃষ্টি হোৱা উচ্চ শিক্ষিতসকলৰ বেছিভাগেই কৰ্মসংস্থাপনৰ সমস্যাত বাৰুকৈয়ে ভুগিবলগীয়া হৈছে। ইয়াৰ উপৰিও উদ্যোগ আদিৰ অভাৱত আৰু নতুন অৰ্থনীতিৰ প্ৰভাৱত কৰ্মসংস্থাপনৰ সুবিধা দিনক দিনে কমি আহিবলৈ ধৰিছে। পৰিস্থিতিৰ জটিলতাৰ প্ৰতি লক্ষ্য ৰাখি বহুতে ৰাজ্যখনৰ বাহিৰৰ মহাবিদ্যালয়ত আৰু অন্যান্য কাৰিকৰী শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয় আদিত শিক্ষা গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। এইয়া ৰাজ্যখনৰ ভৱিষ্যতৰ বাবে এক অশনি সংকেত হিচাপে দেখা দিছে। উচ্চ শিক্ষিত আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে ৰাজ্য এৰি যাবলগা হোৱাটো বাঞ্ছনীয় নহয়। সেয়েহে উচ্চ শিক্ষাৰ দায়িত্বত থকা ব্যক্তিসকলে কৰ্মসংস্থাপন দিব পৰা ব্যৱস্থা কৰিব লাগিব। আমাৰ গাঁৱে-চহৰে থকা মহাবিদ্যালয়সমূহত কিধৰণৰ শৈক্ষিক কাৰ্যসূচী চলিছে, পৰিৱৰ্তনৰ নামত কি কৰা হৈছে তাক চকু দিয়া উচিত। কোটি কোটি টকা খৰচ কৰি চলাই থকা মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়সমূহে সঠিক লক্ষ্যত উপনীত হ'ব পাৰিছেনে নাই তাক কোনে চকু দিব? হাজাৰ হাজাৰ টকা খৰচ কৰি ব্যক্তিগতখণ্ডৰ মহাবিদ্যালয়সমূহত পঢ়ি থকাসকলৰ ভৱিষ্যতৰ বাবে চিন্তা কৰাৰ সময় পাৰ হৈ গৈছে। মাক-দেউতাকক ধাৰত পোত খুৱাই বা বেংকৰ ঋণ লৈ সৰ্বস্বান্ত হৈ ডিগ্ৰী আহৰণ কৰাসকলে যদি ১০ হাজাৰ টকীয়া দৰমহাৰ চাকৰি এটাও লাভ কৰিব নোৱাৰে তেন্তে সেই কথা শিক্ষামন্ত্ৰী, শিক্ষা বিভাগ, বিশ্ববিদ্যালয় চলোৱা ব্যক্তিসকলে ভাবিব লাগিব। ইয়াৰ উপৰিও এইবাৰ 'লক্‌ডাউন'ৰ সময়ত ৰাজ্যখনৰ তথা বহিঃৰাজ্যত ব্যক্তিগত খণ্ডত সংস্থাপিত বহু যুৱক-যুৱতীয়ে সংস্থাপন হেৰুৱাইছে। দেশত নতুন শিক্ষানীতি প্ৰৱৰ্তনৰ পথত। সকলো ক্ষেত্ৰতে অৰ্থনৈতিক সংকটৰ চাপ পৰিছে। নিবনুৱা সমস্যা ভয়াবহ অৱস্থালৈ গৈ আছে। গতিকে শিক্ষা ক্ষেত্ৰৰ লগত জড়িত প্ৰতিজনেই গুণগত শিক্ষাৰ ক্ষেত্ৰত সঠিক পদক্ষেপ ল'ব লাগিব। সাধাৰণতে দেখা যায় আমাৰ একাংশ অভিভাৱকে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত হেঁচা প্ৰয়োগ কৰা দেখা যায়। কিন্তু আমাৰ দাঁতিকাষৰীয়া চীন দেশৰ শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীক হেঁচা প্ৰয়োগ কৰা নহয়। তেওঁলোকক প্ৰথম ৮ বছৰ বয়সলৈকে ব্যক্তিত্ব বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। বিভিন্ন খেলা-ধূলা, শৰীৰ চৰ্চাৰ বিভিন্ন শৈলীসমূহৰ মাজৰ পৰা এটা বাছি লৈ সেইটোকে জীৱনৰ লক্ষ্য হিচাপে লৈ নিজকে প্ৰতিষ্ঠা কৰে। যাৰ যি ইচ্ছা তাকে হ'ব পৰা আছে চীন দেশৰ শিক্ষা ব্যৱস্থাত। বৰ্তমান সময়ত চীন দেশত হিন্দী শিক্ষাৰ অধিক গুৰুত্ব দি মেজৰৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিছে। কাৰণ চীন দেশে ভাৰতৰ বাণিজ্য ক্ষেত্ৰখনত আধিপত্য বিস্তাৰ কৰিব খুজিছে। বাণিজ্যৰ ক্ষেত্ৰত ভাষাৰ গুৰুত্ব সৰ্বাধিক। সেয়েহে হিন্দী বিষয়ৰ

মেজৰৰ বাবে বাণিজ্য ক্ষেত্ৰত ধাউতি থকা চীন দেশৰ ছাত্ৰ-ছাত্ৰীসকল অধিক আগ্ৰহী। ১৯৯৭ চনত যেতিয়া টনী ব্লেয়াৰে বৃটেইনৰ প্ৰধানমন্ত্ৰী হিচাপে থিয় দিছিল তেতিয়া এখন সভাত সাংবাদিকে প্ৰশ্ন কৰিছিল -- 'যদি আপুনি বৃটেইনৰ প্ৰধানমন্ত্ৰী হিচাপে জয়ী হয়, তেন্তে আপোনাৰ প্ৰথম অগ্ৰাধিকাৰ কি হ'ব?' টনী ব্লেয়াৰে উত্তৰ দিছিল -- 'প্ৰথম অগ্ৰাধিকাৰ হ'ব শিক্ষা।' এই কথা বৃটেইনৰ প্ৰায়বোৰ আগশাৰীৰ বাতৰি কাকতত প্ৰকাশ পাইছিল। কিছুদিনৰ পাছত আন এখন সভাত সাংবাদিকে সুধিলে -- 'আপোনাৰ দ্বিতীয় অগ্ৰাধিকাৰ কি হ'ব?' টনী ব্লেয়াৰৰ উত্তৰ আছিল 'শিক্ষা'। নিৰ্বাচনৰ দিন একেবাৰে চমু চাপি অহাত আন এখন সভাত সাংবাদিকে প্ৰশ্ন কৰিছিল -- 'যিহেতু আপুনি ইতিমধ্যে প্ৰথম আৰু দ্বিতীয় অগ্ৰাধিকাৰ শিক্ষা বুলি ঘোষণা কৰিছে আৰু কথাষাৰ ইতিমধ্যে সমগ্ৰ বৃটেইনজুৰি প্ৰচাৰ হৈছে এতিয়া কওকচোন আপোনৰ তৃতীয় অগ্ৰাধিকাৰ কি হ'ব?' টনী ব্লেয়াৰৰ উত্তৰ আছিল যে 'মোৰ তৃতীয় অগ্ৰাধিকাৰো হ'ব শিক্ষা। শিক্ষা, শিক্ষা, কেৱল শিক্ষা।' জনসাধাৰণে আশা কৰাৰ দৰেই টনী ব্লেয়াৰ বৃটেইনৰ প্ৰধানমন্ত্ৰী হ'ল। প্ৰধানমন্ত্ৰী হোৱা প্ৰথম দিনা ৰাতি গ্ৰহণ কৰা প্ৰথম বিলখনৰ যোগেদি প্ৰাথমিকৰ পৰা মাধ্যমিক স্তৰৰ সকলো শিক্ষাক-শিক্ষয়িত্ৰীৰ দৰমহা বৃদ্ধি কৰিলে। টনী ব্লেয়াৰে কৈছিল -- 'মই শিক্ষাৰ ভেটিটো এমহলীয়া বা দুমহলীয়া কৰিব বিচৰা নাই। অতি কমেও এশ মহলীয়াকৈ শিক্ষাৰ ভেটিটো গঢ় দিব বিচাৰিছোঁ। তেতিয়াহে গুণগত শিক্ষাৰ বুনিয়াদ গঢ় লৈ উঠিব।' ২০১৭ চনত পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ একাংশ পণ্ডিতে অক্সফোৰ্ড বিশ্ববিদ্যালয় ভ্ৰমণ কৰাৰ সময়ত জানিব পাৰিছিল যে, অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰায় এশ জনৰো অধিক লোকে বিভিন্ন ক্ষেত্ৰত ন'বেল বঁটা পাবলৈ সক্ষম হৈছে। তেখেতসকলে অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ ওপৰত জানিব বিচৰাত ভাৰতীয় এগৰাকী ছাত্ৰীক আগবঢ়াই দিছিল। ১৮০খন বিভিন্ন দেশৰ পৰা যোৱা প্ৰতিনিধিসকলৰ আগত ছাত্ৰীগৰাকীয়ে ২০ মিনিট সময়জুৰি প্ৰদান কৰা বক্তৃতাই সকলোকে স্তম্ভিত কৰিছিল। ছাত্ৰীগৰাকীৰ নাম শ্ৰীমতী ৰুমি পেগু। তেওঁৰ ঘৰ অসমৰ ধেমাজি জিলাৰ জোনাই মহকুমাত। জোনাই ফ্ৰেন্সিলিয়ান হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা, গুৱাহাটী সন্দিকৈ মহাবিদ্যালয়ৰ পৰা স্নাতক আৰু ব'ম্বেৰ 'টাটা ইনষ্টিটিউট অৱ্ চ'ছিয়েল ছাইন্স'ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰীধাৰী ছাত্ৰীগৰাকীয়ে অস্কফোৰ্ড বিশ্ববিদ্যালয়ত গৱেষণাৰ সুযোগ পাইছিল আৰু তেওঁ আছিল ২০০৩ চনৰ এগৰাকী শিশুবিজ্ঞানী। জোনাই অঞ্চলৰ ছাত্ৰীগৰাকীয়ে কেনেকৈ ভিতৰুৱা অঞ্চলৰ শিক্ষানুষ্ঠানৰ পৰাই গুণগত শিক্ষা আহৰণ কৰি জীৱনৰ বুনিয়াদ গঢ়িছিল ই নিঃসন্দেহে নতুন চামৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰেৰণাৰ উৎস। একেদৰেই লণ্ডনৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ছাত্ৰ অনুপম শইকীয়াই (বৰ্তমান গুৱাহাটী আই আই টিৰ অধ্যাপক) অসমৰ গোলাঘাটৰ এখন ভিতৰুৱা অঞ্চলৰ শিক্ষানুষ্ঠানৰ পৰা হাইস্কুলীয়া শিক্ষা আৰম্ভ কৰি অসম গণিত শিক্ষায়তনৰদ্বাৰা আয়োজিত গণিত অলিম্পিয়াডৰ যোগেদি আত্মপ্ৰকাশ কৰি ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত

সুখ্যাতি অৰ্জন কৰি কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা গণিতৰ সৰ্বোচ্চ ডিগ্ৰী ‘ৰেংলা’ উপাধিৰে সন্মানিত হোৱা প্ৰথমজন ভাৰতীয়। গতিকে অসমৰ শিক্ষা ব্যৱস্থাৰ মাজতে এনেদৰে গুণগত শিক্ষা আয়ত্ব কৰি জীৱনৰ বুনিয়াদ ৰচা ছাত্ৰ-ছাত্ৰীৰ এয়া সামান্য উদাহৰণ। অসমৰ শিক্ষা ব্যৱস্থাৰ মাজেৰে যোৱা বহুতো ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উজ্বলি উঠিছে। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো বহু প্ৰতিভা নিৰ্হিত হৈ আছে, শিক্ষক-শিক্ষয়িত্ৰীসকলে ইয়াক উলিয়াই আনিব লাগিব।

আমি নিজেও অধ্যক্ষৰ দায়িত্বত থকা সময়ত ২০১৩ চনত জাপানৰ টকিঅ'ত অনুষ্ঠিত হোৱা International Conference on Mathematics, Statistics and Computitional Science ত ভাগ ল'বলৈ সুযোগ পাইছিলোঁ। জাপানৰ শিক্ষা ব্যৱস্থাৰ প্ৰভাৱ যে সমগ্ৰ জাপানখনতে বিৰাজমান তাক উপলব্ধি কৰিছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলক সৰুৰেপৰা ব্যক্তিত্ব গঠন, সামাজিক দায়বদ্ধতাবোধ আৰু মানৱীয় প্ৰমূল্যবোধৰ শিক্ষাৰে শিক্ষিত কৰা হয়। জাপানৰ প্ৰতিজন ব্যক্তিৰ জাপানক লৈ এক স্বাভিমান আছে। সময়ৰ প্ৰতি প্ৰত্যেকজন জাপানৰ লোক অধিক সচেতন। ছাত্ৰ-ছাত্ৰীসকলক সৰুৰেপৰাই খোজ কাঢ়িবলৈ শিক্ষা দিয়ে। তেওঁলোকে আমাৰ দৰে লাহে লাহে খোজ নাকাঢ়ে। ল'ৰা-বুঢ়া সকলোৰে এক নিৰ্দিষ্ট গতিত খোজ কাঢ়ে। কাৰণ এক মিনিট পলম হ'লেই সংযোগী ট্ৰেইনখন বা বাছখন নাপাব পাৰে। সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীয়েই ৰে'ল গাড়ীৰে শিক্ষানুষ্ঠানলৈ অহা-যোৱা কৰে। জাপানৰ কোনো লোকেই ট্ৰেইনত কথা পাতি নাযায়। ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি সকলো যাত্ৰীয়েই যাত্ৰাৰ সময়ত অধ্যয়ন কৰি যোৱাটো বাধ্যতামূলকৰ দৰে। ৰে'লগাড়ীৰ সময় এনেধৰণে নিৰ্দ্ধাৰণ কৰা থাকে যে কোনোবা এখন ট্ৰেইন এক মিনিট পলম হ'লেই সমগ্ৰ ৰে'ল ব্যৱস্থাটোত বিশৃংখলতাই দেখা দিয়ে। সেয়েহে সকলো কাম সময়মতেই হয়। জাপানৰ ৰাস্তা-পদূলিবিলাক দলিচা পৰাৰ দৰে। যেন কেইটামান মুহূৰ্তৰ আগতে কোনোবাই ৰাস্তাটো ধুই গৈছে এনে ভৰা হয়। হোটেল বিলাকত কিবা এটা খোৱা অৰ্ডাৰ কৰাৰ পাছত বস্তুটো আহি পোৱা সময়লৈকে অধ্যয়ন কৰাৰ ব্যৱস্থা আছে। জাপানত শ্ৰমৰ মূল্য মনকৰিবলগীয়া। সকলো শ্ৰেণীৰ খেতিয়ক, শ্ৰমিক, টেক্সি চালক আদিক শ্ৰমৰ মৰ্যাদা দিয়া হয়। সেয়েহে জাপানত কোনো দুখীয়া মানুহ নাই আৰু কোনো মানুহেই অবাবত সময় নকটায়। আমাৰ ইয়াৰ দৰে ৰাস্তাই-ঘাটে কোনো মানুহক অকাৰণত ৰৈ থকা দেখা নাযায়। সমগ্ৰ জাপানতে যাতায়াতৰ ক্ষেত্ৰত কোনোধৰণৰ যান-জঁট দেখা নাযায়। স্পীড ব্ৰেকাৰৰ ক্ষেত্ৰত আমাৰ দেশৰ দৰে কেইটামান আলি দি নথয়, কেৱল সাংকেতিক চিহ্ন থাকে আৰু সেই চিহ্নক সকলোৱে সন্মান জনায়। এই সকলোবিলাক সম্ভৱ হৈছে জাপানৰ পৰিকল্পিত গুণগত শিক্ষা ব্যৱস্থাৰ বাবে।

দৰাচলতে যি শিক্ষা ব্যৱস্থাৰদ্বাৰা আমি সামাজিক সুৰক্ষাৰে ভাল মানুহ হ'ব পাৰোঁ তাকেই গুণগত শিক্ষা ব্যৱস্থা বুলি ক'ব পাৰি। কিন্তু সাম্প্ৰতিক সময়ত অধিকসংখ্যক অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীয়ে ভাল ডিগ্ৰী লোৱাটো বিচাৰে, কিন্তু শিক্ষা ল'ব নিবিচাৰে। এইটোৱে গুণগত শিক্ষাৰ

অন্তৰায় হৈ পৰিছে। কাৰণ ছাত্ৰ-ছাত্ৰীসকলে ভাবিব লাগিব যে তেওঁলোকে যি ডিগ্ৰী লৈছে সেই ডিগ্ৰীৰ জোখাৰে তেওঁলোকৰ শিক্ষা আছে নে নাই। যিয়ে ডিগ্ৰী আৰু শিক্ষাৰ লগত সমতা স্থাপন কৰিব পাৰিছে তেওঁৰেই গুণগত শিক্ষা লাভ কৰিছে বুলি ক'ব পাৰি। আমি শ্ৰেণীকোঠাত শিক্ষাগুৰুৰপৰা আহৰণ কৰা শিক্ষাখিনিক Hard Skill হিচাপে গ্ৰহণ কৰোঁ। এই Hard Skill ক যিসকল ছাত্ৰ-ছাত্ৰীয়ে Soft Skill লৈ ৰূপান্তৰ ঘটাব পাৰে তেনে ছাত্ৰ-ছাত্ৰীয়ে গুণগত শিক্ষা লাভ কৰিছে বুলি ক'ব পাৰি। গুণগত শিক্ষাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদানটো হৈছে Communicative Skill। এজন ভাল অসমীয়া, ইংৰাজী বা হিন্দী বিষয় ক'ব পৰা ব্যক্তি ভাল Comminicator নহ'ব পাৰে, কিন্তু এজন ভাল Communicator এ ভাষাটো ভালদৰে ক'ব পাৰে। আমাৰ মাতৃভাষা যিয়েই নহওঁক আমাৰ কৰ্মস্থলীৰ ভাষাটো পৃথক হ'ব পাৰে। সেয়েহে ভাল Communicator এজনে বেহা-বেপাৰকে আদি কৰি সকলো ক্ষেত্ৰতে উন্নতি কৰিব পাৰে। অসমৰ ছাত্ৰ-ছাত্ৰীসকল লাজুকীয়া আৰু নিচাত্মিকা স্বভাৱটো Communicative Skill উন্নত কৰাত অন্তৰায় হিচাপে দেখা দিয়ে। বিশ্বৰ প্ৰায়বোৰ উন্নত ৰাষ্ট্ৰৰ শিক্ষা ব্যৱস্থাৰ আৰম্ভণিতে শিক্ষাৰ্থীসকলে ভৱিষ্যতে কি হ'ব আগতীয়াকৈ ঠিৰাং কৰি লয় আৰু সেইমতে গুণগত শিক্ষা গ্ৰহণ কৰি জীৱনৰ বুনিয়াদ ৰচে।

শেষত আমি ক'ব পাৰোঁ আমাৰ ৰাজ্যখনৰ শিক্ষাব্যৱস্থাটো গুণগত মানদণ্ডসম্পন্ন হ'বলৈ হ'লে সুস্থিৰ পৰিকল্পনাৰে সমাজমুখী চিন্তা-চেতনাৰে শিক্ষক সমাজে উৎসৰ্গিত মনেৰে আগভাগ ল'ব লাগিব। এই গুণগত শিক্ষা ব্যৱস্থাক তৰান্বিত কৰিবৰ বাবে অভিভাৱকসকলৰ লগতে শিক্ষাৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তিয়ে ডিগ্ৰী আৰু শিক্ষাৰ সমতা স্থাপনত অধিক গুৰুত্ব দিব লাগিব।❑

*It is very easy to Defeat someone, But it is very hard to win someone.*

*- APJ Abdul Kalam*

# সাম্প্ৰতিক আঞ্চলিক ৰাজনীতি আৰু আমাৰ সচেতনতা

পল্লৱী ডেকা বুজৰবৰুৱা




**সা**ম্প্ৰতিক সময়ত অসম বা ভাৰতবৰ্ষৰ ৰাজনীতি বুলি ক'লে দেখা যায়, ৰাজ্য বা দেশৰ অথবা জন-গণৰ সমস্যা, সুযোগ-সুবিধা আৰু ভাল-বেয়াৰ ক্ষেত্ৰত উন্নয়নৰ কথাবোৰ তল পৰে, তাৰ নামতে চৰকাৰ অথবা ৰাজনৈতিক দলে পৰম্পৰলৈ বোঁকা ছটিওৱা নৈতিক–অনৈতিক ভাষণ-বক্তব্যবোৰ অথবা নিউজ চেনেলৰ "হট টকৰ্শ্বৰ চিঞৰ-বাখৰ, সাংবাদিকতাৰ 'এথিকচ্' বিসৰ্জন দিয়া পক্ষপাতিতা অথবা ছ'চিয়েল মেডিয়াত ভাইৰেল হৈ যোৱা বিভিন্ন পক্ষৰ তৰল-গধুৰ তৰ্ক-বিতৰ্কৰ সুস্থ-অসুস্থ চৰ্চাবোৰেই যেন আজিকালি ৰাজনীতি। আমাৰ দৰে দেশত পৰম্পৰাগতভাৱে সৰহসংখ্যক নাগৰিকৰেই আচলতে ৰাজনৈতিক ক্ষেত্ৰৰ প্ৰতি বিশেষ আগ্ৰহ নাই। নিজে কোনো সমস্যাৰ দ্বাৰা আক্ৰান্ত নোহোৱালৈকে অথবা নিজৰ নাগৰিক অধিকাৰ খৰ্ব নোহোৱালৈকে ৰাজনৈতিক শোষণৰ প্ৰতি সচেতন নহয়। ৰাজনৈতিক দলবোৰেনো কি কাম কৰি থাকে, চৰকাৰেনো বিভিন্ন আঁচনি বোৰত নিৰ্ধাৰিত কামবোৰ সময়ত সম্পূৰ্ণ কৰিছেনে নাই, আবণ্টিত ধনৰ সঠিক প্ৰয়োগ কৰিছেনে নাই- কোনেও খবৰ নাৰাখে। কিন্তু যেতিয়া ক'ৰবাত ধন-জনৰ ক্ষতি হয়, ব্যাপক খেলিমেলি হয়, তেতিয়াহে মানুহৰ গাত লাগে আৰু জাগৰিত হয়- তাকো নিজে ক্ষতিগ্ৰস্ত হোৱা একাংশইহে অধিকাৰ সম্পৰ্কে মাত মাতে। বাকী জনতাই জুই চকুৰ আগতে দেখি থাকিলেও জুয়ে আহি নিজৰ ঘৰ নুপুৱালৈকে নামাতে- সকলো স্বাভাৱিক আৰু সহজ কথাৰ দৰে গ্ৰহণ কৰে। ফলত সকলো ফালে ধন-জনৰ সৰুসুৰা ক্ষতিবোৰ যেন সমাজত তেনেই সহজ আৰু মান্য হৈ পৰিছে, দুৰ্নীতিও অঘোষিতভাৱে স্বীকৃত হৈ গৈছে। মানুহৰ মানসিকতাই স্বাভাৱিকভাৱে কিছুমান কথা মানি লয়। এই মানুহবোৰৰ সংখ্যাগত স্থিতিয়ে নিৰ্বাচনত ভোটৰ অংকত নিৰ্ণায়ক ভূমিকা ল'ব পাৰে। গতিকে ৰাজনৈতিক দলসমূহৰ লক্ষ্য সদায় তেওঁলোকতে দৃঢ়ভাৱে পণবদ্ধ হয়। এনে মানুহখিনিৰ সৰলতাৰ

কাৰণেই নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলবোৰে তেওঁলোকক সহজে আকৰ্ষণ কৰে। বিভিন্ন প্ৰলোভনৰ জাল পেলাই জনতাক ঠগিবলৈ সুবিধা পায়। ‘সোলাৰ ভাই মোলা’ আমাৰ জনতাইও কৃতজ্ঞতাত দোঁ খাই পাঁচবছৰৰ প্ৰতাৰণা দুই-এমাহৰ আদৰ-সাদৰতে পাহৰি যায়। অসমৰ জন-জীৱনৰ অস্তিত্বলৈকে মৃত্যু সংকট কঢ়িয়াই অনা বিদেশী নাগৰিক সমস্যাটোৱে আজিও জাতীয় অস্তিত্বৰ প্ৰতি ভাবুকি হৈয়ে আছে। অথচ এই সমস্যাটোক কেন্দ্ৰ কৰিয়েই শাসকপক্ষ,বিৰোধীপক্ষ আৰু অন্যান্য ৰাজনৈতিক দলে ৰাজনীতি কৰিয়েই আছে। কাৰণ যিকোনো প্ৰকাৰে সমস্যাটো জীয়াই থাকিলেহে তাৰ পৰা ন-ন ৰাজনীতি কৰাৰ সুযোগ ওলায়। গতিকে সমস্যা সমাধানৰ আন্তৰিক প্ৰয়াস এতিয়ালৈকে শাসনাধিষ্ঠ হোৱা কোনো দলৰ চৰকাৰৰ ক্ষেত্ৰতে দেখা নগ'ল। সকলো দলৰ সকলো চৰকাৰে কেৱল অসমৰ জনমানসক বিভ্ৰান্ত কৰি আহিছে। বিদেশী নাগৰিক বিতাৰণ কৰিবৰ বাবেই সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত **১৯৭৯** চনৰ পৰা **১৯৮৫** চনলৈকে অসমত সুদীৰ্ঘ এটা আন্দোলন হৈছিল। সেই আন্দোলনত **৮৫৫** জন লোক শ্বহীদ হ'ল- অনেক সময়, অৰ্থ আৰু মানৱসম্পদৰ অপূৰণীয় ক্ষতি হ'ল। তথাপি জানো অসমৰ পৰা বিদেশী বিতাৰণ নহ'ল। কিন্তু আজিও অসমৰ ভাগ্যত বিদেশী সমস্যাটো অপৰিৱৰ্তনীয় ৰূপত সমস্যা হৈয়েই ওলমি থাকিল।

এদিন ছবছৰীয়া অসম আন্দোলনৰ ফলশ্ৰুতিত বিদেশী বিতাড়ন কৰাৰ নিশ্চয়তা প্ৰদান কৰি আন্দোলনকাৰীৰ লগত কেন্দ্ৰ চৰকাৰৰ এখন চুক্তি হৈছিল- ‘অসম চুক্তি’। অসমৰ জনতা উৎফুল্লিত হৈছিল প্ৰথমবাৰৰ বাবে নিৰংকুশ সংখ্যা গৰিষ্ঠতাৰে আন্দোলনক নেতৃত্ব দিয়া নেতাৰে গঠিত ৰাইজৰ মৰমৰ আঞ্চলিক দল ক্ষমতালৈ আহিছিল। অসম চুক্তিয়ে অসমৰ ৰাজনৈতিক ক্ষেত্ৰলৈ কেইবাটাও পৰিৱৰ্তন আনিছিল-

১/ বিদেশী বহিষ্কৰণ আন্দোলনৰ নেতাৰ নেতৃত্বতে ‘অসম গণ পৰিষদ’ নামৰ আঞ্চলিক ৰাজনৈতিক দল গঠন হৈছিল।

২/ ৰাজ্যখনৰ, আৰ্থসামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, সামগ্ৰিক দিশৰ প্ৰতি অসমৰ জনসাধাৰণ সজাগ সক্ৰিয় হৈছিল।

৩/ উগ্ৰপন্থী দলসমূহৰ সক্ৰিয় গতিবিধি ৰে ‘অসম গণ পৰিষদৰ শাসন কালত আইন- শৃংখলা পৰিস্থিতি বিপন্ন হৈছিল।

৪/ গুপ্তহত্যাৰ আতংকৰে জনমানস আক্ৰান্ত হৈছিল।

‘অসম গণ পৰিষদ’ৰ বিফলতাৰ আৰম্ভ হৈছিল। **১৯৯১** চনৰ নিৰ্বাচনলৈ ‘অসম গণ পৰিষদ’ৰ ঐক্য ভাগিছিল-‘এ.জি.পি’ আৰু ‘এন.জি.পি’ হৈ দুফাল হৈছিল। এদিন ‘অসম গণ পৰিষদ’ৰ জাতীয়তাবাদী স্থিতিৰ থৰক-বৰক অৱস্থাই সৃষ্টি কৰিছিল অবিশ্বাসৰ পটভূমি। সেই স্থিতিয়েই অজস্ৰ অসমত আঞ্চলিক দলৰ জন্ম দিলে। আগতে এ. জি.পি ক সমৰ্থন কৰা সৰু সৰু আঞ্চলিক দলবোৰেও ‘এ.জি.পি’ আৰু ‘এন.এ.জি.পি’ দুয়োটা দলৰে বিপক্ষত থিয় দিলে আৰু ‘অসম গণ পৰিষদ’ৰ পৰাজয় হ'ল **১৯৯৬** চনত ‘এ.জি.পি’ আৰু ‘এন.জি.পি’ আকৌ এক হ'ল, কিন্তু তেওঁলোকৰ স্থিতিৰ বুনিয়াদ অবৈধ বাংলাদেশীৰ

সমস্যাটোৰ প্ৰতিয়েই কোনো গুৰুত্ব নিদিলে। যি 'অসম চুক্তি' ভিত্তি কৰি অসমত ৰাজনৈতিক খোপনি লৈছিল, সেই চুক্তিয়েই 'এ.জি.পি'ৰ নিৰ্বাচনীৰ ইস্তাহাৰতে ঠাই নাপালে। তেতিয়াই 'অসম গণ পৰিষদ'ৰ সততাৰ প্ৰতি অসমৰ জনমানসত সন্দেহৰ সূচনা হৈছেল। **২০০১** চনৰ নিৰ্বাচনত 'অসম গণ পৰিষদে' বি.জে.পিৰ লগত প্ৰথমবাৰৰ বাবে জোঁট বান্ধিছিল, কিন্তু জনতাৰ বিশ্বাসৰ পৰীক্ষাত সেইবাৰো উত্তীৰ্ণ নহ'ল। ইতিমধ্যেই 'অসম গণ পৰিষদ'ৰ জাতীয়াতাবাদী ৰাজনৈতিক চৰিত্ৰত কেৰোণ লাগিছিল- অসম গণ পৰিষদে স্বকীয়তা হেৰুৱাবলৈ আৰম্ভ কৰিছিল। **২০১৬** চনত বি. জে.পিৰ লগত 'অসম গণ পৰিষদ' ৰ পুনৰ জোঁটবন্ধন হ'ল। কিন্তু এইবাৰ আটাইতকৈ দুৰ্ভাগ্যজনক দুৰ্ঘটনাটো ঘটিল। ইফালে ছলে-বলে কৌশলে অসমৰ ক্ষমতা হস্তগত কৰাৰ পিচতেই বি.জে.পিৰ মুখা খাল খালে। শাসনৰ গাদীত বহাৰ পিছদিনাই এজনো বাংলাদেশীক অসমত থাকিবলৈ দিয়া নহ'ব বুলি ঘোষণা কৰা প্ৰধান মন্ত্ৰীয়ে বিশ্বাসঘাটকতা কৰিলে। **২০১৯** চনত নিৰ্বাচনৰ সময়ত দিয়া সেই প্ৰতিশ্ৰুতি ভংগ কৰি অসমৰ ওপৰত 'কা' আইন জাপি দিলে। সেই আইন অনুসৰি অসমৰ পৰা বিতাড়ন হ'বলগীয়া বিদেশীৰ বিভাজন কৰি হিন্দু বাংলাদেশীক নাগৰিকত্ব প্ৰদানৰ সিদ্ধান্ত ল'লে। এই আইনে অসমৰ জাতীয় জীৱনলৈ আৰু ভয়াৱহ অস্তিত্বৰ সংকট কঢ়িয়াই আনিলে। 'অসম গণ পৰিষদে' এই অন্যায় আইনৰ বিৰোধিতা কৰাৰ পৰিৱৰ্তে এই সিদ্ধান্তৰ অংশীদাৰ হ'ল। এনেদৰে 'অসম গণ পৰিষদ' দলটো যেন সম্পূৰ্ণভাৱে জাতীয়তাবাদৰ 'ট্ৰেক'ৰ পৰাই 'লাইনচ্যুত' হ'ল। 'কা' আইনৰ সমৰ্থক 'অসম গণ পৰিষদ'ৰ অস্তিত্ব কেৱল ৰাষ্ট্ৰীয়তাবাদী দল বি.জে.পিৰ স্তাৱকলৈ বিৱৰ্তিত হ'ল।

অসমত এতিয়ালৈকে ঘটি থকা জাতীয়তাবাদী আঞ্চলিক ৰাজনীতিত এই বিফলতাৰ কিন্তু ভুল নেতৃত্বও আছিল। যিকোনো সাংগঠনিক ক্ষেত্ৰতে দেখা যায় সাংগঠনিক ক্ৰিয়া-কলাপৰ ক্ষেত্ৰত যোগ্য নেতাৰ প্ৰয়োজন হয়। যি নেতাই কঠিন পৰিস্থিতিক চম্ভালি লৈ সংকট কালত সমাধানৰ পথ সন্ধান কৰিব পাৰে- যাৰ মাজত অনুসৰণকাৰী অনুগামীক সঠিক পথেৰে আগুৱাই নিয়াৰ বিচক্ষণতা থাকে, তেনে নেতাহে সংকটৰও সন্মুখীন হ'ব পাৰে। বাস্তৱিকতে নেতৃত্ব এটি অতি গধুৰ দায়িত্ব। নেতাৰ ব্যক্তিত্বত নিজৰ ব্যক্তিগত স্তৰত নিজৰ গুণগত অভিযোজনৰ লগতে প্ৰয়োজনীয় ক্ষেত্ৰত পৰিৱৰ্তনৰ মাজেৰে সামূহিক প্ৰয়াসক গতিশীলতা প্ৰদান কৰিব পৰা দক্ষতা থাকিব লাগে। একেদৰে সঠিক সময়ত সঠিক সিদ্ধান্ত লোৱাৰ দক্ষতাও থাকিব লাগে। বৃহত্তৰ সামূহিক কল্যাণ সাধন কৰাৰ মানসিকতাৰে একোজন নেতাই অনুসৰণকাৰীৰ বিশ্বাসযোগ্যতা আহৰণ কৰিব পাৰে। সঠিক নেতৃত্বই সামূহিক চিন্তা যোগাত্মক দিশত আগবঢ়াই নিবলৈ সক্ষম হয়। ভুল নেতৃত্বই কিন্তু সংগঠিত ভাল চিন্তাকো ধ্বংসৰ অটল গহ্বৰলৈ লৈ যাব পাৰে। ইতিহাসে তেনে ধ্বংসৰ অনেক সাক্ষ্য বহন কৰিছে- যুগে যুগে অনেক নেতাৰ ভুল নেতৃত্ব আৰু ভুল সিদ্ধান্তৰ ফলত পৃথিৱীত অনেক ৰক্তপাতৰ অধ্যায়ো ৰচনা হৈছিল। পৰিস্থিতিৰ লগত সংগতি ৰক্ষা কৰি দ্ৰুত সিদ্ধান্ত গ্ৰহণৰ দূৰদৰ্শিতা, প্ৰত্যুৎপন্নমতিতা, নিষ্ঠা, সহনশীল সামৰ্থ, দিক্, নিৰ্ণয়ৰ দৃঢ়তা আনৰ কথা শুনাৰ ধৈৰ্য, লক্ষ্য জনতাৰ লগত পোনপটীয়া সংযোগ, কঠোৰ পৰিশ্ৰমৰ উদ্যম আৰু দৃঢ়তা ইত্যাদি অনেক পৰীক্ষাৰ মাজেৰে অগ্নিস্নান কৰিহে এজন নেতা সফল বুলি পৰিগণিত হয়।

কিন্তু আমাৰ দেশত বাস্তৱত কি দেখা যায় ? শিক্ষাগত অৰ্হতা, ব্যৱহাৰিক সাধাৰণ জ্ঞান, কাৰ্যদক্ষতা অথবা জুঁকিয়াই মনৰ ভাৱ প্ৰকাশ কৰি কথা এষাৰ কোৱাৰো উপযুক্ততা নথকা অনেক অযোগ্য ব্যক্তিয়েই আজিকালি অনায়াসে নেতা হয়। নেতা হোৱাৰ লগে লগে বেশ-ভূষা, খাদ্যাভাষ, গৃহসজ্জা, গাড়ী-মটৰৰ চাকচিক্যৰ পৰা কথা-বাৰ্তাই নহয়, মানুহৰ প্ৰতি ব্যৱহাৰৰ স্বৰূপ অৰ্থাৎ সম্পূৰ্ণ চাল-চলনেই সলনি হৈ যায়। এনে নেতাই অইন কোনো পাৰদৰ্শিতা নাথাকিলেও কিন্তু বৈধ-অবৈধ যিকোনো প্ৰকাৰে টকা ঘটাৰ কৌশল আয়ত্ব কৰে। আন নহ'লেও কিন্তু জাত-পাত, ধৰ্ম-গোষ্ঠীৰ নামত বৈষম্যৰ বিষবাষ্প বিয়পোৱাৰ দক্ষতা আয়ত্ব কৰি লয়। কোনো গুৰুত্ব আৰু দায়বদ্ধতা উপলব্ধি নকৰাকৈয়ে দায়িত্বপূৰ্ণ বিভাগ একোটা অথবা বহুকেইটাৰ দায়বদ্ধতা কান্ধত কঢ়িয়াই লৈ ফুৰে। যিকোনো সমাৰেশত পৰিৱেশ-পৰিস্থিতিৰ লগত প্ৰসংগ-সংগতিৰ ক'তো কোনো সংযোগ নথকা আবোল তাবোল কথা কয়। এইসকলৰ নিজৰ ওপৰত ন্যস্ত দায়িত্ব বুজিব পৰা বুদ্ধি-বৃত্তি অথবা জ্ঞান থকা হ'লে নজনা নুবুজা বিষয়ত অযথা মুখ মেলি অজ্ঞতাৰ পৰিচয় নিদিলেহেঁতেন। দায়িত্ববোধ অথবা কৰ্তব্য সচেতনতা নথকা সাঙ্গোপাঙ্গ পৰিৱেষ্টিত ক্ষমতা-উন্মাদ এনে মন্ত্ৰী, এম. এল.এ ৰ সমদল আজিকালি আমাৰ দেশত বাটে-পথেও বৰ সুলভ দৃশ্য হৈ পৰিছে।

সি যি কি নহওক, জাতীয়তাবাদী ৰাজনীতিৰ ক্ষেত্ৰখনতো এনে নেতাই সংকটাৱস্থাৰ সৃষ্টি কৰিছে। এনে অস্থিৰ অৱস্থাৰ পৰিপ্ৰেক্ষাত অসমৰ স্বাৰ্থত অসমৰ হক বা অধিকাৰক অগ্ৰাধিকাৰ দি পৰিপূৰ্ণ ৰূপত জাতীয়তাবাদী চৰিত্ৰ বজাই ৰখা ৰাজনৈতিক দল এটাৰ প্ৰয়োজন অসমত হৈছে। যিটো প্ৰয়োজন পূৰোৱাৰ ক্ষেত্ৰত 'অসম গণ পৰিষদ' দল সম্পূৰ্ণ ব্যৰ্থ হ'ল। যি বিন্দুত অসম গণপৰিষদ ব্যৰ্থ হ'ল সেই বিন্দুত থিয় হৈয়ে ৰাজপথৰ আন্দোলন কৰি থাকোঁতেই ছাত্ৰই আকৌ আঞ্চলিক ৰাজনৈতিক যুঁজৰ প্ৰয়োজন অনুভৱ কৰিলে। ছাত্ৰৰ উদ্যোগতে অসমৰ ৰাইজৰ সমৰ্থনত নতুনকৈ আঞ্চলিক ৰাজনৈতিক দল আৰম্ভ হৈছে। অসমৰ অস্তিত্বৰ বৃহৎ সংকট ৰোধ কৰিবলৈ 'অসম গণ পৰিষদে' কৰি যোৱা ভুলবোৰ শুধৰাই লৈ নতুন ধৰণে জাতীয়তাবাদৰ ৰাজনৈতিৰ চিন্তা কৰা হৈছে। তেনে চিন্তাৰ ভেঁটিতে অসমত পুনৰ নতুন নতুন আঞ্চলিক ৰাজনৈতিক দলৰ সৃষ্টি হৈছে, যি অসমৰ জাতীয়তাবাদী ৰাজনীতিক সুস্থ-সবল আৰু সুস্থিৰ মাত্ৰা প্ৰদান কৰিবলৈ চেষ্টা কৰিছে। অসমৰ ৰাইজে তেওঁলোকৰ পৰা আশাও কৰিছে যে ৰাজনীতিৰ গুণগত মানৰ ক্ষেত্ৰতো তেওঁলোকে আপোচ নকৰিম বুলিও সংকল্পবদ্ধ হোৱা উচিত। আমিও আশা কৰোঁ, অসমৰ স্বাভিমানৰ প্ৰশ্নক অগ্ৰাধিকাৰ দি সম্প্ৰতি অসমত আৰম্ভ হোৱা আঞ্চলিক ৰাজনীতিৰ প্ৰয়াসবোৰ সফল হওঁক। এই ৰাজনীতিৰ নেতৃত্ব দিয়া সৰু-বৰ কোনো নেতাৰে যাতে মুখ মেলিলেই নুন্যতম অধ্যয়নৰ অভাৱও ওলাই পৰে। এই ক্ষেত্ৰত পৰম্পৰাগতভাৱে চলি অহা নেতাৰ শিক্ষাগত অৰ্হতাৰ কোনো মূল্য নথকা ব্যৱস্থাটো আঁতৰ হ'ব লাগিব। দেশৰ সংবিধান, আইন-কানুন, প্ৰশাসনিক ক্ৰিয়া-কলাপৰ নুন্যতম সাধাৰণ জ্ঞান নোহোৱা অপদাৰ্থ কোনো যাতে নেতা হ'ব নোৱাৰে, সেইটো নিশ্চিত হ'ব লাগিব। অসমৰ সাম্প্ৰতিক ৰাজনীতি ৰ পৰিৱৰ্তিত পটভূমিত জাতীয়তাবাদৰ ৰাজনীতি কৰিবলৈ ওলাই অহা এই নতুন উদ্যমসমূহৰ পৰা আমি নিশ্চিতভাৱে আশা কৰিম যে, অসমত জাতীয়তাবাদৰ সুৰক্ষাৰ বৃহত্তৰ স্বাৰ্থত আঞ্চলিক ৰাজনৈতিক শক্তিসমূহ আন্তৰিকতাৰে সৈতে একত্ৰিত হওক- একত্ৰিত হৈ যুঁজ দিয়ক ৰাষ্ট্ৰীয়তাবাদৰ সৰ্বগ্ৰাসী সংকটৰ বিৰুদ্ধে।❑

# বিস্মৃতিৰ চমু আভাষ


ডিম্বেশ্বৰ বৰুৱা

আজি কালি জ্যেষ্ঠ নাগৰিকেই হওঁক বা উঠি অহা সকলৰ মাজতেই হওঁক, প্ৰায়ে আলোচনা হয় যে, কথাবোৰ দেখোন মনত নথকা হৈছে। স্কুল কলেজত শিকা কথাবোৰেই হওঁক বা সাধাৰণ ব্যৱহাৰিক দিশত শিকা কাম-বনৰ কথাবোৰেই হওঁক তাৰে কিছুমান দেখোন পাহৰণিৰ গৰ্ভত লীন হৈ যায়। এনে পাহৰণি বা বিস্মৃতি প্ৰায় সকলো মানুহৰ ক্ষেত্ৰতে দেখা যায়। জীৱনত যিমানবোৰ কথা শিকা যায়, এই সকলোবোৰ মনত থকাটো বা মনত ৰখাটো সহজ নহয়। তাতে বিষয়টো মনোদৈহিক আৰু ই হৈছে স্মৃতি ক্ৰিয়াৰে এক অনুসংগিক মানসিক পৰ্যায়। আমাক প্ৰথমে সকলোবোৰ অভিজ্ঞতাই মনত সাঁচ বহুৱায়। কিন্তু সকলোবোৰ সাঁচ আমাৰ মনত সংৰক্ষিত নহয়। বিস্মৃতি হৈ পৰে (forgetfulness)।

সৰহ সংখ্যক মনোবিদে বিস্মৃতিক নঞৰ্থক ক্ৰিয়া বুলি ক'ব নিবিচাৰে। কিছুমান ব্যক্তিয়ে ইচ্ছা কৰিও কিছুমান কথা পাহৰিব বিচাৰে। আকৌ বহুতে পাহৰিব নিবিচাৰিলেও আমাৰ মনৰ মাজৰ পৰা কথাবোৰ বিস্মৃতিত লীন হোৱা দেখা যায়। মনোবিদৰ মতে, আমাৰ মনত নতুন কথা বা নতুন সংৰক্ষিত অভিজ্ঞতা লাভ কৰিবলৈ হ'লে মনৰ মাজৰ আগৰ সংৰক্ষিত কিছুমান অভিজ্ঞতাক (স্মৃতিক) পাহৰিব লাগিব। সেয়েহে স্মৃতিৰ বাবে বিস্মৃতিৰো প্ৰয়োজন। দুয়োটা বিষয় ইটোৰ লগত সিটো জড়িত। সাধাৰণতে ব্যক্তিৰ মনত অভিজ্ঞতা সংৰক্ষণবোৰ এক সীমাবদ্ধতাৰ মাজত থাকে। দৈনন্দিন জীৱনত নতুন অভিজ্ঞতাবোৰৰ আৱশ্যকীয় আৰু আমনিদায়ক অংশবোৰ বিস্মৃতিৰ যোগে চেতন মনৰ পৰা আঁতৰ কৰা হয়। তেতিয়াহে নতুন অভিজ্ঞতাই মনত ঠাই পায়।

আমাৰ সকলোৰে জ্ঞাত যে, ভাল স্মৃতি (good memory) মানে যিয়ে আমাৰ সচেতন মনত স্থায়ীভাৱে সাঁচবোৰ সংৰক্ষিত কৰি উপযুক্ত প্ৰয়োগ বা সঠিকভাৱে, লগতে প্ৰখৰতাৰে মনত পেলোৱা হয়। এনে মানসিক কাৰ্যৰ সাধাৰণ ক্ষমতাকে বুজায়। ইয়াৰ পৰা বুজা যায় যে, বহুতো ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা গৃহত তেওঁলোকৰ মনত সংৰক্ষিত অভিজ্ঞতাক (সাঁচবোৰ) স্থায়ীভাৱে সংৰক্ষিত কৰিব নোৱৰাৰ বাবে লগতে তেওঁলোকে অনুশীলন চলাই যাওঁতে বিষয়বোৰ এটাৰ পাছত এটা নতুন বিষয় ওপৰা-ওপৰি

হোৱাত প্ৰকৃততে স্থায়ীভাৱে সংৰক্ষিত নোহোৱাত (বিষয়বোৰ মনত আছিল যদিও) পৰীক্ষা গৃহত মনত পেলাবলৈ সক্ষম নহয়। তাৰোপৰি তেওঁৰ মনত পৰীক্ষা বুলি যি মানসিক চাপ চলি থাকে সেই ক্ৰিয়াইও কিছু খেলি-মেলি নকৰা নহয়।



মনোবিদ সকলে বিস্মৃতিৰ কাৰণবোৰ ঘাইকৈ এনেদৰে উল্লেখ কৰিছে। বহলাই ব্যাখ্যা নকৰি চমুকৈ উল্লেখ কৰিবলৈ চেষ্টা কৰা হৈছে - (১) অন্তৰিষ্ট-ক্ৰিয়া (Interpolated Activity) (২) অব্যৱহাৰ (Disuse) (৩) পূৰ্বলক্ষী অৱৰোধ (Retractive Inhibition) (৪) অৱদমন (Repression) (৫) নিৰ্দিষ্ট শিক্ষণ পদ্ধতিৰ অভাৱ (Definite Learning Method) (৬) চিন্তাৰ আৰু পুনৰাবৃত্তিৰ অভাৱ (Deficiency in thinking and Repetition) (৭) মানসিক সংস্থিতিৰ অভাৱ (Deficiency of Mental set) (৮) মস্তিষ্কৰ আঘাত (৯) স্নায়ুৰ সমস্যা (Nerve Problem) (১০) Poor health (ৰোগগ্ৰস্ত স্বাস্থ্য) (১১) মানসিক দৃষ্টিভঙ্গি (১২) স্মৃতি সংক্ৰান্তীয় ৰোগ (১৩) প্ৰেৰণা (Motivation) (১৪) ক্লান্তি (১৫) মানসিক চাপ (১৬) অন্তবাধা (Inhibition) (১৭) উত্তেজক পদাৰ্থ ব্যৱহাৰ (১৮) উদ্দীপক পৰিস্থিতি পৰিৱৰ্তন (১৯) পশ্চাতমুখী স্মৃতি ৰোধ (Retro-active Inhibition) (২০) পৰিৱৰ্তিত পৰিৱেশ (২১) বন্ধকৰণ (closure) (২২) আৱেগিক স্মৃতিৰোধ আদি বহুতো কাৰণ উল্লেখ কৰিব পাৰি।

বৰ্তমানে বহুতো পৰীক্ষাৰ দ্বাৰা স্মৰণ ক্ষমতাক নিৰ্ণয় কৰিব পাৰি আৰু স্মৃতি শক্তিক কেনেকৈ উন্নত কৰিব পাৰি ইয়াৰো মনোবিজ্ঞানত ফলপ্ৰসু আলোচনা হৈছে। ❑

<u>সহায়ক পুথি</u>

১। মনোবিজ্ঞান — ড০ গিৰীশ বৰুৱা
২। Psychology – S.C. Dutt.
৩। Psychology – Robert A. Baron

# অসমীয়া ভাষা-সংস্কৃতি সংৰক্ষণ আৰু সম্প্ৰসাৰণত অভিভাৱকৰ কৰণীয়

ববী দত্ত নেওগ

**ভা**ষা মানৱ সমাজৰ এক আপুৰুগীয়া সম্পদ। মানুহ এই সম্পদৰ একমাত্ৰ অধিকাৰী হ'ব পৰা হেতুকেই পৃথিৱীৰ অন্য জীৱৰ পৰা পৃথক। ভাষাৰ সহায়ত আমাৰ ভাৱ-অনুভূতিবোৰ এজনে অন্যজনৰ ওচৰলৈ প্ৰেৰণ কৰিব পাৰো অৰ্থাৎ ভাৱ বিনিময় কৰো আৰু সেইকাৰণেই ভাষাক ভাৱৰ বাহক বুলি কোৱা হয়। শিশু এটিয়ে জন্মৰ পিছৰে পৰা তাৰ স্বাভাৱিক বিকাশৰ লগে লগে স্বতঃস্ফুত ভাৱে যিটো ভাষাত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ লয় সেইটোৱেই হৈছে শিশুটিৰ বাবে মাতৃভাষা, সেয়েহে মাতৃভাষাক প্ৰথম ভাষা বুলিও কোৱা হয়। অসমত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীক সামৰি বৃহত্তৰ অসমীয়া জাতিৰ সৃষ্টি হৈছিল আৰু সেয়েহে সকলোৱে অসমীয়া ভাষা বুজি পায় আৰু ক'ব জানে। **১৮৩৬** খ্ৰীষ্টাব্দৰ পৰা **১৮৭৩** খ্ৰীষ্টাব্দলৈকে প্ৰায় দুকুৰি বছৰ অসমৰ পঢ়াশালি আৰু আদালতত বাংলা ভাষাৰ প্ৰচলন হৈছিল। **১৮৩৭** চনত 'স্থানীয় ভাষা' আদালতত আৰু পঢ়াশালিত চলাব পাৰে বুলি এখন আইন প্ৰৱৰ্তিত হৈছিল যদিও অসমৰ ক্ষেত্ৰত কিন্তু এই আইন প্ৰযোজ্য নোহোৱাৰ ফলস্বৰূপে ভাষা চৰ্চাত প্ৰতিবন্ধকতাই দেখা দিয়ে আৰু অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰখনক স্থবিৰ কৰি পেলাইছিল। **১৮৭৩** চনৰ পৰাহে অসমৰ পঢ়াশালি আৰু আদালতত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন হয়। বৰ্তমান সময়ত অসমৰ সকলো বিদ্যালয়তে 'অসমীয়া ভাষা'ৰ শিক্ষা দিয়া হয় আৰু কিছুমান বিদ্যালয়ত অসমীয়া মাধ্যমতে শিক্ষাদান দিয়া হয়। শেহতীয়া ভাৱে ভাষাৰ পণ্ডিত সকলে অনুমান কৰিছে যে বিভিন্ন কাৰকৰ ফলত একবিংশ শতিকাৰ শেষৰফালে পৃথিৱীত এঘাৰটা ভাষাহে বাচি থাকিব। যদিও অসমৰ সৰহ সংখ্যক লোকৰে মাতৃভাষা অসমীয়া তথাপি আমাৰ মাজত আমদানিকৃত ইংৰাজী আৰু হিন্দী ভাষাৰ প্ৰয়োভৰ দিনক দিনে দ্ৰুত গতিত বাঢ়ি আহিবলৈ ধৰিছে। কলা-সংস্কৃতিৰ ক্ষেত্ৰতো পাশ্চাত্যৰ সস্তীয়া সংস্কৃতিক আদৰি লোৱাৰ প্ৰতি প্ৰৱণতা দেখি অনুমান হয় কোনোৱা দিনা আমাৰ সেই ৰহনীয়া কৃষ্টি সংস্কৃতিক যেন পশ্চিমৰ সংস্কৃতিয়ে গ্ৰাস কৰি পেলাব। এতিয়াই আমি আমাৰ ভাষা ৰক্ষাৰ প্ৰতি সজাগ নহ'লে অদূৰ

ভৱিষ্যতে অসমীয়া ভাষাটো ছাগৈ এই এঘাৰটাৰ ভিতৰটো নাথাকিবগৈ। তেতিয়া, আমি অসমীয়া নহওঁ দুখীয়া বুলি কৈ সান্ত্বনা লভি থাকিলে একো লাভ নহ'ব। আমাৰ মানৰ সমাজৰ অদূৰদৰ্শীতাৰ কাৰণে যেনেকৈ বহুটো জৈৱবৈচিত্ৰ লুপ্তপ্ৰায় হৈছে তেনেদৰে আমাৰ অৱহেলা তথা উপযুক্ত সংৰক্ষণ আৰু চৰ্চাৰ অভাৱত অসমীয়া ভাষা সংস্কৃতিও এসময়ত বিলুপ্তি হোৱাৰ পথত অগ্ৰসৰ হৈছে। সংস্কৃতিয়ে মানৱ জাতিক, দেশ এখনক সৱল কৰি ৰাখে। বিশ্ববিখ্যাত মণীষী আৰ্ণল্ড টয়েনবীয়ে কৈছে "যিটো জাতিয়ে, যিটো সংস্কৃতিয়ে বা সভ্যতাই সময়ে সময়ে অহা প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব বা প্ৰত্যুত্তৰ দিব নোৱাৰে, সেই জাতি বা সংস্কৃতি লোপ পায়"। সেইদৰে, দুটা সংস্কৃতিয়ে সমান মৰ্য্যদাৰ আসনত একেলগে একে সময়তে কেতিয়াও তিষ্ঠি থাকিব নোৱাৰে। এটা সংস্কৃতিয়ে সময়ত আনটোক ধংস কৰিবই। আমি আমাৰ ভাষা, সাহিত্য বিশ্বত মুক্তভাৱে বিচৰণ কৰিবলৈ দুৱাৰ খিৰিকীবোৰ আমি খুলি ৰাখিম। কেতিয়াবা প্ৰয়োজন বুলি অনুভৱ কৰিলে বাহিৰৰ সাহিত্য-সংস্কৃতিৰ লগতো পৰিচয় হৈ পৰিস্থিতি সাপেক্ষে ব্যৱহাৰৰ কৰিম। কিন্তু, যদিহে বাহিৰৰ ভাষা সংস্কৃতিয়ে আমাৰ ঘৰত থিতাপি লৈ আমাৰ জাতীয় সম্পদখিনিক ৰঘুমলাৰ দৰে গিলি পেলাবলৈ বিচাৰে তেতিয়া আমি সেই বতাহচাতিক বাধা দিবলৈ দুৱাৰ খিৰিকীবোৰ বন্ধ কৰি দিব লাগিব তাকে নকৰিলে আমি অস্তিত্বৰ সংকটত ভুগিব লাগিব।

ভাষা এটা জীয়াই থাকিব তেতিয়াহে যেতিয়া সেই ভাষা ভাষিকলোকসকলে তেওঁলোকৰ ভাষাটো নিজৰ পৰিচয় বুলি ভাবি ভাল পাব পাৰিব, গৌৰৱ কৰিবলৈ শিকিব আৰু কেতিয়াবা অন্য ভাষিৰ লোককো এই ভাষাটো শিকাই লৈ ভাষাটো চৰ্চা কৰাৰ সুযোগ গ্ৰহণ কৰিব। ভাষাৰ লিখিত ৰূপটোৱেই হৈছে সাহিত্য। একেষাৰে ক'বলৈ হ'লে ভাষাৰ মাধ্যমত সাহিত্যৰ সৃষ্টি হয় আৰু সাহিত্যই জাতীয় সংস্কৃতিক জীয়াই ৰাখে। পদ্মনাথ গোহাঞি বৰুৱাদেৱৰ মতে, ভাষা আৰু সাহিত্যৰ মৌলিক পাৰ্থক্য হৈছে- "মানুহৰ মনোভাৱ ব্যক্ত হ'লেই ভাষাৰ সৃষ্টি হয় আৰু ভাষা লিপিবদ্ধ হ'লেই সাহিত্যৰ গঢ়িত হয়"। সাহিত্য হৈছে সমাজৰ দাপোন।

শিশুৱে নিজৰ ঘৰখনৰ পৰাই ভাষা আহৰণৰ প্ৰক্ৰিয়াটো আৰম্ভণি কৰে। সেইবাবেই ঘৰখনক শিশুৰ শিক্ষাৰ কঠিয়া তলি বুলি কোৱা হয় আৰু মাক হৈছে প্ৰথম শিক্ষক। শিশুৱে সদায় তাৰ কানত বাজি থকা ধ্বনি আৰু শব্দবোৰ অনুকৰণ কৰি নিজে ক'বলৈ অভ্যাস কৰে। ক্ৰমান্বয়ে শাৰীৰিক বিকাশ হোৱাৰ লগে লগে মানসিক বিকাশো হ'বলৈ ধৰে আৰু চাৰিওফালৰ সামাজিক পৰিৱেশৰ সংস্পৰ্শই তেওঁলোকক ভাষা শিকাত প্ৰভাৱান্বিত কৰে। সৰুকালছোৱাত ল'ৰা ছোৱালীয়ে সাধাৰণতে ঘৰখনত শুনি থকা কথা-বতৰা, মাকৰ কোলাত সোমাই থাকোতে শুনা সেই নিচুকনি গীতবোৰ, সাধুকথা, সাথঁৰ আদিৰ লগতে লগৰীয়াৰ লগতে খেলাধূলা কৰিয়ে ভাষাৰ আদিপাঠ গ্ৰহণ কৰে। ভাষা বংশানুক্ৰমিক ভাৱে আহৰণ কৰা বস্তু নহয় ইয়াক পৰিৱেশৰ পৰাহে আয়ত্ব কৰা হয়। সেয়েহে মাতৃভাষাৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰাৰ লগতে ভাষাটোৰ লগত চিনাকি কৰি দিয়াৰ সুযোগ গ্ৰহণ কৰিবলৈ আমাৰ অভিভাৱক সকলে শিশুৰ বয়স, মানসিক ক্ষমতা আৰু ৰুচি অনুযায়ী শুনিবলৈ শুৱলা হোৱাকৈ শুদ্ধ উচ্চাৰণ আৰু বাক্য গাঁঠনি ব্যৱহাৰ

কৰি ঘৰখনত মাতৃভাষাতে মতবিনিময় কৰিব পৰা এটি অনুকূল পৰিৱেশ সৃষ্টি কৰি ভাষা শিকোৱাৰ এক অনুশীলন আৰম্ভ কৰিব পাৰে। আমাৰ মাতৃসকলে বিভিন্ন ওমলাগীত যেনে- নিচুকণী গীত, আইমান,ধাইনাম, বিয়ানাম আদি সুমধুৰ গীতবোৰৰ সুৰ,লয় আৰু ছন্দৰ লহৰত তেওঁলোকক নিচুকোৱাৰ অভ্যাস কৰা আৰু সাধুকথা ৰামায়ণ মহাভাৰতৰ অলৌকিক কাহিনী বৰ্ণনা কৰি কল্পনাৰ জগতখনত সোমোৱাই তেওঁলোককো নিজৰ অনুভৱ ব্যক্ত কৰিবলৈ দি ওমলোৱাৰ চলেৰে অসমীয়া ভাষা-সাহিত্যৰ লগত সংযোগ সেতু স্থাপন কৰিব পাৰে। তেনেবোৰ পদ্ধতিৰ সহায় ল'লে শৈশৱৰ পৰাই তেওঁলোকে উপযুক্ত "স্থানত শব্দ ব্যৱহাৰ কৰিব পৰাকৈ শব্দ ভঁৰাল চহকী হ'ব আৰু ব্যাকৰণৰ জ্ঞানো কিছু পৰিমাণে আয়ত্ব কৰি ভাব প্ৰকাশ কৰাৰ কৌশল শিকিব। মাতৃভাষাৰ প্ৰতিভা সৃষ্টিৰ বাবে, প্ৰতিভা বিকাশ কৰিবৰ বাবে লাগিব এটি সুন্দৰ পৰিৱেশ আৰু অনুপ্ৰেৰণা। এই পৰিৱেশ আৰু অনুপ্ৰেৰণা পহিলাতে ঘৰখনেই প্ৰদান কৰিব লাগিব। ভাষা হৈছে একোটা জাতিৰ প্ৰাণ, সাংস্কৃতিক ধাৰক আৰু বাহক। সেয়েহে অসমীয়া সাহিত্য, কলা-সংস্কৃতি, ৰীতি-নীতি আৰু পৰম্পৰা এই সকলোবোৰৰ লগত অসমীয়া ভাষাটো সাঙুৰ খাই আছে। মহাপুৰুষ দুজনাই অপূৰ্ব সৃষ্টিৰাজিক অসমীয়া ভাষা-সাহিত্যলৈ যি অৱদান আমাৰ হাতত অৰ্পন কৰি গৈছিল সেইখিনিক অবিকল ৰূপত জীৱন্ত কৰি ৰখাৰ প্ৰতিও আমি সচেতন হোৱা প্ৰয়োজন। বিহু অসমীয়াৰ জাতীয় জীৱনৰ পৰিচয়। অসমত প্ৰতিটো বিহুকে অসমীয়াসকলে বিশেষ উদ্দেশ্যৰে বহুতো ৰীতি-নীতি আৰু পৰম্পৰা মাজেৰে উৎসাহ-উদ্দীপনাৰে পালন কৰিছিল। সেয়েহে ছাগৈ সুধাকণ্ঠ ভূপেন হাজৰিকা দেৱৰ গীতত পাওঁ "বহাগ মাথো এটি ঋতু নহয়, ব'হাগ এটি মাহ অসমীয়া জাতিৰ ই আয়ুস ৰেখা"। আমি প্ৰতিজন অসমীয়াই বিহুৰ ঐতিহ্য ৰক্ষা কৰাটো দায়িত্ব আৰু কৰ্তব্য বুলি নাভাবিলে অসমীয়া জাতি পৰিচয় বিহীন হৈ পৰিব আৰু আয়ুস কমি আহিব। এতিয়াৰ সমাজখনত অসমীয়া নৱবৰ্ষতকৈ ইংৰাজী নববৰ্ষহে বিশেষ গুৰুত্ব পোৱা দেখিবলৈ পোৱা গৈছে। সেয়েহে, আমাৰ অভিভাৱক সকলে নিজৰ বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানত নিজা ভাষা, কৃষ্টি-সংস্কৃতি চৰ্চা কৰাৰ সুযোগ সুবিধা প্ৰদান কৰি নিজকে অসমীয়া হিচাপে চিনাকী দিবলৈ শিকোৱা উচিত। আমাৰ উৎসৱ-পাৰ্ব্বণ, বিয়া-বাৰু, সভা-সমিতি, সবাহ-ভাওনা আদিত জাতীয় সাজপাৰ পৰিধান কৰি ধৰ্মীয় ৰীতি-নীতিৰে ৰক্ষা কৰি চলাটো আমি নিয়মলৈ ৰূপান্তৰিত কৰি জাতীয়তা বোধৰ ভাৱ জাগ্ৰত কৰাৰ এক নিদৰ্শন দাঙি ধৰিব পাৰো। কোনো এখন ঠাইৰ জলবায়ু আৰু জীৱন ধাৰণ প্ৰণালীৰ ওপৰত নিৰ্ভৰ কৰি সেই অঞ্চলৰ খাদ্য অভ্যাসে গঢ় লয়। তেনেদৰে নিৰ্বাচন কৰি লোৱা খাদ্য সামগ্ৰী সেই পৰিৱেশত জীৱন যাপন কৰা লোকসকলৰ স্বাস্থ্যৰ বাবে উপযোগী আৰু সেই অঞ্চলত সহজ লভ্য হয়। আমাৰ সেই জাতীয় খাদ্যবস্তু সমূহত যথেষ্ট পৰিমানে ঔষধি গুণ থকাৰ হেতুকে প্ৰাথমিক চিকিৎসাত সচৰাচৰ তেনেবোৰ খাদ্যক ব্যৱহাৰ কৰে। আমাৰ গৃহিনী সপ্তাহৰ কমেও এদিন ঘৰখনত অসমীয়া পৰম্পৰাগত খাদ্য প্ৰস্তুত কৰি পৰিয়ালটোক জুতিলগাই এসাজ ৰান্ধি খোৱাই জাতীয় কলা-সংস্কৃতিৰ স্থিতি সবল কৰাত অৰিহণা যোগাব পাৰে। আমি তাহানিৰে পৰা কৈ অহা অসমীয়া ভাষাত থকা আপুৰুগীয়া সমন্ধবাচক শব্দবোৰ যেনে-পেহীদেউ,পেহাদেউ,খুৰাদেউ,বৰদেউতা,বৰমা,

জেঠাইদেউ আদিৰ ঠাইত ইংৰাজী শব্দৰ ব্যৱহাৰ বেছি হোৱাত আগৰ সেই আপোন আপোন লগা ভাৱবোৰ কমি আহিবলৈ ধৰিছে। এতিয়াও যদি আমি সেই আত্মীয়তাৰ বান্ধোনেৰে বান্ধখাই থকা সমন্ধবাচক শব্দবোৰ ব্যৱহাৰ কৰিবলৈ লওঁ তেতিয়া ছাগৈ আগৰ দৰে পুনৰ মৰম আৰু আন্তৰিকতাবোৰ বাঢ়ি আহিব আমাৰ শুৱলা শব্দবোৰো জীয়াই থাকিব।

বিদ্যালয়ত মাতৃভাষা শিকনৰ বেলিকা, কোনো অভিভাৱকে উক্ত বিষয়টো বিদ্যালয়ত বিশেষ যত্ন সহকাৰে শিকিবলগীয়া বিষয় বুলি নাভাবে আৰু ঘৰতে ভাষাটো বুজিপোৱা আৰু সলসলীয়াকৈ ক'বলৈ শিকিযোৱাৰ হেতুকে বহুতো ছাত্ৰ-ছাত্ৰীয়ে ভাষা শিকাৰ প্ৰতি আগ্ৰহ প্ৰকাশ নকৰে। ফলস্বৰূপে শুদ্ধ ভাষা-সাহিত্যৰ শিকনৰ ক্ষেত্ৰত কিছুমান আসোঁৱাহ ৰৈ যায়। আমাৰ মাজৰে বহুতো অভিভাৱকে নিজৰ সন্তানে অসমীয়া ভাষা শুদ্ধকৈ ক'ব নাজানে বুলি কৈ গৌৰৱ অনুভৱ কৰাও কেতিয়াবা দেখিবলৈ পোৱা যায়। শিশুৱে শ্ৰৱণ, কথন, পঠন আৰু লিখন এই চাৰিটা কৌশল প্ৰণালীগতভাৱে আহৰণ কৰিলেহে ভাষাৰ কথিত আৰু লিখিতৰূপ শুদ্ধভাৱে আয়ত্ব কৰিব পাৰিব। কোনো এজন ব্যক্তিৰ ব্যক্তিত্বৰ এটা অংগ হৈছে কথন। শ্ৰোতাৰ অন্তৰ জয় কৰিব পৰাকৈ শুদ্ধ উচ্চাৰণ আৰু সুন্দৰ কথন ভংগীৰে মধুৰভাৱে নিজৰ ভাব ব্যক্ত কৰিব জনাটোও এটা কলা। আজিকালি হাততে পোৱা ম'বাইল ফোনবোৰ হোৱাত ল'ৰা-ছোৱালীয়ে পাঠ্যপুথিৰ উপৰিও অন্য কিতাপ পঢ়ি জ্ঞানৰ পৰিসৰ বঢ়োৱা , পঠনৰ অভ্যাস বৃদ্ধি কৰি পঠনৰ দক্ষতা বৃদ্ধি কৰা, আলহী অতিথিৰ লগত হাঁহি-ফুৰ্তিকৈ কথা বতৰা পতা, ওচৰ-চুবুৰীয়াৰ ঘৰত ফুৰা-চকা কৰি আনন্দ লোৱা আদি কথাবোৰ চিন্তাই নকৰে আৰু অভিভাৱক সকলো এই ক্ষেত্ৰত সচেতন নহয়। এনেধৰণে ম'বাইল গেম, ফেচবুক, হোৱাটছএপত, ব্যস্ত হৈ থাকিলে এটা সময়ত আমাৰ সন্তান ছাগৈ হাঁহিব নজনা হ'ব, মানুহৰ লগত কথা পাতিবও নজনা হৈ পৰিব। অসমীয়া ভাষা সম্প্ৰসাৰণৰ প্ৰতি অনুৰাগ বঢ়াবৰ কাৰণে আমি অভিভাৱক সকলে সামাজিক সম্পৰ্ক অটুত ৰাখি আগুৱাই যোৱাৰ আদৰ্শ দেখুৱা পাৰিলেহে আমাক অনুকৰণ কৰি ভৱিষ্যতৰ দিনবোৰত তেওঁলোক আগবাঢ়ি যাব পাৰিব। ভাষাৰ দক্ষতা অৰ্জনৰ সুবিধাৰ্থে ওপৰেঞ্চি অধ্যয়নৰ হেতু ঘৰতে উন্নতমানৰ অসমীয়া ভাষা সাহিত্যৰ কিতাপ, আলোচনী, বাতৰিকাকত আদিৰ ব্যৱস্থা কৰি দিব পৰা যায়। সমূহীয়া স্বাৰ্থৰ নিজা নিজা অঞ্চলত সকলো বয়সৰ পাঠকৰ বাবে উপযোগী হোৱাকৈ পুথিভঁৰালৰ ব্যৱস্থা কৰি সকলোৰে মাজত কিতাপ পঢ়াৰ এক আলোড়ণ সৃষ্টি কৰিব পাৰি। কেতিয়াবা অসমীয়া শিল্পী-সাহিত্যক সকলৰ স্মৃতি সোঁৱৰি শিশুসকলৰ মাজত লুকাই থকা সৃজনাত্মক প্ৰতিভা বিকাশ কৰিবলৈ সাহিত্য আৰু সাংস্কৃতিক প্ৰতিযোগীতাৰ আয়োজন কৰি সাহিত্য চৰ্চাৰ প্ৰতি অনুৰাগ বঢ়াই তুলিব পাৰি। কোনো এটা ভাষাৰ চৰ্চা আৰু ব্যৱহাৰ যিমানেই ব্যাপক হয়, সেই ভাষা সাহিত্যও সিমানে চহকী হয়। এনেকৈ অভিৰুচি আৰু প্ৰণালীবদ্ধভাৱে আমি অসমীয়া জাতীয় জীৱনৰ প্ৰতিচ্ছবিখন সজীৱ কৰি ৰাখিবলৈ যত্নপৰ হ'ব পাৰো। আমাৰ কলা-সংস্কৃতিক জীয়াই ৰাখিবলৈ আমাক ভাষা লাগিব, তেনেদৰে ভাষা থাকিলেহে জাতিটো জীয়াই থাকিব। আহক, আমি সকলো অভিভাৱকে চিৰ চেনেহী অসমীয়া ভাষা উত্তৰণৰ যাত্ৰাত সহযাত্ৰী হৈ আগবঢ়ো।❑

# Gandhi's concept of Education and its ethical perspectives for the development of Peace

Surajit Borah



Gandhi was a utopian; he tried to bring the Kingdom of God on the earth where truth and non-violence would be guiding principles. His utopianism arose out of his love for humanity. He firmly believed that the goodness of the individual formed the constituent part of the goodness of the society. Like John Ruskin, he considered 'man' is the most important to bring a peaceful and harmonious society. He says, "The individual is the one supreme consideration. Man is neither mere intellect, nor the gross animal body, nor the heart or soul alone. A proper and harmonious combination of all the three is required for making of the whole man and constitutes the true economics of education." His concept of political system is closely connected with education. In a good political system, there must be the element of goodness necessarily present in every man. There is the need of a proper education system to the individuals in order to bring out such element of goodness. He talks about education is more com-

prehensive than that of the literal meaning. He says, "By education I mean an all round drawing out of the best in child and man–body mind and spirit. Literacy is not the end of education not even the beginning. It is one of the means whereby man and women can be educated. Literacy in itself is no education."

Gandhi thought that education is closely associated with the socio-economic development of the society. He took up scheme for basic education in which vocational training or work experience is the utmost important. It is due to the fact that it stimulates the human mind for creative thinking or dignity of manual labour. He thought that such creative thinking should be taken up from primary to higher level education. His view on basic education is greatly influenced by his philosophy of satya (truth), ahimsa (non-violence), firm belief in God, dignity of labour. The Kothari Commission also followed Gandhi's ideal of vocational training in education. This commission says, "We recommend that work experience should be introduced as an integral part of all India education–general or vocational. We define work experience as participation in productive work in school, in the home, in a workshop, on a farm, in a factory or in any other productive situation." This commission re-emphasizes the Gandhian principle of learning by doing in the modern education. The main aim of education is the development of human personality. He expanded fourfold personality in the individual that is body, mind, heart and spirit. True education stimulates the spiritual, intellectual and physical strength of the individual. His views on education of heart which brings the idea of sympathy, fellowship and deep feelings of love. The aim of education is not only to produce good individual but also one must understand one's own responsibilities in which one lives. It is closely related to Hindu concept of varnashram dharma. One who understood his or her responsibilities would lead to the spirit of social consciousness and social mindedness. Then, all the activities of such persons will have a social content as well as co-operation to others.

Gandhi talks about education in terms of discipline. It is regarded as one of the most important parts and parcels of education. Without discipline, the sound education system is impossible. It is a quality that one's self can lead to the regulation of one's intellectual, moral, spiritual and social behaviour. It is stated that the goal of education consists of character-building. Such character-building requires the moral, intellectual and social behaviour under all circumstances i.e., strength of personality, the virtue of compassion, kindness, fairmindedness and the spirit of dedication. Gandhi strongly holds that education is

not end in itself but it is the most powerful weapon which creates all persons of genuine characters. There is degeneration of education when the qualities of truthfulness, firmness, tolerance are absence from it. True education is life process which helps in cultivating the spirit of co-operation, tolerance, public spirit and a sense of responsibility. All these qualities are considered as disciplines for the development of human personality. Such disciplines can create the harmonious balance between the individuals and social aim of education. His principle of 'learning by doing' tries to stimulate the individual's mind to think creatively, independently and critically. His great emphasis on work-culture to the students from the primary stage to higher stage is to enable the students to start producing from the time he started his training. So, his primary information of basic education is Head, Heart and Hand rather than Reading, Writing and Arithmetic.

Gandhi also maintains that education is essential for the attainment of the goal of peace. It can be attained only through morality and ethics. According to Gandhi, education is the realization of the best in man - body, soul and spirit. He maintained that education must be based on ethics and morality. Ethics and morality are integral to Gandhi's life. All his thoughts, actions and speeches are based on these two concepts. From the ethical perspective, education may be considered as a means of attainment of salvation. It helps to the path of the complete peace. Peace is the absence of violence and hostile thought. As a daily practitioner of non-violence, Gandhi right from his earlier stage considered that non-violence is an indivisible, important and essential part of education. We cannot be separated education from ethics, morality and spiritualism. For this purpose Gandhi has given some rules for all students so as to ensure that morality and righteousness always be considered as an essential part of their education. Regarding this, such rules can make to right thinking, self-control, service to the society, respect to others and constant awareness for their duties and responsibilities.

Today, the world is suffering from immense crisis from many sides. Crimes, conflict, hatred and distrust between one community and another, hunger, unemployment, poverty and literacy, paucity of resources and pollution of environment, deforestation and desertification, swelling number of migrants and refugees, ethnic and sub-national violence, terrorism, drug trafficking, AIDS etc., all these altogether make a grave danger to peace. The present day crisis is greater than the crisis that occurred during the time of Gandhi. The world is now full of violence. With the advancement of science and technology

human being has invented many new technologies which are very helpful in our life. His principle of aparigraha is one of the most important to bring simple and peaceful living, co-operation with one another. However, in our present day society we are facing so many conflicts. One of them is based on our knowledge which has been separated from work-ethics. Knowledge is separated in thought, in life as well as in market values by faulty psychology, faulty sociology and faulty economics respectively. Education plays an important role which helps to equip individuals with the skills and attitudes that are necessary in order to adapt in changing situations and to add the creative spirit in the task of social change. 'Work and knowledge should go together' is the Gandhian principle of education. The educational systems try to develop the individual soul and mind, courage and self-reliance, cultivate the highest intellectual, scientific, moral and ethical accomplishments.

Gandhi's concept of education is of quite significance in the contemporary situation. His philosophical concept of education is entirely based on the development of human personality, to maintain the discipline, to create the manual work with learning and to develop the culture of the peace. He was a great educationist and an individualist par excellence. He knew that education is the most important means in the society which can be used as an instrument of socio-economic progress, material advancement, political evolution and moral development of an individual. Gandhi's whole philosophy and work was based on ethics and morality. His concept of education is also founded on ethics and morality. It may be said that his concept of education has full of religious ideas. His idea of religion is different from common concept. His concept of religion is 'service of humanity'. For the spirit of religions he propounded 'Nai Talim' or 'basic education'. His philosophical thought on education is highly pedestal that creates the socio-economic development of the society.

We can draw a conclusion that his concept of education is not only the eradication of illiteracy but learning by doing. He preaches the doctrine of simple living and high thinking. His education system are greatly emphasizing the culture of peace, sincere work, dedication of the cause of the nation, social minded, friendliness, right feelings, economic advancement, physical improvement and socio-cultural progress. It is based on work-centre education which can provide the necessary economic self-sufficiency and self-reliance.❑

# পৰিৱেশ্য কলা ঃ গুৰুত্ব আৰু প্ৰাসংগিকতা

ৰূপান্তৰ বৰপাত্ৰ গোহাঁই

**মা**নুহৰ সৌন্দৰ্যপিয়াসী মনটোৰ ভাৱ-অনুভৱ, আনন্দ-বিষাদ, মনৰ বিভিন্ন ৰং সমূহ যাৰ জৰিয়তে প্ৰকাশ সম্ভৱ হয় সিয়েই কলা (Art)। এক অৰ্থত কলা শব্দটো সৃষ্টি আৰু সৌন্দৰ্যৰ লগত এৰাব নোৱাৰাকৈ বান্ধ খাই আছে। ইয়াৰ ইতিহাস অতি প্ৰাচীন। মানুহৰ সৃষ্টিশীল অনুভৱী বিচিত্ৰ মনটোৱে বিভিন্ন ৰূপত কলাৰ জৰিয়তে আত্মপ্ৰকাশ কৰিছে। কোনোৱে যদি সাহিত্য চৰ্চা কৰি অনুভৱবিলাক প্ৰকাশ কৰিছে, আন কোনোবাই ছবি আঁকি, নাটক কৰি, গান গাই, নাচি-বাগি বা চলচ্চিত্ৰ নিৰ্মাণ কৰি নিজৰ ভাৱ-আৱেগসমূহ প্ৰস্ফুটিত কৰিছে। এনেকৈয়ে মানুহৰ মনৰ বিচিত্ৰতা অনুসৰিয়েই বিভিন্ন ভাগত কলাসমূহক ভাগ কৰি লোৱা হৈছে। যেনে- সাহিত্য, সুকুমাৰ কলা, পৰিৱেশ্য কলা, ভিজুৱেল আৰ্ট, নিউ মিডিয়া আৰ্ট, ইনষ্টলেচন আৰ্ট ইত্যাদি।

এই কলাৰ ভাগসমূহৰ এটা অতি উল্লেখযোগ্য কলা হৈছে পৰিৱেশ্য কলা (Performing Art)। যিসমূহ কলাক দৰ্শকৰ চকুৰ সন্মুখত প্ৰত্যক্ষভাৱে প্ৰদৰ্শন কৰা হয় সিয়েই পৰিৱেশ্য কলা। এই হিচাপে নৃত্য-গীত আৰু নাটক এই তিনি প্ৰকাৰৰ কলাক মুখ্যতঃ পৰিৱেশ্য কলা আখ্যা দিয়া হয়। নাটক অতি উৎকৃষ্ট আৰু জনপ্ৰিয় কলা হিচাপে চিহ্নিত। বৰ্তমান যুগত পৰিৱেশ্য কলাৰ জনপ্ৰিয়তা, গুৰুত্ব আৰু প্ৰাসংগিকতা আগতকৈ বেছিকৈ বঢ়া দেখা যায়। ই অতি শুভ লক্ষণ। পৰিৱেশ্য কলাৰ গুৰুত্ব আৰু প্ৰাসংগিকতা ক'ত ক'ত আৰু কিয় ইয়াৰ প্ৰাসংগিকতা অধিক বৃদ্ধি পাইছে তাক আমি তলত কিছু ফঁহিয়াই চাবৰ চেষ্টা কৰিম।

কলা মানেই সৃষ্টি। গতিকে য'ত সৃষ্টি থাকিব তাত কলা থাকিব। কলাত ধ্বংসৰ পৰিৱেশ দেখুৱালেও তাৰ মাজতেই সৃষ্টিৰ বীজ সোমাই থাকে। কলা হৈছে মানৱ জীৱন, সভ্যতা-সমাজৰ দাপোন। ইয়াৰ সৰ্বোৎকৃষ্ট লক্ষ্য হৈছে আনন্দ প্ৰদান আৰু মানুহৰ মনৰ উত্তৰণ কৰা। জগতৰ যিকোনো এটা বিষয়ক কলাকাৰে যেতিয়া নিজৰ কলা কৰ্মৰ জৰিয়তে দেখুৱাই আৰু মানুহে নান্দনিক তৃপ্তি লাভ কৰি শেষত পৰিতৃপ্ত হয়, যাক এৰিষ্টটলীয় ভাষাত 'কেঠাৰছিছ (catharsis)' বুলি কোৱা হয়, সেই কেঠাৰছিছৰ উদ্ৰেক কৰাই কলাৰ এটা মুখ্য উদ্দেশ্য। পৰিৱেশ্য কলাৰো সেই একেই উদ্দেশ্য আৰু লক্ষ্য। মানুহে নাটক এখন চাই বা গান এটা শুনি তাৰ ভিতৰলৈ সোমাই যাব বিচাৰে, ভিতৰৰ ছবিবোৰ, কেন্দ্ৰীয় ভাৱ, চৰিত্ৰ, দ্বন্দ্ব-সংঘাট এইবোৰৰ লগত

মনেৰে খেলা কৰে আৰু শেষত মনটো ভৰি উঠে। নতুন অনুভৱ আৰু উপলব্ধি হয়, চিন্তা-চেতনা জাগ্ৰত হয়। কিন্তু উৎকৃষ্ট শিল্পতহে ইয়াৰ শ্ৰেষ্ঠ ফলাফল লাভ কৰা হয়। সেইবাবে টুলুঙা গান এটা বা নৃত্য এটা উপভোগ কৰি, বা তৰল নাটক এখন চাই আমি সেই অতীন্দ্ৰীয় স্বৰ্গীয় উপলব্ধি নাপাওঁ, যিটো এটা ভাল শিল্পত পাওঁ। সকলো কলাৰ দৰেই দৰ্শকৰ মনৰ উত্তৰণ ঘটাব পৰা আৰু আমোদ দিব পৰা এটা শ্ৰেষ্ঠতম কলা হৈছে এই পৰিৱেশ্য কলা। গতিকে গীত-নৃত্য, নাটক এই তিনিওটা কলাৰে এই ক্ষেত্ৰত ভূমিকা আৰু প্ৰাসংগিকতা অতি বেছি।

মানুহৰ মন স্বভাৱতেই কল্পনাপ্ৰৱণ। কিন্তু তাৰ ভিতৰতে এনে বহু মানুহ আছে যাৰ মন বিভিন্ন কাৰণত বৰ বেছি অনুভূতিপ্ৰৱণ নহয়। আজিৰ অতি ব্যক্তিকেন্দ্ৰীক ৰূঢ় যান্ত্ৰিক সমাজ ব্যৱস্থাত অনুভৱ, কল্পনা, চিন্তা এনে মানুহৰ সুক্ষ্ম জৰুৰী উপাদানবোৰ বেছিকৈ ভোটাহে হৈ পৰিছে। এইক্ষেত্ৰত বাস্তৱিক ভূমিকা ল'ব পাৰে পৰিৱেশ্য কলাসমূহে। কলাৰ লগত জড়িত বেছিভাগ মানুহেই অতি ইন্দ্ৰিয়প্ৰৱণ (Sensitive), অনুভূতিসম্পন্ন, চিন্তাশীল হয়। কল্পনা, চিন্তা আৰু অনুভৱেই কলাকাৰৰ শ্ৰেষ্ঠ সম্পদ। গতিকে পৰিৱেশ্য কলাৰ লগত সৰুতেই জড়িত হ'ব দিলে এটা শিশুৰ এই গুণবোৰৰ বিকাশ হয়। ভৱিষ্যতে এজন মানৱীয় গুণ সম্পন্ন, জীৱনমুখী ব্যক্তি হোৱাত এই কলাসমূহে ইন্ধন ৰূপে কাম কৰে। জীৱনবোধ যিমানেই গভীৰ হ'ব এজন শিল্পীৰ সৃষ্টি সিমানেই ভাল হ'ব। তেনেকৈ এজন সাধাৰণ ব্যক্তিৰ বাবেও সুস্থ জীৱনবোধ অতি প্ৰয়োজনীয়।

যেতিয়া এটা শিশুৱে পৰিৱেশ্য কলাসমূহৰ প্ৰকৃতভাৱে সাধনা কৰে সেই শিশুটোৱে নিজকে বুজি পাবলৈ আৰম্ভ কৰি দিয়ে। যেতিয়া এখন নাটকত এটা চৰিত্ৰ ৰূপায়ণ কৰা হয়, সেই চৰিত্ৰটি খুব ভালকৈ বুজি লোৱা আৰু অনুধাৱন কৰা অতি প্ৰয়োজন। তাৰোপৰি নিজৰ সহযোগী অভিনেতা, নাটকৰ পৰিৱেশ বিষয়বস্তু আদিও ভালকৈ বুজি ল'ব লাগিব। এনেদৰে বিভিন্ন চৰিত্ৰত অভিনয় কৰোঁতে বিভিন্ন চৰিত্ৰসমূহৰ পৰিৱেশ, পৰিস্থিতিৰ বিষয়ে এটা সম্যক জ্ঞান শিশুটোৱে আহৰণ কৰে। এনেদৰে ব্যক্তিজনে নিজৰ স্থিতিৰ বিষয়ে অনুধাৱন কৰাৰ উপৰিও সমাজ ব্যৱস্থাটো সম্পৰ্কে সম্যক জ্ঞান আহৰণ কৰিব পাৰে। কাৰণ নাটক বা যিকোনো পৰিৱেশ্য কলাতে সমাজ, সমাজৰ বিভিন্ন চৰিত্ৰসমূহ প্ৰতিফলিত হয়। সেইবাবে যিসকল মানুহ প্ৰকৃতভাৱে কলাৰ লগত জড়িত তেওঁলোকৰ সামাজিক দায়িত্ববোধটো বহু পৰিমাণে বাঢ়ি যায়।



সমাজৰ অনাচাৰ-অনীতি, ভ্ৰষ্টাচাৰ, অৰাজকতা, মূল্যবোধহীনতা, দুৰ্নীতি আদিয়ে তেওঁলোকৰ অন্তৰত বেছিকৈ মনোকষ্ট দিয়ে। কলাৰ জৰিয়তে তেওঁলোকে তাক প্ৰকাশ কৰে, প্ৰতিবাদ সাব্যস্ত কৰে। এটা প্ৰতিবাদী সত্তা

জাগ্ৰত হৈ উঠে।

এনেকৈয়ে এজন মানুহক সামাজিকীকৰণ কৰাৰ ক্ষেত্ৰত পৰিৱেশ্য কলাৰ বহু গুৰুত্ব আছে। নাটক বা এনে পৰিৱেশ্য কলাত এটা দল হৈ কাম কৰিবলগীয়া হয়। নাটক এখন কৰোঁতে দলৰ সকলো সদস্যক বুজি পাবলগীয়া হয়, প্ৰত্যেকেই ইজনে সিজনৰ লগত সহযোগিতাৰে কাম কৰিলেহে এটা দলীয় সুন্দৰ নাট্য প্ৰযোজনা বা নৃত্য-সংগীত প্ৰযোজন সফল হৈ উঠে। এটা দলত বিভিন্ন প্ৰকাৰৰ ৰুচিৰ মানুহ থাকিব পাৰে। কিন্তু ৰুচি আৰু চৰিত্ৰৰ ভিন্নতা স্বত্তেও প্ৰযোজনাটি কৰিবৰ সময়ত সকলোৰে একেলগে কাম কৰিবই লাগিব। এনেকৈয়ে এজন ব্যক্তিৰ সহযোগিতাৰে কাম কৰাৰ মানসিকতা আৰু দায়িত্ববোধ গঢ়ি উঠে। তাৰোপৰি নিয়মানুৱৰ্তিতা, সহিষ্ণুতা আদি মূল্যৱান গুণসমূহো কব নোৱাৰাকৈয়ে গঢ়ি উঠে।

যোগাযোগ (Communication) আজিৰ যুগত এটা অতি প্ৰয়োজনীয় বস্তু। ফলপ্ৰসু যোগাযোগ অবিহনে আজিৰ দিনত একোৱেই নহয়। পৰিৱেশ্য কলা সমগ্ৰ ৰূপটিয়েই দৰ্শক বা শ্ৰোতাৰ লগত যোগাযোগৰ ওপৰত নিৰ্ভৰশীল। দৰ্শকৰ লগত কথা কৈ (verbal) যোগাযোগ কৰিব পাৰো। সফল যোগাযোগৰ লগত feedback প্ৰক্ৰিয়াটোও জড়িত হৈ থাকে। যিমানেই সুন্দৰ যোগাযোগ হ'ব সিমানেই উৎকৃষ্ট feedback পোৱা সম্ভৱ। যোগাযোগৰ এটা মূল অস্ত্ৰ হ'ল কথা-বাৰ্তা। আমি নাটক এখনত সাধাৰণতে সংলাপ বা কথা-বতৰাৰ মাজেদিয়ে যোগাযোগৰ কাৰ্য সম্পন্ন কৰো। এজন অভিনেতাই প্ৰায়ে যেতিয়া মঞ্চত নাটকৰ চৰিত্ৰ ৰূপায়ণ কৰি দৰ্শকৰ লগত যোগাযোগ কৰি থাকে, ক'ব নোৱাৰাকৈয়ে তেওঁৰ বাস্তৱিক জীৱনতো যোগাযোগৰ কলা, কথা কোৱাৰ দক্ষতা, ভাষাৰ দক্ষতা, শুদ্ধ উচ্চাৰণ আদি গঢ়ি উঠে। আৰু তেওঁ ক'ব নোৱাৰাকৈয়ে এজন সফল গণসংযোগকাৰী হৈ উঠে। তেনেদৰে সংগীত হৈছে গণসংযোগৰ এটা অতি শক্তিশালী মাধ্যম। সমাজৰ অন্যায় অনীতি, দুৰাৱস্থা, শাসক সুবিধাবাদী শ্ৰেণীয়ে দুৰ্বল শ্ৰেণীৰ ওপৰত কৰা শোষণ-অত্যাচাৰ, শ্ৰেণী বৈষম্য, ধৰ্মীয় অসহিষ্ণুতা আদিৰ বিৰুদ্ধে প্ৰতিবাদ কৰি গীত-সংগীতে সৰ্বসাধাৰণ ৰাইজক উৎসাহিত কৰিব পাৰে, সাহস মনোবল দি প্ৰতিবাদী সত্তা জাগ্ৰত কৰিব পাৰে। যিটো যুগে যুগে ঘটি আহিছে। পল জেকচন আদি মহান সংগীত শিল্পীয়ে প্ৰতিবাদৰ অস্ত্ৰ হিচাপে লৈছে সংগীতক। পল ৰবচনৰ ধুমুহাৰ দৰে প্ৰতিবাদী গীতত থকা-সৰকা হৈ সেই সময়ৰ মাৰ্কিন চৰকাৰে অহৰহ পল ৰবচনক হত্যাৰ পৰিকল্পনা কৰি আছিল। তেওঁৰ সংগীতানুষ্ঠানসমূহত আৰক্ষী প্ৰাশসনে বৰ্বৰতাৰে দমন কৰি শ্ৰোতাক নিৰ্যাতন চলাইছিল। আমাৰ অসমতো বিষ্ণু ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, হেমাংগ বিশ্বাস, ভূপেন হাজৰিকা আদি যুগজয়ী গণশিল্পীয়ে সংগীত বা গান সমাজ সংস্কাৰৰ অৰ্থে ব্যৱহাৰ কৰিছিল। চফদৰ হাছমীয়ে "হাল্লা বোল" নামৰ বাটৰ নাটকখন কৰি থকা অৱস্থাতে গাজীয়াবাদত চৰকাৰী যন্ত্ৰৰ দুৰ্বৃত্তই গুলী কৰি হত্যা কৰিছিল। কাৰণ তেওঁ চৰকাৰৰ অন্যায় কৰ্মৰ বিৰুদ্ধে ৰাইজক বাটৰ নাটকৰ জৰিয়তে সজাগ কৰিব বিচাৰিছিল। আজিৰ শিল্পীসকলেও আগৰ সেই মহান শিল্পীসকলৰ পৰা শিক্ষা, আদৰ্শ, অনুপ্ৰেৰণা লৈ ৰাইজৰ বাবে ভাল সৃষ্টিকৰ্মত মনোযোগ দিয়া উচিত।

পৰিৱেশ্য কলাসমূহৰ নিয়মিত অনুশীলন কৰি থাকিলে মানুহৰ ইন্দ্ৰিয় অনুভূতিবোৰ (ষষ্ঠ ইন্দ্ৰিয়) ৰস, অনুভৱ, ৰিপু এইবোৰক বুজি পোৱাৰ লগতে নিয়ন্ত্ৰণ পাব পৰা যায়। আমাৰ দৈনন্দিন অনুভৱ, ৰিপুসমূহৰ পৰাই নৱৰসৰ সৃষ্টি হৈছে। সেই ৰস হৈছে ক্ৰমে কৰুণ (কান্দোন), হাস্য (হাঁহি), ৰৌদ্ৰ (খং), অদ্ভুত (আচৰতি), ভয়ানক (ভয়), যুগুপ্সা (ঘৃণা), বীৰ (বীৰত্ব), শৃংগাৰ (মৰম, ৰতি), শান্ত (শান্তি)। যিহেতু যিকোনো কলা ৰূপ দিবলৈ যাওঁতেই ভৰতমুণিৰ এই নটা ৰস বা ভাৱৰ প্ৰয়োজন হয়, সেয়েহে এই নটা ৰসৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ অতি দৰকাৰী। পৰিৱেশ্য কলাৰ জৰিয়তে নটা ৰস, ইন্দ্ৰিয়ৰ ওপৰত প্ৰশিক্ষণপ্ৰাপ্ত অভিনেতা, নৃত্যশিল্পী, গায়কে বা আন বিভিন্ন ধৰণে জড়িত লোকসকলে বাস্তৱ জীৱনতো নৱৰস বা ষষ্ঠ ইন্দ্ৰিয়ৰ অনুভৱ আদিৰ ওপৰত সজাগ বা বহু পৰিমাণে নিয়ন্ত্ৰণ প্ৰাপ্ত হয়। সেয়েহে কলাৰ লগত প্ৰত্যক্ষভাৱে জড়িত লোকসকলে যিকোনো পৰিস্থিতি সহজতে মোকাবিলা কৰিব পাৰে। সচৰাচৰ তেওঁলোকে ভয়ানক বিপদ হ'লেও ভয়ত বা দুখত একেবাৰে কাতৰ হৈ নাযায়। পৰিস্থিতিটো বুজি তাৰ লগত সহনীয় বা মিলি যাবলৈ কলাই তেওঁলোকক বিবেক আৰু সাহস দিয়ে। শিল্পীসকল যথেষ্ট বুদ্ধিদীপ্তও হয়। কাৰণ হঠাৎ নতুন উপায় (idea), চিন্তা তেওঁলোকে উলিয়াবলগীয়া হয়। উদাহৰণস্বৰূপে - নাটকৰ ইম্প্ৰভাইজেচনত (Improvisation) হঠাৎ এটা দল বান্ধি কোনো এটা বিষয় কৰিব দি দিয়া হয়। আৰু তেওঁলোকে অলপ সময়ৰ ভিতৰতে আলোচনা কৰি এটা কাহিনীৰ ৰূপ দি চৰিত্ৰ নিৰ্মাণ কৰি পৰিস্থিতিটো বা নিৰ্দিষ্ট বিষয়টো নাটকীয় আকাৰত ফুটাই তুলিবলগীয়া হয়। হঠাৎ কৰা improvisation য়ে একে সময়তে এজন মানুহক বিভিন্ন প্ৰকাৰে উপকৃত কৰিব পাৰে। সংগীত বা নৃত্যতো এই improvisation ৰ প্ৰয়োগ হয়। ইয়ে মানুহ এজনক সক্ষম হৈ থকা (alertness), সজাগতা (awareness), চিন্তা, বুদ্ধি, প্ৰত্যুৎপন্নমতিতা, স্বতঃস্ফূৰ্ততা, কল্পনা, অনুভৱ, যোগাযোগ, কথা কোৱাৰ দক্ষতা, সহযোগিতা এই সকলো প্ৰকাৰৰ গুণ একে সময়তে দিব পাৰে।

আমি আমাৰ বিদ্যালয়-মহাবিদ্যালয়ত সচৰাচৰ দেখোঁ যে পাঠ্যপুথিত সন্নিবিষ্ট কোনো কবিতা, গল্প, নাটক, উপন্যাস শিক্ষকজনে কিতাপখন পাঠ কৰি কৰি পঢ়াই যায়। কিন্তু কেৱল তাকে নকৰি সেই গল্প বা নাটকখন যদি ক্লাছৰূমটোক গ্ৰুপত বিভক্ত কৰি নিজাকৈ improvise ত অভিনয় বা নাচি-বাগি গাই পৰিৱেশ্য কলাৰ জৰিয়তে কৰিব দিওঁ তেতিয়া বেছি ফলপ্ৰসু হ'ব। যিটো উন্নত দেশসমূহৰ শিক্ষানুষ্ঠানসমূহত দেখা যায়। সেইবোৰ শিক্ষা ব্যৱস্থা প্ৰায়বোৰেই ব্যৱহাৰিক (practical)। মহাবিদ্যালয় পৰ্যায়ত সাহিত্যৰ কিতাপত থকা শ্বেক্সপিয়েৰ বা মাৰ্লোৰ নাটক এখন যদি আমি পাঠ হিচাপে পঢ়োৱাৰ উপৰিও বাহিৰৰ কোনো নাটকৰ উচ্চ প্ৰশিক্ষিত মানুহ মাতি তেওঁৰ নেতৃত্বত অভিনয় কৰিব দিয়া হয়, বেছি আনন্দও পোৱা হ'ব আৰু নাটকখনৰ চৰিত্ৰ, সংলাপ, বিষয়বস্তু, ৰাজনৈতিক-সামাজিক স্থিতি, প্ৰতীক, দৰ্শন, চৰিত্ৰৰ দ্বন্দ-সংঘাট এই সকলোবোৰ ভালকৈ বুজি পোৱাও হ'ব। কবিতাবিলাকো তেনেকৈ পৰিৱেশ্য কলাৰ জৰিয়তে শ্ৰেণীত কৰাব পাৰি বা কবিতা ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে আবৃত্তি কৰোৱাবও পাৰি।

বৰ্তমান সময়ত পৰিৱেশ্য কলাৰ জৰিয়তে শিক্ষাদান এটা অতি ফলপ্ৰসু ব্যৱস্থা হৈ পৰিছে।

এজন শিক্ষকে ছাত্ৰসকলক উদ্দেশ্যি পঢ়ায়। এইটো এটা গণসংযোগ। ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিব পৰাকৈ পঢ়াব পাৰিলেহে ছাত্ৰসকলওে শিক্ষকজনৰ শ্ৰেণীত মন দি আনন্দ পাব। তাৰ বাবে তেওঁ কিছুমান শিক্ষাৰ কিটিপ শিকিব লাগিব। তেওঁৰ কণ্ঠ হ'ব লাগিব সুদৃঢ়, উচ্চাৰণত স্পষ্টতা, শুদ্ধ ভাষা জ্ঞান, পৰিশীলিত আচৰণ, ফলপ্ৰসু অভিব্যক্তি (expression), হাতৰ, শৰীৰৰ অংগ সঞ্চালন (physical, hand movement, gesture), প্ৰয়োজনীয় খোজ-কাটল, Eye contact, কথাৰ modulation আদিয়ে শিক্ষক এজনৰ শিক্ষা পদ্ধতিটো বেছি আকৰ্ষণীয় কৰি তোলে। একেধৰণে একেটা modulation, একঘেয়ামীভাৱে একেৰাহে বহি কৈ থাকিলে নাটক এখন চাই বা গান শুনি আমি আমনি পাওঁ, তেনেকৈয়ে শিক্ষা গ্ৰহণ কৰোতেও আমনি লাগিব পাৰে। তদুপৰি পাঠটো আমোদজনকভাৱে বোধগম্য কৰোৱাবপৰাৰ তেওঁৰ দক্ষতা থাকিব লাগিব। সেইফালৰ পৰা ভালদৰে শিক্ষাদান কৰিব পৰা শিক্ষক এজন ভাল অভিনেতাই। যিসকল ওপৰত কৈ অহা দক্ষতাবোৰত অলপ কেঁচা তেওঁলোকক পৰিৱেশ্য কলাই কিটিপ (skill) বোৰ শিক্ষকজনৰ সুন্দৰ ব্যক্তিত্ব আৰু আচৰণ, জ্ঞান, প্ৰজ্ঞা, অভিজ্ঞতা, জীৱনবোধ এইবোৰত দখল থাকিবই লাগিব। তেতিয়া সোণত সুৱগা চৰে। শিক্ষক এজনে ভাল আবৃত্তিকাৰ, বক্তা, তাৰ্কিক, অভিনেতা, গায়ক, সাহিত্যিক, নৃত্যশিল্পী, চিত্ৰশিল্পী আদিৰো কিছু গুণ বা দক্ষতা সেইবাবে আহৰণ কৰিব লাগে।

কিন্তু দুখৰ বিষয় যে আমাৰ ইয়াত কলাক কেৱল অৱসৰ বিনোদন বা বাহিৰা কৰ্ম (extra-curricular activities) বুলি ধৰা হয়। কিন্তু বিশ্বৰ উন্নত দেশবোৰত তেনেকুৱা নহয়। তাত স্কুল, মহাবিদ্যালয়ৰ পৰাই সকলো বিভাগতে উচ্চ শিক্ষা ল'ব পাৰি। তেওঁলোকে এইবোৰ জ্ঞান বাধ্যতামূলকো কৰে। আমাৰ ইয়াত কিন্তু তাৰ সম্পূৰ্ণ বিপৰীত ছবি। আমাৰ ইয়াত যিসকল শিল্পীয়ে কেৱল কলাৰ জগততে থাকি ওৰেটো জীৱন কটাই দিয়ে, তেনে বেছিভাগ প্ৰকৃত শিল্পীৰেই আৰ্থিক অৱস্থা স্বচ্ছল নহয়। স্কুল কলেজত দিয়া দূৰৰে কথা, সময়ত তেওঁলোকৰ পৰা সুযোগ সন্ধানী মানুহে কাম কৰাই ঠিকেই আদায় কৰি লয়, কিন্তু তেওঁলোকৰ বিপদৰ সময়ত তেওঁলোকে পাবলগীয়া সহাঁৰি, মৰমৰ পৰা বঞ্চিত হয়। সমাজৰ তথাকথিত উচ্চ আৰু মধ্যবিত্ত মানুহে তেওঁলোকক বহুত সময়ত এৰাই চলিব বিচাৰে। আজিৰ যুগত যিসময়ত মানসিক ৰোগৰ ক্ষেত্ৰতো সংগীত অভিনয়ক প্ৰয়োগ কৰি ফল পোৱা গৈছে, যাক Music Therapy আখ্যা দিয়া হৈছে। পৃথিৱীৰ উন্নত দেশসমূহত ইয়াৰ জৰিয়তে বিভিন্ন চিকিৎসা কৰি থকা হৈছে আৰু গৱেষণাৰ নতুন বাট মুকলি হ'ব লাগিছে।

ওপৰৰ আলোচনাৰ পৰা আমি দেখিলোঁ যে, পৰিৱেশ্য কলাসমূহে ব্যক্তিৰ মানসিক, শাৰীৰিক, নৈতিক বৌদ্ধিক, আধ্যাত্মিক, সামাজিক সকলো প্ৰকাৰৰ উন্নতি সাধি এজন সুস্থ সামাজিক ব্যক্তি হিচাপে গঢ়ি তোলাত প্ৰভূত অৰিহণা আগবঢ়ায়। ইয়াৰ লগতে ই সমাজখন সুন্দৰ, জীপাল, সজাগ, সৃষ্টিময় কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰত্যেক ব্যক্তি সৃষ্টিশীল হ'লেই সমাজখন সংস্কৃতিময় হৈ থাকিব, সমাজখন সংস্কৃতিময় হৈ থাকিলেই দেশখন সুন্দৰ হ'ব, দেশবোৰ সুন্দৰ, কল্যাণকামী হ'লেই আমাৰ পৃথিৱীখন শান্তিময়, ধুনীয়া হৈ থাকিব।❑

# ধেমাজি জিলাৰ জৈৱ-বৈচিত্ৰ সংকট আৰু সম্ভাৱনা

মানস প্ৰতিম দত্ত

**প্ৰ**কৃতিৰ বিভিন্ন জীৱ-প্ৰজাতিৰ মাজত থকা পাৰ্থক্যই হ'ল বৈচিত্ৰ। আমাৰ চৌদিশৰ ভৌগলিক অৱস্থা, জলবায়ুৰ ওপৰত নিৰ্ভৰ কৰি জীৱসমূহৰ মাজত দেখা পোৱা ভিন্নতাই হ'ল বৈচিত্ৰ। বৈচিত্ৰ শব্দটো ফ্ৰান্স ভাষাৰ শব্দ 'diversite'ৰ পৰা আহিছে যাৰ অৰ্থ হৈছে পাৰ্থক্য বা ভিন্নতা (Making dissimilar)। আমাৰ পৃথিৱীত বসবাস কৰা জীৱসমুদায়ৰ কোনোটোৰ যদি আকৃতি বৃহদাকাৰৰ আকৌ আন কোনোটোৰ আকাৰ অতি ক্ষুদ্ৰ। জীৱভেদে সিহঁতৰ বাসস্থানো ভিন্ন হয়। কিছুমান জীৱ পানীত থাকে, কিছুমান আকৌ মাটিত থাকে। কিছুমান পানীৰ গভীৰতাত বসবাস কৰে, কিছুমান আকৌ পানী, মাটি উভয়তে থাকে। সৃষ্টিৰ আদিৰে পৰা হৈ থকা বিৱৰ্তন আৰু জীৱসমূহে পৰিৱেশ নিৰ্ভৰ সমাযোজন কৰিবলৈ কৰা চেষ্টাৰ ফলতেই এনে বিচিত্ৰতাৰ সৃষ্টি হৈছে। গতিকে জৈৱ-বৈচিত্ৰ শব্দাংশই কোনো স্থানৰ জীৱসমুদায়ৰ জিনীয় সম্পদৰ একত্ৰিতকৰণক বুজায় বুলিব পাৰি।

পৃথিৱীত থকা প্ৰায় পাঁচ কোটিৰো অধিক জীৱৰ মাজৰ পৰা বৰ্তমানলৈকে প্ৰায় চৈধ্য লাখমান জীৱ চিনাক্ত কৰা হৈছে।

| প্ৰাণী গোট | প্ৰজাতিৰ সংখ্যা |
|---|---|
| **মেৰুদণ্ডী** | |
| উভচৰ | ৬,১৯৯ |
| চৰাই | ৯,৯৫৬ |
| মাছ | ৩০,০০০ |
| স্তন্যপায়ী | ৫,৪১৬ |
| সৰীসৃপ | ৮,২৪০ |
| মুঠ | ৫৯,৮১১ |
| **অমেৰুদণ্ডী** | |
| কীট-পতংগ | ৯৫০,০০০ |
| মলাস্কা | ৮১,০০০ |
| ক্ৰাস্টেচিয়া | ৪০,০০০ |
| প্ৰবাল | ২,১৭৫ |
| অন্যান্য | ১৩০,২০০ |
| মুঠ | ১,২০৩,৩৭৫ |
| **উদ্ভিদ** | |
| মচ | ১৫,০০০ |
| ঢেকীয়া বৰ্গ | ১৩,০২৫ |
| নগ্নবীজী | ৯৮০ |

| | |
|---|---|
| দ্বিবীজপত্ৰী | ১৯৯,৩৫০ |
| একবীজপত্ৰী | ৫৯,৩০০ |
| সেইজীয়া শেলাই | ৩,৭১৫ |
| ৰঙা শেলাই | ৫,৯৫৬ |
| মুঠ | ২৯৭,৩২৬ |
| **অন্যান্য** | |
| লাইকেন | ১০,০০০ |
| বেংছতা | ১৬,০০০ |
| বাদামী শেলাই | ২,৮৪৯ |
| মুঠ | ২৮,৮৪৯ |
| **সৰ্বমুঠ** | ১,৫৮৯,৩৬১ |

উৎসঃ দি ইণ্টাৰনেচনেল ইউনিয়ন ফৰ কনৰ্ভেশ্যন অৱ নেচাৰ এণ্ড নেচাৰেল ৰিচৰ্চেছ (IUCN) ২০০৭ ৰেড লিষ্ট।

ইয়াৰ উপৰিও কিমান যে জীৱ আজিও চিনাক্ত হোৱা নাই তাৰো সীমা সংখ্যা নাই। জীৱজগতৰ মাজত এই বৈচিত্ৰময় ভিন্নতা মূলতঃ তিনিধৰণে দেখা যায়। সেয়া হ'ল বংশগতিয় জৈৱ-বৈচিত্ৰ, প্ৰজাতি বৈচিত্ৰ আৰু পৰিৱেশতন্ত্ৰৰ বৈচিত্ৰ।

**বংশগতিয় জৈৱ বৈচিত্ৰ**

বংশগতি শব্দটোৰ সৈতে আমি সকলো প্ৰায়ে পৰিচিত। বংশৰ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ চৰিত্ৰ বা বৈশিষ্ট্যৰ আদান প্ৰদানেই হ'ল বংশগতি। অৰ্থাৎ জন্মসূত্ৰে আমি মা-দেউতাৰ পৰা কিছুমান চৰিত্ৰ লাভ কৰোঁ, সেইবোৰেই হ'ল বংশগতিয় চৰিত্ৰ। আমাৰ দৰে প্ৰত্যেকটো জীৱৰে কিছুমান চৰিত্ৰৰ আদান-প্ৰদান হৈ থাকে, সেয়া উদ্ভিদতেই হওঁক বা প্ৰাণীতেই হওঁক। এই আদান-প্ৰদানত মূল ভূমিকা লয় ক্ৰম'জ'ম। ১৮৭৫ চনত সৰ্বপ্ৰথমে ষ্ট্ৰবাৰ্গ নামৰ বিজ্ঞানীজনে ক্ৰম'জ'ম আৱিষ্কাৰ কৰিছিল যদিও ১৮৮৮ চনতহে ৱালডেয়াৰ নাম বিজ্ঞানীজনে কোষ বিভাজনৰ প্ৰ'ফেজ দশাত পোৱা দাণ্ডাকাৰ ক্ৰ'মেটিনডালৰ নাম ক্ৰ'ম'জ'ম দিছিল। আমি সকলোৱে কোষ বিভাজন আৰু ইয়াৰ দশাসমূহৰ বিষয়ে জানো। জীৱৰ দেহটো কোষৰ সমষ্টি। ইয়াৰ দ্বাৰাই জীৱৰ দৈহিক বিকাশ হোৱাৰ লগতে বংশবৃদ্ধি হয়। বিভাজন মানে হ'ল ভাগ কৰা। কোষ এটা বিভাজন হ'লে তাৰ অন্য এটা নতুন কোষ সৃষ্টি হয়। এই নতুন কোষটোক অপত্য কোষ বা Daughter cell বোলে। আনহাতে যিটো কোষৰ পৰা এই নতুন কোষ সৃষ্টি হয় তাক মাতৃকোষ বা mother cell বোলে। ৱালটাৰ ফ্লেমিং নামৰ বিজ্ঞানীজনে ১৮৮২ চনত Triturus maculosaৰ কোষত প্ৰথমে কোষ বিভাজন



প্ৰত্যক্ষ কৰিছিল। কোষ বিভাজন প্ৰক্ৰিয়া মূলতঃ তিনি প্ৰকাৰৰ- মাইট'ছিছ, অমাইট'ছিছ আৰু মিঅ'ছিছ। মাইট'ছিছ কোষ বিভাজন দুটা অংশত বিভক্ত। সেয়া হ'ল- কেৰিঅ'কাইনেছিছ আৰু ছাইট'কাইনেছিছ। ইয়াৰে কেৰিঅ'কাইনেছিছ ৫টা দশাত সম্পন্ন হয়। সেই দশাকেইটা হ'ল-প্ৰ'ফেজ, মেটাফেজ, এনাফেজ আৰু টেল'ফেজ। ইয়াৰ প্ৰ'ফেজ অংশতে ক্ৰম'জ'ম থাকে। এই ক্ৰম'জ'মেই বংশগতিৰ আধাৰ বুলি ১৯৩৩ চনত বিজ্ঞানী বোভেৰিয়ে প্ৰমাণ কৰি দেখুৱায়। পৰৱৰ্তী সময়ত অৰ্থাৎ ১৯৬৬ চনত জীৱবিজ্ঞানী ডুপ্ৰ'ৱে ক্ৰম'জ'মৰ গঠন সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। ক্ৰম'জ'মত একোডাল ডি এন এ সূত্ৰ থাকে। এই সূত্ৰত বিভিন্ন চৰিত্ৰ বহনকাৰী অংশ থাকে, এইবোৰক জিন বুলি কোৱা হয়। প্ৰত্যেক জীৱত থকা জিনবোৰৰ কাৰ্য বেলেগ বেলেগ হয়। প্ৰত্যেক জিনৰে ৰাসায়নিক বান্ধোনৰ মাজত পাৰ্থক্য থাকে। সেয়েহে প্ৰত্যেক জীৱৰে ডি এন এ বেলেগ বেলেগ হয়।

জৈৱ বৈচিত্ৰ সংৰক্ষণত এই জিনবোৰৰ বিশেষ ভূমিকা থাকে। জীৱ সৃষ্টিৰ পাছৰে পৰা হৈ থকা বিৱৰ্তনৰ ফলত আমাৰ পৃথিৱীৰ প্ৰত্যেক জীৱৰ মাজতে কিছুমান ভিন্নতা দেখিবলৈ পোৱা যায়। এনে পৰিৱৰ্তনৰ কাৰণ হ'ল প্ৰকৃতিৰ সৈতে সমাযোজন কৰি আমি একেলগে জীয়াই থাকিবলৈ কৰি থকা সংগ্ৰাম। ইয়াৰ উপৰিও সৃষ্টিৰ পাছৰে পৰা হৈ থকা জিনৰ আদান প্ৰদানেও এনে পাৰ্থক্যসমূহ সৃষ্টি কৰে। আমি জানো যে সম্প্ৰতি অত্যাধিক উৎপাদনৰ বাবে উদ্ভিতেই হওঁক বা অন্যান্য জীৱতেই হওঁক ভাল গুণ থকা জিনৰ সংমিশ্ৰণ ঘটাই কৃত্ৰিমভাৱে নতুন জীৱ সৃষ্টি কৰা হৈছে। এই নতুন জীৱক আমি 'সংকৰ জীৱ' বুলি কওঁ। কৃত্ৰিমভাৱে নতুন জীৱ সৃষ্টিৰ দৰেই প্ৰকৃতিত আপোনা-আপুনি বিভিন্ন গুণ লগ হৈ নতুন জীৱৰ সৃষ্টি হয়। সেয়েহে আমি পৃথিৱীত বিভিন্ন জাতৰ ধান, মাহ, সৰিয়হ, জবা, গোলাপ, বাঘ, কুকুৰ, সাপ আদি দেখা পাওঁ। ইমানবোৰ প্ৰজাতি যে আমি দেখা পাওঁ এনে প্ৰত্যেক প্ৰজাতিৰে প্ৰথম পুৰুষ কিন্তু এনে আছিল। সময়ৰ লগে লগে এই জীৱসমূহৰ সতি সন্ততিৰ মাজত জিনৰ আদান-প্ৰদানৰ ফলত নতুন ধৰণৰ জীৱ উৎপন্ন হ'ল। প্ৰযুক্তি আৰু বৈজ্ঞানিক অধ্যয়নৰ পাছত মানুহে এনে প্ৰজাতিৰ জীৱসমূহ পুনঃ কৃত্ৰিমভাৱে সংমিশ্ৰণ কৰি নতুন প্ৰজাতিৰ জীৱ সৃষ্টি কৰিছে। এনে প্ৰজাতিসমূহ সাধাৰণতে অধিক উৎপাদনক্ষম হয় বাবে এনে সংমিশ্ৰণৰ সমাদৰো বাঢ়িছে। এনেদৰে জিনৰ আদান প্ৰদানৰ ফলত সৃষ্টি হোৱা নতুন প্ৰজাতিসমূহে পৃথিৱীখনক সুস্থিৰভাৱে ভাৰসাম্যশীল কৰি তোলাৰ ফলত পৃথিৱীৰ জৈৱ বৈচিত্ৰই এক নান্দনিক ৰূপ লৈ উঠিছে।

**প্ৰজাতি বৈচিত্ৰ ঃ**

প্ৰজাতিসমূহ জৈৱ বৈচিত্ৰৰ প্ৰাণস্বৰূপ। প্ৰজাতিসমূহৰ প্ৰাকৃতিক সাম্যাৱস্থাই জৈৱ বৈচিত্ৰক প্ৰাণ দি ৰাখে বুলিব পাৰি। এক নিৰ্দিষ্ট অঞ্চলত যদিহে কোনো প্ৰজাতিৰ পৰিমাণ অন্য প্ৰজাতিৰ তুলনাত বেছি হয় তেন্তে তেনে প্ৰজাতিক সেই অঞ্চলৰ চহকী প্ৰজাতি বুলি ক'ব পাৰি। ঠাই ভেদে প্ৰজাতিৰ সংখ্যাগত পাৰ্থক্য দেখা যায়। মেৰু আৰু মৰু অঞ্চলৰ তুলনাত ক্ৰান্তীয় আৰু বিষুৱীয় অঞ্চল জৈৱ বৈচিত্ৰত অধিক চহকী হোৱা দেখা যায়। প্ৰজাতিৰ সৈতে সংযুক্ত মূলঃ সমষ্টিগত উপাদানটোৱেই হৈছে গণ। একোটা গণ হৈছে একেটা বংশৰ পৰা সৃষ্টি হোৱা কিছুমান প্ৰজাতিৰ সমষ্টি। এনে গণৰ অন্তৰ্গত জীৱ প্ৰজাতি সমূহৰ দুই

এটা চৰিত্ৰৰ বাদে বাকীবোৰ চৰিত্ৰ একে হয়। উদাহৰণস্বৰূপে Ocimum নামৰ গণৰ কথা ক'ব পাৰোঁ। Ocimum হ'ল তুলসী প্ৰজাতি। Ocimum sanctum মানে কৃষ্ণ তুলসী, কিন্তু Ocimum gratissimum মানে হ'ল ৰামতুলসী।

**পৰিৱেশতন্ত্ৰ বৈচিত্ৰ ঃ**

পৰিৱেশতন্ত্ৰ মূলতঃ তিনি প্ৰকাৰৰ। সেয়া হ'ল- স্থলজ, আন্তঃদেশীয় জলজ আৰু সামুদ্ৰিক পৰিৱেশতন্ত্ৰ। এই তিনিওবিধ পৰিস্থিতি তন্ত্ৰৰ প্ৰকাৰ আৰু গঠনৰ ওপৰত ভিত্তি কৰিয়েই একো একোটা অঞ্চলৰ প্ৰাকৃতিক ভিন্নতাই গা কৰি উঠে।

**জৈৱ-ভৌগলিক অঞ্চল আৰু অসম ঃ**

ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰ জলবায়ু, জীৱ ভিন্নতাৰ ওপৰত নিৰ্ভৰ কৰি আঠটা জৈৱ-ভৌগলিক অঞ্চলত ভাগ কৰা হৈছে। সেইবোৰ হ'ল- পূব-হিমালয় অঞ্চল, মধ্য-হিমালয় অঞ্চল, পশ্চিম-হিমালয় অঞ্চল, অসম আৰু পূৰ্বোত্তৰ ভাৰতৰ অঞ্চল, গংগা-অৱবাহিকা অঞ্চল, সিন্ধু অৱবাহিকা অঞ্চল, দাক্ষিণাত্য অঞ্চল আৰু মালাবাৰ অঞ্চল। ইয়াৰে পূব হিমালয় অঞ্চলে ডোৰাচ অঞ্চলৰ পৰা চিকিম, অৰুণাচল প্ৰদেশ আৰু দাৰ্জিলিং অঞ্চলক অন্তৰ্ভুক্ত কৰিছে। একেদৰে মধ্য হিমালয় অঞ্চলত কুমাওন পৰ্বত শৃংগৰ পৰা কাশ্মীৰলৈ, অসম আৰু পূৰ্বোত্তৰ ভাৰতৰ অঞ্চলত অসম, নগালেণ্ড, মণিপুৰ, মেঘালয় আৰু ত্ৰিপুৰাক, গংগা-অৱবাহিকা অঞ্চলত উত্তৰ প্ৰদেশ, বিহাৰ, পশ্চিমবংগ আৰু উৰিষ্যা, সিন্ধু-অৱবাহিকা অঞ্চলত ৰাজস্থান, গুজৰাট আৰু পাঞ্জাৱ, দাক্ষিণাত্য অঞ্চলত বিন্ধ্য পৰ্বত, ছোট নাগপুৰৰ পৰা চেন্নাইলৈ আৰু মালাবাৰ অঞ্চলত পশ্চিম ঘাটৰ সৰু-বৰ পৰ্বতমালাক অন্তৰ্ভুক্ত কৰিছে।

অসমৰ জৈৱ বৈচিত্ৰ সম্পৰ্কে অসম চৰকাৰৰ চৰকাৰী ৱেবচাইটত থকা তথ্যত অসমৰ বনাঞ্চল সমূহক নিম্নোক্ত ধৰণে ভাগ কৰিছে। ক্ৰান্তিয় ভেজা চিৰহৰিত বন, ক্ৰান্তিয় আধা চিৰহৰিত বন, ক্ৰান্তিয় আৰ্দ্ৰ পচনশান বন, সমবায় সমিতিৰ ব্যৱস্থাপনা কমিটিৰ কাৰ্যক্ৰম সমন্বয়, সাব-ক্ৰান্তিয় সুঁচালো পাহাৰিয়া বনাঞ্চল, সাব-ক্ৰান্তিয় পাইন বন, তৃণমূল আৰু ভাঁজ বন, ঘাঁহনি আৰু সাভানা।

ৱেবচাইটত পোৱা তথ্য অনুসৰি 'অসমৰ গোলাঘাট, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, ডিব্ৰুগড় আদি জিলা সমূহৰ লগতে লখিমপুৰ আৰু ধেমাজি জিলাত ক্ৰান্তিয় ভেজা চিৰহৰিত বন পোৱা যায়। অসমৰ সৰ্ব বৃহত ওখ গছ হলং এই অঞ্চলসমূহত পোৱা অন্যতম উপাদান। একেদৰে উক্ত তথ্যমতে, ক্ৰান্তিয় আধা চিৰহৰিত বনাঞ্চল সাধাৰণতে ৰাজ্যখনৰ উত্তৰ আৰু দক্ষিণ প্ৰান্তৰ হাললেংপুৰ, অভয়পুৰ, দিল্লী, ধনশিৰী, খোলাখাত, মায়ং, গাৰভাংগা, ৰাণী, মহামায়া, গোমা, হালটোগণ, কাচুগাঁও, গালি, পভা, ৰংগা, কাকৈ, নৌদুৰ, বাতাশিপুৰ, দোহালিয়া, শিংলা, লোংগাই, ভোটান পাহাৰ, বৰাক আৰু অভ্যন্তৰীণ লাইন সংৰক্ষিত বনাঞ্চলত পোৱা যায়। লখিমপুৰ, ধেমাজি, কাৰ্বি আংলং আৰু এন.চি হিলছ আদিৰ পাহাৰিয়া অঞ্চল সমূহত ক্ৰান্তিয় আৰ্দ্ৰ পচনশাল বনাঞ্চল উদিত হয়।"

**ধেমাজি জিলাৰ জৈৱ-বৈচিত্ৰ ঃ**

অসমৰ এখন বৌদ্ধিক আৰু প্ৰাকৃতিকভাৱে চহকী জিলা হ'ল ধেমাজি জিলা। বিভিন্ন ধৰণৰ চৰাই চিৰিকতি, তৰু-তৃণ আৰু অন্যান্য জীৱ-জন্তুৰ আৱাসভূমি ধেমাজি জিলাৰ বনভূমিৰ বৈচিত্ৰই জিলাখনক এক নান্দনিক ৰূপ প্ৰদান কৰিছে। বন বিভাগৰ তথ্য অনুসৰি ধেমাজিত থকা

বনাঞ্চলসমূহ হৈছে পবা, জীয়াঢল, সোৱণশিৰি, চিমেন, চেঙাজান, গালি, চিচি, আৰ্ছিয়া ডিমৌ, জামজিং। এই বনাঞ্চলসমূহ ধেমাজি জিলাৰ আকৰস্বৰূপ। ইয়াৰে পৰা বনাঞ্চলক অভয়াৰণ্য স্বীকৃতি দিবলৈ যাৱতীয় বিভিন্ন কাৰ্য ক্ষীপ্ৰ গতিত আগবাঢ়িছিল যদিও মাজতে এই যাত্ৰা স্থবিৰ হৈ পৰিছিল। অলপতে নেচাৰ্চ বেকন সমন্বয়ৰক্ষী যুগল সন্দিকৈয়ে প্ৰধানমন্ত্ৰীলৈ দিয়া এক পত্ৰৰ আধাৰত ইয়াৰ বাবে প্ৰয়োজনীয় কাম আগবঢ়াবলৈ নিৰ্দেশ দিছে বুলি জানিব পৰা গৈছে। এই নিৰ্দেশনা কাৰ্যকৰী হোৱাৰ লগতে অন্যান্য বনাঞ্চলসমূহ প্ৰকৃতাৰ্থত যথাযথ ৰূপত সংৰক্ষণ কৰিলেহে ধেমাজি জিলাৰ জৈৱ বৈচিত্ৰৰ এই অপৰূপ নান্দনিকতা বৰ্তি থাকিব। কেৱল কাগজৰ মাজতে বনাঞ্চল কৰি নাৰাখি প্ৰকৃতাৰ্থত ইয়াৰ সংৰক্ষণৰ বাবে চৰকাৰ আৰু বনবিভাগৰ লগতে ধেমাজিবাসীয়ে গুৰুত্ব দিয়া উচিত।

**মৎস্য বৈচিত্ৰ ঃ**

ধেমাজি জিলাখন মৎস্য সম্পদৰ ক্ষেত্ৰত অতিকে চহকী। ধেমাজি জিলাৰ বহু অঞ্চলৰ নামৰ সৈতে মাছৰ সংগতি দেখা পোৱা যায়। যেনে- মাছখোৱা, শলমৰা, শালমাৰী, খলিহামাৰী আদি। ইয়াৰ উপৰিও ধেমাজিত থকা লেকু নৈ, চিমেন নৈ, লেকুং নৈ, জামজিং নৈ, টঙানি নৈ, সোমখং নৈ, চিচি নৈ, কাপোৰধোৱা নৈ, লাইপুলীয়া নৈ, জীয়াধল নৈ আদিৰ লগতে বিভিন্ন জলাহভূমি, বিল আদিত প্ৰচুৰ পৰিমাণে বিভিন্ন প্ৰজাতিৰ মাছ পোৱা যায়। ধেমাজি জিলাত সাধাৰণতে পোৱা কিছুমান মাছ হ'ল- বৰালি, চেলেকণা, কান্ধুলি, চিতল, ডৰিকণা, বৰিয়লা, ৰৌ, লাচিং, গাগল, আৰি, পুঠি, কুঢ়ি, তুৰা, ককিলা, নাৰ, বাত, ককিলা, শিঙি, মাগুৰ, কাৱৈ, শল, শাল, চেঙা, গৰৈ, পুঠি, চেঙেলী, বামী, কমন কাৰ্প, গ্ৰাছ কাৰ্প, গৰুৱা, খলিহনা, চন্দা, গঙাটোপ, কুচিয়া, বতিয়া, লাওপোতা, মৰথী, পাটিত মুতা, নগা চেঙা, ভেচেলি আদি।

বিভিন্ন জনগোষ্ঠীয় পৰম্পৰাগত ঔষধ আৰু নীতি-নিয়মৰ বাবেও মাছ ব্যৱহাৰ কৰা দেখা যায়। সোণোৱাল কছাৰী সকলে গেষ্ট্ৰিকৰ পৰা ৰক্ষা পাবলৈ গঙাটোপক ঔষধ হিচাপে ব্যৱহাৰ কৰা দেখা যায়। একেদৰে পাইলচৰ পৰা ৰক্ষা পাবলৈ ককিলা মাছ ব্যৱহাৰ কৰা দেখা যায়। ধেমাজিত বসবাস কৰা বড়ো জনগোষ্ঠীয় লোকসকলে শিঙি, কুচিয়া, চেঙেলী, গৰৈ, চেং মাছ ঔষধ হিচাপে ব্যৱহাৰ কৰে। ধেমাজিৰ মিচিং সকলে কুঢ়ি, মোৰা, চেঙেলী আদি মাছ ঔষধ হিচাপে ব্যৱহাৰ কৰে। দেউৰী সকলে পুঠি, ককিলা, গেদগেদী আদি পৰম্পৰাগত ঔষধ প্ৰস্তুত কৰাৰ বেলিকা ব্যৱহাৰ কৰে।

**চৰাই বৈচিত্ৰ ঃ**

ধেমাজি জিলা বিভিন্ন ধৰণৰ চৰাইৰ বাসভূমি। বিভিন্ন পৰিভ্ৰমী চৰাইৰ বাবেও জিলাখন জিৰণিঘৰস্বৰূপ। ধেমাজি জিলাত সচৰাচৰ দেখা পোৱা চৰাইসমূহ হৈছে- পাতাৰী হাঁহ, শিৰহাঁহ, পানীকাউৰী, ধেৰা, মনিয়ৰী, দৈকলা, বগ, কণামুচি, ৰাক চৰাই, নাক খেচখেচী, শামুকভঙা, বৰমুখী হাঁহ, কণুৰা, বৰটোকোলা, শৰালি, দেওৰাজহাঁহ, বৰশৰালি, দীঘলনেজী, মুগী হাঁহ, বগাচকুৱা হাঁহ, বামুণী হাঁহ, ঘিলা হাঁহ, চীনা হাঁহ, ক'লা চিলনী, ৰঙা চিলনী, বৰি শেন, আলাসী চিলনী, ভগী শেন, উকহ, ডোবা শেন, কপৌটীয়া শেন, কুৰুৱা, ৰঙা শগুণ, টুনী খোৱা শেন, মৌখাপ, নিগনিখাঁতি শেন, পাতি শগুণ, বতা চৰাই, ভুৰুং বতা, হঁয়কলি, বনৰীয়া

কুকুৰা, কামচৰাই ডাউক, দলপুঙা, কুটুম, নলঢেকৰ, চেৰেকা, বালিঘোঁৰা, বোকা খোচৰা, চহা, লৰিয়তী, ৰঙীণ চহা, গঙা চিলনী, ৰাম পাৰ, হাইঠা, হালখেদা, ওৰঘূমা, পাতিকপৌ, শিলকপৌ, মণিকপৌ, শ্বেত কপৌ, গলমণিকা, টিঁয়া ভাটৌ, মদনা ভাটৌ, কুকুহা, কেতেকী, লক্ষী ফেঁচা, কুৰুলি ফেঁচা, হুদু, মাটি হুদু, দিনকণা, বতাহী, পখৰা মাছৰোকা, জিএগ্রাখাতী, হনুমন্ত মাছৰোকা, কাকৈশিৰা, বাঢ়েটোকা, নল বাঢ়েটোকা, পাকৈধোৰা, ভৰত চৰাই, হেটুলুকা, যমডাকিনী, বাঁহতলী, তেলটুপী, চেট্ চেটী, সখিয়তী, ফেঁচু, ভীমৰাজ, চেকচেকী, কাণকুৰিকা, ঘৰ শালিকা, কাঠ শালিকা, চুতীয়া শালিকা, ঘৰচিৰিকা, মইনা, ঢোৰা কাউৰী, পাতি-কাউৰী, চেৰেকা, কলখাতী, টুনী, মৌপিয়া, বুলবুলি, বিহুৱতী, নিমাতী, ৰূপহী, সাতভনী, নাচনী, ধাপলিকা, টিপচী, দহিকতৰা, ফুলচোহা আদি।

**ধেমাজিৰ সৰীসৃপ বৈচিত্ৰ ঃ**

গৰমৰ দিনত আমি সন্মুখীন হোৱা এটা সমস্যা হ'ল সাপৰ সমস্যা। এই সময়ছোৱাত আমাৰ সন্মুখেৰে বিভিন্ন সময়ত বিভিন্ন প্ৰজাতিৰ সাপে অগা-দেৰা কৰা দেখা যায়। হঠাৎ গৈ থাকোতে এই সাপবোৰ দেখিলেই আমি ভয়ত উচপ খাই উঠো নহয়নে? আৰু বহু মানুহে সাপ দেখিলে হাতত জাঠি-জোং লৈ সাপ মাৰিবলৈ উদ্যত হোৱাও দেখা যায়। কিন্তু ইয়াৰ বাবে কাৰোবাৰ লাভ হয় নে? এই কথাবোৰ আমি প্ৰায়ে নাভাবোঁ। ইয়াৰ মূলতে হ'ল আমাৰ আত্মঅহংকাৰ বা জ্ঞানৰ অভাৱ। আমি দেখা পোৱা সকলো সাপেই বিষাক্ত নহয়। সমগ্ৰ বিশ্বত প্ৰায় দুহেজাৰৰো অধিক সাপ পোৱা যায়। ইয়াৰে প্ৰায় ২১৬ বিধ সাপ ভাৰতবৰ্ষত পোৱা যায়। এই ২১৬ বিধৰ মাত্ৰ ৫২ বিধ সাপহে বিষাক্ত হিচাপে চিহ্নিত হৈছে। সৰ্প বিষয়ক আমাৰ পৰ্যাপ্ত জ্ঞান নথকাৰ বাবেই আমি সাপ দেখিলেই ভয় খাওঁ, মাৰিবলৈ যাওঁ। ইয়াৰ বিপৰীতে সৰ্পবিষয়ক অধ্যয়নৰ বিষয়ে আমি কোনোদিনেই চেষ্টা কৰা নাই। সাপে বিভিন্ন পোক পতংগ ভক্ষণ কৰাৰ উপৰিও এন্দুৰ আৰু অন্যান্য খেতিৰ অনিষ্টকাৰী জীৱ ভক্ষণ কৰি খেতিয়কক সহায় কৰিছে। ইয়াৰ উপৰিও বিষয়সম্পৰ্কীয় চিকিৎসাজনিত অধ্যয়ন আৰু ঔষধ প্ৰস্তুত কৰিবলৈ সাপে সৃষ্টি কৰা বিভিন্নধৰণৰ বিষ আৰু অন্যান্য যৌগিক পদাৰ্থ প্ৰয়োজন হয়। বিখ্যাত পক্ষীবিদ চেলিম আলীয়ে কৈছিল যে ভাৰতবৰ্ষৰ শতকৰা কুৰিভাগ খাদ্য শস্য এন্দুৰ-নিগনিয়ে নষ্ট কৰি খেতিয়কৰ সপোনক চুৰমাৰ কৰিবলৈ চেষ্টা কৰে। কিন্তু সাপে এনে অপকাৰী এন্দুৰবোৰক ভক্ষণ কৰি খেতিয়ক বন্ধু হিচাপে থিয় দিয়ে। ভাৰতবৰ্ষত পোৱা বিষাক্ত সাপ সমূহৰ ভিতৰত চকৰী ফেঁটীসাপ (নাজা নাজা), গুৱালা সাপ(বাঙ্গাৰুচ ফেছিয়েটাছ), নাগ-সাপ (বাঙ্গাৰুচ চিৰুলিয়াছ), ৰজা ফেঁটী, ৰাচেলচ্ ভাইপাৰ, বাঁকৰাজ, পিট ভাইপাৰ আদি অন্যতম। ভাৰতত পোৱা বিষহীন সাপৰ ভিতৰত শ্বিল্ড টেইল সাপ, ভাৰতীয় শিল অজগৰ, সাধাৰণ বালি ব'ৰা, কুকুৰনেচীয়া সাপ, কিলবেক সাপ, পানীসাপ, ট্ৰিংকেট সাপ আদি অন্যতম। আমি এই কথাও শুনা নাই যে য'ত আজি আমি বাস কৰি আছো সেই ঠাইবোৰত এসময়ত সাপৰ বাসস্থান আছিল। অত্যাধিক জনবিস্ফোৰণৰ কবলত পৰি মানুহে হাবি ভাঙি ঘৰ পাতি থকা আৰম্ভ কৰিলে। এইক্ষেত্ৰত সহানুভূতি দেখুৱালে প্ৰকৃতিয়ে। প্ৰকৃতিয়েই মানুহক প্ৰয়োজনীয় সকলো বস্তুৰ যোগান ধৰিবলৈ আৰম্ভ কৰিলে। কিন্তু চল পাই গ'ললৈ জঁপিওৱাৰ দৰে মানুহে অধিক লাভৰ কথা

চিন্তা কৰিবলৈ আৰম্ভ কৰিলে। মানুহক জীৱন দিয়া প্ৰকৃতিকে ধ্বংস কৰিবলৈ আৰম্ভ কৰিলে। ফলত বনভূমি সংকুচিত হৈ আহিলে। খাদ্য বাসস্থানৰ অভাৱৰ সন্মুখীন হ'বলৈ ধৰিলে বন্যপ্ৰাণীসমূহ। সেয়েহে পূৰ্বে মানুহক দয়া কৰি দি যোৱা আবাসভূমিলৈ য'ত সেই বন্যপ্ৰাণীসমূহৰ খাদ্য পোৱাৰ লগতে বসবাসৰ অনুকূল তেনে স্থানলৈ প্ৰত্যাৱৰ্তন কৰিবলৈ আৰম্ভ কৰিছে আৰু আমি চিঞৰিছো যে বন্যপ্ৰাণীসমূহ আমাৰ বাসস্থানলৈ আহি আমাক অপকাৰ কৰিছে। আচলতে কথাটো এনে হয় জানো? নিশ্চয় নহয়। সাপৰ কথাই যদি চাওঁ, আমি সাপৰ বিষয়ে কেৱল পঢ়িলেই সাপবোৰ চিনাক্ত কৰিব নোৱাৰিব পাৰোঁ। আমি সাধাৰণতে অৱসৰৰ সময় উপভোগ কৰিবলৈ প্ৰায়ে ৰাষ্ট্ৰীয় উদ্যান, পক্ষী উদ্যান, অভয়াৰণ্যসমূহ দৰ্শনৰ পৰিকল্পনা কৰোঁ আৰু পৰিকল্পনা অনুসৰি সেই ঠাই ভ্ৰমণ কৰি উদ্ভিদ আৰু প্ৰাণীকূল দৰ্শন কৰোঁ যদিও সচৰাচৰ সাপ চাবলৈ কেনোদিন পৰিকল্পনাও নকৰো। আমি বহুতেই হয়তো ভাৰতবৰ্ষৰ সৰ্প উদ্যান ক'ত ক'ত আছে সেয়াও নাজানো, নহয়নে? তামিলনাডুৰ 'চেন্নাই স্নেক পাৰ্ক', 'গুইণ্ডি ৰাষ্ট্ৰীয় উদ্যান', কেৰালাৰ 'পাৰাচ্চিনিক্কদাভু স্নেক পাৰ্ক', 'কাটৰাজ স্নেক পাৰ্ক', পুনে, মহাৰাষ্ট্ৰৰ 'ৰাজীৱ গান্ধী জুলজিকেল পাৰ্ক', সৰ্প অধ্যয়নৰ বাবে অন্যতম। গতিকে প্ৰত্যেক জীৱসম্প্ৰদায়ৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰাটো আমাৰ প্ৰত্যেকৰে কৰ্তব্য।

ধেমাজি জিলাত বিভিন্ন সাপৰ উপৰিও বিভিন্ন প্ৰকাৰৰ কাছ, গুঁই, জেঠী আদি সৰীসৃপ প্ৰাণী পোৱা যায়। সাপৰ সমন্বিতে সেইবোৰ হৈছে- কেচু সাপ, অজগৰ, পানীমাৰলি, ঘাঁহনিৰ সাপ, কাৰ্শলা সাপ, ধুন্দুলীডাঁহি, জালপহীয়া অজগৰ, হোলোঙা গোম, শঁকা, মাটি ফেঁটী, চকৰী ফেঁটী, একচকৰীয়া ফেঁটী, দুৰা কাছ, ফুটুকী দুৰা কাছ, বৰ কাছ, বামুণী কাছ, বাগিয়া কাছ, ঘৰুৱা ফুটুকী জেঠী, তেজপিয়া, গুঁই, সোণ গুঁই, গৰিয়াখুণ্ডা, পানী গউঁই, নাইপিয়া আদি।

**স্তন্যপায়ী জীৱৰ বৈচিত্ৰ ঃ**

স্তন্যপায়ী জীৱ সমগ্ৰ বিশ্বৰে অন্যতম বৈচিত্ৰপূৰ্ণ জীৱসমুদায়। মানুহকে আদি কৰি বিভিন্ন ধৰণৰ জীৱৰ আচাৰ-আচৰণ, উচ্চতা, বৰণ আদিৰ পাৰ্থক্যই এই ধৰাক বৈচিত্ৰময় কৰি তুলিছে। ধেমাজি জিলাত সচৰাচৰ দেখিবলৈ পোৱা স্তন্যপায়ী প্ৰাণীসমূহ হ'ল- কেটেলা পহু, বৰ এন্দুৰ, শিহু, মেটেকাৰ নিগনি, লখিমী চপোৱা নিগনি, কঠালগুটীয়া নিগনি, কেৰ্কেটুৱা, জাতি বান্দৰ, লতা মেকুৰী, ঢেকীয়াপতীয়া, নাহৰফুটুকী, হাতী, গাহৰি, দল হৰিণ, শৰ পহু, খটীয়া পহু, হুগৰী পহু, ফুটুকী পহু, খাগৰিকটা শহা, মুগা শহা, চুঙা বাদুলি, চিকা, গুহা বাদুলি, খোৰাং বাদুলি, বৰ বাদুলি আদি।

**উভচৰ প্ৰাণীৰ বৈচিত্ৰ ঃ**

উভচৰ প্ৰাণী বুলিলে আমি সাধাৰণতে ভেকুলী আৰু বেঙকে বুজো। ধেমাজি জিলাতো এনে কেইবাটাও প্ৰজাতিৰ উভচৰ প্ৰাণী পোৱা যায়। সেইবোৰ হ'ল- চুক ভেকুলী, পাত বেং, বামুণ ভেকুলী, বাওণা ভেকুলী, ডোঙা ভেকুলী, চেঁচুক ভেকুলী আদি।

**উদ্ভিদ বৈচিত্ৰ ঃ**

প্ৰাকৃতিক সম্পদত চহকী ধেমাজি জিলাত বিভিন্ন প্ৰজাতিৰ উদ্ভিদ পোৱা যায়। এই উদ্ভিদসমূহৰ সৰহভাগেই স্থানীয় পৰম্পৰাগত ঔষধ হিচাপে ব্যৱহাৰ কৰা দেখা যায়। ধেমাজি জিলাত বৃক্ষজাতীয়, লতাজাতীয়, জলজ, বনৌষধি আৰু

অৰণ্য কেৰু/অৰ্কিড প্ৰচুৰ পৰিমাণে পোৱা যায়।

ধেমাজি জিলাত পোৱা বৃক্ষজাতীয়, উদ্ভিদসমূহৰ ভিতৰত বৰ্হমথুৰি, অগৰু, অমৰা, অশোক, অৰ্জুন, আম, আমলখি, আঁহত, আজাৰ, উৰিয়াম, ঔটেঙা, কদম, কঁঠাল, কৃষ্ণচূড়া, কৰচ, কৰৈ খোকন, গহৰা, গমাৰি, ঘোঁৰানিম, চোৰা, চোম, চতিয়না, চেগুন, চিচু, চন্দন, জামু, জৰী, ডিমৰু, তিতাচপা, থেকেৰা, নাহৰ, পমা, পুৰুজা, বগৰী, বট, বহঁত, বকুল, বোৰাল, বেল, বনচোম, ভেলৌ, ভোমোৰা, মদাৰ, মজ, মেকাই, মহুৱা, শাল, শিমলু, শিঙৰি, শিলিখা, সোঁৰালু, সাঁচি, সোণাৰু, হলখ, হোলোং, সোণাৰু আদি অন্যতম।

লতাজাতীয় উদ্ভিদৰ ভিতৰত পটল, কুণ্ডুলি, জালুক, পাণ, বেল, বেত, আওণি পাণ, গঞা আলু, নল টেঙা, চীনা আলু, কাঠ আলু, জপৰা আলু, টিকনি বৰুৱা, কৰ্ণীবিহ, ভেদাইলতা, জেতুলিপকা, কাউৰীমণি, মাধৈ মালতী, বনতিয়হ আদি অন্যতম।

ধেমাজি জিলাত কেইবাবিধো অৰ্কিড পোৱা যায়। অৰ্কিডৰ অসমীয়া প্ৰতিশব্দ নাই যদিও ইয়াক বহুতে অৰণ্য কেৰু বুলিও কয়। ধেমাজি জিলাত পোৱা অৰ্কিড বা কপৌফুলজাতীয় উদ্ভিদসমূহৰ ভিতৰত এৰিডিচ অড'ৰেটাম, এৰিডিচ মাল্টিফ্লৰাম, শিলায়নেজীয়া কপৌ, ভাতৰটৌ ফুল, ডেণ্ডবিয়াম এফাইলাম, ডেণ্ডবিয়াম ট্ৰেন্সপাৰন্সে, চিম্বিডিয়াম এলইফলিয়াম, ফ'লিডটা ইম্ব্ৰিকাটা আদি অন্যতম।

ধেমাজিৰ বিল, জলাশয় তথা আদ্ৰভূমিতো প্ৰচুৰ পৰিমাণে জলজ উদ্ভিদ পোৱা যায়। সেইবোৰৰ ভিতৰত - গেঁট, কলমৌ, পদুম, এজলা, হাইড্ৰিলা, পুনি, পানী মাটিকাদুৰী আদি অন্যতম।

ধেমাজি জিলাত বসবাস কৰা বিভিন্ন জনগোষ্ঠীয়ে পৰম্পৰাগত ঔষধ হিচাপে বিভিন্ন উদ্ভিদ ব্যৱহাৰ কৰে। সেইবোৰৰ ভিতৰত - নেফাফু, কচু, পচতীয়া, ভেদাইলতা, ভেদাইতিতা, দোৰোণ বন, দুবৰি বন, নৰসিংহ, ব্ৰাহ্মী, কালমেঘ, গোন্ধোৱা বন, মানিমুনি, মছন্দৰী, পদিনা, বাহক তিতা, মালকাঠি, শতমূল, হালধি, ক'লা হালধি, অৰ্জুন, ভাতঘিলা আদি অন্যতম।

জনজাতীয় বা জনগোষ্ঠীয় পৰম্পৰাত লোক-ঔষধি তথা পৰম্পৰাগত চিকিৎসা পদ্ধতিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সাধাৰণতে জনগোষ্ঠীয় পৰম্পৰাত ব্যৱহৃত উপাদানসমূহৰ সংৰক্ষণ আৰু সংবৰ্দ্ধন কাৰ্যটো অজ্ঞাতভাৱে বা পৰোক্ষভাৱে সংঘটিত হৈ থাকে। নিজ সুবিধা অনুযায়ী উৎসৱ-পাৰ্বণৰ সমল যেনে - কলগছ, আঁহত গছ আদি সংৰক্ষণ কৰা প্ৰথা পৰোক্ষভাৱে হ'লেও জনগোষ্ঠীয় সমাজত আজিও প্ৰচলিত। লোক-পৰম্পৰা আৰু লোক-ঔষধিৰ ক্ষেত্ৰত সবাতোকৈ ভয়াবহ ৰূপ ধাৰণ কৰিছে বায়'পাইৰেচি (Biopiracy) নামৰ চুৰি বা অনুমতি অবিহনে আনৰ জ্ঞান ব্যৱসায়িকভাৱে বিনিয়োগ কৰা কাৰ্য।

জৈৱ আৰু উদ্ভিদৰ ক্ষেত্ৰত বিশেষকৈ এনে চুৰি কাৰ্য সম্প্ৰতি অত্যাধিক মাত্ৰাত বৃদ্ধি পোৱা দেখা গৈছে। ইয়াৰ ফলত লোক-ঔষধিৰ ক্ষেত্ৰখনলৈ ভাবুকি নামি আহিছে। ই লোক-পৰম্পৰা, চহা খেতিয়ক আদিৰ ওপৰত কৰা একপ্ৰকাৰৰ শোষণ। কিয়নো এই বিষয়টো অৰ্থনৈতিক ক্ষেত্ৰখনৰ সৈতে জড়িত। অনুমতি অবিহনে লোকৰ পৰম্পৰাগত সমলৰ (যিবোৰ জৈৱিক ক্ষেত্ৰৰ সৈতে সম্বন্ধিত) ব্যৱহাৰ কাৰ্যই হ'ল বায়'পাইৰেচি।

বায়'পাইৰেচিনো কি এটা সহজ উদাহৰণৰ

সৈতে জানো আহক। ধৰা হ'ল আমাৰ পৰিয়ালে বহু যুগ ধৰি শৰীৰ কোনো অংশত কাটিলে কটা অংশৰ ৰক্তক্ষৰণ বন্ধ হোৱা বা তেজ বন্ধ হোৱাৰ বাবে ঘৰতে প্ৰস্তুত কৰা ঔষধ দিয়ে। এয়া হ'ল আমাৰ বংশৰ ঔষধৰ ক্ষেত্ৰত পৰম্পৰাগত জ্ঞান। এতিয়া, যদি কোনো ব্যক্তি আহি আমাৰ পৰা সেই ঔষধ কিদৰে প্ৰস্তুত কৰা হয় শিকি সেয়া আমাৰ অজ্ঞাতে বিজ্ঞানসন্মতভাৱে প্ৰমাণ কৰি সেই ঔষধ তেওঁ আৱিষ্কাৰ কৰা বুলি দাবী কৰি নিজৰ নামত পেটেন্ট বা মালিকীস্বত্ব বিচাৰে আৰু ব্যৱসায়িকভাৱে বজাৰলৈ উলিয়াই দিয়ে তেন্তে সেই বিজ্ঞানীজনে বায়'পাইৰেচি কৰা বুলি ক'ব পাৰি। সম্প্ৰতি উদ্ভিদজাত সামগ্ৰীৰপৰা প্ৰস্তুত কৰা ঔষধ আৰু অন্যান্য চিকিৎসাজাত সামগ্ৰীয়ে বিশ্বব্যাপী সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ মূল কাৰণ হ'ল এনে ঔষধৰ পাৰ্শ্বক্ৰিয়াহীনতা। তদুপৰি লোক-ঔষধিসমূহ বিজ্ঞানসন্মতভাৱে বিশ্লেষণ আৰু পৰীক্ষা কৰাত এই কথা পোহৰলৈ আহিছে যে ইয়াৰ বেমাৰ নিৰ্মূল কৰিব পৰা সক্ষমতা যথেষ্ট ইতিবাচক। সেয়েহে ঔষধ প্ৰস্তুত কৰা উদ্যোগসমূহ ইয়াৰ বাবে তৎপৰ হৈ উঠিছে। এই ক্ষেত্ৰত বিজ্ঞানী সমাজৰ দায়বদ্ধতা থকা উচিত যদিও বহু গৱেষক-বিজ্ঞানীয়ে ব্যক্তিগত স্বাৰ্থৰ তেনে পৰম্পৰাগত জ্ঞানসমূহ, যিবোৰ আমাৰ পূৰ্বপুৰুষৰ দিনৰ পৰাই চলি আহিছে, সেইবোৰ জ্ঞান সংগ্ৰহ কৰি অনুমতি অবিহনে ব্যৱসায়িক ক্ষেত্ৰত বিনিয়োগ কৰে আৰু নিজৰ নামত সেই ঔষধৰ পেটেন্ট কৰি লয়। পেটেন্ট মানে হ'ল কোনো এটা নতুন বস্তু বা উদ্ভাৱন বাবে বিজ্ঞানী বা গৱেষকৰ হাতত থকা স্বত্ব। ইয়াৰ উপৰিও উদ্যোগসমূহেও কম সময়ত অধিক লাভৰ আশাত উদ্ভিদ সংগ্ৰহৰ বাবে উঠি পৰি লাগে। এই ক্ষেত্ৰত তেওঁলোকে লোক-চিকিৎসক আৰু অন্যান্য স্থানীয় ব্যক্তিক ব্যৱহাৰ কৰে। বায়'পাইৰেচি বা প্ৰাকৃতিক চুৰি প্ৰতিৰোধৰ বাবে জনসচেতনতা আৰু গছপুলি ৰোপণ কৰা অতি প্ৰয়োজন। ৰোপণ কাৰ্যৰ সময়ছোৱাত জনসমাজত সচেতনতা আৰু ইয়াৰ বৈজ্ঞানিক ভিত্তি গুৰুত্ব সম্পৰ্কে কাৰ্যসূচী গ্ৰহণ কৰা উচিত।

ভাৰতবৰ্ষৰ নিম, বাচমতি চাউল আদিৰ ক্ষেত্ৰত বিদেশী সংস্থাই বায়'পাইৰেচি কৰাৰ অভিযোগ ইতিমধ্যে প্ৰমাণিত হৈছে।

**ধেমাজিৰ মৌ-মাখি ঃ**

ধেমাজি জিলাত চাৰিটা প্ৰজাতিৰ থলুৱা মৌ-মাখি দেখা পোৱা যায়। সেইকেইটা হ'ল- খোৰোঙীয়া মৌ, বৰ মৌ, মাখি মৌ আৰু পেনপেনী মৌ।

**ধেমাজিৰ সমস্যা আৰু জৈৱ বৈচিত্ৰৰ ওপৰত ইয়াৰ প্ৰভাৱ ঃ**

ধেমাজি জিলাৰ জৈৱ-বৈচিত্ৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ মূল কাৰণ হ'ল বান আৰু গৰাখহনীয়া। ভূমিকম্প প্ৰৱণ অঞ্চলৰ অন্তৰ্গত এই জিলাখনৰ লগতে গাতে লাগি থকা অৰুণাচলৰ জলবিদ্যুৎ প্ৰকল্প সমূহে জৈৱ-বৈচিত্ৰৰ ওপৰতো প্ৰভাৱ পেলাইছে। এনে প্ৰকল্পসমূহৰ ফলত বিভিন্ন জলাশয়, বিল আদি পোত খাই যোৱাৰ লগতে নদীসমূহকো বাম কৰি পেলাইছে। গতিকে এই ক্ষেত্ৰত চৰকাৰী বনবিভাগে চৰজমিন তদন্ত কৰি আগবঢ়া উচিত। জৈৱ বৈচিত্ৰৰ নন্দনতাত্বিক মূল্যৰ কথা আমি সকলোৱে জানো। বৈচিত্ৰময় এডোখৰ ঠাই দেখিলেই আমাৰ মন-প্ৰাণ পুলকিত হৈ উঠে। এই বৈচিত্ৰই আমাক কেৱল সৌন্দৰ্যপিয়াসী মন এটাই নিদিয়ে, ইয়াৰ উপৰিও অৰ্থনৈতিক সুৰক্ষা

দিয়ে। ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য আদিৰ দাঁতি-কাষৰীয়া স্থানত পৰ্যটন কেন্দ্ৰ গঢ় লৈ উঠিছে। গাঁৱে গাঁৱে গ্ৰাম্য অভয়াৰণ্য গঢ় লৈ উঠিছে। ই আমাক সৌন্দৰ্যৰ লগতে অৰ্থনৈতিক সকাহো প্ৰদান কৰিছে।

জৈৱ-বৈচিত্ৰৰ আন এটি অন্যতম অৱদান হ'ল যে, ই আমাক জিনীয়ভাৱে পৰিৱৰ্তিত খাদ্য প্ৰস্তুতৰ বাবে জিনীয় পদাৰ্থ যোগান ধৰে। ফলত বিভিন্ন ধৰণৰ ট্ৰান্সজেনিক উদ্ভিদ সৃষ্টি কৰাটো সম্ভৱ হৈছে। আমাৰ লোক-পৰম্পৰা তথা সামাজিক ৰীতি-নীতিৰ বাবেও প্ৰকৃতি এক এৰাব নোৱাৰা সমল। আমাৰ প্ৰাচীন সাধু কথাতো ইয়াৰ উল্লেখ পোৱা যায়। আমাৰ সামাজিক কৰ্মত কলপাত, কলপতুৱা আদি ব্যৱহাৰৰ কথা নক'লোৱেইবা। অৱশ্যে জনগোষ্ঠীয় পৰম্পৰাত ব্যৱহৃত উপাদান সংৰক্ষণ আৰু সংবৰ্ধনৰ কাৰ্যটো অজ্ঞাতভাৱে বা পৰোক্ষভাৱেই হৈ থাকে। নিজ সুবিধা অনুযায়ী উৎসৱ পাৰ্বনৰ বাবে প্ৰয়োজনীয় সমলসমূহ উৎপাদন বা সংৰক্ষণৰ এই ধাৰণাটো আওপুৰণি যদিও ইয়াৰ প্ৰভাৱ ইতিবাচক। উদাহৰণ স্বৰূপে, মেঘালয়ত বসবাস কৰা কোচ জনগোষ্ঠীৰ বসন্তোৎসৱ পাবুনীৰ বাবে সবাতোকৈ প্ৰয়োজনীয় উপাদান হ'ল বাহ আৰু আহত গছ। গতিকে জাতীয় উৎসৱ আৰু জাতীয় দায়বদ্ধতাৰ প্ৰাণস্বৰূপ পাবুনিৰ বাবে কোচ সকলে আহত গছ আৰু বাহ গছ প্ৰত্যক্ষ বা পৰোক্ষভাৱে সংৰক্ষণ কৰি, সুৰক্ষিত কৰি আহিছে বুলি ক'ব পাৰি। প্ৰকৃতি আৰু মানুহৰ এই মধুৰ সম্পৰ্ক চিৰস্থায়ী হ'লেহে-প্ৰকৃতিৰ বান্ধোন আৰু সহৃদয়তা যুগমীয়া হ'ব। কিয়নো প্ৰকৃতি সাধাৰণতে সহনশীল হয়। প্ৰকৃতিয়ে বছৰ পাছত বছৰ সহ্য কৰিব পাৰে। সহ্য কৰে। কিন্তু প্ৰকৃতিৰ সেই ধৈৰ্যৰ বান্ধোন খোল খাই গ'লে প্ৰকৃতিৰ বিধ্বংসী ৰূপক প্ৰতিহত কৰিবলৈ কাৰোৱেই ওচৰত কোনো শক্তি নাথাকিব। ভাৰকচোন, সততে ইক'নমিক সুৰক্ষাৰ কথা চিন্তা কৰা আমাৰ মাজত হঠাৎ যদি মূল্যৰ মান নিম্নগামী হৈ শূণ্য হৈ পৰে তেন্তে আমি কি খাম, কেনেকৈ খাম! ইতিমধ্যে জন-বিস্ফোৰণ আৰু নগৰমুখী যাত্ৰাই আমাৰ ভূমিৰ পৰিমাণ হ্ৰাস কৰি আনিলেই। তেনে স্থলত নিত্য-নৈমিত্তিক খাদ্যৰ বাবে আমি বজাৰলৈ যাবলগীয়া হয়। বাৰীত শাক এডৰা কৰিবলৈয়ো আমাৰ মাটি নাই, সময় নাই নহয়নে! গতিকে বজাৰ কৰিবই লাগিব। কিন্তু কেনেকৈ? মূল্যহীন পইচা যিটো শাক-পাচলি ক্ৰয় কৰিব নোৱাৰিম নহয়নে! আকৌ তাৰ বাবে কিবা উপায় কৰিলেও সেই বনিক সকলৰ মাজতো খাদ্য শেষ হ'ব, তেতিয়া কি কৰিম? এবাৰ দুচকু মুদি যদিহে কথাবোৰ ভাবো আৰু উপলব্ধি কৰিবলৈ যত্ন কৰোঁ তেন্তে হয়তো আমাৰ সকলোৱে এই কথাত একমত হ'ম যে কেৱল ইক'নমিক মূল্যই আমাৰ ভৱিষ্যত সুৰক্ষিত কৰিব নোৱাৰে, তাৰ বাবে ইক'ল'জিকেল মূল্যৰো প্ৰয়োজন।

**পাদটীকা ঃ**

১। চমুৱা, ড০ নৰ কুমাৰ ঃ ধেমাজি, Land and People, নক্সা, ছেপ্তেম্বৰ, ২০১৪

২। বনবিভাগ, অসম চৰকাৰ।

৩। Mali, J.d., Dutta, M.P.: Indigenous fishes used in Traditional Healing Practice by different tribes of Dhemaji District.❑

# The Importance of Value Education in the present day context

Mousumi Hazarika

Value is a dynamic process of life In our daily teaching learning process we are picking up the term 'value' Value is an abstract and idealistic concept that needs deep realization and understanding in individual mind and experiences – values are part and parcel of philosophy of Nation and that of its education system. They are the guiding principles of life which are conducive to all round development of an individual. Values are norms or behaviour which have been evolved during the course of time in the social, moral and spiritual fields. An educationist has highly remarked, 'values are like a rail that keep a train on the track and help it move smoothly , quickly and with direction'.

Value education occupies a prestigious place in the modern context of contemporary society. Values regulate and guide human behaviour and action in our day to day life. Values are embedded is every word we select and speak, what we wear, ways in which we interect, our perceptions and interpretations of others reactions in what we say and so on. The main aim of value education is to make the students good citizens who may share their responsibilities in the changing setup of the society in order to give the desired shape and image to the society and the country at large. We select and speak, what we wear, ways in which we interect our perceptions.

In the present day our Educationists and policy makers have felt the essential need of imparting value oriented education to the students right from the primary to the university stage. Values

are formed on the basis of interests, choices, needs, desires and preferences. Thus value is considered to be an endearing belief upon which human beings act by preferences. However, in our society the awakening in this direction has been too late. Children and youth need to be educated to practice the commonly held values of harmony and peace with sey and others as children are envoys of the future.

Values could guide our life minute by minute towards noble goals, rather than our life behind controlled by self serving motives, customs, accidental occurrences, bad habits, impulse or emotions. Moreover, it inspire and motivate us, giving us energy and a zest for living and for doing something meaningful. Understanding values helps us to understand how we create our own reality and gives us insight into the personal realities of other. But now a days, it is seen that we value those aspects of education that lead to academic excellence and employment.

Now a days, in the whole school approach, value education is woven into the totality of educational programme in school where value education does not form a near appendage of all other subjects but would stand out as over arching concern of basic importance. The school atmosphere is surcharged with positive values to imbibe and internalize. Teachers are properly oriented to create such environment for children where those values become vibrant. Their role is to put the child on the right path not by imposing but by watching, suggesting and helping.

So we can analyse that there is a need to examine and ensure how these issues and concern are dealt appropriately in our school system, in curriculum, teaching, the administrative processes, the institutional ethos and over all climate of the school and how our students are given opportunities to develop their considered opinions and convictions to meet the above challenges peacefully and creatively. ❑

# বি.এড (B.Ed.) ডিগ্ৰী লাভ কৰাৰ পিছত কেৰিয়াৰৰ সুযোগ



ড° বুলজিৎ বুঢ়াগোহাঁই

**বি.** এড (B.Ed.,Bachelor of Education) পাঠ্যক্ৰম হৈছে ভাৰতৰ আটাইতকৈ বেছি অধ্যয়ন কৰিব বিচৰা পাঠ্যক্ৰমবোৰৰ ভিতৰত এটা, য'ত প্ৰতি বছৰে লাখ লাখ শিক্ষাৰ্থীয়ে নামভৰ্তি কৰে। বি.এড. পাঠ্যক্ৰমৰ জনপ্ৰিয়তা হোৱাৰ এটা কাৰণ হৈছে ইয়াত নিয়োগৰ সুবিধা যথেষ্ট আছে। দেশৰ বিভিন্ন বিদ্যালয়ত শিক্ষকৰ আৱশ্যকতা আছে। প্ৰতি বছৰে নতুন বিদ্যালয় স্থাপন হৈছে আৰু শিক্ষকসকলে অৱসৰ গ্ৰহণ কৰিছে, গতিকে বি. এড. ডিগ্ৰীধাৰীসকলে নিযুক্তিৰ সুবিধা লাভ কৰে। যদিও ব্যক্তিগত খণ্ডত যথেষ্ট চাকৰি আছে, শিক্ষাদান ক্ষেত্ৰত চৰকাৰী চাকৰিৰ চাহিদা সদায় বেছি।

বি. এড. ডিগ্ৰী সম্পূৰ্ণ কৰাৰ পিছত, প্ৰাৰ্থীসকলৰ উচ্চ অধ্যয়নৰ বাবে যোৱা বা চাকৰিৰ বাবে পোনপটীয়াকৈ আবেদন কৰাৰ বিকল্প আছে। যদি প্ৰাৰ্থীজনে লগে লগে শিক্ষকতা বৃত্তিত প্ৰৱেশ কৰিব বিচাৰে, তেন্তে তেওঁ চাকৰিৰ সাক্ষাৎকাৰৰ বাবে পোনপটীয়াকৈ আবেদন কৰিব পাৰে আৰু শিক্ষক নিয়োগ পৰীক্ষাত অৱত্তীৰ্ণ হ'ব পাৰে। বি. এড. ডিগ্ৰীধাৰীসকলে পিছত শিক্ষক হিচাপে যোগ্যতা লাভ কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ দ্বাৰা অনুষ্ঠিত শিক্ষক যোগ্যতা নিৰ্ণয়িক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে। উদাহৰণস্বৰূপে কেন্দ্ৰীয় চৰকাৰ "কেন্দ্ৰীয় শিক্ষকৰ যোগ্যতা নিৰ্ণায়ক পৰীক্ষা (ctet,https://ctet.nic.in)" ত প্ৰতি বছৰে প্ৰায় ২৪ লাখ প্ৰাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই পৰীক্ষাত উত্তীৰ্ণ হোৱা সকলে কেন্দ্ৰীয় চৰকাৰী বিদ্যালয় (নৱোদয়, কেন্দ্ৰীয় বিদ্যালয় ইত্যাদি) ত শিক্ষক পদৰ বাবে আবেদন কৰিব পাৰে। ৰাজ্য চৰকাৰৰ অধীনৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষক পদৰ বাবে ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰা "টেট (https:ssa.assam.gov.in)" পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে। বি.এড ডিগ্ৰী থকা প্ৰাৰ্থীসকলে ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদ (National Council for Teacher Education, https:ncte.gov.in)ৰ সংশোধন নিয়ম অনুসৰি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকতা চাকৰিৰ বাবেও আবেদন কৰিব পাৰে। চৰকাৰী খণ্ডত শিক্ষকতা কেৰিয়াৰ কৰিব নিবিচৰা প্ৰাৰ্থীসকলে ব্যক্তিগত বিদ্যালয়ত চাকৰিৰ সুযোগ লাভ কৰিব পাৰে বিভিন্ন পদত, যেনে- Teacher Counsellor, Educational

Administrator, Educational Researcher আদি। অৱশ্যে, যদি শিক্ষাৰ্থীয়েসকলে অধিক দক্ষতা লাভ কৰিব বিচাৰে আৰু উচ্চ দৰমহাৰ চাকৰি পাব বিচাৰে, তেন্তে তেওঁ উচ্চ শিক্ষা গ্ৰহণ কৰিব পাৰে। অন্যহাতে অধ্যাপক বা গৱেষক হিচাপে কেৰিয়াৰ লাভ কৰিব বিচৰা প্ৰাৰ্থীসকলে স্নাতকোত্তৰ ডিগ্ৰী সম্পূৰ্ণ কৰাৰ পিছত শিক্ষাত ডক্টৰেট ডিগ্ৰী লাভ কৰিব পাৰে।

শেষত ক'ব বিছাৰিছো যে, বি.এড ডিগ্ৰী লাভ কৰা পিছত উচ্চ শিক্ষা গ্ৰহণ কৰিব নে চাকৰি কৰিব সেইটো সম্পূৰ্ণৰূপে প্ৰাৰ্থীসকলৰ পছন্দৰ ওপৰত নিৰ্ভৰ কৰিব। উদাহৰণস্বৰূপে, যদি প্ৰাৰ্থীয়ে শিক্ষাদানৰ ক্ষেত্ৰত অভিজ্ঞতা লাভ কৰিব বিচাৰে, তেন্তে তেওঁ পোনপটীয়াকৈ শিক্ষকতাৰ চাকৰিৰ ফালে যাব পাৰে। একেদৰে, যদি প্ৰাৰ্থীসকলে চৰকাৰী চাকৰি কৰিব বিচাৰে, তেওঁ পোনপটীয়াকৈ চৰকাৰী নিয়োগ প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে। আনহাতে যদি প্ৰাৰ্থীয়ে এটা নিৰ্দিষ্ট বিষয়ত অধিক দক্ষতা আৰু জ্ঞান লাভ কৰিব বিচাৰে বা গৱেষণা আধাৰিত চাকৰিৰ বাবে আবেদন কৰিব বিচাৰে, তেন্তে উচ্চ শিক্ষা গ্ৰহণ কৰাটো ভাল।

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো বি. এড. (B.Ed.) শিক্ষা গ্ৰহণ কৰিব পৰা শিক্ষানুষ্ঠান আছে। বৰপেটা জিলাৰ আটাওৰ ৰহমান শিক্ষক শিক্ষা মহাবিদ্যালয় (http://www.arceassam.org)ত আসনৰ সংখ্যা ১০০ খন বজালী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় (http://www.bajalittcollege.in) ত আসনৰ সংখ্যা ১০০ খন বৰনগৰ বি.এড কলেজ (https://barnagar,org) ত আসনৰ সংখ্যা ৫০ খন বৰপেটা বি.টি কলেজ (http://www.barpetabtcollege,org) ত আসনৰ সংখ্যা ১০০ খন আৰু জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) ( http://www.dietbarpeta.co.in) ত আসনৰ সংখ্যা ৫০ খন। বঙাইগাওঁ জিলাৰ বঙাইগাওঁ বি.এড কলেজ (http://www.bongaigaonbedcollege.org) ত আসনৰ সংখ্যা ৬০ খন, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) (http://dietbongaigaon.in) ত আসনৰ সংখ্যা ৫০ খন আৰু ৰেইমালি অকাডেমি মহাবিদ্যালয় (https://www.reimaileacademycollege.com) ত আসনৰ সংখ্যা ১০০ খন।

কাছাৰ জিলাৰ ডঃ শ্যাম্যা প্ৰসাদ মুখাৰ্জী শিক্ষক শিক্ষা মহাবিদ্যালয় (https:/www.spmcollege.edu.in) ত আসনৰ সংখ্যা ১০০ খন, শিলচৰ শিক্ষা মহাবিদ্যালয়ৰ (http://silcharcollegeofeducation.com) ত আসনৰ সংখ্যা ১০০ খন, শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় (https://ttcollegesilchar.com) ত আসনৰ সংখ্যা ৫০ খন।

দৰং জিলাৰ শিক্ষক শিক্ষণ মহাবিদ্যালয় (http://ctemangaldai.co.in) ত আসনৰ সংখ্যা ৫০ খন, ডিমৰীয়া বি.এড কলেজ (http://www.deomornoibedcollege.org) ত আসনৰ সংখ্যা ৫০ খন, আৰ চি. চহৰীয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় (http://rcstt.in)ত আসনৰ সংখ্যা ১০০ খন আৰু ছিপাঝাৰ বি.এড.কলেজ (http://sipajharbedcollege.org.in) ত আসনৰ সংখ্যা ১০০ খন। ধেমাজি জিলাৰ ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় (http://

www.dhemajipgtcollege.org) ত আসনৰ সংখ্যা ৫০ খন, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) (http://www.dietdhemaji.in) অসনৰ সংখ্যা ৫০ খন। ধুবুৰী জিলাৰ ধুবুৰী স্নাতকোত্তৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় (http://dhubripgttcollege.com) ত আসনৰ সংখ্যা ১০০ খন।

ডিব্ৰুগড় জিলাৰ চন্দ্ৰকান্ত হাজৰিকা মহাবিদ্যালয় (http://ckhbedcollege.org) ত আসনৰ সংখ্যা ১০০ খন শিক্ষা বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয় (http://dibru.ac.in/)ত আসনৰ সংখ্যা ৫০ খন, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) (http://www.dietdibrugarh.in)ত আসনৰ সংখ্যা ৫০ খন, নামৰূপ শিক্ষক শিক্ষা মহাবিদ্যালয় (http://www.ctenamrup.com)ত আসনৰ সংখ্যা ৫০ খন, পাৰিজাত অকাডেমি শিক্ষক শিক্ষা প্ৰতিষ্ঠান (http://parijatacademy.co.in)ত আসনৰ সংখ্যা ১০০ খন।

গোৱালপাৰা জিলাৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) (http://www.goalpara.gov.in/diet)ত আসনৰ সংখ্যা ৫০ খন আৰু চৰকাৰী বি.টি কলেজ (http://www.ctegoalpara.in) ত আসনৰ সংখ্যা ১০০ খন।

গোলাঘাট জিলাৰ শিক্ষক শিক্ষা মহাবিদ্যালয় (http://www.ctegolaghatin) ত আসনৰ সংখ্যা ১০০ খন।

হাইলাকান্দি জিলাৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) (http://diethailakandi.in)ত আসনৰ সংখ্যা ৫০ খন, ডঃ শশীভূষণ শিক্ষা প্ৰতিষ্ঠান (http://www.sbiehailakandi.co.in)ত আসনৰ সংখ্যা ৫০ খন, এচ.কেয়.ৰয় সোঁৱৰণী শিক্ষাৰ প্ৰতিষ্ঠান (http://www.skrmie.ac.in/homepage.php) ত আসনৰ সংখ্যা ১০০ খন।

যোৰহাট জিলাৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়টে) (http://www.dietjorhat.in)ত আসনৰ সংখ্যা ৫০ খন, স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় (http://www.iasejorhat.in)ত আসনৰ সংখ্যা ৫০ খন, কমলা বেজবৰুৱা সোঁৱৰণী শিক্ষক শিক্ষা মহাবিদ্যালয় (http://www.kbmcollege.co.in) ত আসনৰ সংখ্যা ৫০ খন, নেইমচ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় (http://ncte.neimscollege.com)ত আসনৰ সংখ্যা ৫০ খন।

কামৰূপ জিলাৰ অসম শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় (http://www.aspmghy.com)ত আসনৰ সংখ্যা ১০০ খন, বাইহাটা চাৰিআলি বি.এড. কলেজ (http://www.baihatacharialib-ed.org.in/) ত আসনৰ সংখ্যা ১০০ খন, শিক্ষা মহাবিদ্যালয় (http://www.collegeofeducation.org) ত আসনৰ সংখ্যা ১০০ খন, দক্ষিণ গুৱাহাটী বি.এড.কলেজ (http://www.dgbed.org) ত আসনৰ সংখ্যা ১০০ খন. জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) (http://www.dietkamrup.in) ত আসনৰ সংখ্যা ৫০ খন, ডঃ অনিতা বৰুৱা শৰ্মা শিক্ষা মহাবিদ্যালয় (http://www.drabscollege.com) ত আসনৰ সংখ্যা ১০০ খন, চৰকাৰী বাণীকান্ত শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় (http://www.iaseguwahati.in) ত আসনৰ সংখ্যা ৫০

খন, কে.আৰ.ডি শিক্ষা মহাবিদ্যালয় (http://krdcollege.in) ত আসনৰ সংখ্যা ১০০ খন, জাতীয় শিক্ষক শিক্ষা প্ৰতিষ্ঠান (http://www.nifte.org.in/)ত আসনৰ সংখ্যা ১০০ খন, প্ৰাগজ্যোতিষ বি.এড কলেজ পছৰীয়া (http://www.pragjyotishbedc ollegepacharia.com) ত আসনৰ সংখ্যা ১০০ খন, প্ৰভিন্স কলেজ (http://www.provincecollege.in)ত আসনৰ সংখ্যা ১০০ খন, ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় (http://rangiattcollege.in)ত আসনৰ সংখ্যা ১০০ খন, শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় মিৰ্জা (http://www.ttcollegemirza.com)ত আসনৰ সংখ্যা ১০০ খন, পশ্চিম গুৱাহাটী শিক্ষা মহাবিদ্যালয় (http://www.wgce.org) ত আসনৰ সংখ্যা ১০০ খন, কাৰ্বি আংলং জিলাৰ Diphu B.Ed. College (http://diphubedcollege.org)ত আসনৰ সংখ্যা ১০০ খন, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) (http://www.dietkarbianglong.in)ত আসনৰ সংখ্যা ৫০ খন।

কৰিমগঞ্জ জিলাৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) (http://www.dietkariganj.in)ত আসনৰ সংখ্যা ৫০ খন, জি.চি পল শিক্ষা মহাবিদ্যালয় (http://www.gcpaulcollegeofeducation.org)ত আসনৰ সংখ্যা ১০০ খন, পাথৰকান্দি শিক্ষা মহাবিদ্যালয় (http://patharkandibedcollege.org)ত আসনৰ সংখ্যা ১০০ খন, বিবেকানন্দ শিক্ষা মহাবিদ্যালয় (http://www.vced.org/) ত আসনৰ সংখ্যা ৫০ খন।

কোকৰাঝাৰ জিলাৰ গোঁসাই গাঁও বি.এড কলেজ (http://gossaigaonbedcollege.org)ত আসনৰ সংখ্যা ১০০ খন, চৰকাৰী শিক্ষক শিক্ষা মহাবিদ্যালয় (http://www.govtctekokrajhar.ac.in)ত আসনৰ সংখ্যা ১০০ খন।

লখিমপুৰ জিলাৰ বিহপুৰীয়া স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় (http://bpgct.in)ত আসনৰ সংখ্যা ৫০ খন, শিক্ষক শিক্ষা মহাবিদ্যালয়, ঢকুৱাখনা (http://ctedhakuakhana.org.in)ত আসনৰ সংখ্যা ১০০ খন, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) (http://dietaxad.co.in)ত আসনৰ সংখ্যা ৫০ খন, লক্ষিমপুৰ স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় (http://www.lpgtcollege.org)ত আসনৰ সংখ্যা ৫০ খন।

মৰিগাঁও জিলাৰ শিক্ষা মহাবিদ্যালয়, মৰিগাঁও (http://www.collegeofeducationmorigaon.org) ত আসনৰ সংখ্যা ১০০ খন, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) (http://www.dietmorigaon.in)ত আসনৰ সংখ্যা ১০০ খন।

নগাওঁ জিলাৰ শিক্ষা মহাবিদ্যালয় (http://www.collegeofeducation.co.in)ত আসনৰ সংখ্যা ১০০ খন, হাম-এক ৰুৰেল কলেজ অৱ এডুকেশন (http://hamakeducation.com)ত আসনৰ সংখ্যা ১০০ খন, কলিয়াবৰ শিক্ষা মহাবিদ্যালয় (http://www.kaliaborcollegeofeducation.org.in)ত আসনৰ সংখ্যা ১০০ খন, কৃষ্ণ বৰা বি.এড.কলেজ নগাঁও (http://kbbedcollege.org)ত আসনৰ সংখ্যা ১০০ খন, নাজীৰ আজমল

সোঁৰৰণী শিক্ষা মহাবিদ্যালয় (http://namce.ajmalgroupofcollege.org)ত আসনৰ সংখ্যা ১০০ খন, নগাঁও শিক্ষণ মহাবিদ্যালয় (http://www.collegeofeducation.com)ত আসনৰ সংখ্যা ৫০ খন।

নলবাৰী জিলাৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) (http://www.dietnalbari.in)ত আসনৰ সংখ্যা ৫০ খন, ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণন শিক্ষক প্ৰশিক্ষণ আৰু গৱেষণা প্ৰতিষ্ঠান (http://www.dsrttri.com)ত আসনৰ সংখ্যা ৫০ খন, শোধাৰাণী দোলাৰাম পাঠক শিক্ষক শিক্ষা মহাবিদ্যালয় (http://www.ctethu.in)ত আসনৰ সংখ্যা ১০০ খন।

শিৱসাগৰ জিলাৰ শিৱসাগৰ শিক্ষক শিক্ষা মহাবিদ্যালয় (http://sibcte.in)ত আসনৰ সংখ্যা ৫০ খন।

শোণিতপুৰ জিলাৰ বিশ্বনাথ শিক্ষা মহাবিদ্যালয় (http://bedbnc.org)ত আসনৰ সংখ্যা ১০০ খন, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) (http://www.dietbiwanath.in)ত আসনৰ সংখ্যা ৫০ খন, শিক্ষক শিক্ষা মহাবিদ্যালয় তেজপুৰ (http://www.ctetezpur.com) ত আসনৰ সংখ্যা ১০০ খন, তেজপুৰ বিশ্ববিদ্যালয় (http://www.tezu.ernet.in)ত আসনৰ সংখ্যা ৫০ খন।

তিনিচুকীয়া জিলাৰ শিক্ষক শিক্ষা মহাবিদ্যালয় (http://www.ctetinsukia.com/)ত আসনৰ সংখ্যা ৫০ খন, ডিগবৈ বি.এড কলেজ (http://www.bedcollegedigboi.com)ত আসনৰ সংখ্যা ১০০ খন।

এই শিক্ষানুষ্ঠানবোৰত নাম ভৰ্ত্তি কৰিবৰ বাবে প্ৰয়োজন হোৱা সবিশেষ তথ্য জানিবৰ বাবে শিক্ষানুষ্ঠানবোৰ ৱেবছাইটত চাব পাৰে। বি.এড পাঠ্যক্ৰমত নামভৰ্ত্তি কৰাৰ পূৰ্বে শিক্ষানুষ্ঠানসমূহৰ বৈধতা/ডিগ্ৰীৰ মৰ্যাদা/ব্যৱস্থা/স্বীকৃতি প্ৰাপ্তিৰ মৰ্যাদা আদিৰ সবিশেষ "ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদ (http://ncte.gov.in)ৰ ৱেবচাইটত জানি ল'ব লাগে। লগতে "ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (http://scert.assm.gov.in)ৰ ৱেবচাইট চাব পাৰে।

বি.এড (B.Ed) ডিগ্ৰী লাভ কৰাৰ পিছত শিক্ষকতাৰ যোগেদি কেৰিয়াৰ গঢ়িব খোজা সকলৰ কিছুমান গুণ থকা বা আয়ত্ত কৰা দৰকাৰ, যেনে- নিয়মানুৱৰ্তিতা, দায়িত্ববোধ, সুন্দৰ নিৰীক্ষণ ক্ষমতা, ভাল পৰ্য্যবেক্ষক,সঠিক ভাবে লিখিব পৰা দক্ষতা, অনুসন্ধিৎসু মন, দলগত ভাবে কাম কৰা দক্ষতা থকা, ভাল যোগাযোগ দক্ষতা থকা, বিষয়টিৰ প্ৰতি প্ৰকৃত আগ্ৰহ আদি।

বি.দ্ৰ ঃ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০১৯ প্ৰয়োগ হ'লে এই লেখাটোত উল্লেখ কৰা বি.এড পাঠ্যক্ৰমৰ কিছুমান কথা সলনি হ'ব।❑



# চলচ্চিত্ৰৰ প্ৰতি দৰ্শকৰ দায়িত্ব

ড° প্ৰদীপ বড়া

**আ**মি চলচ্চিত্ৰ কিয় চাওঁ, কেনেধৰণৰ চলচ্চিত্ৰ চাই ভাল পাওঁ বা চিনেমাৰ পৰা আমি কি বিচাৰোঁ? আমাৰ দৰে সাধাৰণ দৰ্শকৰ সমুখত কেতিয়াবা চলচ্চিত্ৰ নিৰ্বাচনৰ ক্ষেত্ৰত কিছুমান সমস্যাই দেখা দিয়ে। আমাৰ দৈনন্দিন ব্যস্ত জীৱনত আমাৰ সকলো প্ৰয়োজন পূৰাব পৰাকৈ আমি কোনবোৰ চলচ্চিত্ৰক আমাৰ উপভোগৰ তালিকাত স্থান দিম? এনেধৰণৰ প্ৰশ্ন আমাৰ মনলৈ অহাটো অতি স্বাভাৱিক। এনে প্ৰশ্নৰ উত্তৰৰ বাবে আমি কেইটামান বিশেষ কথালৈ মন কৰিব লাগিব।

প্ৰথম কথা হ'ল চিনেমা এখনৰ নিৰ্মাণৰ প্ৰাথমিক উদ্দেশ্য কি? ধন উপাৰ্জন কৰা নে শিল্প চৰ্চা কৰা? এই প্ৰশ্নটোৰ উত্তৰ বিচাৰিবলৈ হ'লে আমি চিনেমা নিৰ্মাণ প্ৰক্ৰিয়াটোলৈ দৃষ্টি দিব লাগিব। আমি জানো চিনেমা এটা বিৰাট খৰচী কাৰবাৰ। চিনেমা এখন সহজতে হৈ নুঠে। বিভিন্ন কলাৰ সংমিশ্ৰণত চিনেমাই যেনেকৈ এটা বৃহৎ যৌগিক কলালৈ পৰ্যৱসিত হৈছে তেনেকৈ বিভিন্ন কাৰিকৰী দিশৰ প্ৰয়োজনীয়তাই ইয়াক এটা ব্যয়বহুল নিৰ্মাণ



প্ৰক্ৰিয়ালৈ লৈ গৈছে। সেয়েহে প্ৰথম অৱস্থাৰ পৰাই চিনেমাৰ লগত বাণিজ্যৰ দিশটো জড়িত হৈ আছে। বিশ্বৰ প্ৰথম চলচ্চিত্ৰ নিৰ্মাতা বুলি সৰ্বজন স্বীকৃত (কাৰণ একেসময়তে আন বহুকেইজনে চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়াটোৰ সন্দৰ্ভত পৰীক্ষা-নিৰীক্ষা কৰি আছিল) লুমিয়েৰ ভাতৃদ্বয়েও চলচ্চিত্ৰৰ প্ৰদৰ্শনেৰে অৰ্থ উপাৰ্জনৰ পথ বিচাৰি লৈছিল। এতিয়া কথা হ'ল যদি বাণিজ্যৰ বিষয়টো চলচ্চিত্ৰৰ সৈতে প্ৰথমৰ পৰাই জড়িত হৈ আছে তেনে চিনেমাৰ জৰিয়তে বাণিজ্যিক লাভালাভ বা ধন উপাৰ্জন কৰা কথাটো

চলচ্চিত্ৰ নিৰ্মাতাৰ প্ৰধান উদ্দেশ্য হ'ব পাৰে। কিন্তু যদি উপাৰ্জনৰ বিষয়টোৱেই এখন চিনেমাৰ প্ৰাথমিক উদ্দেশ্য হয় তেন্তে ইয়াত কলাৰ প্ৰসংগটো কেনেকৈ বিচাৰ কৰা হ'ব?

আমি এটা কথা মন কৰিলে দেখা পাম যে কলা আৰু বাণিজ্য আচলতে বিপৰীত প্ৰসংগ নহয়। চিনেমাৰ ক্ষেত্ৰত 'কলাত্মক চিনেমা আৰু বাণিজ্যিক চিনেমা' বোলা ভাগ দুটা কেইদিনমানলৈকে প্ৰচলিত আছিল। কিন্তু বৰ্তমানৰ চলচ্চিত্ৰ সমালোচকসকলে এই দুটা ভাগক মানি ল'ব নোখোজে। নমনাৰ যুক্তিও আছে। কাৰণ বাণিজ্যৰ মাজত কলাত্মকতা নাথাকিব বা কলাৰ দ্বাৰা বাণিজ্য কৰিব নোৱাৰাধৰণৰ কোনো কথা নাই। আচলতে কলাই যেতিয়া নিজ কলাগুণ ৰক্ষা কৰি বাণিজ্যিক দিশতো সফলতা লাভ কৰিব পাৰে, তেন্তে তেনেধৰণৰ কলাই প্ৰকৃত কলাৰ চৰ্চা কৰা শিল্পীসকলক মৰ্যাদাহে প্ৰদান কৰে।

চিনেমাৰ বাণিজ্যিক লাভালাভৰ কথাটো হৈছে চিনেমা নিৰ্মাণকাৰীসকলৰ সৈতে জড়িত এটা প্ৰসংগ। তেন্তে দৰ্শক হিচাপে এখন চিনেমাৰ পৰা আমাৰ কি কি লাভ হয়? এই প্ৰশ্নটোৰ উত্তৰৰ লগতে প্ৰকৃততে দৰ্শক হিচাপে আমিনো কোনবোৰ চিনেমা চাব লাগে বা কিয় চাব লাগে তাৰ উত্তৰটোও সাঙোৰ খাই আছে। এইখিনিতে আমি দৰ্শক হিচাপে নিজকে আৰু এটা প্ৰশ্ন কৰি লোৱা ভাল হ'ব যে আমি চিনেমা কিয় চাওঁ? কেৱল ক্ষন্তেকীয়া মনোৰঞ্জন বা উত্তেজনা বিচাৰোঁ নে আমাৰ মন-মগজু বা আমাৰ চিন্তাৰ ক্ষেত্ৰখনক কিছুপৰিমাণে হ'লেও চিনেমাই আলোড়িত কৰাটো বিচাৰোঁ। ইয়াৰ লগত আমাৰ ৰুচিবোধৰ কথাটো জড়িত হৈ আছে।

মন কৰা ভাল যে, দৰ্শক হ'ল এখন চলচ্চিত্ৰৰ চালিকা শক্তি। এখন চলচ্চিত্ৰৰ বৰ্তনযোগ্যতা অৰ্থাৎ কিমান দিনলৈ চলচ্চিত্ৰ এখনে নিজকে জীয়াই ৰাখিব পাৰিব সেয়া দৰ্শকে নিৰ্ণয় কৰি দিয়ে। এক কথাত চলচ্চিত্ৰ এখনৰ সফলতা-বিফলতা নিৰ্ভৰ কৰে দৰ্শকৰ ওপৰত। দৰ্শকে যদি এখন চলচ্চিত্ৰৰ ভাগ্য নিৰ্ণয় কৰিব পাৰে তেনেহ'লে চলচ্চিত্ৰখনৰো দৰ্শকৰ প্ৰতি কিছুমান দায়বদ্ধতা থকা উচিত। সমাজৰ প্ৰতিও চলচ্চিত্ৰ সমানে দায়িত্বশীল হোৱা উচিত। এইক্ষেত্ৰত এখন চলচ্চিত্ৰৰ সামাজিক দায়বদ্ধতা বা সামাজিক প্ৰভাৱৰ বিষয়টো আপোনা-আপুনি আহি পৰিব।

আমি জানো যে চলচ্চিত্ৰ হৈছে বৰ্তমান সময়ৰ আটাইতকৈ প্ৰভাৱশালী গণমাধ্যম। জনসাধাৰণৰ সকলো স্তৰৰ লোকক চলচ্চিত্ৰই প্ৰভাৱিত কৰিব পাৰে। সেয়ে চলচ্চিত্ৰত যি দেখুওৱা হয় সেয়া পোনে পোনে সকলো স্তৰৰ লোকৰ দৰ্শকৰ মাজত সোমাই পৰে। এই কথাটোৰ বাবেই আমি কোনবোৰ চলচ্চিত্ৰ চাম বা পূৰ্বতে উল্লেখ কৰা দৰ্শকৰ ক্ষমতাৰে কোনবোৰ চলচ্চিত্ৰক স্বীকৃতি দিম ই এটা অতি গুৰুত্বপূৰ্ণ বিষয়। এইখিনিতে স্বতন্ত্ৰ চলচ্চিত্ৰৰ প্ৰাসংগিকতা অধিক।

এতিয়া আপোনাৰ মনলৈ প্ৰশ্ন আহিব পাৰে যে এই স্বতন্ত্ৰ চলচ্চিত্ৰ কি? এই ৰচনাৰ পূৰ্ণতাৰ বাবে স্বতন্ত্ৰ চলচ্চিত্ৰৰ বিষয়ে সম্যক ধাৰণা দি লোৱাটো অতি জৰুৰী। সমালোচকসকলে চলচ্চিত্ৰক বৰ্তমান মূল দুটা ধাৰাত ভাগ কৰি অধ্যয়ন কৰিছে। এটা হ'ল 'মূল ধাৰাৰ চলচ্চিত্ৰ'

(Mainstresm Film) বা 'জনপ্ৰিয় চলচ্চিত্ৰ' (Popular Film) আৰু আনটো 'স্বতন্ত্ৰ চলচ্চিত্ৰ' (Independent Film)। মূল ধাৰাৰ চলচ্চিত্ৰসমূহ হ'ল কেৱল বাণিজ্যিক উদ্দেশ্য আগত ৰাখি নিৰ্মাণ কৰা চলচ্চিত্ৰ। ইয়াত বজাৰখন মূল বিষয়। অৰ্থনীতিৰ ভাষাত যেনেকৈ যোগানৰ সৈতে চাহিদা ঐকান্তিকভাৱে জড়িত তেনেকৈ মূল ধাৰাৰ চলচ্চিত্ৰ নিৰ্মাণৰ সৈতে সমকালীন সমাজখনৰ দৰ্শকৰ চাহিদা মূল বিষয় হৈ পৰে। গৰিষ্ঠসংখ্যক দৰ্শকৰ ৰুচি, চাহিদা, আকৰ্ষণ আদিৰ ওপৰত নিৰ্ভৰ কৰি মূল ধাৰাৰ চলচ্চিত্ৰ-নিৰ্মাতাই এনে চলচ্চিত্ৰ নিৰ্মাণ কৰে। তাৰমানে চলচ্চিত্ৰখন বেচিব লাগিব, প্ৰযোজকৰ লাভ হ'ব লাগিব। সেয়ে এনে চলচ্চিত্ৰত বেছিসংখ্যক সাধাৰণ মনোৰঞ্জনকামী দৰ্শকে বিচৰাৰ ধৰণে লঘু কাহিনী থাকে, অবাস্তৱ 'ফাইট'ৰ দৃশ্য থাকে, অতিমানৱৰ দৰে 'হিৰো' থাকে, য'ত ইচ্ছা কৰিলেই যিকোনো ঠাইত গান-নাচ কৰিব পাৰে, যিকোনো লোকৰ লগত কাজিয়া কৰিব পাৰে বা এজন নিৰস্ত্ৰ লোকে এশ অস্ত্ৰধাৰী লোকৰ লগত যুঁজিব পাৰে, যুঁজি জিকিব পাৰে। এই সমগ্ৰ ঘটনাসমূহ বাস্তৱসন্মত নহয়। এইবোৰে আমাক এখন মায়াৰ জগতলৈ লৈ গৈ মোহাচ্ছন্ন কৰি ৰাখি বাস্তৱ জীৱনৰ পৰা আঁতৰাই লৈ যায়। য'ত দৰ্শকে নিজক বিচাৰি পাব নোৱাৰে। সদায়ে নিজতকৈ তেনে এখন জগত বেলেগ বুলি ভাবিবলৈ বাধ্য হয়। মূল ধাৰাৰ চলচ্চিত্ৰৰ উদাহৰণ আমি সততে 'হলিউদ', 'বলিউদ'ত দেখিবলৈ পাই থাকোঁ। সাম্প্ৰতিক অসমীয়া চলচ্চিত্ৰ জগতৰ মাজৰ পৰা 'মূল ধাৰা' বা 'জনপ্ৰিয় ধাৰা'ৰ চলচ্চিত্ৰৰ উদাহৰণ হিচাপে আমি জুবিন গাৰ্গ পৰিচালিত 'কাঞ্চনজংঘা' আৰু যতীন বৰা পৰিচালিত 'ৰত্নাকৰ' চলচ্চিত্ৰদুখন ল'ব পাৰোঁ। এই উদাহৰণ কেৱল পাঠকৰ বিষয়টো বোধগম্যৰ বাবেহে দিয়া হৈছে। আনহতে, স্বতন্ত্ৰ চলচ্চিত্ৰ হ'ল বাস্তৱৰ চলচ্চিত্ৰ। ইয়াত জীৱন-জগতৰ প্ৰকৃত ছবিখন দেখুওৱা হয়। এনে চলচ্চিত্ৰত দৰ্শকে নিজকে চিনেমাখনৰ ভিতৰলৈ লৈ গৈ বক্তব্যক ওচৰৰ পৰা অনুধাৱন কৰিব পাৰে। অৰ্থাৎ চলচ্চিত্ৰখনত কোৱা কথাবোৰ আমাৰ নিজৰে কথা বা চলচ্চিত্ৰখনত দেখুওৱা মানুহবোৰ আমাৰ নিজৰে মানুহ বুলি ভাবিব পাৰে। সেয়ে স্বতন্ত্ৰ চলচ্চিত্ৰই দৰ্শকক কেতিয়াও এখন অবাস্তৱ বা মায়াৰ ৰাজ্যলৈ লৈ নাযায়। জীৱন-জগতত প্ৰকৃততে যি ঘটে তাকে কলাৰ মাধ্যমেৰে ইয়াত চিত্ৰিত কৰা হয়। উদাহৰণ স্বৰূপে আমি সাম্প্ৰতিক অসমীয়া চলচ্চিত্ৰৰ মাজৰ পৰা ৰীমা দাস পৰিচালিত 'ভিলে'জ্ ৰকষ্টাৰছ্' আৰু ভাস্কৰ হাজৰিকা পৰিচালিত 'আমিষ' চলচ্চিত্ৰদুখন ল'ব পাৰোঁ। অৱশ্যে প্ৰথমাৱস্থাত 'স্বতন্ত্ৰ চলচ্চিত্ৰ' নিৰ্মাণ কৰা হৈছিল 'মূল ধাৰাৰ চলচ্চিত্ৰ'ৰ নিৰ্মাণৰ ব্যয়বহুলতাৰ বিৰোধিতা কৰি। সেয়ে এই দুয়োটা ধাৰাৰ মাজত বিশেষকৈ নিৰ্মাণ কৌশল, প্ৰচাৰ প্ৰসাৰ আদিৰ দিশৰ পৰা এটা বৃহৎ পাৰ্থক্য আছে। এই ৰচনাত অৱশ্যে নিৰ্মাণ প্ৰক্ৰিয়াৰ দিশটোৰ আলোচনা নকৰি দুয়োটা ধাৰাৰ মাজত থকা বিষয়বস্তু নিৰ্বাচন, কাহিনী কথন প্ৰক্ৰিয়া, উপস্থাপন শৈলী আদিৰ দিশৰ পৰাহে দুয়োটা ধাৰাৰ পাৰ্থক্যমূলক আলোচনা কৰা হৈছে। কেৱল 'স্বতন্ত্ৰ চলচ্চিত্ৰ' আলোচনাই এটা বৃহৎ পৰিসৰৰ দাবী কৰে। এই দুয়োটা ধাৰাৰ উপৰিও অৱশ্যে চলচ্চিত্ৰ সমালোচকসকলে 'মধ্যৱৰ্তী

চলচ্চিত্ৰ’ (Middle Film) ধাৰা এটাৰ কথাও ক’ব খোজে। যিটো ধাৰাত ‘মূল ধাৰা’ আৰু ‘স্বতন্ত্ৰ ধাৰা’ এই দুয়োবিধৰে লক্ষণ থাকে।

এতিয়া কথা হ’ল আমি যদি চলচ্চিত্ৰৰ পৰা এটা সুস্থ বক্তব্য বা জীৱনবোধৰ ধাৰণা আশা কৰোঁ, অথবা যদি আমি ভাবোঁ যে চলচ্চিত্ৰৰ দৰে এটা প্ৰভাৱশালী গণমাধ্যমৰ সমাজত সুপ্ৰয়োগ হওঁক, তেন্তে আমি দৰ্শক হিচাপে আমাৰ প্ৰিয় চলচ্চিত্ৰৰ তালিকাত এই স্বতন্ত্ৰ চলচ্চিত্ৰসমূহক স্থান দিয়াৰ প্ৰয়াস কৰিব লাগে। তাৰ বাবে আমি আমাৰ চলচ্চিত্ৰ চোৱাৰ ৰুচিৰ ওপৰত গুৰুত্ব দিব লাগিব। প্ৰয়োজনত আমাৰ ৰুচিৰ বিকাশ বা পৰিৱৰ্তন কৰিব লাগিব। কাৰণ আমি জানো যে পৃথিৱীৰ আটাইতকৈ শক্তিশালী আৰু প্ৰভাৱশালী গণমাধ্যম চলচ্চিত্ৰৰ জৰিয়তে প্ৰকৃততে জীৱন-জগতৰ বাবে প্ৰয়োজনীয় বহুবোৰ কথা অতি সহজে সকলোৰে মাজলৈ লৈ যাব পাৰি। তাৰ বাবে লাগিব চলচ্চিত্ৰ নিৰ্মাতাৰ ঐকান্তিক প্ৰচেষ্টা আৰু দৰ্শকৰ সৰৱ ভূমিকা। দৰ্শকৰ ৰুচিয়ে যদি কেৱল সস্তীয়া মনোৰঞ্জনৰ বাবেই চলচ্চিত্ৰক ব্যৱহাৰ কৰি থাকে তেন্তে ইমান এটা শক্তিশালী গণমাধ্যমৰ শক্তিৰ অপচয় হোৱা বুলি ধৰিব লাগিব। স্বতন্ত্ৰ চলচ্চিত্ৰই চলচ্চিত্ৰৰ এই শক্তিক অপচয় হ’বলৈ দিয়া নাই। এতিয়া কেৱল দৰ্শকে বিষয়ৰ গুৰুত্ব অনুধাৱন কৰি স্বতন্ত্ৰ চলচ্চিত্ৰক অধিক মৰমেৰে আঁকোৱালি ল’লেই কলাৰূপটোক প্ৰকৃত সন্মান জনোৱা হ’ব।

আজিৰ এই আলোচনাৰ বক্তব্য স্পষ্ট। দৰ্শকসকলৰ ওপৰতে চলচ্চিত্ৰৰ উদ্যোগটো নিৰ্ভৰশীল। আমি দৰ্শকসকলেই চলচ্চিত্ৰৰ ভাগ্য নিৰ্ধাৰণ কৰিব পাৰোঁ। সেয়ে যি চলচ্চিত্ৰই আমাৰ দৰ্শকসকলক প্ৰকৃত সত্যৰ পৰা আতঁৰাই মায়াৰ জগতত বিচৰণ কৰাব বিচাৰে, আমি তেনে চলচ্চিত্ৰক গুৰুত্ব দিম নে যি চলচ্চিত্ৰই আমাৰ জীৱনৰ প্ৰকৃত সত্য প্ৰকাশ কৰি আমাৰ জীৱন-জগতক সমৃদ্ধ কৰে, আমাক নিজক উপলব্ধি কৰাৰ সুযোগ দিয়ে আমি তাক গুৰুত্ব দিম, এই প্ৰশ্ন দৰ্শক হিচাপে আপুনি, মই নিজকে কৰি চাব লাগে। কাৰণ, কলা কেৱল কলাৰ বাবে নহয়, কলা হ’ব লাগে জীৱনৰ বাবে। ❑



# SEMESTER SYSTEM: AN INNOVATIVE TECHNIQUE ADOPTED FOR EXAMINATION REFORM

Nirmali Baruah

Examination is nothing but a procedure generally applied for measuring the learning outcome of the students .It is also a technique needed for promotion of the students from one standard to the another standard .Most of our educationist and psychologist mentioned that our existing examination is defective .It is defective in the sense that it prepares the students only to sit in the examination and to take promotion for the higher class .It does not suit the needs of the students and cannot prepare them for their future life. In fact most of the time our traditional



examination system create phobia in the minds of the students .Hence there is an urgent need for reforming the examination system taking into consideration the needs and demands of the students as well as of the society.

Innovation in examination implies the reformation of examination system by making the evaluation system more reliable, more valid and more acceptable. The University Education Commission (1948-49) ,Secondary Education Commission(1952-53), Kothari Commission (1964-65) ,NCERT(1976) ,New Education Policy(1986) provided valuable suggestion regarding reformation of examination system.

According to great Psychologist Sandyford, examination system should be subjective .But many of our educationist are of the opinion that it should be objective. A few strategies that can be adopted for reforming the examination system may be Semester system, System of grading, Internal Assessment, Use of short answer type of question, Use of objective type question, Oral examination etc.

Semester system is innovative steps that can be applied for reforming the traditional examination system. According to the Dictionary of Education, the meaning of semester is half of the education year .In India the Indian Institutes of Technology are the first institution of applying semester system .In India, the education system is fast changing and it requires many years to be fully equipped with modern amenities. Semester system is one of the demands of the globalized world. The university grants commission suggested to implement semester system in all the institution of higher education with the aim to bring a change in the whole existing system of education. One of the major advantages of the semester system seems to be that it allows for a higher degree of innovation and flexibility to students as well as teachers .A large variety of course can be formulated under this system of one semester or two semesters depending upon the need and preference of the student. But some students and teachers are not completely in favor of the new system and feel semester system will create many unwanted challenges for the students. Some felt that the success of

the semester system being closely related to adequate time available while others felt that it would overburden them.

Universities play a vital and critical role in the development and evolution of societies. These universities generate new ideas, encourage innovation, educate young minds and create awareness and dynamic citizens in the country. The University Grants Commission (UGC) set up a committee for university reforms which emphasized the importance of interdisciplinary, a broader background for undergraduate education, a uniform semester and credit system. It will provide an opportunity to students for continuous learning and assessment/feedback and a better paced understanding of the subject. There will more focused class interaction because of continuous engagement between students and teachers. This will provide regular study habits among students. The main advantage is that the performance would not be judged at the end of one year rather conducting examinations twice a year will help in regularly evaluating the student progress. The examination study load of the students shall be halved since they would be required to prepare half of the content as they are currently required to prepare for the final examination. As a result it would enable a more in-depth study and understanding of their concerned subjects.

But some students and teachers are not completely in favor of the new system and feel semester system will create many unwanted challenges for the students. Some felt that the success of the semester system being closely related to adequate time available while others felt that it would overburden them. Some students were under the feeling that the system of examination would become an internal one which would lead to a lack of uniform standards. Anxiety about the less time for extracurricular activities was also spoken.❑



# কবিতা শিক্ষাদান ঃ লক্ষ্য-উদ্দেশ্য আৰু শিক্ষণ পদ্ধতি সম্পৰ্কে যৎকিঞ্চিত আলোচনা

বৈদা ব্ৰাইট বুঢ়াগোহাঁই

**কবিতাৰ সংজ্ঞা আৰু ধাৰণা ঃ**

**ক**বিতা এক সূক্ষ্মতম কলা। কবিতা সকলো কলাৰ মাতৃস্বৰূপা। সাহিত্যৰ যিমানবোৰ ভাগ আছে, যিমানবোৰ বিধা আছে তাৰ ভিতৰত কবিতাই আটাইতকৈ আকৰ্ষণীয় আৰু ৰহস্যময়। কবিতা যেন ভাৱ আৰু ভাষাৰ সমাহিত বিজুলিসদৃশ। ভাৱত আছে- আৱেগ, অনুভূতি, কল্পনা, অভিজ্ঞতা আদি আৰু ভাষাত থাকিব- সুৰ, লয়, ছন্দ, ৰূপক উপমা, ধ্বনি, বিন্যাস অলংকাৰ আদি। অলংকাৰ কবিতাৰ দৈহিক সৌন্দৰ্যবিশেষ আংগিকস্বৰূপ। আজিলৈকে কবিতাৰ কোনো এটা নিৰ্ধাৰিত সংজ্ঞা অথবা ধাৰণা কোনেও আগবঢ়াব পৰা নাই। যদিও কবিতাৰ বিষয়ে বিভিন্ন পাশ্চাত্যৰ কবি তথা সমালোচকে আগবঢ়োৱা সংজ্ঞাৰ কথা এইখিনিতে প্ৰণিধানযোগ্য- ক'লবিজৰ মতে, 'সুন্দৰ শব্দচয়নৰ সুশৃংখলিত বিন্যাসেই কবিতা' (Best words in the best order)। ওৱৰ্ডচৱাৰ্থ-এ কবিতা তীব্ৰ অনুভূতিৰ স্বতঃস্ফূৰ্ত প্ৰকাশ বুলি অভিহিত কৰিছে (Poetry is the sporxaneour overflow of powerful feelings)। ডব্লিউ ডিন্টন (W.Deenton)-এ কৈছে যে, 'প্ৰকৃত কবিতা হৈছে মানুহৰ মনৰ অনুভূতি আৰু ৰসধ্বনিত বাস্তৱ আৰু শিল্পসৌন্দৰ্যৰ অভিব্যক্তি' (Absolute poetry is the concrete and artistic expression of human mind in the emotional and rhythmic languege)। জনছনৰ মতে, 'কবিতা হ'ল এক ছন্দোবদ্ধ ৰচনা'। শ্যেলীৰ মতে- 'কবিতা হ'ল কল্পনাৰ প্ৰকাশ'। কাৰ্লাহি'লৰ মতে, 'কবিতা হ'ল সাংগীতিক চিন্তা'।

*সাহিত্যৰ গতিপথত* তাৰণীকান্ত ভট্টাচাৰ্যই লিখিছে, 'কবিতা চিত্ৰময়ী ভাষা। ইয়াত ভাষাৰ প্ৰাচুৰ্য্য নাথাকে; থাকে চিত্ৰৰ। উত্তম কবিতাৰ প্ৰায় প্ৰত্যেকটো শব্দই পাঠকৰ মনত একোটা উদয় ঘটায়। এনে চিত্ৰ উদয় ঘটোৱাৰ কাৰ্য্যত ধ্বনিশীলতা অৱশ্যেই আহি পৰে। চিত্ৰহীন কবিতা, কবিতাই নহয়। চিত্ৰেৰে ভৰি থাকে দেখিয়েই কবিতা মানে কি বুজাই দিব নোৱাৰি, নিজে নিজে বুজিব লাগে। কবিতা ব্যাখ্যা কৰা কথাটো কবিতাৰ পক্ষে আত্মঘাতী কথা।'

উল্লিখিত ইমানবিলাক সংজ্ঞাৰ পাছতো কবিতাৰ নিৰ্ধাৰিত সংজ্ঞা দিয়াত অসুবিধা আছে। সেয়াই কবিতাৰ তাৎপৰ্য্য। কবিতাৰ পৰিধি ইমান বিস্তৃত যে ইয়াক কোনো এটা সংজ্ঞাৰ মাজত সীমাৱদ্ধ কৰি ৰাখিব নোৱাৰি। কিজানিবা কবিতাৰ এনে বিচিত্ৰতা তথা বিশালতাৰ কথা উপলব্ধি কৰিয়েই ছেন্ট আগষ্টানে কৈছিল-'যাৰ বিষয়ে নুসুধিলে বহুত কিবাকিবি ক'ব পাৰি, সুধিলে একো ক'ব নোৱাৰি সিয়েই কবিতা।'

**কবিতা শিক্ষণ ঃ**

কবিতা শিক্ষণ সাহিত্যৰ আন বিধাৰ শিক্ষণতকৈ কিছু পৃথক আৰু এক জটিল শিক্ষণ কাৰ্য। কবিতা যিহেতু মানৱীয় ভাৱ-অনুভূতিৰ শিল্পৰূপ আৰু সেয়ে তাক ছাত্ৰ-ছাত্ৰীসকলৰ মন গহন আৰু চিন্তনত অনুভৱ উপলব্ধি কৰোৱাব পাৰিব লাগে। কবিতা উপলব্ধি নিৰ্ভৰ কলা। কবিতাৰে যুক্তি, তথ্য, চিন্তা কৰাৰ বিপৰীতে অনুভৱ, উপলব্ধি আৰু অনুধাৱন কৰাতহে গুৰুত্ব দিয়া হয়। পাঠে কবিতালৈ পূৰ্ণতা আনে। সেয়ে কবিতা শিক্ষণত, পঠনত অত্যাধিক গুৰুত্ব দিব লাগে। পঠন কৰোঁতে কিছুমান বিশেষ দিশৰ প্ৰতি সচেতন হ'ব লাগে। যেনে-

১) পঠন কৰোঁতে শব্দ বাক্যৰ শুদ্ধ আৰু স্পষ্ট উচ্চাৰণত গুৰুত্ব প্ৰদান কৰা।

২) যতি, বিৰাম চিহ্ন অনুসৰি সঠিক/যথাযথ তাৰ ব্যৱহাৰ আৰু প্ৰয়োগত গুৰুত্ব প্ৰদান কৰা আৰু অনুধাৱন কৰাতহে গুৰুত্ব প্ৰদান কৰা।

৩) কবিতাটোৰ ভাৱাৰ্থ ছাত্ৰ-ছাত্ৰীসকলে অনুভৱ-অনুধাৱন কৰিব পৰাকৈ তাৰ পৃষ্ঠভূমি আৰু প্ৰসংগ অনুষংগৰ লগত পৰিচয় কৰাই দিয়া।

৪) ছাত্ৰ-ছাত্ৰীসকলকো কবিতাটো সৰৱে পঠন কৰিব দিয়া। বাৰম্বাৰ পঠন কৰিব দিলেহে কবিতাৰ প্ৰাণৰ কাষ পোৱাৰ অথবা ওচৰ চপাৰ সম্ভাৱনা থাকে।

৫) কবিতাত যতি, বিৰামেও অনেক অৰ্থ বহন কৰে। কবিতা শিক্ষণত শিক্ষকে লুকাই থকা এনে অৰ্থ ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত দাঙি ধৰিব পাৰিব লাগে।

৬) কবিতাত ভাষাৰ সৃষ্টিশীল আৰু কল্পনাপৱন ৰূপ দেখা যায়। কবিতা শিক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক সৃষ্টিশীলতা আৰু কল্পনাপ্ৰৱণতাক জগাব পাৰিব লাগে।

৭) কবিতাত প্ৰতিটো শাৰী আৰু স্তৱকৰ অৰ্ন্তভাগত লুকাই থকা আৱেগ-অনুভূতিক ছাত্ৰ-ছাত্ৰীৰ আগত শিক্ষকে দাঙি ধৰিব পাৰিব লাগে।

৮) কবিতা শিক্ষণ কৰোঁতে মন কৰিবলগীয়া আন এটা দিশ হ'ল ছাত্ৰ-ছাত্ৰী সকলৰ সৌন্দৰ্যবোধৰ বিকাশ সাধন কৰা। কবিতাই নান্দনিক সৌন্দৰ্যবোধ জগাই তোলাত সহায় কৰাৰ লগতে সুস্থ ৰুচিবোধৰো জন্ম দিয়ে।

৯) কবিতা শিক্ষাদানত শিক্ষকে কবিতাটোৰ আদৰ্শ পঠন কৰি দিব লাগে। প্ৰয়োজন সাপেক্ষে একাধিকবাৰ পঠন কৰিব লাগে। পঠনেহে কবিতাৰ প্ৰাণক ছাত্ৰ-ছাত্ৰীসকলৰ সমুখত প্ৰতিষ্ঠা কৰিব পাৰে।

**কবিতা শিক্ষণৰ লক্ষ্য আৰু উদ্দেশ্যঃ**

কবিতা শিক্ষণ কৰিবলৈ যাওঁতে কিছুমান বিশেষ লক্ষ্য আৰু উদ্দেশ্যৰ প্ৰতি সজাগ হ'ব লাগে। অন্যথা কবিতা শিক্ষণ এক নিৰস আৰু অৰ্থহীন কাৰ্য হিচাপে পৰিগণিত হ'ব। কবিতা শিক্ষণৰ প্ৰাথমিক চৰ্ত হ'ল, প্ৰথমতে এটা পৰিৱেশ গঢ়ি তোলা। কবিতাৰ অনুকূল পৰিৱেশ গঢ়ি তোলা। এই পৰিৱেশ শিক্ষকৰ দ্বাৰা পৰিকল্পিত আৰু সুনিয়ন্ত্ৰিত হ'ব লাগে।

১) কবিতা শিক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক

জীৱনৰ প্ৰত্যক্ষ স্বৰূপ উপলব্ধি কৰোৱা। যাতে কবিতা পঠনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে কবিৰ জীৱন দৰ্শনৰ লগত পৰিচিত হ'ব পাৰে। কবিয়ে যিহেতু মানৱ জীৱনৰ পৰাই কবিতাৰ সমল লাভ কৰে।

২) কবিতাৰ জগতখন হৈছে এক অভূতপূৰ্ব আৱেগ আৰু মায়াৰ জগত। কবিয়ে কল্পনা আৰু ভাৱনাৰ চিত্ৰপটক উপযুক্ত শব্দ বিন্যাসেৰে পাঠকৰ আগত আন এখন জগতৰ সন্ধান দিয়ে। কবিয়ে পাৰ্থিৱ জগতখনত যি নাপায় কবিতাৰ অপাৰ্থিৱ জগতখনত তাক পোৱাৰ আশা-আকাংক্ষা কৰে। বিমূৰ্ত বস্তু এটাকো কবিয়ে কবিতাত মূৰ্ত্ত কৰিব খোজে।

গতিকে কবিতা শিক্ষণত ছাত্ৰ-ছাত্ৰীক সেই মায়া, বিমূৰ্ত্ত আৰু অপাৰ্থিৱ জগতখনলৈ প্ৰৱেশ কৰাব পাৰিব লাগিব।

৩) বিষয়বস্তু ফালৰপৰা কবিতাতো বৈচিত্ৰতা লক্ষ্য কৰা যায়। সেয়েহে কবিতা শিক্ষণৰ জৰিয়তে বিভিন্ন দিশ যেনে- দেশপ্ৰেম, প্ৰকৃতিপ্ৰেম, মানৱপ্ৰেম, আদিৰ লগত ছাত্ৰ-ছাত্ৰীসকলক সম্পৰ্ক ঘটোৱা আৰু এটা গভীৰ সম্পৰ্ক স্থাপনেৰে দেশৰ বীৰ-বীৰাংগনা আৰু প্ৰকৃতি মানৱৰ প্ৰতি অকৃত্ৰিম ভালপোৱা আৰু অনুৰাগ বৃদ্ধি কৰি তোলাত সহায় কৰা।

৪) কবিতা শিক্ষণৰ আন এক গুৰুত্বপূৰ্ণ লক্ষ্য আৰু উদ্দেশ্য হ'ল, নিৰ্দিষ্ট ভাষাটোৰ প্ৰখ্যাত কবিসকলৰ সাহিত্য কৰ্ম আৰু জীৱন দৰ্শনৰ লগত ছাত্ৰ-ছাত্ৰীসকলক পৰিচয় কৰোৱা। যাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে কবি আৰু কবিতাৰ সবিশেষৰ প্ৰতি আগ্ৰহী হ'ব পাৰে।

৫) কবিতা শিক্ষণৰ এক প্ৰধান লক্ষ্য হ'ল, কবিতাৰ শ্ৰেণীবিভাজন অথবা বিভাগ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰোৱা। বিষয় অনুসৰি কবিতা এক বহুধাবিভক্ত সাহিত্যৰ বিধা এই কথা ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰা।

৬) কবিসকল শব্দৰ খেলুৱৈ। কবিয়ে শব্দৰে ভাষা এটা ভাঙে আৰু পাতে। নতুনকৈ নিৰ্মাণ কৰে এটা কবিতাৰ ভাষা। কবিয়ে কবিতাত ব্যৱহাৰ কৰা শব্দাংশ, বাক্যাংশ আৰু শব্দাৰ্থ আদিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰা কবিতা শিক্ষণৰ আন এক বিশেষ উদ্দেশ্য।

৭) কবিতা স্বাদনামূলক পাঠ। কবিতাৰ ভাৱাৰ্থ উপলব্ধি কৰা আৰু কবিতাৰ নান্দনিক সৌন্দৰ্যবোধ উপভোগ কৰাত ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰা কবিতা শিক্ষণৰ অন্যতম উদ্দেশ্য।

**কবিতা শিক্ষাদানৰ পদ্ধতি ঃ**

কবিতাৰ বিশিষ্টতা অনুসৰি শিক্ষাদান পদ্ধতি বেলেগ হয়। কবিতা এক প্ৰকাৰৰ শ্ৰব্য কলা। সেয়ে কবিতা শিক্ষাদানত পঠনত অধিক গুৰুত্ব দিব লাগে। যাতে ছাত্ৰ-ছাত্ৰীসকলে কবিতাৰ ৰস সৌন্দৰ্য অনুভৱ অনুধাৱন কৰাৰ লগতে কবিতাৰ প্ৰতি এক সুস্থ ৰুচিবোধৰো বিকাশ সাধন কৰিব পাৰে। শিক্ষকৰ কবিতা পঠন আৰু আবৃত্তিৰ ওপৰত এই দিশটো অধিকভাৱে নিৰ্ভৰ কৰে। পাঠ-আবৃত্তি শ্ৰুতি-মধুৰ, সুৱলা আকৰ্ষণীয় হ'লেহে ছাত্ৰ-ছাত্ৰীৰ কবিতা শিক্ষণৰ প্ৰতি মনোযোগ বাঢ়িব। যিহেতু কবিতা শ্ৰব্য অৰ্থাৎ কাণৰ লগত ইয়াৰ পোনপটীয়া সম্পৰ্ক আছে। প্ৰসংগক্ৰমে অধ্যাপক হেডোৱে কোৱা কথা এষাৰ উল্লেখ কৰিব পাৰি-"Poetry is an art of the ear, not of the eye-in other words, poetry is sound, not sight." (On the Teaching of poetry) অৰ্থাৎ কবিতা কাণৰ কলা, ই দৃষ্টি নহয়, ধ্বনিহে।

গতিকে, কবিতা শিক্ষাদান কৰিবলৈ

যাওঁতে শিক্ষক পঠনাবৃত্তি ছাত্ৰ-ছাত্ৰীক উদ্বুদ্ধ কৰাৰ লগতে কবিতা এটা কবিজনৰ ভাৱ-অনুভূতিৰ লগত এটা আন্তৰিক উপলব্ধিবোধৰ জন্ম দিব পাৰিব লাগে। যেনে- ৰঘুনাথ চৌধাৰীৰ এটা প্ৰকৃতি বিষয়ক কবিতা অথবা অম্বিকাগিৰীৰ স্বদেশপ্ৰেমমূলক কবিতা পঢ়োৱাওঁতে ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃতি আৰু দেশৰ প্ৰতি অকৃত্ৰিম ভালপোৱা শ্ৰদ্ধা-সন্মানবোধেৰে অনুপ্ৰাণিত কৰিব পাৰিলেহে কবিতা। শিক্ষাদান উদ্দেশ্যপূৰ্ণ আৰু পদ্ধতি সম্পূৰ্ণ হ'ব।

**কবিতা শিক্ষাদানৰ বাবে উপযোগী পদ্ধতিসমূহ ঃ**

বিদ্যালয়ৰ পৰ্যায় অথবা স্তৰ অনুযায়ী আৰু ছাত্ৰ-ছাত্ৰীৰ বয়স, বুদ্ধি চেতনা অনুসৰি কবিতা শিক্ষাদানৰ পদ্ধতি ভিন্ ভিন্। তলত কবিতা শিক্ষাদানৰ উপযোগী আৰু প্ৰায়োগিক পদ্ধতিবোৰ সম্পৰ্কে চমুকৈ আলচ-বিলচ কৰা হ'ল।

**১) গীত আৰু অভিনয় পদ্ধতি ঃ**

গীতধৰ্মীতা অৰ্থাৎ সংগীতধৰ্মীতা কবিতাৰ এক প্ৰধান লক্ষণ। গীত সকলোৰে প্ৰিয়। যি গীত বেয়া পাই সি নহয় দেৱতা, নহয় অসুৰ বুলি এযাৰ কথা আছে। গীতিধৰ্মী ছন্দোবদ্ধ কবিতাই সহজেই ছাত্ৰ-ছাত্ৰীৰ মন পুলকিত আৰু আকৰ্ষিত কৰিব পাৰে। গীতি-কবিতাত ভাৱাৰ্থ, শব্দাৰ্থ আদিতকৈ ইয়াৰ ছন্দ আৰু ধ্বনিৰ এপৰতহে বেছি গুৰুত্ব দিয়া হয়। এই শ্ৰেণীৰ কবিতা প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বেছ উপযোগী। লগতে গীত আৰু অভিনয় পদ্ধতিও প্ৰাথমিক অৰ্থাৎ নিম্ন পৰ্যায়ত শিক্ষাদানৰ বাবেহে উপযোগী। এই পদ্ধতিৰে কবিতা শিক্ষাদান কৰিলে নিম্ন পৰ্যায়ত ফলপ্ৰসূতা অৰ্জন কৰিব পৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ ধ্বনিজ্ঞান বাঢ়িব আৰু কবিতা প্ৰীতি ভাৱৰ উদয় হ'ব। কবিতাৰ লহৰে গীত হৈ ছাত্ৰ-ছাত্ৰীৰ অন্তৰ স্পৰ্শ কৰিলে ই মধুৰ আৰু স্থায়ী হৈ পৰে। লক্ষ্যধৰ চৌধুৰীৰ 'মোৰ লক্ষ্য' কবিতাটোৰ এই পদ্ধতিৰে শিক্ষাদান কৰিব পৰাৰ উৎকৃষ্ট উদাহৰণ। কবিতাৰ লগত ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় সংযোগে কবিতাৰ ভাৱ উপলব্ধিত সহায় কৰে। অভিনয়ৰ জৰিয়তে অভিব্যক্তিৰ স্পষ্ট প্ৰকাশ ঘটে।

গতিকে এই পদ্ধতি মূলতঃ নিম্ন পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবেহে উপযুক্ত ব্যৱহাৰিক।

**২) অৰ্থবোধ পদ্ধতি ঃ**

অৰ্থবোধ পদ্ধতিত শিক্ষকে গদ্য শিক্ষাদানৰ দৰে কবিতা পঠনৰ পাছত কঠিন শব্দৰ অৰ্থ ছাত্ৰ-ছাত্ৰীক কৈ যাব অথবা লিখি দিব। ফলস্বৰূপে কবিতাৰ শব্দাৰ্থ বিচাৰহে হ'ব কবিতাৰ সৌন্দৰ্য, ৰসাস্বাদন নহ'ব। কেৱল কবিতাত কঠিন শব্দৰ অৰ্থ জানিবলৈহে এই পদ্ধতি প্ৰয়োগ কৰা হয় ফলত কবিতাৰ ৰসবোধ সাধনত ই বাধা জন্মায়। কবিতাৰ আন্তৰিক ভাৱ-অনুভূতি উপলব্ধি কৰাত এই পদ্ধতি বাধা হৈ থিয় দিয়ে। ছাত্ৰ-ছাত্ৰীসকলক বঞ্চিত কৰে। গতিকে কবিতা শিক্ষাদানৰ বাবে এই পদ্ধতি উপযোগী নহয়। এই পদ্ধতি অত্যন্ত দোষযুক্ত। শব্দাৰ্থ বিচাৰে কবিতাৰ আক্ষৰিক সৰল অনুবাদহে কৰিব পাৰিব ই কবিতাৰ আন্তৰিক আহ্বান আৰু অনুভূতিক পোহৰাই তুলিব নোৱাৰে। সেয়েহে পৰাপক্ষত কবিতা শিক্ষাদানৰ বেলিকা অৰ্থবোধ পদ্ধতি প্ৰয়োগৰ পৰা ভাষা-সাহিত্যৰ শিক্ষক সমাজ আঁতৰি থকাই ভাল। এই পদ্ধতিয়ে কবিতাৰ সৌন্দৰ্যক দাঙি ধৰাৰ বিপৰীতে নষ্টহে কৰিব।

**৩) বিশ্লেষণ পদ্ধতি ঃ**

বিশ্লেষণ পদ্ধতি কবিতা শিক্ষাদানৰ বাবে উপযোগী। এই পদ্ধতিত শিক্ষকে বুজাবলগীয়া কবিতাটো ভালদৰে বুজাই দিয়াৰ পাছত ছাত্ৰ-

ছাত্ৰীসকলক কবিতাটোৰ অৰ্থ সম্পৰ্কত বিভিন্ন ধৰণৰ প্ৰশ্ন সুধিব আৰু ছাত্ৰ-ছাত্ৰীসকলে নিশ্চয়কৈ শিক্ষকৰ বিশ্লেষণৰ তথবা অন্তত উত্থাপন হোৱা যিকোনো প্ৰশ্নৰ উত্তৰ দিবলৈ সামৰ্থবান হ'ব। কবিতাটোৰ অৰ্থ বিশ্লেষণ কৰোঁতে বুজাওঁতে শিক্ষকে এটা কথা মন কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলে কবিতাটোৰ অন্তৰ্ভাগলৈ গৈ তাৰ ৰস গ্ৰহণ কৰিব পাৰে। শিক্ষকে কবিতাটো বুজাওঁতে এনেকৈ বুজাব লাগে কবিতাটোৰ সৌন্দৰ্যত আঘাত নপৰে আৰু সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে কবিতাটোৰ অন্তৰ আহ্বান অনুভৱ কৰিব পাৰে। তেতিয়াহে এই পদ্ধতি প্ৰয়োগৰ সাৰ্থকতা হ'ব। এই পদ্ধতি উচ্চ শ্ৰেণীত কবিতা শিক্ষাদানৰ বাবে অত্যন্ত সুবিধাজনক আৰু ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-উভয় পক্ষৰ বাবে বৰ উপযোগী। উচ্চ আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতা শিক্ষাদান কৰোঁতে ভাষা-সাহিত্যৰ শিক্ষকে এই পদ্ধতি ফলপ্ৰসূভাৱে প্ৰয়োগ কৰিব পাৰে।

৪) **ব্যাখ্যা পদ্ধতি ঃ**

ব্যাখ্যা পদ্ধতিত শিক্ষকে শিক্ষণীয় কবিতাটো, যতি, বিৰাম, চিহ্নৰ সঠিক ব্যৱহাৰেৰে শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে শ্ৰেণীকোঠাৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে শুনাকৈ সৰৱে কবিতাটো আবৃত্তি কৰি শুনাব। ইয়াকে কবিতা শিক্ষাদানত শিক্ষকৰ আদৰ্শ পঠন বুলি কোৱা হয়। আদৰ্শ পঠনৰ অন্তত শিক্ষকে কবিতাটোৰ প্ৰতিটো শব্দ, শাৰী, স্তৱকে কেনে ভাৱ-চিন্তা প্ৰকাশ কৰিছে তাৰ সঠিক অৰ্থ ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিব কিম্বা ব্যাখ্যা কৰিব। স্তৱকভেদে কবিৰ ভাৱনা কি আৰু কিয় হৈছে তাৰো যথাৰ্থ ব্যাখ্যা শিক্ষকে আগবঢ়াব। কবিতাৰ বিষয়বস্তু অনুসৰি কবিতাৰ ভাবাৰ্থ বুজাবৰ বাবে শিক্ষকে প্ৰয়োজন অনুসৰি ভৌগোলিক, ঐতিহাসিক, সামাজিক আদি বিভিন্ন দিশ প্ৰাসংগিকভাৱে উত্থাপন কৰিব। ভাৱপ্ৰধান আৰু বিভিন্ন ধৰণৰ স্বৰ লুকাই থকা কবিতা শিক্ষণৰ বাবে এই পদ্ধতি বেছি উপযোগী। কবিৰ ভাৱ চিন্তা দৰ্শনৰ লগত আন কোনোবা কবিৰ চিন্তা দৰ্শনৰ মিলো থাকিব পাৰে। সেই কথা উদাহৰণসহকাৰে এই পদ্ধতিত শিক্ষকে বুজাই দিব লাগে। ব্যাখ্যা পদ্ধতিত শিক্ষকৰ ব্যৱহৃত ভাৱ-ভাষা সহজ সৰল হ'ব লাগে। যাতে ই ছাত্ৰ-ছাত্ৰীৰ কবিতা প্ৰীতি ভাৱৰ উন্মেষ ঘটোৱাৰ লগতে মানসিক অনুকূলতা ৰক্ষা কৰিব পাৰে। সেয়ে শিক্ষকৰ ব্যাখ্যাৰ ভাষা মধুৰ আৰু সৰল হ'ব লাগে। প্ৰয়োজন অনুসৰি মাজে মাজে ছাত্ৰ-ছাত্ৰীসকলক প্ৰশ্নও কৰিব লাগে। যাতে কেৱল শিক্ষককেন্দ্ৰিক হৈ নাথাকি দুয়োপক্ষই সজীৱতা আৰু সক্ৰিয়তা বৰ্তাই ৰাখিব পাৰে। কবিতা শিক্ষাদানৰ বাবে এনে পদ্ধতি উত্তম বুলি বিবেচিত হয়। মাধ্যমিক তথা উচ্চতৰ মাধ্যমিক শ্ৰেণীত এই পদ্ধতিৰে শিক্ষাদান কৰা উচিত।

৫) **কথোপকথন পদ্ধতি ঃ**

কবিতা শিক্ষদানৰ বাবে কথোপকথন পদ্ধতি কেৱল উচ্চ শ্ৰেণীৰ বাবেহে প্ৰযোজ্য। নিম্ন শ্ৰেণীত এই পদ্ধতিৰ প্ৰায়োগিকতা দুৰ্বল আৰু অসুবিধাজনক। কথোপকথন বা আলাপ আলোচনাৰ মাজেৰে মানৱ জীৱনৰ যিকোনো সমস্যাৰ সমাধান সম্ভৱপৰ হৈ উঠে। তেনে ক্ষেত্ৰত শ্ৰেণীত কবিতা, শিক্ষাদান কৰিবলৈ যাওঁতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কবিতা শিক্ষণ বেলিকাত বিভিন্ন ধৰণৰ সন্দেহ-সমস্যাৰ উদয় হ'ব পাৰে। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলৰ কবিতাপ্ৰীতি মনোভাৱ জগাবৰ বাবে শিক্ষণীয় কবিতাৰ ভাৱ-ভাষা, ৰচনা ৰীতি তথা কবিৰ কাব্য

দৰ্শন সম্বন্ধিত কথাবোৰ বহলাই ক'ব লগা হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণৰ বাবে কথাবাৰ্তাৰ অৱতাৰণা কৰাটো যিকোনো শিক্ষকৰে এটা প্ৰধান দায়িত্ব আৰু কৰ্তব্য হিচাপেই বিবেচিত হয়। গতিকে, কবিতা আৰু কবি সম্পৰ্কীয় যিকোনো ধৰণৰ আলোচনা শ্ৰেণীকোঠাত সম্ভৱপৰ কৰি তুলিব পাৰিব লাগে। অৱশ্যে কথোপকথন কৰিবলৈ হ'লে তাৰ অৱতাৰণা উপস্থাপন সম্পৰ্কে শিক্ষকৰ এটা সুপৰিকল্পনা লাগিব। বৃদ্ধি-চেতনাৰ ফালৰ পৰা উচ্চ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলো কিছু পৰিমাণে অভিজ্ঞ হৈ উঠে।

গতিকে, এনে কথোপকথন আৰু আলোচনাত্মক পদ্ধতিৰে কবিতা শিক্ষাদান কৰিলে কবিতাৰ সবিশেষ জানি বুজি যোৱাৰ অৱকাশ থাকে। সেয়ে এই পদ্ধতি ওপৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অত্যন্ত দৰকাৰী।

৬) **সমীক্ষা পদ্ধতি ঃ**

সমীক্ষা পদ্ধতি অনুসৰি শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয়ৰে কবিতা সম্পৰ্কীয় গভীৰ ধ্যান-ধাৰণা জ্ঞান থকাটো বাঞ্চনীয়। কিয়নো এই পদ্ধতিত কবিতাৰ ভাষা, ৰচনা-ৰীতি, বিষয়বস্তু, ভাৱধাৰা, শব্দ-বিন্যাস, ধ্বনি-ব্যঞ্জনা আদি সকলো দিশৰে পুংখানুপুংখ দোষ-গুণ বিচৰা কৰা হয়। সাধাৰণ অৰ্থত দোষ-গুণ চালি-জাৰি চোৱাই সমীক্ষা। গতিকে, কবিতা এটাৰ সৃষ্টিত কবিজনৰ সফলতা-বিফলতা, ভাৱ-ভাষাৰ কৃতকাৰ্যতা বিচাৰ কৰাই সমীক্ষা পদ্ধতিৰ মূল কাম।

গতিকে, ভাষা-সাহিত্যৰ শিক্ষকৰ ভাষা-জ্ঞান থকাৰ লগতে আন ভাষাৰ কবিতাৰ সন্দৰ্ভতো তেওঁৰ দখল (যেনে-হিন্দী, বাংলা, ইংৰাজী) থকাটো ভাল। তেতিয়াহে কবিতাৰ সঠিক সমীক্ষা হ'ব। এনে গুৰু-গম্ভীৰ আলোচনা অথবা সমীক্ষা উচ্চ পৰ্যায়তহে সম্ভৱ। ভাৱৰ গাম্ভীৰ্যতা আৰু ছাত্ৰ-ছাত্ৰীক বহল দৃষ্টিভংগী প্ৰদান কৰাৰ লগতে কবিতাক বহল পৰিসৰত চোৱাত সমীক্ষা পদ্ধতিয়ে সুবিধা প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ আৰু মানসিক উৎকৰ্ষ সাধনত এই পদ্ধতিৰ প্ৰয়োগ অনস্বীকাৰ্য। অৱশ্যে ওপৰ খাপৰ শ্ৰেণীকোঠাৰ কবিতা শিক্ষাদানতহে এই পদ্ধতি সাৰ্থকভাৱে প্ৰয়োগ কৰিব পাৰি। উচ্চ পৰ্যায়ৰ বাবে সমীক্ষাত্মক পদ্ধতি অতি উত্তম।

**ছাত্ৰ-ছাত্ৰীক কবিতাৰ প্ৰতি আগ্ৰহী কৰি তুলিব পৰা কিছু দিশৰ অৱলোকন ঃ**

ওপৰৰ আলোচনাত ইতিমধ্যেই কবিতা সম্পৰ্কীয় অনিৰ্ণেয় ধাৰণাৰ লগতে কবিতা শিক্ষাদানৰ লক্ষ্য-উদ্দেশ্য আৰু পদ্ধতি সম্পৰ্কে যৎকিঞ্চিত আলোচনা আগবঢ়োৱা হ'ল। ভাষা-সাহিত্যৰ শিক্ষকে কবিতাৰ ভাৱ-বিষয় অনুসৰি উপযুক্ত পদ্ধতি আৰু সঠিক প্ৰক্ৰিয়া অনুসৰণ কৰিব লাগে। ভাষা-সাহিত্যৰ শিক্ষক হিচাপে ভাষাটোৰ প্ৰতি অত্যন্ত শ্ৰদ্ধাশীল হোৱাৰ উপৰি ভাষাটোত ৰচিত সাহিত্য সম্ভাৰৰ লগত সম্যক পৰিচয় থকাটো ভাল। ছাত্ৰ-ছাত্ৰীসকলক ভাষা-সাহিত্যৰ লগত ভালদৰে পৰিচয় কৰাই দিব পাৰে কেৱল ভাষাৰ শিক্ষকে। গতিকে, ভাষা শিক্ষকৰ দায়িত্ব ব্যাখ্যাতীত।

কবিতা যিহেতু সাহিত্যৰ এক অন্যতম বিধা। সেয়ে কবিতা শিক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক কবিতাৰ অনুৰাগী কৰি তুলিব নোৱাৰিলে কবিতা শিক্ষণ কাৰ্যই এই প্ৰকাৰৰ অৰ্থহীন কাৰ্যলৈ পৰিণত হ'ব। ভাষা শিক্ষকৰ কবিতাৰ পৰম্পৰা আৰু ঐতিহ্যৰ লগত সুপৰিচিতি থাকিব লাগিব। লগতে সাম্প্ৰতিক কবিতাৰ প্ৰৱাহৰ লগত থাকিব লাগিব

সু-সম্পৰ্ক। তেতিয়াহে কবিতা শিক্ষদানত সাৰ্থকতা আদায় কৰিব পাৰিব।

কবিতা শিক্ষাদান কৰিবলৈ যাওঁতে শিক্ষকে মন কৰিব লগা কিছু দিশ তলত অৱলোকন কৰা হ'ল-

১) শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক কবিতা শিক্ষণ কৰিবলৈ যাওঁতে কবিতাৰ প্ৰতি অনুৰাগ, কবিতা, সৃষ্টিৰ প্ৰতি অনুৰাগ আৰু কবিৰ প্ৰতি অনুৰাগ বঢ়াব পাৰিব লাগে।

২) শিক্ষকে কবিতাটো শিক্ষণ কৰিবলৈ যাওঁতে প্ৰথমে কবিজনৰ পৰিচয় সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব লাগে। কবিৰ জীৱনপঞ্জী আৰু ৰচনা-সম্ভাৰ সম্পৰ্কে চমু পৰিচয় আগবঢ়াব লাগে। কবিৰ ৰচনা-ৰীতি আৰু জীৱন-দৰ্শনৰ সন্দৰ্ভতো পৰিচিতি আগবঢ়ালে ভাল। শিক্ষকে কবিজনৰ ৰচনাৰাজি অৰ্থাৎ বিভিন্ন কাব্যগ্ৰন্থ ছাত্ৰ-ছাত্ৰীক দেখুৱাব লাগে। চুই চাবলৈ দিব লাগে। এনে কাৰ্যই ছাত্ৰ-ছাত্ৰীক কবিতা আৰু কবিৰ প্ৰতি অনুৰাগী কৰি তোলাৰ লগতে ভৱিষ্যতে অধিক অধ্যয়নৰ বাট মুকলি কৰিব।

৩) কবিজনৰ পৰিচয় পৰ্ব আগবঢ়োৱাৰ অন্তত শিক্ষকে প্ৰয়োজন অনুসৰি কবিজনৰ জীৱন আৰু সাহিত্য-কৰ্ম-কৃতি সম্পৰ্কীয় প্ৰশ্নৰ অৱতাৰণা কৰিব পাৰে। কবি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা জ্ঞান আৰু ধাৰণা ই হ'ব এক প্ৰকাৰৰ মূল্যায়ন।

৪) কবি সম্পৰ্কীয় মূল্যায়ণৰ অন্তত শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সমুখত কবিতাটোৰ আদৰ্শ পঠন কৰিব লাগে। আদৰ্শ পঠন কৰোঁতে সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে কবিতাটো মন দি শুনে তাৰ প্ৰতি সচেতনতা অৱলম্বন কৰিব লাগে আৰু যতি বিৰাম, চিহ্ন, সুৰ, লয়ৰ সঠিক শুদ্ধ উচ্চাৰণৰ প্ৰতি সজাগ হৈ আদৰ্শ পঠন কৰা উচিত।

৫) শিক্ষকে আদৰ্শ পঠন কৰাৰ পাছত শ্ৰেণীকোঠাৰ নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীক সৰব পঠন কৰিবলৈ দিব লাগে আৰু বাকীসকল ছাত্ৰ-ছাত্ৰীক নীৰৱে অনুসৰণ কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰিব লাগে। ছাত্ৰ-ছাত্ৰীক সৰৱ পঠন কৰিবলৈ দিওঁতে চাব লাগে যাতে শ্ৰেণীকোঠাৰ সকলো শ্ৰেণীৰ মানসিক স্তৰৰ ছাত্ৰ-ছাত্ৰীয়ে এই সুবিধা লাভ কৰে।

৬) ছাত্ৰ-ছাত্ৰীৰ সৰৱ পঠনৰ অন্তত শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সহযোগত কবিতাটোৰ পৰা জটিল শব্দৰ অৰ্থ অৰ্থাৎ আক্ষৰিক অৰ্থৰ বিপৰীতে শব্দই বহন কৰা অৰ্থৰ বিচাৰ কৰিব। কবিতাত আক্ষৰিক অৰ্থতকৈ অন্তৰ্লীন হৈ থকা অৰ্থই ভাৱ বহন কৰিব কবিতাক প্ৰাণময় কৰি ৰাখে। শ্ৰেণীকোঠাৰ পৰ্যায় আৰু কবিতাৰ বিষয়বস্তু, ছাত্ৰ-ছাত্ৰীৰ মানসিক বুদ্ধি-বৃত্তি অনুসৰি শিক্ষকে সঠিক পদ্ধতিৰে কবিতা শিক্ষাদান কাৰ্য আগবঢ়াই নিব।

**কবিতাত ৰুচি জন্মোৱাৰ উপায় ঃ**

কবিতা যিহেতু মানৱ জীৱনৰ প্ৰাচীনতম ভাষা তাৰ পাছতো কবিতা মানুহৰ হৃদয়-মগজুৰপৰা আঁতৰি থকাটো কবিতাৰে নহয় সাহিত্যৰ বাবেও ই দুখজনক। সেয়ে বিদ্যালয়ত ভাষা শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতাৰ প্ৰতি সুস্থ ৰুচিবোধৰ জন্ম দিয়াৰ লগতে কবিতাৰ প্ৰতি অনুৰাগ বঢ়াব পাৰে। তেনে কিছু উপায় তলত আগবঢ়োৱা হ'ল-

১) ভাষাৰ শ্ৰেণীকোঠাৰ দেৱালত প্ৰখ্যাত কবিৰ প্ৰতিচ্ছবিৰ লগতে তেওঁলোকৰ কাব্যজীৱনৰ পৰিক্ৰমাক বগা কাগজত শুদ্ধ আখৰেৰে ডাঙৰকৈ ওলমাই ৰাখিব পাৰে।

২) মানুহৰ মুখৰ উক্তিলৈ পৰিৱৰ্তন হোৱা বিখ্যাত কবিতাৰ শাৰী আৰু স্তৱক দেৱালত লিখি ৰাখিব

পাৰে।

৩) ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বছা-বছা কবিতা আবৃত্তি কৰিবলৈ দিব পাৰে। মাহেকত এবাৰ/দুবাৰকৈ এনে আবৃত্তিৰ প্ৰতিযোগিতা আয়োজন আয়োজন কৰিব পাৰে। এনে প্ৰতিযোগিতা নিজ বিদ্যালয়ৰ লগতে কাষৰীয়া ভিন ভিন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকো জড়িত কৰিব লাগে। এনে আয়োজনে ছাত্ৰ-ছাত্ৰীৰ কবিতাপ্ৰীতি ভাৱ বঢ়াব।

৪) ভাষা শিক্ষকে নিজ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰতিৱেশী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলকো সাঙুৰি কবি সন্মিলন আয়োজন কৰিব পাৰে আৰু বিভিন্ন ঠাইত অনুষ্ঠিত হৈ থকা কবি সন্মিলন ছাত্ৰ-ছাত্ৰীসকলক অংশগ্ৰহণ কৰিবলৈ সুবিধা প্ৰদান কৰি দিব লাগে। প্ৰতিষ্ঠিত কবিৰ সংগ সান্নিধ্যত অনুপ্ৰাণিত হৈ ছাত্ৰ-ছাত্ৰীসকলে কবিতা সৃষ্টিত নিজকে গহীনভাৱে নিয়োজন কৰিব পাৰিব। উচ্চ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এনে কাৰ্য লাভজনক।

৫) ভাষা-সাহিত্যৰ শিক্ষকে প্ৰতিষ্ঠিত কবি-সাহিত্যিকক বিদ্যালয়লৈ নিমন্ত্ৰণ জনাই ছাত্ৰ-ছাত্ৰীৰ লগত অন্তৰংগ আলাপ কৰোৱাৰ ব্যৱস্থা কৰিব পাৰে। এনে ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক কবিতা-সাহিত্যৰ প্ৰতি অনুৰাগ জন্মাব আৰু প্ৰতিষ্ঠিত পৰিচিত কবি লেখকক ওচৰতে আৰু সমুখত পাই উৎসাহিত হ'ব।

৬) ভাষা-সাহিত্যৰ শিক্ষকে বিদ্যালয়ত কবি সাহিত্যিক সকলৰ জন্ম-জয়ন্তী আৰু মৃত্যু-বাৰ্ষিকীৰ উদ্‌যাপন কৰিব লাগে। যেনে- শ্ৰীশংকৰদেৱৰ তিথি, লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু-বাৰ্ষিকী, জ্যোতিপ্ৰসাদ আগৰৱালাগ জন্ম-জয়ন্তী, নৱকান্ত বৰুৱাৰ মৃত্যু তিথি, হীৰেন ভট্টাচাৰ্যৰ জন্ম-মৃত্যুবাৰ্ষিকী উদ্‌যাপন আদি। এনে জন্ম-জয়ন্তী আৰু মৃত্যু বাৰ্ষিকীৰ উদ্‌যাপন কবি-সাহিত্যিকৰ গুৰুত্ব আৰু মহত্ব উপলব্ধি কৰাত সহায় কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলক নতুন সৃষ্টিৰ প্ৰতি উৎসাহী কৰি তুলিব।

ছাত্ৰ-ছাত্ৰীৰ সৌন্দৰ্যবোধৰ বিকাশ সাধন আৰু মানসিক উত্তৰণৰ বাবে কবিতা শিক্ষণ যে আকৰ্ষণীয়, অৰ্থবহ, বৈচিত্ৰপূৰ্ণ আৰু একধৰণৰ জটিল কাৰ্য সি নিশ্চিত। সেয়ে শিক্ষকে কবিতা সম্পৰ্কীয় অনেক গ্ৰন্থ অধ্যয়ন কৰাৰ লগতে সমালোচনাত্মক দৃষ্টিভংগীৰে কবিতা শিক্ষাদানৰ বেলিকা ছাত্ৰ-ছাত্ৰীৰ সমুখত নিজকে উপস্থাপন কৰিব লাগে। তেহে ছাত্ৰ-ছাত্ৰীৰ লগতে কবিতা শিক্ষাদানৰ জৰিয়তে কবিতাই এক ধৰণৰ সাৰ্থকতা লাভ কৰিব পাৰে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

*গোস্বামী, যতীন্দ্ৰনাথ* মাতৃভাষা শিক্ষণ, জ্যোতি প্ৰকাশন, সপ্তম তাঙৰণ ২০১১

*দাস, চন্দ্ৰেশ্বৰ* অসমীয়া ভাষা শিক্ষণৰ ৰূপৰেখা, বাণী মন্দিৰ, দ্বিতীয় প্ৰকাশ ২০০৬

*দাস, হলিৰাম* অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি, শ্ৰী ভূমি পাবলিচিং কোম্পানী, পুনমুদ্ৰণ ঃ জুলাই ২০০৯

*শৰ্মা, মদন* অসমীয়া ভাষা শিক্ষণ পদ্ধতি, ষ্টুডেন্ট ষ্ট'ৰচ, ষষ্ঠ সংস্কৰণ আগষ্ট ২০১৭

❑❑

# আইতাই যে চাউলত ধান দুটামান পেলাই বাছি থাকে একেবাৰে টুলুঙা বিষয় নহয় কিন্তু··· প্ৰসিদ্ধ সাহিত্যিক ইমৰান শ্বাহৰ সৈতে অন্তৰংগ সাক্ষাৎকাৰ

**সাক্ষাৎ গ্ৰহণ ঃ কবিতা বুঢ়াগোহাঁই, দেৱজিত বৰা**

**অ**ভিনৱ শৈলীৰে অসমীয়া সাহিত্য জগতত এক বিশেষ পৰিচয় অটুট ৰখা কথাশিল্পী ইমৰান শ্বাহ এক উল্লেখনীয় নাম। সাহিত্যকৰ্মৰ যোগেদি শব্দৰ ভঁৰাল চহকী কৰা শ্বাহদেৱে পদ্য আৰু গদ্য উভয় ক্ষেত্ৰতে অসমীয়া সাহিত্যক সমৃদ্ধ কৰি গৈছে। উল্লেখ্য যে, অনুবাদ শিল্পৰ যোগেদি আমাৰ সাহিত্য ক্ষেত্ৰখনক নতুন নতুন বিষয়বস্তু লগতে ন ন শৈল্পিক পৰীক্ষাতো অগ্ৰণী ভূমিকা পালন কৰি আহিছে। 'ইনকিলাব', 'গেলিলিঅ' গেলিলি' আৰু 'আলহী' তেখেতৰ অনবদ্য অনুবাদ কৰ্ম। 'সংগীতৰ সিপাৰে', 'প্ৰিয়াৰ নাম অনামিকা', 'সাগৰিকা', 'ক্ৰীতদাসৰ হাঁহি', 'তথাপি সাগৰ', 'জবানবন্দী'ৰ দৰে মননশীল উপন্যাসে আমাৰ সাহিত্যক নতুন মাত্ৰা প্ৰদান কৰি গৈছে। নিৰ্বাচিত গল্প সংকলনৰ ভিতৰত 'বন্দী বিহংগমে কান্দে', 'শিখাৰ মিনতি', 'পথিক', 'পোৰামাটিৰ মালিতা', 'স্পৰ্শৰেখা', 'দৃষ্টি' আদি উল্লেখযোগ্য। 'হিয়াৰ ফুলনিৰ ফুল', 'সৰু সৰু কথা', 'দৃষ্টি-সৃষ্টি', 'অসমীয়া সংস্কৃতিলৈ মুছলমানৰ অৱদান'ৰ দৰে গৱেষণামূলক প্ৰবন্ধ সাহিত্যতো বিশেষ স্বাক্ষৰ বহন কৰিছে। কবিতাৰ পথাৰত তেখেতক পাঠক সমাজে 'ঈশান দত্ত' ৰূপত পাই আহিছে। 'বনবাসী' তেখেতৰ প্ৰথম কাব্য সংকলন। গীতি-সাহিত্যতো 'কলম শিল্পী' হিচাপে সেৱা আগবঢ়াই গৈছে। নাট্যকাৰো হয়। অতি শেহতীয়াভাৱে শ্বাহদেৱৰ বিভিন্ন সময়ৰ গল্পসমূহৰ একত্ৰ সংকলন 'দোকমোকালি' প্ৰকাশ পাইছে। লক্ষণীয় যে তেখেতৰ বহু গল্প দেশৰ বিভিন্ন ভাষালৈ অনুবাদ হৈছে। শিৱসাগৰ



মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্বাহ ডাঙৰীয়া পৰৱৰ্তী সময়ত অসমৰ অন্যতম জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ ২০১২-১৩ বৰ্ষৰ বৰপেটাৰোড অধিৱেশনৰ সভাপতি পদ অলংকৃত কৰাৰ উপৰি গুৱাহাটীত অনুষ্ঠিত ২০১৪-১৫ বৰ্ষৰ সভাৰ মধ্যকালীন অধিৱেশনৰ সভাপতিত্ব কৰিছিল। উল্লেখ্য যে সাহিত্য সভাৰ 'কুঁহি' অনুষ্ঠানৰ নেপথ্যৰ ব্যক্তিজনেই হ'ল শ্বাহ ডাঙৰীয়া। অসমৰ বৌদ্ধিক জগতত বৈচিত্ৰ্যময় সাহিত্যকৰ্মৰে সু-পৰিচিত এই স্বনামধন্য সাহিত্যিকগৰাকীৰ সৈতে হোৱা অন্তৰংগ বাৰ্তালাপ পাঠক সমাজলৈ আগবঢ়োৱা হৈছে।

**কবিতা বুঢ়াগোহাঁই, দেৱজিত বৰা ঃ কথাশিল্পী হিচাপে আপুনি নিজকে কিমান সন্তুষ্ট বুলি ভাবে?**

**ইমৰান শ্বাহ ঃ** 'কথাশিল্পী' শব্দটো মই সাধাৰণভাৱে গ্ৰহণ কৰিবলৈ টান পাওঁ। কিয়, সেই কথালৈ মই এতিয়া যাব নোৱাৰোঁ আৰু নোখোজোও। মই এটা সহজ-সৰল শব্দ 'লেখক' হৈ থাকিবলৈ ভাল পাওঁ। এনেকৈ লেখকো তেনেই নিমাখিত শব্দ নহয়। হ'লেও সেই কথা এতিয়া থাকক। প্ৰশ্নটোত 'কিমান' শব্দটো অন্তৰ্ভুক্ত কৰা হৈছে। গতিকে উত্তৰ দিয়া সহজ হ'ল। কিছু পৰিমাণে, বৰং যথেষ্টই সন্তুষ্ট হৈছোঁ বুলি মই ক'ব পাৰোঁ। কিন্তু 'সন্তুষ্ট'ত আকৌ ৰৈ যাব লগা হয়। মই ভাবোঁ লেখক 'সন্তুষ্ট' নোহোৱাই ভাল। আইতাই যে চাউলত ধান দুটামান পেলাই লৈ তাকে বাছি বহি থাকে, একেবাৰে টুলুঙা বিষয় নহয় কিন্তু।

**কবিতা বুঢ়াগোহাঁই, দেৱজিত বৰা ঃ আপোনাৰ প্ৰকাশিত পুথিৰ সংখ্যা? কেইখনমান ক'বনে?**

**ইমৰান শ্বাহ ঃ** ক্ষমা-প্ৰাৰ্থনা সহকাৰে এই প্ৰশ্নটোৰ উত্তৰ দিয়াৰ পৰা মই বিৰত থাকিলোঁ। 'আজ হতে শতবৰ্ষ পৰে'— স্বয়ং ৰবীন্দ্ৰনাথেই নিজৰ লেখাবোৰৰ ভৱিষ্যৎ সম্পৰ্কে সন্দিহান আছিল। মোৰ দৰে লেখকে দহ বছৰৰ পাছৰ কথাও কোৱা টান। মইতো নিশ্চিতেই মোৰ লেখাবোৰ বিস্মৃতিত হেৰাবলৈ সময় নালাগিব। তেন্তে কি লাভ হিচাপ কৰি। সময় বৰ দক্ষ হিচাপ-ৰক্ষক। সঁচা কথা ক'বৰ হ'লে মোৰ বহুত লেখাৰ কথাবোৰ মোৰ নিজৰে মনত নাই।

**কবিতা বুঢ়াগোহাঁই, দেৱজিত বৰা ঃ 'জবানবন্দী' আপোনাৰ এখন বহুচৰ্চিত উপন্যাস। এইখন ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰত প্ৰচাৰিত হৈ গৈছে। এই উপন্যাস লিখাৰ সময়ত আপোনাক বিশেষকৈ কেনে তাগিদাই ক্ৰিয়া কৰিছিল?**

**ইমৰান শ্বাহ ঃ** 'জবানবন্দী' অনাতাঁৰ যোগে প্ৰচাৰিত হৈ গৈছে বুলি কোৱাতকৈ আচলতে অনাতাঁৰত প্ৰচাৰৰ বাবেই এইখন লিখা হৈছিল বুলিহে ক'ব লাগে। মোৰ বৰ মৰমৰ ভাই মুনীন ভূঞাৰ এটা বিশেষ চিন্তাৰ বাস্তৱ ৰূপ দিবলৈ গৈহে 'জবানবন্দী' লিখা হৈছিল। সকলো দিশৰে পৰিকল্পনা তেওঁৰে আছিল। স্বচ্ছন্দতাৰে মই ৰূপায়ণ কৰিছিলোঁ। আগ্ৰহীজনে আলোচনা কৰিলে, কলা-কৌশলত অভিনৱত্ব পাব পাৰে। মুনীন ভূঞা ৰেডিঅ' নাটৰ মধ্যমণি আছিল। মোৰ ফালৰ পৰা অসমীয়া মুছলমান সমাজখনৰ স্বৰূপ দাঙি ধৰাৰ যত্ন কৰিছিলোঁ।

অসমীয়া মুছলমান সমাজখন (পৰাগ ছাৰে মুছলমান অসমীয়া সমাজ লিখা ভাল বুলি কৈছিল।) একক, অনন্য আৰু আশ্বৰ্যজনকভাৱে উদাৰ। অনেক কথা ক'বলৈ, লিখিবলৈ আছে এই সমাজখনক লৈ। আৰম্ভই হোৱা নাই বুলিব পাৰি। মই মাত্ৰ অ'ত-ত'ত থপিয়াই চুইহে গ'লোঁ। মোৰ ইচ্ছা আছিল তিনিখন উপন্যাস লিখাৰ। অনেক কাৰণত নোৱাৰিলোঁ। তাগিদা বহুতেই আছিল। তাৰে প্ৰধানটো আছিল, অনন্য-সুন্দৰ এটা বিস্তাৰক হেৰাই যাবলৈ নিদি ধৰি ৰখাৰ চেষ্টা কৰা। বহুত পলম হৈ যোৱাৰ আগতে ডেকাসকলৰ কোনোবাই যত্ন কৰিব পাৰে, — অন্ততঃ গৱেষণা হিচাপে হ'লেও, জবানবন্দীত ধাইআলি, শিৱসাগৰ আছে; কিন্তু অসমৰ সকলো ঠাইৰ মানুহেই সেয়া তেওঁলোকৰ কথা বুলি কয়। আনকি কবি অজিত বৰুৱাৰ দৰে ব্যক্তিয়েও একাধিকবাৰ পঢ়া বুলি কৈ গৈছে। ৰূপকথা? সেয়া এটা ভিন্ন প্ৰসঙ্গ।

**কবিতা বুঢ়াগোহাঁই, দেৱজিত বৰা ঃ আপুনি বিশ্বৰ বিভিন্ন ভাষাৰ গল্প অসমীয়ালৈ অনুবাদ কৰি অসমীয়া সাহিত্যক এক নতুন মাত্ৰা প্ৰদান কৰাত কাম কৰি গৈছে। সাম্প্ৰতিক অসমীয়া সাহিত্যত অনুবাদ প্ৰসংগত ক'বনে?**

**ইমৰান শ্বাহ ঃ** অনুবাদ মই কৰিছোঁ। কৰি ভাল পাওঁ। ভাল অনুবাদক কিন্তু মুঠেও নহওঁ। কোনো নিৰ্দিষ্ট আঁচনিও মোৰ নাই। এটা খেয়ালি কাৰবাৰ। 'পাবা চৰাই ভাঙিবা পাখি'। অনুবাদৰ ৰীতি-নীতিকে ধৰি আৰু ভালেমান কথা আছে। যিবোৰৰ বিবেচনাৰ ভিত্তিত অনুবাদ কৰা উচিত। সুপৰিকল্পিতভাৱে প্ৰশিক্ষণৰ প্ৰয়োজনো আছে। মই তেনেকৈ একো নাই কৰা। গতিকে মোক তেনে আলোচনালৈ আনি লাভ নাই। কিন্তু আমাৰ ভাষা-সাহিত্যত অনুবাদ এতিয়াও জয়-জয় ময়-ময় অৱস্থাৰ নহয়। আমি এনেই ভাবি চাব পাৰোঁ, আমাৰ অনুবাদ-সাহিত্যৰ পৰম্পৰাটোলৈ। মাধৱ কন্দলী, শঙ্কৰ-মাধৱ... যতীন দুৱৰা, বেণুধৰ শৰ্মা..., ইত্যাদি। বিশ্ববিদ্যালয়, সাহিত্য সভা আদিয়ে যথেষ্ট কাম কৰিলেও বহু কাম বাকী। শৰাইঘাট প্ৰকাশন আৰু ড° দীনেশ গোস্বামীৰ নাম মই ল'ব লাগিব; কিন্তু বিশ্ব-সাহিত্যৰ অত্যাধুনিক কিতাপবোৰৰ অনুবাদ লাগে। এই ক্ষেত্ৰত একমাত্ৰ চৰকাৰী পৃষ্ঠপোষকতাৰ গত্যন্তৰ নাই। আৰু এই ক্ষেত্ৰত কোনো অভিমত দিয়া মোৰ পক্ষে সম্ভৱ নহয়।

**কবিতা বুঢ়াগোহাঁই, দেৱজিত বৰা ঃ আপুনি সাহিত্যৰ বিভিন্ন শাখাত ভিন্ন সময়ত নিজকে জড়িত কৰি আহিছে। সাহিত্যৰ কোনটো শাখাত আপুনি নিজকে অধিক সক্ৰিয় কৰিব বিচাৰে?**



**ক'বনে?**

**ইমৰান শ্বাহ ঃ** বোধহয় লাহে-ধীৰে, মাজে মাজে, মন গ'লে কবিতা আৰু কবিতাৰ বাস্তৱ ক্ষেত্ৰখনৰ মাজত যোজন যোজন দূৰত্ব। ... গতিকে, ক'বলৈ একো নায়েই দেখোন। গল্প, উপন্যাস, নাটক ইত্যাদি এক কথা। কবিতা অন্য এক কথা।

**কবিতা বুঢ়াগোহাঁই, দেৱজিত বৰা ঃ আমাৰ ন-প্ৰজন্মৰ লেখক-লেখিকাৰ প্ৰতি আপোনাৰ পৰামৰ্শ?**

**ইমৰান শ্বাহ ঃ** "ওৰে নবীন, ওৰে আমাৰ কাচাঁ, আধ-মৰাদেৰ ঘা মেৰে তুই বাচা।"— ৰবীন্দ্ৰনাথ। "আমি এসেছি। আমি নূতন। আৰ সব্ পুৰানো, পচাঁনো।" — জীৱনানন্দ।

**কবিতা বুঢ়াগোহাঁই, দেৱজিত বৰা ঃ অসম সাহিত্য সভাত বিগত সময়ত সভাপতি হিচাপে আপোনাৰ অনুভৱ? সভাৰ গতিশীলতা আৰু অধিক সন্দৰ্ভত আপোনাৰ পৰামৰ্শ?**

**ইমৰান শ্বাহ ঃ** গতিশীলতাৰ বা গতিশীলৰ প্ৰয়োজন। উত্তৰণৰ বাবে প্ৰচেষ্টাৰ প্ৰয়োজন। সাহিত্য সভাই তাৰ সন্ধান কৰিব লাগিব। মোৰ নিজা অনুভৱৰ বিষয়ে ক'ব লগা বিশেষ একো নাই।

**কবিতা বুঢ়াগোহাঁই, দেৱজিত বৰা ঃ বিশ্বায়নী সংস্কৃতিৰ প্ৰভাৱত বিশ্বত বহু ভাষা অপমৃত্যুৰ গৰাহত। অসমীয়া ভাষাৰ প্ৰসংগত কি উপলব্ধি আপোনাৰ?**

**ইমৰান শ্বাহ ঃ** এই বিপদটো আছে। আৰু সদ্যহতে ঘনীভূত হোৱা যেনো লাগে। কিন্তু মই আশাবাদী, অসমীয়াই যুঁজিবও আৰু জিকিবও।

**কবিতা বুঢ়াগোহাঁই, দেৱজিত বৰা ঃ জাতিৰ এই সংকটকালত বৌদ্ধিক সংগ্ৰামখনৰ স্থিতি সম্পৰ্কত কি কয়?**

**ইমৰান শ্বাহ ঃ** সংকটকালৰ বৌদ্ধিক সংগ্ৰামখন সঠিক পথেৰেই আগবঢ়া বুলি ধাৰণা। কিন্তু এই সংগ্ৰাম তৃণমূল পৰ্যায়ত কেনেকৈ বিয়পাই দিব পৰা যায়, সেই চিন্তা কৰা প্ৰয়োজন। অন্যথা এই সংগ্ৰামখনত জয়ী হোৱা অসম্ভৱ নহ'লেও জটিল।

**কবিতা বুঢ়াগোহাঁই, দেৱজিত বৰা ঃ অতি ব্যস্ততাৰ মাজতো কিছু সময় ব্যয় কৰি অতি আন্তৰিকতাৰে আমাক সাক্ষাৎকাৰটি প্ৰদান কৰাৰ বাবে আপোনালৈ আমাৰ তৰফৰ পৰা অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।**

**ইমৰান শ্বাহ ঃ** অশেষ ধন্যবাদ। ❑

# শিক্ষা আৰু সামাজিক গতিশীলতা

হীৰেণ বৰুৱা

**সা**মাজিক গতিশীলতা এক বিশ্বজনীন প্ৰক্ৰিয়া। পৃথিৱীৰ প্ৰায় সকলো সমাজতে সামাজিক গতিশীলতা পৰিলক্ষিত হয়। মানৱ সমাজত যেতিয়ালৈকে সামাজিক ব্যৱস্থা বৰ্তি থাকিব তেতিয়ালৈকে সামাজক গতিশীলতা থাকিব। বিভিন্ন কাৰণত সমাজৰ বিলুপ্তি ঘটিলেও গতিশীলতা অৱসান নঘটে। সামাজিক গতিশীলতা স্থায়ী কিন্তু অমূৰ্ত প্ৰকৃতি।

শিক্ষা আৰু সামাজিক গতিশীলতা মাজত এক নিবিড় সম্বদ্ধ আছে। শিক্ষাক সামাজিক গতিশীলতাৰ প্ৰধান আহিলা হিচাপে গণ্য কৰিব পাৰি। শিক্ষাই অতীজৰ ৰক্ষণশীল মনোভাৱ, কু সংস্কাৰ, পৰম্পৰাগত মনোভাৱ, জাতি-ভেদ, উচ্চ, নীচ ভাব দুৰ কৰি যোগ্যতা আৰু অভিজ্ঞতা ভিত্তিত উপযুক্ত প্ৰস্থিতি লাভ কৰাত ব্যক্তিক সহায় কৰে। পুৰণি জাতি ব্যৱস্থাত থকা বন্ধ সামাজিক স্তৰী কৰণ পদ্ধতিৰ পৰিৱৰ্তে মুক্ত সামাজিক স্তৰীকৰণ পদ্ধতি গঢ়ি তোলাত শিক্ষা ব্যৱস্থাইহে সহায় কৰে। বৰ্তমান যি কোনো ব্যক্তিয়ে উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ আৰ্থিক দিশত উন্নতি সাধন কৰি আৰু অন্যান্য দিশৰ স্বলব্ধ গুণৰ দ্বাৰা নিম্ন জাতৰ বা নিম্ন শ্ৰেণীৰ লোকেও নিজৰ সামাজিক প্ৰস্থিতি উন্নত কৰাৰ লগতে উচ্চ শ্ৰেণীৰ লোকৰ দৰে জীৱন নিৰ্বাহ কৰিবলৈ সক্ষম হৈছে। আধুনিক শিক্ষা ব্যৱস্থাই সমাজত নতুন শ্ৰেণী সৃষ্টি কৰাত সহায় কৰিছে, ফলস্বৰূপে নিম্ন শ্ৰেণীৰ গতি কৰিছে। আধুনিক শিক্ষাৰ দ্ৰুত উন্নতি আৰু সম্প্ৰসাৰণে আমাৰ সমাজত গতিশীলতাৰ দিশত এক তাৎপৰ্য পূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰাক ব্ৰিটিছ কালত ভাৰতীয় সমাজত পৰম্পৰাগত শিক্ষা পদ্ধতিৰ ব্যৱস্থা আছিল। সেই শিক্ষা কেৱল উচ্চ জাতিৰ, বৰ্ণ মাজতে সীমাবদ্ধ আছিল। প্ৰায় ষষ্ঠ শতিকালৈকে কেৱল, ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই তিনিটা জাতিৰ বাহিৰে শূদ্ৰ আৰু হৰিজন সকলে শিক্ষানুষ্ঠানত শিক্ষা লাভৰ পৰা বঞ্চিত হৈছিল। সেই সময়ত সমাজত কেৱল জাতিগত বৃত্তি গ্ৰহণৰ বাবে উপযুক্ত কৰি তুলিবৰ বাবে ঘৰতে শিক্ষা দিয়া হৈছিল। কিন্তু ইংৰাজসকলৰ ভাৰত শাসনৰ

সময়ছোৱাত তেওঁলোকে পৰম্পৰাগত ধৰ্মীয় শিক্ষা তথা ৰক্ষণশীল শিক্ষাৰ পৰিৱৰ্তে ধৰ্ম নিৰপেক্ষ শিক্ষা পদ্ধতি প্ৰৱৰ্তন কৰিছিল। এনে শিক্ষা পদ্ধতিৰ সহায়ত দেশৰ জনসাধাৰণৰ মাজত ভাতৃত্ববোধ সমতা প্ৰতিষ্ঠা আৰু ব্যক্তি স্বাধীনতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়। এই শিক্ষাপদ্ধতিত জাতি বা পৰিয়ালকেন্দ্ৰিক শিক্ষাৰ পৰিৱতে ব্যক্তিৰ ব্যক্তিগত শিক্ষা আৰু যোগ্যতাৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰা হৈছিল। ইয়াৰ ফলত সমাজত গণতান্ত্ৰিক আদৰ্শই জনপ্ৰিয়তা লাভ কৰে আৰু যিকোনো ব্যক্তিয়ে ব্যক্তিগত যোগ্যতা উচ্চ শিক্ষাৰ সহায়ত উচ্চ শ্ৰেণীৰ সামাজিক প্ৰস্থিতিলৈ গতি কৰিব পৰা হ'ল।

আধুনিক শিক্ষাৰ সম্প্ৰসাৰণে সমাজত নতুন দৰ্শন, কলা, সাহিত্য, নৃতা-গীত ইত্যাদি সৃষ্টি কৰিছে। ইয়াৰোপৰি তথ্য, প্ৰযুক্তি, বিজ্ঞান, কাৰিকৰী বিদ্যা আৰু অন্যান্য বিষয়ৰ শিক্ষানুষ্ঠান তথা শিক্ষা প্ৰতিষ্ঠানৰ গঢ়ি তোলা হয়। এই শিক্ষানুষ্ঠান সমূহৰ যোগেদি সমাজত সু-দক্ষ শিক্ষক চিকিৎসক, উকিল, অধ্যাপক, ইঞ্জিনীয়াৰ কৰি সাহিত্যিক, অৰ্থনীতিবিদ, সমাজবিদ, ৰাজনীতিবিদ, বুৰঞ্জীবিদ, দাশনিক, বিজ্ঞানীক ইত্যাদি বহুতো যোগ্য ব্যক্তি সৃষ্টি হয়। এনে শিক্ষা ব্যৱস্থা পৰম্পৰাগত সমাজৰ শিক্ষা পদ্ধতিৰ সৈতে সম্পূৰ্ণ বিপৰীত। বৰ্তমান সময়ত আধুমিক শিক্ষা আৰু আৰ্থিক ভেটিক কেন্দ্ৰ কৰিয়েই সমাজত বিভিন্ন সামাজিক দল আৰু সামাজিক শ্ৰেণীৰ সূত্ৰপাত হয়। আধুনিক শিক্ষা আৰু ক্ৰমবৰ্ধমান দেশৰ সমাজ ব্যৱস্থাত নতুন দল বা সমূহৰ বিকাশ আৰু নতুন শ্ৰেণীৰ সৃষ্টিয়ে সমাজৰ এটা নিম্ন স্তৰ বা শ্ৰেণী বা জাতিয়ে উচ্চ শ্ৰেণীলৈ গতি কৰিব পৰা হল।

আধুনিক শিক্ষাই ভাৰতীয় জন সাধাৰণৰ মাজত বৈজ্ঞানিক চিন্তাধাৰাৰ প্ৰসাৰণ ঘটাইছে। এনে দৃষ্টিভংগীত জাতি প্ৰথাৰ ভিত্তিত সমাজত বৰ্তি থকাৰ পৱিত্ৰ-অপৱিত্ৰ, উচ্চ-নীচ, ৰক্তৰ শুদ্ধতা, অস্পৃশ্য আদি ধাৰণাবোৰ মনেগঢ়া অন্ধবিশ্বাসহে। বৈজ্ঞানিক দৃষ্টিভংগী অনুসৰি মানুহৰ মগজু বা বুদ্ধি জাতিভেদ প্ৰথাৰ দ্বাৰা নিৰ্ধাৰিত নহয়। যিহেতু সমাজৰ প্ৰত্যেকটো জাতি বা সমূহতেই বুদ্ধিমান ব্যক্তি থাকে, সেয়ে সমাজত শিক্ষা আৰু ব্যক্তিগত যোগ্যতা অনুসৰি জাতি-ধৰ্ম- বৰ্ণ নিৰ্বিশেষে যিকোনো ব্যক্তিয়ে নিম্ন স্তৰৰ বা শ্ৰেণীৰ পৰা উচ্চতম সামাজিক স্তৰ বা শ্ৰেণীলৈ গতি কৰিবলৈ সক্ষম হৈছে। সম্প্ৰতি বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু কাৰিকৰী শিক্ষাৰ দ্ৰুত সম্প্ৰসাৰণে সমগ্ৰ বিশ্বৰ মানৱ সমাজক দ্ৰুত গতিশীল আৰু পৰিৱৰ্তনশীল কৰি তুলিছে। তদুপৰি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত প্ৰগতি লাভ কৰিবলৈ হ'লে কাৰিকৰী শিক্ষা আৰু দক্ষতাসম্পন্ন ব্যক্তিৰ প্ৰয়োজন ।আনহাতে সকলো লোকে এনে শিক্ষা আহৰণ কৰাটো সম্ভৱ নহয়। এনে শিক্ষা কাৰিকৰী অভিক্ষমতা থকা ব্যক্তিয়েহে আহৰণ কৰিব পাৰে। গতিকে যি সকল লোকৰ কাৰিকৰী অভিক্ষমতা থাকে আৰু যি সকল লোকৰ যোগ্যতা থাকে তেওঁলোককহে জাতি ধৰ্ম, বৰ্ণ, উচ্চ-নীচ সম্প্ৰদায় ভিত্তিত বিচাৰ নকৰাকৈ শিক্ষিত কৰি তোলা হয়। ইয়াৰোপৰি উপযুক্ত স্থানত নিযুক্তি প্ৰদানৰ ব্যৱস্থা কৰা হ'ল। ইয়াৰ ফলত বহুতো নিম্ন প্ৰস্থিতিসম্পন্ন ব্যক্তিয়ে উচ্চমত সামাজিক প্ৰস্থিতি

অৰ্জন কৰিবলৈ সক্ষম হয়। এনেদৰে শিক্ষাই মুক্ত সামাজিক গতিশীলতাৰ সৃষ্টি কৰি আহিছে।

শিক্ষাৰ সম্প্ৰসাৰণৰ লগে লগে নাৰী সমাজৰ মাজতো নিজৰ সামাজিক প্ৰস্থিতি সম্পৰ্কিত সচেতন কৰি তুলিছে। পৰম্পৰাগত ভাৰতীয় সমাজ ব্যৱস্থা অনুসৰি ভাৰতীয় নাৰী সমাজে স্বাধীনভাৱে শিক্ষা লাভ, চাকৰি বিবাহ আৰু অন্যান্য সামাজিক কাৰ্যত অংশ গ্ৰহণৰ পৰা বঞ্চিত হৈছিল। কিন্তু ভাৰতত কেইগৰাকীমান শিক্ষিত ব্যক্তিৰ পৃষ্ঠপোষকতাত আৰম্ভ হোৱা ধৰ্মীয় সমাজ সংস্কাৰৰ আন্দোলন মহাত্মা গান্ধীৰ অসহযোগ আন্দোলন আধুনিক শিক্ষাৰ উন্নতি আৰু প্ৰসাৰণৰ লগতে নতুন ৰাজনৈতিক পদ্ধতিয়ে নাৰী সমাজক সচেতন কৰি তুলিছিল। ফলত নাৰী সকলো সামাজিক প্ৰস্থিতি লাভ কৰিবৰ বাবে সমাজত নাৰী আন্দোনল গঢ় লৈ উঠে। বৰ্তমান যুগত নাৰী সমাজে উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেষে যোগ্যতা অনুসৰি যি কোনো উচ্চ বা নিম্নস্তৰৰ চাকৰিত মকৰল হোৱাৰ উপৰিও ৰাজনৈতিক, অৰ্থনৈতিক সামাজিক, ধৰ্মীয় আৰু অন্যান্য বেপাৰ বাণিজ্য ইত্যাদিত পুৰুষৰ সমানে দায়িত্ব বহন আৰু কৰ্তব্য পালন কৰিবলৈ সক্ষম হৈছে। তদুপৰি শিক্ষাৰ সহায়ত নাৰী সমাজে নিজক উচ্চ পদবীলৈ গতি কৰাৰ যোগ্যতা আহৰণ কৰিবলৈ সক্ষম হৈছে। গতিকে শিক্ষাই এনেদৰেই সামাজিক গতিশীলতাত বিভিন্ন স্তৰৰ মানুহক নিয়মানুৱৰ্তী আত্মনিৰ্ভৰশীল সৎ আৰু সাহসী আদৰ্শৱান উদ্যমী তথা বিভিন্ন দিশত দক্ষতাশীল আৰু প্ৰতিভাশীল হোৱাত বৰঙণি যোগাই আহিছে।

আনহাতে শিক্ষাৰ অবিহনে সমাজত জনসংখ্যা বৃদ্ধি, কৰ্মহীনতা, নিবনুৱা সমস্যা সৃষ্টি হয়। তদুপৰি জাতি-জনগোষ্ঠী, সম্প্ৰদায়ৰ মাজত নানাধৰণৰ সংঘাট হত্যা, ধৰ্ষণ, লুণ্ঠন, সন্ত্ৰাসবাদ, অন্ধবিশ্বাস, কু-সংস্কাৰ ইত্যাদি কাৰ্যকলাপৰ মাত্ৰা বৃদ্ধি পাবলৈ ধৰে । ❑

*প্ৰকৃত মানুহজন তিনিটা লক্ষণেৰে চিনা যায়- উদ্দেশ্যত উদাৰতা,*
*কাৰ্য সম্পাদনত মানৱতা আৰু কৃতকাৰ্যতাত আত্ম সংযম।*
*- বিস্মাৰ্ক*

# ঊনবিংশ শতিকাৰ অসমীয়া নাটক

বিশ্বজিৎ বৰুৱা

**অ**সম বুৰঞ্জীৰ এটি গুৰুত্বপূৰ্ণ ঘটনা ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিয়ে অসমৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক দিশলৈ বহু পৰিৱৰ্তন আনিলে। মানুহৰ চিন্তা-চেতনালৈ নতুনৰ জোৱাৰ আহিল। অসমৰ শাসনভাৰ বৃটিছৰ হাতলৈ যোৱাৰ লগে লগেই বিভিন্ন চাকৰি আৰু কৰ্মসূত্ৰে অসমলৈ আগমন ঘটা চুবুৰীয়া বঙালীসকলৰ জৰিয়তে আধুনিকতাৰ উপাদানসমূহ অসমীয়া নাট্যক্ষেত্ৰত পৰা দেখা যায়। অসমলৈ আমদানি হয় পাশ্চাত্য ৰংগমঞ্চৰ আৰ্হিৰ মঞ্চ আৰু চুবুৰীয়া বংগৰ যাত্ৰা নাট্যৰ পৰম্পৰা। অসমীয়া নাটৰ পৰিৱতে বঙালী ভাষাৰ নাটসমূহ অসমত মঞ্চস্থ হ'বলৈ ধৰে।

এনে সময়তে ঊনবিংশ শতিকাৰ ভাৰতীয় নৱজাগৰণৰ কেন্দ্ৰভূমি কলিকতাত উচ্চ শিক্ষা ল'বলৈ যোৱা অসমীয়া ছাত্ৰসকলৰ প্ৰচেষ্টাত আধুনিক অসমীয়া সাহিত্য সংস্কৃতিৰ নতুন যুগৰ সূচনা হয়। ইংৰাজী শিক্ষা লাভ কৰা এই ডেকাসকলে ইংৰাজী নাটক পঢ়ি আৰু তাৰ অভিনয় দৰ্শন কৰি ইউৰোপীয় নাট্যৰীতিৰ প্ৰতি বিশেষ আকৰ্ষণ অনুভৱ কৰিছিল আৰু শ্বেক্সপীয়েৰৰ আৰ্হিৰে অসমীয়াত নাট ৰচনা কৰাত মনোনিৱেশ কৰে। পাশ্চাত্য আৰ্হিত ৰচিত বঙালী নাট্যই তেওঁলোকক থলুৱা নাট্যৰীতিৰ পৰা আঁতৰি আহি পাশ্চাত্য নাটকৰ আদৰ্শ গ্ৰহণ কৰাত উৎসাহী কৰি তুলিছিল। ইয়াৰ ফলস্বৰূপে ১৯৫৭ চনত "অৰুনোদই" কাকতত প্ৰথম অসমীয়া আধুনিক নাটক গুণাভিৰাম বৰুৱাৰ "ৰাম নৱমী" প্ৰকাশ পালে। অৱশ্যে পুথি আকাৰ ৰাম নৱমী প্ৰকাশ পাইছিল ১৮৭০ চনতহে।



প্ৰথম অসমীয়া সামাজিক নাটক “ৰাম নৱমী”ৰ বিষয়বস্তু আছিল বাল্যবিবাহে সৃষ্টি কৰা সামাজিক সমস্যা আৰু বিধৱা বিবাহৰ সপক্ষে যুক্তি দাঙি ধৰা। এনে সামাজিক সমস্যামূলক নাটক ৰচনা কৰিবলৈ নাট্যকাৰে অসমত মিছনেৰীসকলৰ দ্বাৰা প্ৰচাৰিত অৰুণোদয়ে সৃষ্টি কৰা পশ্চিমীয়া সংস্কাৰকামী দৃষ্টিভংগী আৰু পশ্চিমবংগত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ প্ৰমুখ্যে মনীষিসকলৰ দ্বাৰা প্ৰচাৰিত অৰুণোদয়ে সৃষ্টি কৰা পশ্চিমীয়া সংস্কাৰকামী দৃষ্টিভংগী আৰু পশ্চিমবংগত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ প্ৰমুখ্যে মনীষিসকলে প্ৰৱৰ্তন কৰা বিধৱা বিবাহ প্ৰচলন, বাল্য বিবাহ ৰোধ আদি সংস্কাৰকামী নৱজাগৰণৰ দ্বাৰা অনুপ্ৰেৰণা লাভ কৰিছিল বুলি ধাৰণা কৰা হয়। নাটকখনৰ নায়ক নায়িকা ৰাম আৰু নৱমীৰ প্ৰণয় কাহিনীৰ যোগেদি অন্ধবিশ্বাস আৰু কুসংস্কাৰে আৱৰা অসমীয়া সমাজখনত এই দুই প্ৰেমিক যুগলে কিদৰে আত্মহত্যাৰ পথ বাচি ল'ব লগা হ'ল তাকে নাটকখনত উপস্থাপন কৰিছে। নাট্যকাৰে বাল্যবিবাহ আৰু বাল্যবিধৱা সমস্যাৰ লগতে অসমীয়া সমাজক আছন্ন কৰি ৰখা অন্ধবিশ্বাস, কুসংস্কাৰ আৰু আধুনিক বিজ্ঞানসন্মত শিক্ষাৰ বিমুখিতা আদি সমস্যাসমূহ কলাসুলভভাৱে দাঙি ধৰিছে।

গুণাভিৰাম বৰুৱাই যি সময়ত এই নাটকখন লিখিছিল সেই সময়ত বাল্য বিবাহৰ সমস্যাটোৱে বহুতকে চিন্তান্বিত কৰিছিল। ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আদি মনীষিৰ সংস্কাৰকাৰ্মী চিন্তাৰ প্ৰভাৱ নাটকখনত আছে। নাটকখনৰ বিষয় আংগিক আদিত শ্বেক্সপীয়েৰৰ প্ৰভাৱ পৰিলক্ষিত হয়। ৰাম নৱমীয়ে অসমীয়া সাহিত্যত পশ্চিমীয়া দৃষ্টিভংগীত নাটক ৰচনাৰ পৰম্পৰা আৰম্ভ কৰে।

ঊনবিংশ শতিকাৰ সামাজিক সমস্যাক বিষয়বস্তু হিচাপে লৈ ৰচিত হোৱা দ্বিতীয়খন অসমীয়া সামাজিক নাটক হৈছে হেমচন্দ্ৰ বৰুৱাৰ ‘কানীয়াৰ কীৰ্ত্তন’। কানীয়াৰ কীৰ্ত্তন ৰচিত হৈছিল **১৮৬১** চনত। নাটকখনত ব্যংগ আৰু বিদ্ৰূপৰ প্ৰাধান্য আছে। কানি বৰবিহে অসম দেশ ধ্বংস কৰিলে আৰু দেশৰ মংগলৰ বাবে এই বৰবিহৰ পুলিয়ে পোখাই মাৰিব লাগিব- এনে প্ৰচাৰধৰ্মী মনোভাৱ নাটকখনৰ সুস্পষ্ট। ব্যংগ বিদ্ৰূপৰ প্ৰাধান্য থাকিলেও কানীয়াক কীৰ্ত্তন মূলত এখন গহীন সামাজিক নাটক প্ৰহসন বা ধেমেলীয়া নাটক নহয়।

কানীয়া কীৰ্ত্তনৰ পাছত লেখত ল'বলগীয়া এখন নাটক হ'ল ৰুদ্ৰৰাম বৰদলৈৰ ‘বঙাল-বঙালনী’, এইখন নাটক প্ৰকাশ হৈছিল **১৮৭১** চনত। এইখনতো সামাজিক সমস্যা এটা ৰূপায়িত কৰিছে। অসমত ইংৰাজ শাসন আৰম্ভ হোৱাৰ পাছত বেহা বেপাৰ কৰিবৰ বাবে অনেক বহিৰাগত লোকৰ আগমন ঘটিছিল। এওঁলোকৰ কিছুমানে নিজৰ ঘৰ সংসাৰ এৰি চৰিত্ৰহীনা অসমীয়া তিৰোতাৰ লগত মিলা-মিচা কৰি সমাজত নানা ধৰণৰ সমস্যাৰ সৃষ্টি কৰিছিল। এনে বিষয়বস্তুক লৈ নাটকখন ৰচনা হৈছিল। নাট্যকাৰৰ সংস্কাৰকামী মনোভাৱ প্ৰৱল হৈ পৰাৰ বাবে ইয়াত নাটকীয় দিশত কিছু দুৰ্বলতা পৰিলক্ষিত হয়। বঙাল-বঙালনীৰ পাঠত বহুদিনলৈকে অসমীয়া সাহিত্যৰ গহীন সামাজিক নাটক প্ৰকাশ পোৱা নাছিল। **১৮৯৪** চনত বেনুধৰ ৰাজখোৱাৰ ‘সেউজী কিৰণ’ নাটকখনত প্ৰকাশ পায়। নাটকখনৰ বিষয়বস্তু সামাজিক যদিও নাট্যকাৰে শ্বেক্সপীয়েৰৰ ৰোমান্টিক নাটকৰ আৰ্হিত ৰচনা কৰিবলৈ যত্ন কৰিছে।

**১৮৫৭** চনতে প্ৰথম সামাজিক সমস্যামূলক নাটক ৰচিত হৈছিল যদিও ঊনবিংশ শতিকাত এনেধৰণৰ নাটক বেছি দেখা নগ'ল।

**১৮৮৮** চনত কলিকতাত শিক্ষাগ্ৰহণ কৰি থকা চাৰিজন ছাত্ৰ ৰত্নধৰ বৰুৱা ঘনশ্যাম বৰুৱা ৰমাকান্ত বৰকাকতি আৰু গুঞ্জনন বৰুৱাই যুটীয়াকৈ উইলিয়াম ছেক্সপীয়েৰৰ 'Comedy of Errors' নাটকখন 'ভ্ৰমৰংগ' নামেৰে অসমীয়ালৈ অনুবাদ কৰে। এইখনেই ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰা প্ৰথম নাটক। এই নাটকখন কলিকতাৰ প্ৰবাসী ছাত্ৰসকলে সফলভাৱে মঞ্চস্থও কৰিছিল। এই নাটকৰ নাম কৰণ যেনেকৈ নিভাঁজ অসমীয়া হৈছে। তেনেকৈ ৰচনাভংগীত ঘৰুৱা আৰু ৰসাল হৈছে।

'ভ্ৰমৰ' প্ৰকাশৰ লগে লগেই অসমীয়া সাহিত্যত জোনাকী যুগৰ আৰম্ভ হয়। জোনাকীত লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম ধেমেলীয়া নাটক 'লিতিকাই' প্ৰকাশ পায়। তাৰ তিনি বছৰৰ পাছত পদ্মনাথ গোহাঞি বৰুৱাৰ প্ৰহসন নাটক "গাওঁবুঢ়া" প্ৰকাশ হৈ ওলায়। পদ্মনাথ গোহাঞি বৰুৱাৰ 'গাওঁবুঢ়া' আৰু দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ 'মহৰি' ঊনবিংশ শতিকাৰ উল্লেখযোগ্য হাস্য ৰসাত্মক সামাজিক নাটক। এনেধৰণৰ হাস্য ৰসাত্মক নাটকৰ লগে লগে পৌৰাণিক বিষয়বস্তুৰ ৰচনা কৰা নাটকো জনপ্ৰিয় হৈ উঠিল। কিন্তু এনে নাটকৰ অভিনয় যিমান হৈছিল, বেছি সংখ্যকেই ছপা হৈ ওলোৱা নাছিল। সম্ভৱতঃ ৰমাকান্ত চৌধুৰীৰ 'সীতা হৰণ' নামৰ নাটকখনেই আধুনিক যুগৰ প্ৰথম পৌৰাণিক নাটক। কিন্তু বৰ্তমান নাটকখন পাৰলৈ নাই। সেই সময়ত ওলোৱা অন্যান্য পৌৰাণিক নাটকবোৰ হ'ল- ভাৰতচন্দ্ৰ দাসৰ 'অভিমন্যু বধ' ৰজনীকান্ত বৰদলৈ, কনকলাল বৰুৱা আৰু গোপালকৃষ্ণ দে' তিনিওজনে ৰচনা কৰা 'সাবিত্ৰী সত্যৱান', পূৰ্ণকান্ত শৰ্মাৰি 'হৰিচন্দ্ৰ উপাখ্যান' আৰু 'হৰধনুভংগ' দুৰ্গানাথ চাংকাকতিৰ 'চন্দ্ৰহংস' ইত্যাদি।

ঊনবিংশ শতিকাৰ অসমীয়া নাটকৰ পৰ্য্যালোচনা কৰিলে এটা কথাই ক'ব পাৰি যে এই সময়ছোৱাত অসমীয়া নাটকৰ বিশেষ বিকাশ পৰিলক্ষিত নহয়। বৰং অসমীয়া নাটকৰ প্ৰস্তুতি পৰ্বহে বুলিব পাৰি। কিন্তু আৰম্ভণি নাটক হিচাপে অসমীয়া নাট্য সাহিত্যৰ ঊনবিংশ শতিকাৰ নাটকৰ এক বিশেষ মূল্য আছে।

**<u>সহায়ক গ্ৰন্থপঞ্জী</u>**

১/ শৰ্মা ড০ সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
২/ শৰ্মা গৌতম ঃ অভিনয় কলাৰ দৰ্শন
৩/ শৰ্মা সত্যেন্দ্ৰ নাথ ঃ অসমীয়া নাট্য সাহিত্য

❑❑

# অসমৰ জনগোষ্ঠীৰ বিচ্ছিন্নতাবাদ আৰু শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰ প্ৰাসংগিকতা

ধীৰেন কোঁচ

**ভা**ৰতবৰ্ষৰ উত্তৰ-পূবত অৱস্থিত অসম প্ৰদেশ বিভিন্ন ভাষাগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ সমন্বয়থলী। অসম প্ৰদেশ বাৰে বৰণীয়া বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন ভূমি। য'ত সমিল মিলেৰে জনগোষ্ঠীয় লোকসকলে বসবাস কৰি আহিছিল। ধৰ্ম, ভাষা, কৃষ্টি-সংস্কৃতি, আচাৰ-নীতিৰ বিভিন্নতাৰ মাজত বহুধা বিভক্ত জাতিসত্তাৰ আৱাসভূমি হ'ল অসম। এনে সন্মিলিত জাতিসত্তাৰ মূল ধাৰাক বৃহত্তৰ জাতিসত্তা বুলিব পৰা হয়। সামাজিক, সাংস্কৃতিকভাৱে এক সমন্বিত প্ৰক্ৰিয়াৰ মাজেৰে গঢ়ি উঠা সত্তাক অসমীয়া জাতিসত্তা বুলি ক'ব পৰা হয়। সিয়ে হ'লেও অসমীয়া জাতিগঠন প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱাকৈয়ে দুঃখজনকভাৱে ভাঙোনৰ ফালে গতি কৰিবলৈ আৰম্ভ কৰিছে। যাৰ ফলশ্ৰুতিত জাতি-জনগোষ্ঠীৰ ধ্যান-ধাৰণাত বিচ্ছিন্নতাবাদী মনোভাৱে গা কৰি উঠিবলৈ আৰম্ভ কৰিছে। যিয়ে মিলনভূমি অসম প্ৰদেশক খণ্ড খণ্ড কৰি অসমৰ পুৰণি ঐতিহ্যক ম্লান কৰাৰ দিশ পৰিলক্ষিত হৈছে। অসমৰ এই জনগোষ্ঠীয় সমস্যাসমূহ কিন্তু এদিনতে সৃষ্টি হোৱা সমস্যা নহয়। জাতি-জনগোষ্ঠীসমূহৰ মাজত থকা ভাতৃত্ববোধৰ সমন্বয় আজি সোলোক-ঢোলোক হৈ পৰিছে। অসমীয়া সমাজখনক খণ্ড খণ্ড কৰিবলৈ এচাম ন্যস্ত স্বাৰ্থ জড়িত লোকে অহৰহ প্ৰচেষ্টা চলাই অহা পৰিলক্ষিত হৈছে। ফলস্বৰূপে বিচ্ছিন্নতাবাদী ধাৰণাই অসমীয়া জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। সাম্প্ৰতিক অসম প্ৰদেশৰ জনগোষ্ঠীয় বিচ্ছিন্নতাবাদৰ পৰিক্ৰমাত মহাপুৰুষ শংকৰদেৱৰ ধৰ্ম-আদৰ্শৰ প্ৰাসংগিকতা আৰু জাতি-জনগোষ্ঠীৰ ভাঙোন মুখী মনোভাৱক পুনৰ একত্ৰিত কৰি সমন্বয়ৰ দিশ উন্মোচিত কৰি বৃহৎ অসমীয়া জাতিসত্তাক সবল আৰু সুৰক্ষিত কৰি তোলাৰ চেষ্টা কৰিব পাৰি।

## সাম্প্ৰতিক পৰিস্থিতিত অসমৰ জনগোষ্ঠীয় বিচ্ছিন্নতাবাদ

অসম নানা জাতি-উপজাতিৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰে সমৃদ্ধ বিভিন্ন জনগোষ্ঠীৰ বসতিস্থলী। বহু জাতি-জনগোষ্ঠীৰ বাৰেৰহণীয়া সংস্কৃতিৰ সমন্বয় থলী অসম। বৰ্তমান অসমৰ

জনগাঁথনিৰ দিশসমূহ বিশ্লেষণ কৰিলে স্পষ্ট হয়, ইতিহাসে চুকি পোৱাৰ পৰা অসম প্ৰদেশলৈ মানৱ প্ৰব্ৰজনৰ সোঁত বৈছিল। অতীতৰ বিভিন্ন সময়ত বিভিন্ন জনগোষ্ঠীৰ লোক অসম ভূমিলৈ আগমন আৰু বসতি স্থাপনৰ সমন্বয়ৰ জৰিয়তে বৃহৎ অসমীয়া জাতি-গঠন কৰিছিল। কিন্তু উদ্বেগৰ কথা যে, অসমীয়া জাতিগঠন প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱাকৈয়ে দুঃখজনকভাৱে ভাঙোনৰ ফালে গতি কৰিবলৈ আৰম্ভ কৰিছে। অসমৰ এই জনগোষ্ঠীয় সমস্যাসমূহ কিন্তু এদিনতে সৃষ্টি হোৱা সমস্যা নহয়। জাতি-জনগোষ্ঠীসমূহৰ মাজত থকা ভাতৃত্ববোধৰ সমন্বয় আজি সোলোক-ঢোলোক হৈ পৰিছে। অসমীয়া সমাজখনক খণ্ড খণ্ড কৰিবলৈ এচাম ন্যস্ত স্বাৰ্থ জড়িত লোকে অহৰহ প্ৰচেষ্টা চলাই অহা পৰিলক্ষিত হৈছে। ফলস্বৰূপে বিচ্ছিন্নতাবাদী ধাৰণাই অসমীয়া জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। প্ৰাপ্য সুবিধা পৰা বঞ্চিত হ'ব লগা হ'লে মানুহ ক্ষোভিত হৈ পৰে। যিয়ে বিচ্ছিন্নতাৰ ভাৱক জাগ্ৰত কৰে। ই বিশেষভাৱে ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক বৈষম্যৰ সৈতে সম্পৰ্কিত। বিচ্ছিন্নতাবাদী মনোভাৱত বিশেষকৈ জাতিভেদ, উচ্চ-নীচ আদি দিশ স্পষ্ট যিয়ে মানুহৰ মাজৰ সদ্ভাৱ-সম্প্ৰীতি বিনষ্ট কৰি তোলে। ফলস্বৰূপে এটা জনগোষ্ঠীয়ে আন জনগোষ্ঠীৰ পৰা আঁতৰি যোৱাৰ চেষ্টা চলাই।

সাম্প্ৰতিক সময়ত অসম প্ৰদেশৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত বিদ্বেষ, বিভেদ, বিচ্চিন্নতবাদ, অনৈক্যই গা কৰি উঠিবলৈ ধৰিছে। যিয়ে অসমৰ গাওঁবোৰক অপসংস্কৃতিৰ কৰাল গ্ৰাসত পৰি কক্‌বকাবলৈ বাধ্য কৰিছে। সমাজ ব্যৱস্থাৰ মাজত নানা ব্যভিচাৰ, নৈতিকতাৰ অধঃপতনে গা কৰিবলৈ ধৰিছে। যাৰ ফলশ্ৰুতিত বৃহৎ অসমীয়া সংস্কৃতি অপসংস্কৃতিৰ গৰাহত আক্ৰান্ত হৈছে। ফলস্বৰূপে নিজকে অসমীয়া বুলি চিনাকী দি গৌৰৱ অনুভৱ কৰা বহুজনে নিজা জনগোষ্ঠীৰ পৰিচয়েৰে চিনাকী দিবলৈ ভালপোৱা হৈছে। বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ মূল অংশীদাৰ বড়োসকলে বৰ্তমানে অসমীয়াৰ পৰিচয় বিসৰ্জন দিছে আৰু ৰাজনৈতিক ভাৱে অসমৰ পৰা আঁতৰি যাবলৈ সংগ্ৰাম আৰম্ভ কৰিছে। ইয়াৰ সমসাময়িকভাৱে অন্য বহু জনগোষ্ঠীয়ে সংগ্ৰাম কৰাৰ দিশ লৈছে। যিয়ে জাতি-জনগোষ্ঠীৰ মাজত থকা ভাতৃত্ববোধৰ সমন্বয় সোলোক-ঢোলোক কৰি তুলিছে। অসমীয়া সমাজক খণ্ড খণ্ড কৰিবৰ বাবে এচাম ন্যস্ত স্বাৰ্থ জড়িত লোকে অহৰহ চেষ্টা চলাইছে। ফলশ্ৰুতিত বিচ্ছিন্নতাবাদী মনোভাৱ অসমীয়া জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে।

**বৰ্তমান জনগোষ্ঠীয় সমন্বয়ত শংকৰদেৱৰ আদৰ্শৰ প্ৰাসংগিকতা**

"পৃথিৱীত যেতিয়া ধৰ্মৰ গ্লানি হয় পাৰ্থিৱ সুখ সম্ভোগৰ বাবে মানুহে যেতিয়া অন্যায় অবিচাৰত লিপ্ত হয়, মিছা বেশ্যা প্ৰবঞ্চনাৰে যেতিয়া সমাজখনক আৱৰি ধৰে য'ত সৰ্বসাধাৰণ পীড়িত হয়, মানুহে ধৰ্ম-কৰ্ম পৰিহাৰ কৰি বঞ্চিত ফল লাভৰ আশাত নৰবলি দিবলৈও কুণ্ঠাবোধ নকৰে, যেতিয়া চাৰিওফালে অৰাজকতা সৃষ্টি হয় ঠিক তেতিয়াই দুষ্টক দমন আৰু সন্তক পালনৰ অৰ্থে ভগৱানে নিজে অৱতাৰ গ্ৰহণ কৰে।" পঞ্চদশ শতিকাত অসম

প্ৰদেশত বিৰাজ কৰিছিল মৰ আঁউসীৰ এচমকা কলিয়া ডাৱৰে। ঠিক তেনে সময়তে শ্ৰীমন্ত শংকৰদেৱৰ আৰ্বিভাৱ হয় আৰু নৱ বৈষ্ণৱ ভক্তি-ধৰ্মৰ আন্দোলনে অসম প্ৰদেশত এক নতুন যুগৰ সূচনা কৰে। যাৰ-ধৰ্ম-দৰ্শনৰ জৰিয়তে এক উমৈহতীয়া সমাজ ব্যৱস্থাৰ বীজ ৰোপণ কৰিব পাৰিছিল। মহাপুৰুষজনাই সমাজৰ পৰা অন্যায় অত্যাচাৰ ব্যভিচাৰ আঁতৰাই শান্তিৰ পৰ্ব প্ৰশস্ত কৰে। পঞ্চদশ শতিকাৰ এক বিশৃংখল সামাজিক পৰিৱেশত জন্ম লাভ কৰি শংকৰদেৱে চাৰি বেদ, চৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণ, মহাভাৰত, ৰামায়ণ, গীতা ভাগৱতৰ পৰা সাৰ গ্ৰহণ কৰি অসম, ভাৰত তথা বিশ্ব মঙ্গলৰ অৰ্থে যি শাশ্বত 'এক শৰণ হৰিনাম ধৰ্ম' প্ৰচাৰ কৰি থৈ গ'ল সি বিশ্ব ইতিহাসত সদায় সোণালী আখৰে জিলিকি ৰ'ব। সাম্প্ৰতিক সময়ত অসমত প্ৰতিফলিত হোৱা গোষ্ঠীগত ভাৱনাৰ পৰিপেক্ষিতত মহাপুৰুষ জনাৰ ধৰ্ম-আদৰ্শৰ প্ৰাসংগিকতাক নুই কৰিব নোৱাৰি, বৰং ইয়াৰ ব্যতিৰেকে ঠেক গোষ্ঠী প্ৰৱণতাক উদাৰ দৃষ্টিভংগীলৈ পৰিৱৰ্তন কৰাটো সম্ভৱ নহয়। সেয়েহে অসমৰ দৰে বহু জাতি জনগোষ্ঠীৰে ভৰপূৰ বৈচিত্ৰ্যপূৰ্ণ ৰাজ্যত শংকৰদেৱৰ ধৰ্ম-দৰ্শনেৰে আজিও একেখন মজিয়াতে মানুহৰ আস্থা আৰু পাৰস্পৰিক শ্ৰদ্ধা ভালপোৱাৰ যোগেদি একত্ৰিত কৰাৰ স্থল আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সাম্যবাদ আৰু সমাজবাদৰ ভিত্তিত যিখন বৃহৎ অসমীয়া সমাজ গঢ়ি থৈ গৈছিল সেই সামজৰ অস্তিত্ব নাই। মহাপুৰুষজনাৰ আৰ্বিৰ্ভাৱৰ সময়ত অসম প্ৰদেশত এনে বিচিন্নতাবাদী মনোভাৱে গা কৰি উঠিছিল। য'ত সৰু বৰ জনগোষ্ঠীসমূহৰ সমন্বয়ত বৃহৎ অসমীয়া জাতি সক্ৰিয় হৈ থকা নাছিল। বিশেষকৈ অসমখন চুতীয়া, মটক, আহোম, কছাৰী, ভূঞা, কোঁচ, পাল আদি ৰাজ্য হিচাপে বিভক্ত আছিল আৰু এই ৰাজশক্তিসমূহৰ মাজত সঘন সংঘৰ্ষ চলি আহিছিল। যাৰ ফলশ্ৰুতিত অসমত বসতি কৰি থকা জনগোষ্ঠী আৰু ধৰ্মাৱলম্বী লোকৰ মাজত বিভেদ সৃষ্টি হৈছিল। এনে সংকটৰ সময়তে গুৰুজনাই বুজিব পাৰিছিল যে জাতি-জনগোষ্ঠীৰ মাজৰ সমন্বয়ক এলাগি কৰি সঠিক ৰূপত অসমীয়া সমাজক আগবঢ়ায় নিয়া সম্ভৱ নহয়। সেয়ে সমাজৰ সকলো বিভেদ ভাৱক আঁতৰাই পঠাবৰ বাবে 'এক শৰণ নাম ধৰ্ম' প্ৰৱৰ্তন কৰিছিল। ইয়াৰ সমসাময়িকভাৱে ধৰ্মৰ নামত বহু দেৱ-দেৱীৰ প্ৰতি থকা বিশ্বাসৰ ঠাইত তেওঁ এক ঈশ্বৰক স্থাপন কৰিছিল আৰু যিয়ে সমাজ জীৱনত ঐক্য আৰু সংহতিৰ বীজক অংকুৰিত কৰিব পাৰিছিল। যি আদৰ্শক বৰ্তমানৰ অসমত প্ৰচলিত গোষ্ঠীগত ভাবনাৰ পৰিপ্ৰেক্ষিতত আমি নুই কৰিব নোৱাৰো। মহাপুৰুষজনাই যেনেদৰে সকলো জাতি-জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক উপাদানৰ সংমিশ্ৰণত এক উমৈহতীয়া সংস্কৃতিৰ ভেটি নিৰ্মাণ কৰিছিল আৰু জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় আৰু একতা অনাৰ চেষ্টাৰে মানুহৰ মাজত এক নতুন আত্মবোধৰ জন্ম দিছিল। যিয়ে অসমীয়া সমাজৰ ঐক্য-সংহতি সুদৃঢ় কৰাত অৰিহণা যোগাইছিল। সিয়ে হ'লেও বৃহত্তৰ অসমীয়া জাতিসত্তাই পৰিপুষ্টি লাভ কৰি সন্মিলিত ৰূপত পৰিচয় দাঙি ধৰাৰ সময়তে গোষ্ঠীচেতনাই সকলোকে কি দৰে আক্ৰান্ত

কৰি তুলিছে সেই দিশটোহে চিন্তনীয়। অসমত কোঁচ, কলিতা, ব্ৰাহ্মণ, আহোম, বড়ো, কছাৰী, ৰাভা, মিছিং, কাৰ্বি, চুতীয়া, চাহ জনগোষ্ঠী, তিৱা, ডিমাছা, দেউৰী, কৈৱৰ্ত, নাথ, মুছলমান এই সকলো জনগোষ্ঠীৰ সন্মিলিত সমাজখনেই অসমীয়া জাতি হিচাপে পৰিচিত আছিল। আহোম ৰাজত্ব কালত জন্ম লাভ কৰা শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি-আন্দোলনৰ উপাদানেৰে পৰিপুষ্টি লাভ কৰাৰ পাছতো এই সমাজখন ভাঙোনমুখী হৈ পৰে। এই ভাঙোনমুখী সমাজ গঠনৰ অন্তৰালত আমি ক'ব পাৰো বিশেষকৈ ঠেক গোষ্ঠী প্ৰৱণতা, গোষ্ঠীভেদে ৰাজনৈতিক কুছ-কাৱাজ, অস্তিত্ব সংৰক্ষণৰ সচেতনতা আদি। বিশেষভাৱে ৰাজনৈতিক কাৰণৰ ফলশ্ৰুতিতে গোষ্ঠীচেতনা আৰু সংঘাতৰ দিশক সমাজৰ সকলোৰে ওচৰ চপায় দিলে। যিয়ে ক্ষুদ্ৰ জাতিসত্তাৰ সংৰক্ষণ আৰু বিকাশৰ ক্ষেত্ৰত প্ৰয়োজনীয় মান্যতা নোপোৱাৰ বাবে এনে গোষ্ঠীগত বিচ্ছিন্নতাবাদ সজীৱ হৈ উঠিল। বৰ্তমান সময়ত একক প্ৰচেষ্টাৰে জীয়াই থকাৰ দিন নাই। সহযোগিতাৰ অবিহনে অস্তিত্ব ৰক্ষা কৰা কথা ভাবিব পৰা নহয়। নিজা ভাষা-সাহিত্য-সংস্কৃতি সমৃদ্ধ কৰিবলৈ অন্য বিভিন্ন ভাষা-সাহিত্য-সংস্কৃতিৰ সংমিশ্ৰণ অতিকে প্ৰয়োজনীয়। যাৰ জৰিয়তে সমন্বয়ৰ শিকলিডাল শক্তিশালী কৰি তুলিব পৰা হয়। উক্ত দিশসমূহৰ সমসাময়িক ভাৱে সমাজ নিয়ন্ত্ৰণৰ বাবে ধৰ্মীয় চিন্তা আৰু আধ্যাত্মিক চিন্তাৰ প্ৰয়োজনীয়তাক নুই কৰিব পৰা নহয়। ধৰ্মৰ পৱিত্ৰ শাসনে মানুহৰ মনৰ বেয়া কাম, বেয়া চিন্তা আদিক নিলগাই দি জ্ঞানৰ জন্ম দিয়ে। যাৰ সহায়েৰে কাম, ক্ৰোধ, লোভ, মোহক নিয়ন্ত্ৰণ কৰিব পৰা হয়। এনে আদৰ্শকে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভক্তি আন্দোলনৰ মাধ্যমেৰে আমাক দি গৈছিল আৰু যিয়ে জৈৱিক কামনা বাসনাক সংযত কৰি তুলিব পাৰে। যাৰ সহায়ত সুখ-শান্তিৰ প্ৰেমময় সমাজ গঢ়ি তুলিব পৰা হয়। সেয়েহে সাম্প্ৰতিক অসমীয়া সমাজৰ প্ৰেক্ষাপটত শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি আন্দোলনৰ আদৰ্শৰ প্ৰাসংগিকতাক নশ্চাৎ কৰিব পৰা নহয়। কাৰণ গুৰুজনাৰ আৰ্দশৰে সাম্প্ৰতিক সময়ত এখন সুস্থ-সবল সমাজ গঢ়াৰ লগতে অসমীয়া জাতিক পুনৰ একলগ কৰিব পৰা যাব। গুৰুজনাৰ উদাৰ সাম্যবাদী ভক্তি আন্দোলনৰ মাজতেই ভাঙোনমুখী সমাজক একত্ৰিত কৰিব পৰা শক্তি নিহিত হৈ আছে যি শক্তিয়ে বৃহত্তৰ অসমীয়া জাতিৰ ভাঙোনমুখীতাৰ পৰা ৰক্ষা কৰিব আৰু এখন সমন্বয়ৰ সমাজ গঢ়ি তুলিব। সাম্প্ৰতিক কালত কুটিল গতিত অসম প্ৰদেশৰ জনগোষ্ঠীয়ে ভেদাভেদ আঁতৰাই গোষ্ঠীগত ক্ষোভ আৰু অসন্তোষ মনৰ পৰা দূৰ কৰা বাদে গতি নাই। বিচ্ছিন্নতাবাদী মনোভাৱৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱৰ জন-গণতান্ত্ৰিক সমাজ গঢ়াৰ আদৰ্শ আমাৰ কাৰণে অতিকে প্ৰয়োজনীয় আৰু গ্ৰহণীয়। যিয়ে আমাৰ ঐক্য-সম্প্ৰীতি ঘূৰাই আনি সকলো জাতি-জনগোষ্ঠীক পুনৰ একতাৰ ডোলেৰে বান্ধিবলৈ মহাপুৰুষজনাৰ দৰে এজন সৰ্বগুণাকৰ পুৰুষৰ পদচিহ্ন সবাতোকৈ প্ৰয়োজনীয় হৈ পৰিছে। য'ত ধৰ্মীয় আৰু সাংস্কৃতিক ঐক্য স্থাপনেৰে পুনৰ এখন সুস্থ সমাজ গঢ়াৰ পৰিকল্পনা কৰিব পাৰি। ❑

# Mental Health- A Social Taboo

Anindita Chetia

Mental Health includes our psychological, emotional, mental and social well being. It affects how we feel, think and act. It is important at every stage of a person's life. Many biological factors such as genes or brain chemistry are responsible for mental health problems. Again, family history of mental health problems and life experiences such as physical abuse and trauma are also responsible for mental illness or problems.

Though mental health related problems are serious problems all over the world, still people along with the society feels ashamed to talk about it with family, friends ,or even doctors and considers it as a taboo. Now, a question arises, why do people hesitate to talk about it and seek help?

In India, people and the society are still reluctant to talk about mental health problems such as depression, anxiety, stress like any other physical health related problems. Be it , the parents or the children, mental health has never been a matter of concern because they have never understood the notion. People does not bother as long as a person is not physically ill or his wounds are not visible. We can't expect the people and the society to 'Care' about mental health issues if they don't understand them. Being mentally fit has never been

a consideration for a healthy and smooth life. A person may have a luxurious life and yet he can be unhappy and depressed. Mental peace has nothing to do with a comfortable and luxurious life.

One of the biggest challenges in today's fast paced world is understanding that mental health is a priority and should be considered as one. In India, people are concerned about what others will think, and so they never talk or discuss about their problems openly. And moreover, majority of the people are unaware of the symptoms of mental illness and if they do, they don't know what to do about it. Even if people or patients goes to seek help from a doctor or psychologist, people along with the society makes a serious problem out of it. But the patient should understand that to live a better, happier and healthier life, he or she must seek help from the doctors and psychologists and the patient should not allow the society, parents, relatives to affect his sanity and hamper his path to recovery.❑



# ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ ইতিহাস আৰু বৰ্তমান শিক্ষাৰ ৰূপৰেখা

প্ৰসাদ চন্দ্ৰ মিলি

**অ**সমৰ উত্তৰ পূব সীমান্তত অৱস্থিত ধেমাজি জিলাত এখনেই শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় আছে যাৰ নাম ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়, ধেমাজি। সৰ্বপ্ৰথমে ধেমাজি পি.জি.টি. মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মাননীয় শ্ৰীযুত ললিত চুতীয়া ছাৰক কৃতজ্ঞতা জ্ঞাপন কৰিবই লাগিব। তেখেত এজন মহান শিক্ষাবিদ, চিন্তাবিদ, দাৰ্শনিক আৰু সমাজকৰ্মী। ধেমাজি শিক্ষক প্ৰশিক্ষণ কলেজৰ ইতিহাস বুলিলে (১৯৯১-৯২) চনৰ পৰা বৰ্তমান সময়লৈকে বিভিন্ন শিক্ষাবিদ, চিন্তাবিদ ধেমাজি জিলাৰ মহান ব্যক্তিসকলে যি অৱদান দি জীয়াই ৰাখিছে, সজীৱ কৰি ৰাখিছে তেওঁলোক ধেমাজি জিলাৰ মূল্যৱান সম্পদ।

এই প্ৰশিক্ষণ মহাবিদ্যালয়খনেই ধেমাজি জিলাৰ শিক্ষক প্ৰশিক্ষণৰ সাংস্কৃতিক কেন্দ্ৰ বিন্দু, য'ত শব্দই সৃষ্টি কৰে ভাষা, ভাষাই সৃষ্টি কৰে সাহিত্য আৰু সেই মহান বিদ্যালয়খনেই সহস্ৰজনক বি.এড. ডিগ্ৰী প্ৰদান কৰে। যিয়ে নেকি বৰ্তমান সময়ত উচ্চ শিক্ষাৰে ভৰপূৰ শিক্ষিত যুৱক-যুৱতীৰ বাবে আটাইতকৈ প্ৰয়োজনীয় 'ডিগ্ৰী' বি. এড. প্ৰগেম যিটো ডিগ্ৰীৰ অবিহনে এম.এচ.চি., এম. কম বা এম. এ. ডিগ্ৰীৰ আৰ্জিত অৰ্হতাৰ শিক্ষক হ'বলৈ কোনো মূল্য নাই বুলিয়েই ক'ব পাৰি। যিহেতু লগত বি. এড. ডিগ্ৰীৰ অবিহনে উচ্চ মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক যোগ্যতা পৰীক্ষা (টেট) ত বহিবই নোৱাৰে। বি.এড. প্ৰগ্ৰেমৰ আৱশ্যকতা কিমান প্ৰয়োজনীয় যাক বৰ্ণনা কৰিবলৈ ভাষাৰ অভাৱ। সেই প্ৰশিক্ষণ মহাবিদ্যালয়ৰ যোগাত্মক জ্ঞানবোৰ শিক্ষক সমাজক আৰু ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ বাটেৰে ৰসাত্মক চেতনাৰ, জীৱন গঢ়াৰ জিলিকনি কৰি তোলে।

২০১৮-২০ বৰ্ষৰ ধেমাজি শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ কৰ্মৰত অধ্যাপক-অধ্যাপিকা শিক্ষাগুৰুসকলৰ সামগ্ৰীক অগ্ৰগতি প্ৰশিক্ষণ সম্পন্ন বিশেষ অৱদান উল্লেখ কৰিব লাগিব। যিহেতু প্ৰত্যেকজন শিক্ষাগুৰুৱে প্ৰশিক্ষাৰ্থীসকলক আপোনা-আপুনি ব্যৱহাৰ, আচৰণ, শিষ্টাচাৰ উল্লেখযোগ্য আৰু স্মৰণীয় অৱদান।

প্ৰথমে — সেই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰীযুত প্ৰদীপ কুমাৰ দাস ছাৰৰ সকলোকে সমানে পৰামৰ্শ প্ৰদান কৰা, কোনো দিনে কাকো কঠোৰ ভাষা ব্যৱহাৰ নকৰা এক স্মৰণীয় পৰক্ষেপ।

দ্বিতীয়তে — অতি আদৰৰ, সন্মানীয়, অধ্যাপক শ্ৰীযুত দ্বীপেন গগৈ চাৰৰ প্ৰতিটো বি.এড. মহলাৰ পাঠ্যক্ৰমবিলাক খুব সুন্দৰকৈ প্ৰতিটো শব্দ বা বাক্যবোৰ তন্ন-তন্নকৈ বিশ্লেষণ কৰি দিয়াটো হৃদয়ত থাকি যায়।

তৃতীয়তে— উদীয়মান যুৱ অধ্যাপক মাননীয় শ্ৰীযুত সুৰজিত বৰা চাৰৰ বৰ্তমান যুগত ডিজেটেল ক্লাচৰ সহায়ত তেখেতৰ বিষয়সমূহ সুন্দৰকৈ উপস্থাপন কৰি দিয়া আৰু কোনো এটা বিষয়ৰ Sessional Test ৰ উত্তৰ কাকত পিছ দিনাই ঘূৰাই দিয়াটো এক লক্ষণীয় গুণ।

চতুৰ্থতে— এই মহাবিদ্যালয়ৰ অধ্যাপিকা মাননীয়া শ্ৰীযুতা ববী দত্ত নেওগ বাইদেউৰ সাহিত্যৰ যিটোনেকি ৰসাল বৰ্ণনা, পাঠ পৰিকল্পনাৰ নীতি-নিয়ম সুন্দৰকৈ, ভাষাৰ ব্যাকৰণ নীতি-নিয়মসমূহ এক উল্লেযোগ্য বৰঙণি।

পঞ্চমতে— মাননীয় শ্ৰীযুত সূৰ্য বৰুৱা চাৰৰ আৰ্ট, ছবি অংকণ, কিছুমান বক্ৰ ৰেখাৰ আক্-বাক্ কৰি এটা অৰ্থপূৰ্ণ, তাৎপৰ্যপূৰ্ণ ছবিলৈ ৰূপান্তৰ কৰাটো শিক্ষকসকলৰ বাবে এক মনোমোহা ৰেখাপাত।

শেষত এই মহাবিদ্যালয়ৰ সহপাঠ্যক্ৰমিক ক্ৰীড়াকলাপ শিক্ষাৰ শিক্ষাগুৰুসকলৰ অৱদান শ্ৰীযুত ৰূপান্তৰ চাৰৰ নাটক, অভিনয়, কলা-কৌশল, কম্পিউটাৰ, শিক্ষাৰ বৰঙণি, মাননীয়া অধ্যাপিকা শ্ৰীযুতা বিনীতা বৰগোহাঁই বাইদেউৰ পাঠদানত শৃংখলাৰদ্ধতা ৰক্ষা কৰা।

সৌ সিদিনা অধ্যাপক পদত নিযুক্তি লাভ কৰা শ্ৰীযুত ইন্দিবৰ বৰগোহাঁই চাৰ, শ্ৰীযুতা নিৰ্মালী বৰুৱা বাইদেউৰ গণিত শিক্ষণ, বিজ্ঞান শিক্ষণ, পাঠপৰিকল্পনা প্ৰস্তুত কৰণ আদি স্মৰ্তব্য।

সদৌ শেষত ধেমাজি শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ Teaching & Non-Teaching Staff ৰ যি অৱদান প্ৰত্যেকজন প্ৰশিক্ষাৰ্থীৰ বাবে সাগৰ-মহাসাগৰত থকা সহস্ৰ মূল্যবান সম্পদৰ দৰে সীমাহীন জ্ঞানৰ ভঁৰাল স্বৰূপ।

অজানিতে ৰৈ যোৱা এই মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকা, বিজ্ঞজনৰ নাম উল্লেখ কৰিবলৈ থাকি যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা থাকিল।❑

তুমি যদি জীৱনক ভাল পোৱা, তেনেহ'লে সময় নষ্ট নকৰিবা,
কিয়নো সময়ৰ ধাতুৰেই জীৱন নিৰ্মিত।
- বেঞ্জামিন ফ্ৰেংকলিন

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ঃ এক শৈক্ষিক দৃষ্টিকোণ

ৰিতেশ্বৰ লাগাছু

**এ**কশৰণ নামধৰ্ম প্ৰতিষ্ঠাৰ জৰিয়তে অসমত নৱবৈষ্ণৱ আন্দোলনক বৈপ্লবিক সাকাৰ ৰূপ প্ৰদান কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ (১৪৪৯-১৫৬৮ খ্ৰীঃ) সচাঁকৈ এগৰাকী মহান যুগনায়ক আছিল। সেই সময়ৰ সৰ্বভাৰতীয় বৈষ্ণৱবাদী আন্দোলনৰ ধাৰা অনুসৰণ কৰি অসমত তেওঁ এক স্বকীয় বৈশিষ্টৰে একশৰণ নৱবৈষ্ণৱ আন্দোলনক গঢ়ি তুলিবলৈ সক্ষম হৈছিল। যিয়ে অসমৰ জনগণৰ মাজত ধৰ্মীয় বিশ্বাস, সংস্কৃতি, সামাজিক, সাংগঠনিক, শৈক্ষিক, জীৱন ধাৰণ পদ্ধতি আদিত এক যুগান্তকাৰী আলোড়নৰ সৃষ্টি কৰিছিল।

বৰ্তমানলৈকে মহাপুৰুষজনাৰ কৰ্মৰাজীৰ ওপৰত বহুতো বিশ্লেষণ পোৱা গৈছে। ধৰ্মীয় গুৰু, সামাজিক সংস্কাৰ, প্ৰতিভাৱান ৰচক, গৱেষক, নাট্যকাৰ, অভিনেতা, সংগীতজ্ঞ, বক্তা, সামাজিক সংগঠক হিচাপে তেখেতক এক উজ্জ্বল নক্ষত্ৰৰ আসনত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। কিন্তু আজিলৈকে গুৰুজনাক শিক্ষাবিদ হিচাপে দৃষ্টি নিক্ষেপ কৰা খুব কমেইহে পৰিলক্ষিত হৈছে। আমি ইয়াত শ্ৰীমন্ত শংকৰদেৱক এজন শিক্ষাবিদ হিচাপে কিমান দূৰ গ্ৰহণ কৰিব পাৰি তথা শিক্ষা পদ্ধতি, লক্ষ্য, কৌশল আৰু পাঠ্যক্ৰম তথা শিক্ষণ-শিকন কেনে আছিল তাৰ এক চমু আভাস দাঙি ধৰিবলৈ প্ৰয়াস কৰিলোঁ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক জগতগুৰু আখ্যা প্ৰদান কৰি শিক্ষক তথা মাৰ্গদৰ্শক হিচাপে অসমৰ জনতাই স্বতঃস্ফূৰ্তভাৱেই স্বীকাৰ কৰি লৈছে। গতিকে তেখেতক শিক্ষক হিচাপে প্ৰতিষ্ঠা কৰাৰ অন্য সকাম নাই। শিক্ষক হিচাপে তেখেতে যি এক শিক্ষা ব্যৱস্থা নিজস্ব জ্ঞান, অভিজ্ঞতা আৰু কৌশলেৰে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল সেইফালৰ পৰা শংকৰদেৱক এগৰাকী সফল শিক্ষাবিদ হিচাপে নিসংকোচে গ্ৰহণ কৰিব পৰা যায়। মধ্যযুগীয় অসমত তেখেতেই প্ৰথমতে সংগঠিত শৈক্ষিক পৰিৱেশ এটা ৰচনা কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ শিক্ষাৰ পাঠ্যক্ৰমত মূলত প্ৰাচীন ভাৰতীয় ধৰ্মীয় গ্ৰন্থৰ আধ্যাত্মিক বিষয়সূচীৰ লগতে অভিনয়, সংগীত, নৈতিকতাপূৰ্ণ মানৱ আচৰণ আদি বিষয়বোৰে ঠাই পাইছিল। অৱশ্যে শংকৰদেৱৰ শিক্ষা ব্যৱস্থাত শিশুকেন্দ্ৰিক শিক্ষা নাছিল।

প্ৰাপ্তবয়স্কৰ বাবে প্ৰস্তুত কৰা এক মুক্ত শিক্ষা ব্যৱস্থা এটাৰ ছবিহে দেখিবলৈ পাওঁ।

**শংকৰী শিক্ষা ব্যৱস্থাৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

শংকৰী শিক্ষা ব্যৱস্থাৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য আছিল আধ্যাত্মিক সৎ আদৰ্শৰ জ্ঞান আহৰণৰ জৰিয়তে মানৱ আচৰণৰ পৰিৱৰ্তন সাধন কৰা। তেখেতৰ মতে শিক্ষাৰ অৰ্থ তেতিয়াহে ফলপ্ৰসূ হৈ উঠিব যেতিয়া মানুহে সৎ জ্ঞান অৰ্জন কৰি ব্যৱহাৰিক ক্ষেত্ৰত এক নৈতিক জীৱন যাপন কৰিবৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখে।

শংকৰদেৱে নিজৰ শিক্ষা ব্যৱস্থাক সফল ৰূপত প্ৰতিপন্ন কৰিবৰ বাবে কেইটামান কৌশল অবলম্বন কৰিছিল। প্ৰথমতে ক'ব পাৰি সৎ আদৰ্শ প্ৰতিষ্ঠা কৰিবৰ বাবে তেখেতে এক সৰ্বগুণসম্পন্ন পৰম ব্ৰহ্মাৰ ধাৰণ আগবঢ়াইছিল। ভগৱান বিষ্ণুৰ অবতাৰি পুৰুষ শ্ৰীকৃষ্ণৰ মাধ্যমেৰেই পৰম ব্ৰহ্মৰ সাকাৰ ৰূপ এটা সফলতাৰে তেখেতে মানুহৰ আগত তুলি ধৰিছিল। দ্বিতীয়তে মানুহৰ আচৰণক নিয়ন্ত্ৰিত আৰু নৈতিকতাপূৰ্ণ কৰি তুলিবৰ বাবে তেখেতে প্ৰাচীন ভাৰতীয় ধৰ্মীয় গ্ৰন্থত উল্লেখ থকা স্বৰ্গ আৰু নৰকৰ ধাৰণা পুনপ্ৰচলন কৰে। মানুহে মানুহৰ লগত ভেদভাৱ, হিংসা আদি ত্যাগ কৰি নৈতিকতাপূৰ্ণ অহিংস, কৰ্মময় জীৱন যাপনৰ বাবে ৰিপু দমনৰ ধাৰণা মানুহক প্ৰদান কৰিছিল।

**সংগঠিত আৰু সাংগঠনিক শিক্ষা ব্যৱস্থা ঃ**

বৰ্তমান সময়ত সংগঠিত আৰু সাংগঠনিক শিক্ষা ব্যৱস্থা বুলি ক'লে বহুকেইটা উপকৰণ থাকিব লাগিব। উদাহৰণস্বৰূপে নিৰ্দিষ্ট শৈক্ষিক অনুষ্ঠান প্ৰতিষ্ঠান, পাঠ্যক্ৰম, পাঠ্যসূচী, শিক্ষক, ছাত্ৰ-ছাত্ৰী, পাঠ্যপুথি, প্ৰশাসন, শিক্ষক প্ৰশিক্ষণ ব্যৱস্থা, শিক্ষণ-শিকন কৌশল আৰু প্ৰযুক্তি আদি সকলোবোৰ থাকিব লাগিব। যাৰ জৰিয়তে শাৰীৰিক, বৌদ্ধিক, সামাজিক, সাংস্কৃতিক, আবেগিক আৰু নৈতিক বিকাশৰ জৰিয়তে শিকাৰুৰ সামগ্ৰিক বিকাশ সাধন হয়। অৱশ্যে বৰ্তমান সময়ৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নত দৃষ্টিকোণেৰে বিচাৰ নকৰি মধ্যযুগৰ অসমৰ সেই সময়ৰ প্ৰতি লক্ষ্য ৰাখিহে আমি শংকৰী শিক্ষা ব্যৱস্থাটো আলোচনা কৰাটো যুগুত হ'ব।

শংকৰদেৱৰ সমসাময়িক কালছোৱাৰ অসমৰ শিক্ষা ব্যৱস্থা তেনেই জুৰুলা আছিল। সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ বাবে শিক্ষা সুলভ নাছিল। সমাজৰ উচ্চ জাতি, শাসক আৰু অভিজাত শ্ৰেণীয়েহে শিক্ষা আহৰণ কৰাৰ সুযোগ লাভ কৰিছিল। শিক্ষা ব্যৱস্থাও সংগঠিত তথা সাংগঠনিক নাছিল। এই ফালৰ পৰা চাবলৈ গ'লে শংকৰদেৱেই আছিল অসমৰ প্ৰথম পুৰুষ যিয়ে সৰ্বস্তৰৰ মানুহৰ সুলভ হোৱাকৈ এক শিক্ষা ব্যৱস্থাক সংগঠিত কৰিছিল। ইয়াৰ বাবে তেখেতে সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠা কৰিছিল। য'ৰ পৰা মানুহক আনুষ্ঠানিক শিক্ষাৰ সোৱাদ প্ৰদান কৰিবলৈ সক্ষম হৈছিল।

সৎ আদৰ্শৰ জৰিয়তে নৈতিক জীৱন যাপন কৰি এক সাৰ্থক জীৱন প্ৰদানৰ উদ্দেশ্য আগত ৰাখিয়েই শংকৰদেৱে নিজৰ শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰম প্ৰস্তুত কৰিছিল। তেখেতৰ পাঠ্যক্ৰমত পোৱা বিষয় সমূহ হ'ল আধ্যাত্মিক ধৰ্মীয় গ্ৰন্থ, কাব্য, নাটক, বৰগীত, ভাওনা ইত্যাদি। তাৰ উপৰিও তেখেতে সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু কৰ্মসংস্কৃতিৰ ওপৰতো আলোচনা কৰিছিল।

**শংকৰী শিক্ষাৰ শিক্ষণ কৌশল ঃ**

গুৰুজনাই নিজৰ শৈক্ষিক লক্ষ্য আৰু উদ্দেশ্য সফল কৰি তুলিবৰ কাৰণে কেইবাটাও শিক্ষণ কৌশল অৱলম্বন কৰিছিল।

**(১) আলোচনা পদ্ধতি ঃ** শংকৰী শিক্ষা ব্যৱস্থাৰ শিক্ষণ প্ৰণালীৰ প্ৰধান পদ্ধতি আছিল আলোচনা পদ্ধতি। গুৰুৱে তাত প্ৰধান স্থান লাভ কৰিছিল। বিভিন্ন ধৰণৰ আনুসংগিক বিষয়ৰ ওপৰত সম্যক জ্ঞান লাভ কৰিবৰ বাবে শিষ্য সকলেও বিভিন্ন ধৰণৰ প্ৰশ্ন অৱতাৰণা কৰাৰ স্বাধীনতা লাভ কৰিছিল। গুৰুৱে সন্তোষজনক উত্তৰ প্ৰদান কৰি শিষ্যসকলক উচিত জ্ঞান প্ৰদান কৰিছিল।

**(২) নিৰ্দেশাত্মক শিক্ষণ পদ্ধতি ঃ** গুৰুৱে শিষ্যসকলক শৰণ, ভোজন আদিৰ জৰিয়তে শিষ্যত্বৰ মৰ্যদা প্ৰদান কৰিছিল। শিষ্যসকলক শৰণ, ভোজন দিয়াৰ লগে লগে গুৰুৱে তেওঁলোকক নিজ জীৱনত পালন কৰিব লগীয়া নীতি-নিয়ম সমূহ নিৰ্দেশাত্মকভাৱে প্ৰদান কৰিছিল। শিষ্য সকলে গুৰুৰ এই নিৰ্দেশনা সমূহ অমৃত বাক্য হিচাপে মানি লৈ ভৱিষ্যত জীৱনৰ পাতনি মেলিছিল।

**(৩) প্ৰদৰ্শনমূলক পদ্ধতি ঃ** শংকৰী শিক্ষা ব্যৱস্থাৰ আটাইতকৈ জনপ্ৰিয় শিক্ষণ পদ্ধতিটো আছিল প্ৰদৰ্শনমূলক শিক্ষা পদ্ধতি। সেই সময়ৰ নিৰক্ষৰ জনগণক শিক্ষাদান কৰাৰ এইটো আছিল সহজ পদ্ধতি। এই পদ্ধতিৰে শিক্ষাদান কৰিবৰ বাবে শংকৰদেৱে কেইবাটাও কৌশল অবলম্বন কৰিছিল। প্ৰথমতে ক'ব পাৰি তেখেতৰ চিত্ৰ প্ৰদৰ্শনীৰ কথা। চিহ্নযাত্ৰা নাম দি তেওঁ বৈকুণ্ঠধামৰ চিত্ৰসমূহ অংকণ কৰি তাক মানুহৰ আগত প্ৰদৰ্শন কৰি গীতৰ জৰিয়তে ভগৱানৰ প্ৰতি ভক্তিৰ শিক্ষা প্ৰদান কৰাৰ প্ৰয়াস চলাইছিল। দ্বিতীয়তে ক'ব পাৰি ভাওনাৰ কথা। অভিনয়ৰ জৰিয়তে আধ্যাত্মিক মূল তত্বৰ শিক্ষা জনগণক দিবৰ কাৰণে ভাওনা প্ৰথাৰ সৃষ্টি কৰিছিল। ইয়াৰ দ্বাৰা মানুহে আধ্যাত্মিক জ্ঞান লাভ কৰাৰ লগতে অভিনয়, সংগীত, সাংস্কৃতিক তথা একতাৰ জ্ঞান পাবলৈ সক্ষম হৈছিল। তৃতীয়তে এই পদ্ধতিৰ ভিতৰত ধৰিব পাৰি, শিক্ষণ কাৰ্যত ধৰ্মগ্ৰন্থ সমূহৰ প্ৰয়োগ। শিষ্যসকলৰ আগত ধৰ্ম গ্ৰন্থ সমূহ পাঠ কৰি সেইবোৰৰ গুঢ়াৰ্থৰ বৰ্ণনা কৰা হৈছিল। অসমৰ ইতিহাসত ই এক যুগান্তকাৰী ঘটনা আছিল। কাৰণ শংকৰদেৱৰ এই শিক্ষণ পদ্ধতিৰ বাবেই অসমৰ নিৰক্ষৰ জনগণই বৰ্ণবন্দিত পুথিগত জ্ঞানৰ সৈতে পোনপতীয়া সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম হৈছিল। যিয়ে অসমৰ জনসাধাৰণৰ মাজত জ্ঞান অন্বেষণৰ এক নতুন দিগন্তৰ সূচনা কৰিছিল।

**গুৰু-শিষ্য বা শিক্ষক-শিকাৰুৰ সম্পৰ্ক ঃ**

শংকৰী শিক্ষা ব্যৱস্থাত গুৰু-শিষ্যৰ সম্পৰ্ক বৰ মধুৰ আছিল। গুৰুৱে শিষ্যসকলৰ ওপৰত এক উদাৰ তথা গণতান্ত্ৰিক মনোভাব পোষণ কৰিছিল। গুৰুত শৰণ গ্ৰহণ কৰা সকলো শিষ্যই সমান ব্যৱহাৰ লাভ কৰিছিল। শিকাৰ ক্ষেত্ৰত শিষ্যসকলে বহুখিনি স্বাধীনতা লাভ কৰিছিল। জ্ঞান আহৰণৰ বাবে শিষ্যসকলেও গুৰুক প্ৰশ্ন কৰিব পাৰিছিল।

শংকৰদেৱৰ শিক্ষা ব্যৱস্থাত সমাজৰ সকলো স্তৰৰ মানুহেই জাতি, বৰ্ণ, শ্ৰেণী নিৰ্বিশেষে অংশগ্ৰহণ কৰিব পাৰিছিল। তেখেতৰ সময়ত এই কাৰ্য সম্পাদন কৰাটো বৰ জটিল আছিল। কিন্তু তেওঁ সেই সময়ৰ সকলো বাধা নেওচি এনেধৰণৰ এক গণতান্ত্ৰিক বাতাবৰণ যুক্ত শিক্ষা ব্যৱস্থা এটা প্ৰৱৰ্তন কৰিবলৈ সক্ষম

হৈছিল।

শিষ্যসকলৰ মাজতো ভাতৃত্ববোধ জগাই তোলাৰ অহৰহ প্ৰয়াস চলাইছিল। শিষ্যসকলেও ইজনে-সিজনক 'বাপ', 'আতা' ইত্যাদি সন্মানজনক সম্বন্ধবোধক শব্দৰে সম্বোধন কৰি প্ৰতিগৰাকীয়েই সমৰূপতা ব্যক্ত কৰিছিল।

**শংকৰী শিক্ষা ব্যৱস্থাৰ কিছুমান সীমাবদ্ধতা ঃ**

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এনেদৰে এক নতুন প্ৰগতিশীল শিক্ষা ব্যৱস্থা এটা প্ৰবৰ্তন কৰিছিল বুলি কোৱা হৈছে যদিও ইয়াৰ কিছুমান সীমাবদ্ধতা নথকা নহয়।

প্ৰথমতে ক'ব পাৰি যে শংকৰদেৱৰ শিক্ষাক এক সম্পূৰ্ণ শিক্ষা ব্যৱস্থা বুলি পোনচাতে ক'বলৈ অসুবিধা আছে। এক পূৰ্ণ শিক্ষা ব্যৱস্থা বুলি ক'লে ইয়াৰ লগত জড়িত আনুসংগিক দিশ থাকে। কিন্তু শংকৰী শিক্ষা ব্যৱস্থাত সেইবোৰ প্ৰায়েই উপলব্ধ নহয়।

দ্বিতীয়তে শংকৰী শিক্ষা ব্যৱস্থাত সুস্পষ্ট পাঠ্যক্ৰম পাবলৈ নাই। কিন্তু এক শিক্ষা ব্যৱস্থাত ই অপৰিহাৰ্য অংগ।

তৃতীয়তে তেখেতৰ শিক্ষাৰ মূল বিষয়বস্তু আছিল ধৰ্ম। সমাজৰ অন্যান্য নিত্যপ্ৰয়োজনীয় বিষয় সম্পৰ্কত তেখেতৰ শিক্ষাৰ পাঠ্যক্ৰম তেনেই নগণ্য আছিল।

চতুৰ্থতে শিক্ষা দান বা গ্ৰহণ কৰিবৰ বাবে তেখেতে এক সংগঠিত তথা নিয়মীয়া শিক্ষানুষ্ঠান গঢ়াৰ কথা চিন্তা কৰিব পৰা নাছিল।

পঞ্চমতে ক'ব পাৰি শংকৰদেৱৰ শিক্ষা ব্যৱস্থা শিশুকেন্দ্ৰিক নাছিল। তেওঁৰ শিক্ষা ব্যৱস্থাত প্ৰাপ্তবয়স্ক সকলক প্ৰদান কৰা ভক্তিমূলক তথা এক মুক্ত শিক্ষা ব্যৱস্থাহে আছিল।

**শংকৰদেৱৰ শিক্ষা ব্যৱস্থাৰ মূল্যায়ন ঃ**

ওপৰত উল্লেখ কৰা সীমাবদ্ধতা সমূহ আছে যদিও শংকৰদেৱৰ শিক্ষা ব্যৱস্থা অমূলক নহয়। এক স্বয়ংসম্পূৰ্ণ শিক্ষাব্যৱস্থা হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পৰা নাছিল যদিও অমসত আনুষ্ঠানিক শিক্ষাৰ উকমুকনি শংকৰদেৱৰ শিক্ষা ব্যৱস্থাৰ জৰিয়তে আৰম্ভণি হৈছিল বুলি ক'ব পৰা যায়। জাতি, বৰ্ণ বৈষম্য থকা সমাজখনক সংগঠিত কৰি এক ঐক্য আদৰ্শৰ আওঁতাৰ মাজলৈ টানি আনি একেধৰণৰ শিক্ষাদান কৰিব পৰাটো শংকৰদেৱৰ জীৱনৰ এক অনুপম কৃতিত্ব আছিল। তেখেতৰ শিক্ষাৰ মূল্যবোধ মানৱ জীৱনৰ বাবে অতি অপৰিহাৰ্য। এক সৎ আদৰ্শক সাৰোগত কৰি নৈতিক জীৱন যাপনৰ দ্বাৰা মানৱতাৰ সঁচা মূল্যবোধেৰে এক পৰিপক্ক জীৱন নিৰ্ণয় কৰাই আছিল শংকৰদেৱৰ শিক্ষণৰ মূল ভেটি। সেয়ে আমি ক'ব পাৰো যে বৰ্তমান সময়তো শিশুক নৈতিক, সামাজিক, সাংস্কৃতিক, মানৱতা মূল্যবোধ আদিৰ শিক্ষা দিয়াৰ ক্ষেত্ৰত শংকৰদেৱৰ শিক্ষা প্ৰাসংগিক হৈ ৰ'ব। ❑

# ৰোমান ছাইনী আৰু Unacademy

বেদব্ৰত গগৈ

**যি**সকলে কেন্দ্ৰীয় তথা ৰাজ্যিক লোকসেৱা আয়োগৰ বিভিন্ন পদৰ বাবে নিজকে প্ৰস্তুত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে তেওঁলোক সকলোৱে নিশ্চয় ৰোমান ছাইনী আৰু তেওঁৰ মানসপুত্ৰ Unacademy ৰ নাম শুনিছে। জ্ঞানৰ বিনামূলীয়া বিতৰণৰ ক্ষেত্ৰত Unacademy য়ে সমগ্ৰ ভাৰতবৰ্ষতে এক গণ আন্দোলনৰ সূচনা কৰিছে যাৰ মূল নেতা হিচাপে ৰোমান ছাইনীক গণ্য কৰিব পাৰি।

প্ৰশ্ন হয় কোন এই ৰোমান ছাইনী? ৰোমান ছাইনী হ'ল ভাৰতীয় অসামৰিক সেৱা পৰীক্ষাত উত্তীৰ্ণ হোৱা কনিষ্ঠতম সকলৰ মাজৰ এজন তেওঁ ২০১৩ চনত মাত্ৰ ২২ বছৰ বয়সতে অসামৰিক সেৱাত প্ৰথম প্ৰচেষ্টাতে উত্তীৰ্ণ হৈছিল। সৰ্বভাৰতীয় পৰ্যায়ত তেওঁ ১৪ নং স্থান অধিকাৰ কৰিছিল। ৰোমান ছাইনীয়ে মাত্ৰ ১৬ বছৰ বয়সতে AIIMS ত চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তি কৰে। ডাক্তৰী ডিগ্ৰী আহৰণ কৰাৰ পাছতে তেওঁ ভাৰতৰ ভিতৰতে কনিষ্ঠতম সকলৰ মাজৰ এগৰাকী আমোলা হিচাপে পৰিগণিত হয়।

এনে সফলতম কেৰিয়াৰ থকাৰ পাছতো ৰোমানৰ মনত শান্তি নাছিল। ২০১৬ চনত তেওঁ নিজৰ পদৰ পৰা পদ ত্যাগ কৰে। পদত্যাগ কৰাৰ মূল কাৰণ হ'ল তেওঁ মনতে স্থিৰ কৰা "বিনামূলীয়া শিক্ষাৰ প্ৰসাৰ অভিযান"। এই অৱস্থাত ৰোমানৰ লগ লাগে গৌৰৱ মুঞ্জল, হেমেশ সিং আৰু শচীন গুপ্তা। তেওঁ এইসকলৰ সহযোগত একান্তভাৱে Unacademy ৰ বেনাৰত বিনামূলীয়া শিক্ষা প্ৰদানৰ কাৰ্যসূচী চলাই নিব ধৰিলে।

Unacademy হ'ল অনলাইনভাৱে শিক্ষা প্ৰদান কৰা এক প্লেটফৰ্ম যাৰ প্ৰতিষ্ঠাতা হ'ল ৰোমান ছাইনী। এই প্লেটফৰ্মে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা শিক্ষাৰ্থীসকলক বিনামূলীয়াকৈ শিকাৰ সুযোগ প্ৰদান কৰে। Unacademy য়ে নিজৰ ৱেবছাইটৰ সহায়ত পঞ্জীয়নভুক্ত শিক্ষাৰ্থীসকললৈ বিনামূলীয়াকৈ শিক্ষা সমলসমূহ যোগান ধৰে। "জ্ঞান লাভ কৰাটো সকলোৰে অধিকাৰ" নীতিত বিশ্বাসী

এই প্লেটফৰ্মটো ইয়াত উপলব্ধ শৈক্ষিক ভিডিঅ' অথবা পাঠদানৰ ভিডিঅ' সমূহৰ বাবে বিশেষভাৱে জনপ্ৰিয়। সম্প্ৰতি এই ভিডিঅ'সমূহ ইউটিউবৰ যোগেদি বিশ্বতে বিয়পি পৰিছে।

সমগ্ৰ পৃথিৱীৰ ভিতৰতে কঠিন পৰীক্ষা সমূহৰ মাজত ভাৰতৰ কেন্দ্ৰীয় লোকসেৱা আয়োগে আয়োজন কৰা পৰীক্ষা অন্যতম। এই পৰীক্ষাৰ বহল, ব্যাপক আৰু বিস্তৃত পাঠ্যক্ৰমে পৰীক্ষাৰ্থীসকলক প্ৰায়ে শলঠেকত পেলাই এনে পৰীক্ষা সমূহত উত্তীৰ্ণ হ'বলৈ কচিং অথবা প্ৰশিক্ষণৰ প্ৰয়োজন হয় বুলি আমাৰ সমাজত এক প্ৰচলিত ধাৰণা আছে। কিন্তু ৰোমান ছাইনীয়ে এই ধাৰণাৰ পৰিৱৰ্তন সাধন কৰে। কচিং কৰাৰ অবিহনেও এনে কঠিন প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰি তাৰ বিশ্বাস ৰোমান ছাইনীৰ Unacademy য়েই পৰীক্ষাৰ্থীসকলৰ মনত জাগ্ৰত কৰিছে।

বৰ্তমান ৰোমান ছাইনীৰ প্ৰচেষ্টা Unacademyয়ে সফলতাৰ মুখ দেখিছে। শেহতীয়াকৈ অসামৰিক সেৱাত উত্তীৰ্ণ হোৱা বহুজনৰ মুখত Unacademy ৰ নাম শুনা গৈছে। বৰ্তমান বয়সত Unacademy ৰ ইউটিউব চেনেলত প্ৰায় ২৪৫০ ৰো অধিক ভিডিঅ' আছে। এই চেনেলত কেৱল ভাৰতবৰ্ষৰে নব্বৈ লাখতকৈ অধিক লোক সদস্যভুক্তি হৈছে।

অসমৰ নিচিনা আওহতীয়া ঠাইৰ বাবে Unacademy ৰ প্ৰাসঙ্গিকতা যথেষ্ট বেছি। দেশৰ হৃদপিণ্ডৰ পৰা দূৰৈত থাকিও এনে প্লেটফৰ্মৰ জৰিয়তে বহুজনেই সফলতাৰ পথত আগবাঢ়ি যাবলৈ সক্ষম হৈছে। আমাৰ নিচিনা কচিং চেন্টাৰ বিহীন ঠাইত Unacademy ৰ জনপ্ৰিয়তা বহুপৰিমাণে বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ৰোমান ছাইনী আৰু তেওঁৰ দলৰ এই মহান প্ৰচেষ্টাৰ জৰিয়তে যাতে আমাৰ যুৱ সমাজো উপকৃত হয় তাৰেই আশা থাকিল। ❑

# সাম্প্ৰতিক অসমীয়া কবিতাৰ নতুনত্ব

মৌচুমী বৰুৱা

**সা**হিত্যৰ এটা প্ৰধান শাখা হৈছে কবিতা। অসমীয়া কবিতাৰ সুদীৰ্ঘ যাত্ৰা পথৰ কেইটামান বৈশিষ্ট্যপূৰ্ণ স্তৰ পৰিলক্ষিত হয়। জোনাকী যুগৰ কবিতা, আধুনিক কবিতা আৰু সাম্প্ৰতিক কবিতা এই তিনিটা স্তৰৰ বিশ্লেষণৰ মাজেৰেই আধুনিক অসমীয়া কবিতাৰ পূৰ্ণাংগ চিত্ৰ এখন পোৱা যায়। জোনাকী যুগৰ পৰা সাম্প্ৰতিক কাললৈকে সময়ে সময়ে নতুন ভাৱবীজ, ভাৱবস্তু আৰু আংগিক গ্ৰহণ কৰি এইবিধ সাহিত্য প্ৰকাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। আশীৰ দশকৰ পৰা বৰ্তমানলৈকে অসমীয়া কবিতাৰ ইতিহাসত সাম্প্ৰতিক যুগ ধৰা হৈছে।

সাম্প্ৰতিক অসমীয়া কবিতাৰ এক বিশেষত্ব হ'ল ঘৰুৱা কথা কোৱা ভংগীৰ ব্যৱহাৰ। আগৰ পুৰুষৰ কবিতাত অনুপস্থিত এক অন্তৰংগতাৰ সুৰ ইয়াত কবি আৰু পাঠকৰ মাজত যোগসূত্ৰ হৈ থাকে। ব্যক্তিগত অনুভূতিৰ লগতে দেশ বাসীৰ সমাজৰ প্ৰতি সচেতনতা আৰু দায়বদ্ধতা এই কালৰ লক্ষনীয় বৈশিষ্ট্য। অশান্ত অস্থিৰ মনৰ প্ৰতিক্ষলন আছিল আশীৰ দশকৰ কবিতাৰ বিশেষত্ব।

## বিষয়বস্তুৰ ক্ষেত্ৰত অহা নতুনত্ব

আধুনিক কবিতাৰ সাধাৰণতে স্পষ্ট বিষয়বস্তুৰ অৱতাৰণা কৰা নহয়, যিদৰে ৰোমাণ্টিক কবিতাৰ কৰা হৈছিল। আধুনিক কালৰ কবিয়ে বিক্ষিপ্ত, বিচিত্ৰ অথবা একান্ত বিমূৰ্ত অনুভৱক কবিতাৰে ৰূপ দিওঁতে একোটা গোট বিষয়বস্তু সাধাৰণতে দাঙি ধৰে যিদৰে ৰোমাণ্টিক কালৰ কবিয়ে দাঙি ধৰিছিল।

মেহনতী জনতাৰ অধিকাৰৰ কথা সাম্প্ৰতিক কবিৰ প্ৰিয় বিষয়। সাম্প্ৰতিক কবি সমীৰ তাঁতীৰ কবিতাত এনে বিষয় ফুটি উঠে। মেহনতী জনতাক তেওঁ সকীয়াই দিয়ে তেওঁলোকৰ অধিকাৰৰ কথা। সেই জনতাক কবিয়ে আশ্বাস দি কৈছে এনেদৰে-

“সংঘবদ্ধ হৈ তোমালোকে এদিন
বাঢ়ি শেবা সমস্ত পৃথিৱী, সমস্ত শাসন

ভোগ কৰিবা ইয়াৰ অশংকৃত যৌৱন
ৰং আৰু তুলিকাৰে আঁকিবা নতুন জীৱন,
মুক্ত জীৱন ।"

অসমীয়া কবিতাত আগতে পাবলৈ নোহোৱা এক যৌন চেতনা সাম্প্ৰতিক কবিতাত নীলিম কুমাৰৰ যোগেদি প্ৰকাশিত হৈছে। অসমীয়া কবিতাত আগতে পাবলৈ নোহোৱা এক যৌন চেতনা প্ৰকাশ কৰাৰ বাবে কবিজন বিতৰ্কিত হৈ পৰিছিল। নৱকান্ত বৰুৱাৰ "ইয়াত নদী আছিল" কবিতাটোত নিষিদ্ধ সম্পৰ্কৰ অলপ আভাস পোৱা গলেই গল্প আৰু উপন্যাসৰ অশ্লীলতাৰ সীমা চেৰালেও অসমীয়া পাঠকে কবিতাৰ মাজত সদায়ে যৌন জীৱনৰ সতৰ্ক উপস্থাপনহে পাই অহাত অভ্যস্ত হৈ পৰিছিল। সেয়েহে নীলিম কুমাৰৰ অপ্ৰজনন এটা প্ৰশ্নবোধক চিনৰ দৰে অসমীয়া কবিতাত অকলশৰে ৰৈ আছে।

**প্ৰতীকৰ ক্ষেত্ৰত অহা নতুনত্ব ঃ**

সাম্প্ৰতিক কবিতাত প্ৰতীকে এটা বিশেষ ৰূপ লাভ কৰিছে। কবিতাক ৰসোৰ্ত্তীৰ্ণ কৰিবলৈ প্ৰতীকবাৰ ব্যৱহাৰ কৰিছে। সনন্ত তাঁতীৰ "জুইৰ পৰা জন্ম লওঁ" নীলিম কুমাৰৰ "অঘৰী প্ৰেমিক" আদি কবিতাৰ মাজেৰে প্ৰতীকময় ভাৱ প্ৰকাশ আৰু ভাষাৰ ব্যঞ্জনা সুন্দৰ ৰূপত প্ৰকাশ পাইছে।

সনন্ত তাঁতীৰ "জুইৰ পৰা জন্ম লওঁ" নামৰ কবিতাটিত জুইক সকলো প্ৰকাৰ শোকানিভূতি নিৰ্বাপণ, প্ৰতিবাদৰ কণ্ঠস্বৰ হিচাপে গ্ৰহণ কৰি জুইক পৰা জন্ম লোৱাৰ কামনাক প্ৰতীকী ব্যঞ্জনাৰে প্ৰকাশ কৰা হৈছে এনেদৰে- "তোমাৰ বুকুৰ তেজেৰে যেতিয়া পথাৰৰ ঘাঁহবোৰ সেমেকি থাকে সঘনে মই তেতিয়া জুইৰ পৰা জন্ম লওঁ। তোমাৰ চকুৰ পৰা ওলোৱা বেদনাৰে যেতিয়া নদীবোৰ সেমেকি উঠে ঢৌবোৰত মই তেতিয়া জুইৰ পৰা জন্ম লওঁ..."।

**চিত্ৰকল্প ক্ষেত্ৰত অহা নতুনত্ব**

সাম্প্ৰতিক অসমীয়া কবিতাত নতুন নতুন চিত্ৰকল্পৰ প্ৰয়োগ হয়। সাম্প্ৰতিক অসমীয়া কবি নীলিম কুমাৰৰ 'দুৰ্ঘটনা' নামৰ কবিতাটি তলৰ চিত্ৰকল্পয়ে ভাৱক মূৰ্ত কৰি প্ৰকাশ কৰিছে এনেদৰে

"বুকুৰ ভিতৰৰ পৰা কলিজাটো তল পেটলৈ
আহিল নামি। ভৰি এখন হৈ গ'ল ছুটি
কেইটিমান আঙুলি লাগি ধৰিলে পিঠিত
আৰু এখন হাত কান্ধৰ পৰা বুকুলৈ
নামি আহিল। চকু দুটা
নাকটো কান দুখন ............ আৰু দাঁতকেইটা ঠিকেই আছে।

**ছন্দ, অলংকাৰত অহা নতুনত্বঃ**

কবিতাই চিৰকাল নিজকে ব্যঞ্জনাৰে সজায়। এই ব্যঞ্জনা কেতিয়াবা অতিৰিক্ত কাৰুকাৰ্যৰে উপচি

পৰি অলংকাৰ হৈ পৰে। সাম্প্ৰতিক কবিৰ কবিতাৰ মাজতো অলংকাৰ থাকে। কেতিয়াবা জিলিকে কেতিয়াবা লুকাই।

" সোণালী ৰুমালৰ দৰে আঘোণৰ পথাৰে
সেউজীয়া আঁচলেৰে শাওনত সাবটি আছিল।
(অৰ্চনা পূজাৰী, পথাৰ)

সাম্প্ৰতিক কালৰ কবিতা কথা কোৱা ভংগীত ৰচিত, যিটো আগৰ কালৰ কবিৰ কবিতাত প্ৰায় অনুপস্থিত। সনন্ত তাঁতীৰ কবিতাত এনে বৈশিষ্ট্য দেখা যায়। এই ভংগী ঘৰুৱা যদিও কবিতাৰ পৃথিৱীত তেনেই নতুন।

"কালি গোটেই নিশা জুৰিয়েই মই পাৰ কৰিলো মোৰ গাৰ চামৰা সলনি হৈ গ'ল

এতিয়া গ্ৰীষ্মৰ খৰতাপ সহ্য কৰিব পাৰো। মোৰ হৃদয়ৰ............. দুৱাৰ খিৰিকী খুলি গ'ল। এতিয়া মই নিজকে চাব পাৰো। ঘৰুৱা মুৰৰ কথাৰ মাজতে গভীৰ ব্যঞ্জনাভৰা কবিতাৰ ভাষা সমীৰ তাঁতীৰ কবিতাৰ মাজত দেখা যায়। যেনে

"ফুল কুমলীয়া সপোনবোৰ মায় শেৰেলি
এতিয়া কিদৰে জুমি চাই ৰান্ধনী বেলি।"

ৰচনাৰীতিৰ ক্ষেত্ৰত সাম্প্ৰতিক অসমীয়া কবি অনুভৱ তুলসীৰ কবিতাৰ প্ৰকৃতি বাকীবোৰ কবিতাৰ লগত নিমিলে, কবিতাবোৰৰ ৰচনাৰীতি সৰল । যেনে————

"পাটীত বাগৰ দিছিলো
তেনেতে কোনোবাই আহি
দুৱাৰত টোকৰ দিলে
আগচোতালত সুৰুম।"

সাম্প্ৰতিক অসমীয়া কবিতাত প্ৰায়ে এটি সমাজ সচেতন মনৰ পৰিচয় পোৱা যায়। প্ৰেম আদি বিষয়ক কবি সকলে ৰোমান্টিক উল্লাসেৰে গ্ৰহণ কৰাৰ পৰিৰ্বতে বাস্তৱ সন্মত দৃষ্টিভংগীৰে কঠিন পৃথিৱীত বিচৰণ কৰাৰ বাট বিচৰাহে পৰিলক্ষিত হয়। সাম্প্ৰতিক সময়ৰ বেছিভাগ কবিতাৰে ঘাই বিষয় হ'ল সমাজৰ নিষ্ঠুৰতাৰ প্ৰতি সজাগতা।

❑❑

# বৰ্তমান সময়ত প্ৰমূল্য শিক্ষাৰ প্ৰয়োজনীয়তা

প্ৰিয়ংকা দেউৰী

**প্ৰ**মূল্য শব্দটোৰ অৰ্থ যথেষ্ট ব্যাপক। প্ৰমূল্য অৰ্থাৎ ইংৰাজী Value শব্দটোৱে মানুহৰ অন্তনিৰ্হিত নৈতিক গুণ, বিশেষত্ব বা যোগ্যতাৰ কথা বুজায়। যদিও প্ৰত্যেকজন ব্যক্তিয়ে প্ৰমূল্য বোধ বা মূল্যবোধ জন্মগতভাৱে বহন কৰে কিন্তু এই প্ৰমূল্যবোধৰ বিকাশ বিভিন্ন পৰিস্থিতি আৰু পৰিৱেশৰ মাজেৰেহে হয়। প্ৰমূল্যবোধ ধৰ্ম, দৰ্শন, সাহিত্য, বিজ্ঞান সামাজিক ৰীতি নীতি বা প্ৰথা আদিৰ প্ৰভাৱত গঢ় লৈ উঠে। বিভিন্ন ধৰ্ম তথা ধৰ্মীয় গ্ৰন্থই মানুহক আত্মসংযম, আত্মবল আত্মত্যাগ, সত্য, অহিংসা, সেৱা, কৰুণা, মানৱ কল্যাণ, শান্তি আদিৰ জৰিয়তে এক উচ্চস্তৰীয় আদৰ্শ গঢ়ি তোলাৰ উদ্‌গতি যোগায়। এই আদৰ্শৰ প্ৰতি অনুৰক্ত হৈ সেইবোৰৰ চৰ্চাৰ যোগেদিও মানুহৰ মনত মূল্যবোধৰ সৃষ্টি হয়।

মূল্যবোধ অবিহনে এজন ব্যক্তি, এখন সমাজ, এটা জাতি তথা দেশৰ সৰ্বাংগীন বিকাশ আৰু উৎকৰ্ষ সাধন কেতিয়াও সম্ভৱ নহয়। এজন ব্যক্তিক সুচৰিত্ৰৱান কৰি গঢ়ি তোলাত এই প্ৰমূল্যবোধে বিশেষভাৱে সহায় কৰে। সেয়েহে এখন দেশৰ ধৰণিস্বৰূপ কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ সৰু কালৰে পৰাই নৈতিক চৰিত্ৰ গঠন কৰাৰ ক্ষেত্ৰত মূল্যবোধৰ গুৰুত্ব অপৰিসীম। বৰ্তমান সময়ত বিজ্ঞান শিক্ষা চৰম উন্নতিৰ পথেৰে আগুৱাই যোৱাৰ লগে লগে মূল্যবোধ শিক্ষাৰ প্ৰয়োজনীয়তাও বাঢ়ি গৈছে। কিয়নো বিজ্ঞানে যেনেকৈ এফালে মানৱ সভ্যতাক উন্নতিৰ চৰম পৰ্য্যায়লৈ লৈ গৈছে সেইদৰে ই মানৱ সভ্যতাক ধ্বংসৰ ফাললৈও আগুৱাই নি আছে। ইয়াৰ পৰিণতি যে অতি ভয়াৱহ আমি মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ।

বৰ্তমান সমাজত দিনকদিনে বাঢ়ি অহা দুৰ্নীতি, হিংসা, দ্বেষ, হত্যা, ধৰ্ষণ, সাম্প্ৰদায়িক সংঘৰ্ষ আদিয়ে চাৰিওফালে ছানি ধৰিছেহি। মূল্যবোধৰ শিক্ষা অবিহনে এই সমস্যাসমূহ আঁতৰ কৰা সম্ভৱ নহয়। জীৱন আৰু মূল্যবোধৰ প্ৰকৃত জ্ঞানেহে এনে সমস্যাসমূহ সমাধান কৰিব পাৰিব। তাৰবাবে আমাৰ শিক্ষা প্ৰণালীক প্ৰকৃত আৰু বিজ্ঞানসম্মতভাৱে গঢ়ি তুলিব লাগিব আৰু সেই

শিক্ষাত মূল্যবোধ শিক্ষাক অন্তভুৰ্ক্ত কৰিবই লাগিব। মহান শিক্ষাবিদ পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল যে " ভাৰতকে ধৰি সমগ্ৰ বিশ্বৰে অশান্তিৰ মূল কাৰণ হ'ল- শিক্ষাত কেৱল মস্তিষ্কৰহে বিকাশ হৈছে। ইয়াত ধাৰ্মিক আৰু আধ্যাত্মিক মূল্যৰ সমাৱেশ হোৱা নাই। প্ৰকৃত শিক্ষাই এজন বালকক পৰিবৰ্তন কৰি তেওঁক নতুনকৈ জন্ম দিয়ে আৰু মস্তিষ্ক শুভ দিশেৰে পৰিচালিত কৰে।

আমাৰ ভৱিষ্যত সমাজ জীৱনৰ ধৰণীস্বৰূপ কণ কণ ছাত্ৰ-ছাত্ৰীসকলক সৰুৰে পৰাই মূল্যবোধৰ শিক্ষাৰে তেওঁলোকৰ অন্তৰ্নিৰ্হিত গুণৰাজিৰ বিকাশ কৰি তেওঁলোকক সৎচৰিত্ৰৱান হবলৈ সুপথে পৰিচালিত কৰি গঢ়ি তুলিব লাগিব। ইয়াৰ উপৰিও সৰুকালতেই তেওঁলোকৰ অন্তৰত সত্য, ক্ষমা, দয়া, জাতিভেদহীন ঈশ্বৰীয় ভক্তি, শ্ৰদ্ধা, পৰনিন্দা বৰ্জন, অহিংসা, লোভ, মোহ, ত্যাগ, অস্পৃশ্যতা বৰ্জন, বাকসংযম, ইত্যাদি গুণৰাজিৰ আত্মউপলব্ধি কৰাই হৃদয়ংগম কৰোৱাটো সহজ কিয়নো কুমলীয়া বাঁহ সহজে বেকা কৰিব পাৰি কিন্তু বুঢ়া বাঁহ সহজে বেকা কৰিব নোৱাৰি।

পৌৰাণিক আৰু আধুনিক মহান গ্ৰন্থসমূহ যেনে- ৰামায়ণ, মহাভাৰত, গীতা, কীৰ্ত্তন ঘোষা, বাইবেল, কোৰাণ আদি আৰু বৰ্তমান কালৰ আমাৰ সমাজৰ মহান ব্যক্তিসকলৰ মহৎগ্ৰন্থসমূহৰ উপদেশৰ শিকনি ছাত্ৰ-ছাত্ৰীসকলক নিচেই সৰুকালৰপৰাই আত্মোপলব্ধি কৰিব পৰাকৈ বিজ্ঞানসন্মতভাৱে দিয়াটো অতি প্ৰয়োজন। বিদ্যালয়সমূহত নিয়মীয়াকৈ খেলা-ধূলা কৰা, বিভিন্ন দিৱস উদ্‌যাপন, এন.চি.চি. ,স্কাউট গাইড আদিয়েও ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনত বিশেষভাৱে সহায় কৰে।

বৰ্তমান সময়ত আমাৰ সমাজত ডাক্তৰ, ইঞ্জিনীয়াৰ, বিশ্ববিদ্যালয়ৰ উচচ ডিগ্ৰীধাৰী বহু শিক্ষিতলোকৰ সৃষ্টি হ'ব ধৰিছে, কিন্তু সমাজৰ প্ৰতি, দেশৰ প্ৰতি দায়বদ্ধ ৰাষ্ট্ৰীয় চিন্তাধাৰাৰ, নিজৰ ভাষা সংস্কৃতিৰ নৈতিক চৰিত্ৰৱান কিমান ব্যক্তিৰ সৃষ্টি হৈছে সেয়া চিন্তা কৰিবৰ সময় আহি পৰিছে আৰু এনে লোকৰ সৃষ্টিৰ বাবে বৰ্তমান সময়ত মূল্যবোধ বা প্ৰমূল্যবোধ শিক্ষাৰ প্ৰয়োজনীয়তা আহি পৰিছে।❑

আন মানুহে তোমাক টেঙৰ বুলি নভবাটোৱেই হ'ল
তোমাৰ টেঙৰামিৰ আটাইতকৈ ডাঙৰ প্ৰমাণ।
- লা ব্ৰুয়েৰ

# মাধৱদেৱৰ নাট আৰু ইয়াৰ বৈশিষ্ট্য

নিতুল কাকতি

শংকৰদেৱৰ প্ৰিয়তম শিষ্য চিৰ কৌমাৰ্যব্ৰতী শ্ৰী শ্ৰী মাধৱদেৱ জন্ম উত্তৰ লক্ষীমপুৰৰ নাৰায়নপুৰৰ ওচৰৰ লেটেকুপুখুৰীত গোবিন্দগিৰি ভূঞাৰ ঔৰসত আৰু মনোৰমাৰ গৰ্ভত। এই গৰাকী শিষ্য, অনুগত সেৱক আৰু প্ৰধান সঙ্গীৰ শংকৰদেৱৰ লগত হোৱা মিলনক বেজবৰুৱাই গুৰু -শিষ্যৰ 'মণিকাঞ্চন সংযোগ' আখ্যা দিছে। গুৰুৰ পদাংক অনুকৰণ কৰি এই গৰাকী প্ৰিয় শিষ্যই নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত আত্মনিয়োগ কৰিছিল। ধৰ্ম প্ৰচাৰৰ অৰ্থে মাধৱদেৱে অসমৰ সাহিত্য- সংস্কৃতিৰ জগতখনলৈ প্ৰভুত বৰঙণি আগবঢ়ায় গৈছে।

**মাধৱদেৱৰ নাট্য প্ৰতিভা ঃ**

নৱ-বৈষ্ণৱ মতাদৰ্শ প্ৰচাৰৰ আহিলাস্বৰূপে মহাপুৰুষ শংকৰদেৱৰ আৰ্হিতে মাধৱদেৱে 'গীত-নাট' ৰচনা কৰিছিল। সৰ্বমুঠ ন-খনি নাট বা ঝুমুৰা মাধৱদেৱৰ নামত পোৱা যায়।

(ক) মাধৱদেৱৰ সন্দেহমুক্ত নাট বা ঝুমুৰা-

১.অৰ্জুন-ভঞ্জন, ২. চোৰ ধৰা, ৩. পিম্পৰা-গুচোৱা, ৪. ভূমি লেটোৱা, ৫. ভোজন-বেহাৰ

(খ) সন্দেহযুক্ত নাট বা ঝুমুৰা-

১. ভূষণ হৰণ, ২. কোটোৰা খেলা, ৩. ৰাস ঝুমুৰা, ৪. ব্ৰহ্মা মোহন

(গ) মাধৱদেৱৰ ৰচনা বুলি চৰিত পুথিত উল্লেখ থকা নাট-

১. গোবৰ্দ্ধন যাত্ৰা ২. নৃসিংহ যাত্ৰা ৩. ৰাস যাত্ৰা

**মাধৱদেৱৰ নাট্যৰীতিৰ বৈশিষ্ট্য ঃ**

মাধদেৱৰ 'ঝুমুৰা' সমূহ তেওঁৰ মৌলিক প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন। তেওঁৰ নাট্যৰীতি বা সেই সময়ত প্ৰচলিত অন্য কোনো লোক নাট্যৰ পৰা বহুখিনি পৃথক।

মাধদেৱৰ নাট বা ঝুমুৰাৰ কেতবোৰ বৈশিষ্ট্য তলত চমুকৈ উল্লেখ কৰা হ'ল।

১. শংকৰদেৱৰ নাটৰ নায়ক যুৱ কৃষ্ণৰ বিপৰীতে মাধৱদেৱৰ নাটৰ নায়ক শিশু কৃষ্ণৰ চৰিত্ৰহে।

২. ভক্তিৰস বাদ দি হাস্য আৰু বাৎসল্য ৰসে ঝুমুৰা বোৰত বিশেষ ভূমিকা পাইছে। মাধৱদেৱৰ ঝুমুৰাত শৃংগাৰ আৰু বীৰ ৰসৰ স্থান নাই।

৩. ঝুমুৰাসমূহ নাৰী চৰিত্ৰ প্ৰধান। মাধৱদেৱৰ ৰচনাত শ্ৰেষ্ঠতম নাৰী চৰিত্ৰ হৈছে সাদৰী মাতৃ যশোদা। কৃষ্ণৰ বিপৰীতে নায়িকা চৰিত্ৰ ঝুমুৰাত নাই।

৪. শংকৰদেৱৰ নাটৰ দৰে মাধৱদেৱৰ ঝুমুৰাৰ ভাষা ব্ৰজাৱলী। কিন্তু ঝুমুৰাত ই-বেছি সৰল আৰু কথিত অসমীয়া শব্দ প্ৰয়োগেৰে বেছি চহকী।

৫. ঝুমুৰাসমূহত ক্ষুদ্ৰ কাহিনীৰ চিত্ৰণ কৰা হৈছে। বৃহৎ কাহিনীৰ উপস্থাপন ইয়াত নাই।

৬. ঝুমুৰা সমূহ প্ৰধানতঃ 'কৃষ্ণকৰ্ণামৃত' আৰু 'ভাগৱত ' আখ্যানৰ ভিত্তিত সৃষ্ট কাহিনী।

৭. অংকীয়া নাটৰ অৰ্থাৎ শংকৰদেৱৰ নাটৰ অন্যতম বৈশিষ্ট্য ভটিমাৰ প্ৰয়োগ মাধৱদেৱৰ ঝুমুৰাত তেনেই কম। কেৱল ভোজন বেহাৰ নাটত এটি ভটিমাৰ প্ৰয়োগ দেখা যায়।

৮. ঝুমুৰাত মাধৱদেৱৰ মৌলিক সৃষ্ট শ্লোক নাই। নাটত প্ৰয়োগ হোৱা শ্লোক ভাগৱত পুৰাণৰ পৰা আহৰিত।

৯. ঝুমুৰাত নৃত্য গীতৰ প্ৰয়োভৰ দেখা যায়। এবাৰ কথোপকথন বা বচনেৰে কোৱা কথাকে আকৌ গীতৰ দ্বাৰাও প্ৰকাশ কৰা হয়।

এনেদৰে মাধৱদেৱৰ নাট্যৰীতি বিশ্লেষণ কৰিলে তেওঁৰ মৌলিক প্ৰতিভাৰ নিদৰ্শন পৰিলক্ষিত হয়। শংকৰদেৱৰ আদৰ্শ আৰু অনুপ্ৰেৰণাত নাট ৰচনাত প্ৰবৃত্ত হলেও মাধৱদেৱ শংকৰদেৱৰ নাট্য ৰীতিৰ পৰা কিছু আঁতৰত। শংকৰদেৱৰ পূৰ্ণ দৈৰ্ঘৰ কাহিনী সম্বলিত নাটৰ বিপৰীতে মাধৱদেৱৰ নাটবোৰ মূহুৰ্ত বিশেষৰ ঘটনা বা পৰিস্থিতি প্ৰধান আৰু ক্ষুদ্ৰাকৃতিৰ ব্ৰজাৱলী ভাষাৰ ব্যৱহাৰতো মাধৱদেৱে ৰক্ষণশীলতাৰ বিপৰীতে পৰিৱৰ্তনশীলতাৰ পৰিচয় দাঙি ধৰিছে। শংকৰদেৱৰ গহীন গম্ভীৰ ব্ৰজাৱলী ভাষা মাধৱদেৱৰ হাতত অধিক সৰল হৈ পৰিছে, আৰু কথিত অসমীয়া শব্দৰ বহুল ব্যৱহাৰে সেই ভাষাক অসমীয়া কথ্যভঙ্গী অধিক ওচৰ চপাইছে। মাধৱদেৱৰ নাটৰ বিষয়বস্তু আৰু ইয়াৰ উৎস চৰিত্ৰ-চিত্ৰণ লক্ষ্য কৰি সেয়েহে তেওঁৰ নাটকেইখনিক (অৰ্জুন- ভঞ্জনৰ বাদে) ঝুমুৰা আখ্যা দিয়া হয়। মাধৱদেৱৰ নাট্য প্ৰতিভাৰ স্বাক্ষৰ 'অৰ্জুন-ভঞ্জন' নাট আৰু ঝুমুৰা চাৰিখনৰ মাজতেই নাট্যকাৰ গৰাকীৰ নাটকীয় কথ্যশৈলীয়ে বিকাশ লাভ কৰিছে।❑

আজিৰ জীৱনেই সকলো। ইয়াতেই নিহিত হৈ আছে জীৱনৰ পৰিপূৰ্ণতা। কাৰণ যোৱাকালিটো মাথোঁন স্বপ্ন আৰু অহাকালিটো মাথোঁন কল্পনা। আজি ভালদৰে জীয়াই থাকিলেই যোৱাকালিৰ স্বপ্ন সুখৰ হৈ উঠে আৰু অহাকালিও হয় আশাৰে ভৰপূৰ। সেইবাবেই আজিৰ দিনটোকেই আনন্দেৰে গ্ৰহণ কৰা। এয়াই হ'ল প্ৰভাত বন্দনা।

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেখেতৰ সৃষ্টিৰাজি

জ্যোৎস্না ৰাণী চেতিয়া

**আৰম্ভণি ঃ** ভক্তি আন্দোলনৰ ধ্যান ধাৰণাক অসমৰ ভূমিত সুস্থ আৰু সবল নেতৃত্বৰ বিস্তাৰ আৰু বিকাশ কৰা মহান মহিষ জনাই আছিল "মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ" অসমৰ ভূমিত সমন্বয়ৰ সূত্ৰৰে জাতি সত্তাৰ বীজ ৰোপন কৰা বহুধাবিভক্ত ব্যক্তিত্ব আৰু বৃহত্তৰ সমাজ জীৱনলৈ আগবঢ়াই যোৱা যুগান্তকাৰী অৱদানৰ বাবে আমি যুগে যুগে অসমীয়া হিচাপে গৌৰান্বিত।


এইজনা মহান মহিষ একেধাৰে ধৰ্ম প্ৰচাৰক, কবি, শিল্পী, গায়ক, বাদক, নৃত্যবিশাৰদ, চিত্ৰকৰ, নাট্যকাৰ, সমাজ সংগঠক। তেওঁ আছিল জাতি সংস্কৃতিৰ নিৰ্মাতা। অসমীয়া তথা ভাৰতীয় সাংস্কৃতিক জীৱনলৈ তেওঁৰ যি বিস্ময়কৰ অৱদান আগবঢ়াই গ'ল তাৰ বাবে তেওঁক মহাপুৰুষ আৰু অৱতাৰী পুৰুষ হিচাপে আখ্যা দিয়া হয়।

এইজনা মহাপুৰুষৰ নগাঁৱৰ বৰদোৱা আলিপুখুৰীৰ কুসুম্বৰ ভূঞাৰ ঔৰসত সত্যসন্ধা আইৰ গৰ্ভত স্থিতি লভি **১৪৪৯** খ্ৰীষ্টাব্দত আৰ্বিভাৱ হয়। সেইসময়ত অসমৰ সমাজ সংস্কৃতি, ভাষা-সাহিত্য, ধৰ্ম-কৰ্ম সকলোতে আন্ধাৰ যুগে ৰাজত্ব কৰিছিল।

অসমৰ ধৰ্মীয় আৰু সামাজিক জীৱনৰ এনে দুৰ্যোগপূৰ্ণ মূহুৰ্ত্ততে মানৱতাৰ প্ৰতিভূ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰ্বিভাৱ অসমভূমিত এক সোণালী অধ্যায়। অসমৰ সমাজৰ প্ৰতিকূল পৰিস্থিতিত আপোন প্ৰতিভাৰ জৰিয়তে ধৰ্মৰ বিশৃংখলতা ধৰ্মৰ মাধ্যমেৰে সমাধা কৰিবলৈ " নৱ বৈষ্ণৱ আন্দোলনৰ" পাতনি মেলিলে। অৱশ্যে তাৰবাৰে সমকালীন ৰাজৰোষ আৰু প্ৰজাৰোষত পৰিছিল আৰু আত্মীয় স্বজনক হেৰুৱাই নিজেও পলাই ফুৰিব লগা হৈছিল।

অসমীয়া সমাজ-সংস্কৃতিলৈ এইজন মহাপুৰুষৰ যি অৱদান সেইবিষয়ে লিখিব পৰাকৈ মোৰ দৰে অভাজনৰ সামৰ্থ নাই। তথাপিও চমুকৈ তেখেতৰ অৱদান কীৰ্তিচিহ্ন আৰু সৃষ্টি ৰাজিৰ কিছু দিশ আৰু অসমীয়া সমাজত ইয়াৰ প্ৰভাৱ সম্পৰ্কে লিখাৰ প্ৰয়াস কৰিছোঁ।

অসমীয়া সমাজলৈ আগবঢ়োৱা




সবাতোতকৈ গুৰুত্বপূৰ্ণ ঐতিহাসিক অৱদান হ'ল- জাতিগত সংকীৰ্ণতা আৰু উচ্চ নীচৰ নীচাত্মিকতা দূৰ কৰি সামাজিক বৰ্ণ, পুৰুষ-স্ত্ৰী, বয়সৰ ব্যৱধান নোহোৱা, সকলোৱে পালন কৰিব পৰাকৈ উমৈহতীয়া উক্তি ধৰ্মৰ প্ৰৱৰ্তন। যি অসমীয়া সমাজখন সাম্য আৰু একতাৰ সূতাৰে বান্ধি তুলিলে। মানুহৰ মাজত একতা, সমতা, ভাতৃত্ববোধৰ ডোলেৰে বান্ধি ৰাখিবলৈ আৰু সেইসময়ত অসমীয়া সমাজৰ অৰ্দ্ধশিক্ষিত নিৰক্ষৰ গ্ৰাম্যলোকৰ ৰুচি-অভিৰুচিলৈ লক্ষ্য ৰাখি ভক্তি আৰু বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত " এক শৰণ হৰি নাম ধৰ্ম" প্ৰচাৰ কৰিলে। "এক দেৱ, একসেৱ, একবিনে নাই কেৱ-" এই বাণী আছিল গুৰুজনাৰ মূল মন্ত্ৰ। এই বাণীৰ যোগেদি ব্যয়বহুল যাগ যজ্ঞ নিষেধ কৰি শ্ৰৱণ কীৰ্ত্তন প্ৰৱৰ্তন কৰিলে। অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰা অৱদানসমূহৰ ভিতৰত বৰগীত, নামঘৰ, সত্ৰ, কলা-সংস্কৃতিক অন্যান্য অৱদানসমূহৰ ভিতৰত অংকীয়া নাট, ভাওনাৰ প্ৰৱৰ্তন, নৃত্য, বাদ্য আদিৰ চৰ্চা অন্যতম।

শংকৰদেৱে তেখেতৰ নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে একশ্ৰেণী ধৰ্ম সাহিত্যৰ সৃষ্টি কৰিছিল। ফলস্বৰূপে বৰগীতৰ দৰে আধ্যাত্মিক ভাৱসম্পন্ন উচ্চাঙ্গ ৰসবোধসম্পন্ন গীতৰ সৃষ্টি হ'ল। তত্ত্বগধুৰ সংস্কৃত ভাষাৰ পুথিসমূহ অসমীয়ালৈ অনুদিত হৈ শংকৰদেৱে মাধৱদেৱৰ হাতত সৃষ্টি হ'ল অনেক অনুবাদমূলক গ্ৰন্থ, তত্ত্বগধুৰ গ্ৰন্থ। তদুপৰি অন্যান্য গীত-মাত কাব্য, অংকীয়া নাট, পুথি আদি ৰচিত হ'ল আৰু এই সকলোবোৰে অসমীয়া ভাষা সাহিত্যক উচ্চ মৰ্যদা প্ৰদান কৰিলে।

শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজি............................

কাব্য ঃ- হৰিচন্দ্ৰ উপাখ্যান, অজামিল উপাখ্যান

ৰুক্মিনী হৰণ কাব্য

বলিছলন, অমৃত মন্থন

গজেন্দ্ৰ উপ্যখ্যান

কৰুক্ষেত্ৰ, গোপী উদ্ধৱ সংবাদ

কৃষ্ণ প্ৰয়ান, পাণ্ডৱ নিৰ্বাৰিণ।

ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ ঃ

* ভক্তি প্ৰদীপ

* ভক্তি ৰত্নাকৰ (সংস্কৃত ৰচিত)
* নিমি নৱসিদ্ধ সংবাদ
* অনাদি পাতন

অনুবাদমূলক গ্ৰন্থঃ

* ভাগৱত প্ৰথম, দ্বিতীয়
* দশম স্কন্ধৰ আদিছোৱা
* দ্বাদশ স্কন্ধ
* ৰামায়ন উত্তৰা কাণ্ড

অংকীয়া নাট ঃ

* পত্নী প্ৰসাদ
* কালিয়দমন
* কেলিগোপাল
* ৰুক্মিনী হৰণ
* পাৰিজাত হৰণ
* ৰাম বিজয়

নাম প্ৰসংগৰ পুথি ঃ

*কীৰ্তন আৰু গুণমালা

বৰগীত, ভটিমা,

টোটয় আৰু চপয়।

শংকৰদেৱে কেৱল ধৰ্ম প্ৰচাৰৰ বাবে সাহিত্য ৰচনা কৰা নাছিল। ধৰ্ম প্ৰচাৰৰ লগতে সমাজ আৰু জাতি সংগঠনৰ বাবেও তেওঁ সাহিত্য ৰচনা কৰিছিল। ধৰ্মীয় অনুশাসনৰ জৰিয়তে গুৰুজনাই সমাজ আৰু সামাজিক জীৱনৰ আসোঁৱাহ দূৰ কৰিবলৈ যত্ন কৰিছিল।

শংকৰদেৱৰ সৃষ্টি 'নামঘৰো' অসমৰ জাতীয় জীৱনৰ অমূল্য সম্পদ। অসমৰ ভক্তি আন্দোলনৰ অন্যতম দিশ "নাম কীৰ্ত্তনৰ" আধাৰত নামঘৰ গঢ়ি তোলা হৈছে। নামঘৰ গঞাঁলোকৰ ধৰ্মীয় আৰু শিল্পচৰ্চাৰ কেন্দ্ৰস্থল। এসময়ত গাৱৰ নামঘৰক কেন্দ্ৰ কৰিয়ে বিভিন্ন ধৰণৰ শিল্প চৰ্চা হৈছিল। সেইসমূহৰ ভিতৰত গাৱৰ খনিকৰসকলে নামঘৰত প্ৰয়োজন হোৱা তিনিখলপীয়া, পাঁচখলপীয়া, সাতখলপীয়া গৰুড়াসন, ৰাঙলি শৰাই, ঠগা আদি সাজি উলিয়াইছিল। ঠিক একেদৰে নামঘৰৰ মণিকুটৰ বেৰ দুৱাৰ আদিত বিষ্ণুৰ দশৱতাৰ লগতে বৈষ্ণৱ ধৰ্মৰ লগত জড়িত পুৰণি কাহিনীয়ে চিত্ৰঅংকণ কৰি তাত হেঙুল বুলাই দিছিল। সেইদৰে শংকৰদেৱৰ আপুৰুগীয়া সৃষ্টিৰাজিৰ ভিতৰত 'ভাওনা'ত প্ৰয়োজন হোৱা ,ধনু-কাঁড়, তৰোৱাল,

গদা মুকুট, চলি বিভিন্ন দেৱ-দেৱতা, ৰাক্ষস, জন্তু, কিন্নৰ, নাগ আদিৰ মুখা সজাৰ চৰ্চা নামঘৰৰ যোগেদি চলিছিল। এই প্ৰয়োজনীয় ভাস্কৰ্য শিল্পৰ সৃষ্টিয়ে এক নতুন ধাৰাৰ প্ৰৱৰ্তন কৰিলে। ফলত নামঘৰ হৈ পৰিল থলুৱা জন-জীৱনৰ মাজৰ পৰা বুটলি লোৱা উমৈহতীয়া সাংস্কৃতিক কেন্দ্ৰ। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনৰ ক্ষেত্ৰ হৈ পৰিল 'নামঘৰ।' এই নামঘৰেই পিচলৈ সত্ৰানুষ্ঠানৰ ৰূপ পায়।

শংকৰদেৱৰ সৃষ্টিৰ 'নামঘৰ' আৰু 'সত্ৰৰ' অসমীয়া ধৰ্মীয় সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক দিশলৈ এই দুই অনুষ্ঠানৰ অভূত বৰঙণি আছে।

'নামঘৰ, কেৱল এক ধৰ্মীয় উপাসনাগৃহই নহয়, ই হৈছে ক্ৰমান্বয়ে গণতান্ত্ৰিক সমাজ ব্যৱস্থৰ বিচৰালয়, শিক্ষক-শিক্ষাৰ্থীৰ শিক্ষানুষ্ঠান, শিল্পীৰ ৰঙ্গালয়, গ্ৰাম্যসমাজৰ পঞ্চায়ত আৰু সামাজিক অনুষ্ঠান। অসমৰ কলা-সংস্কৃতিৰ সংৰক্ষক, ধাৰক আৰু বাহক হ'ল এই নামঘৰ আৰু সত্ৰসমূহ।

গতিকে শংকৰদেৱৰ অৱদানে দান কৰিলে এক সুমহান গতিশীল সংস্কৃতি। অসমৰ সাহিত্যৰ ভৰাঁল চহকী কৰিলে। কলা, সংস্কৃতি, ভাস্কৰ্য, নৃত্য, চিত্ৰ, সাহিত্য, স্থাপত্য আদি কলাৰ উৎকৰ্য সাধন কৰি অসমীয়া সংস্কৃতিক সু-প্ৰতিষ্ঠিত কৰিলে। এই মহান মহিষীজনাৰ সৃষ্টিৰাজি অসমীয়া জাতীয় জীৱনত স্বৰ্ণ যুগৰ সূচনা কৰিলে। জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলোকে তেওঁ একতাৰ ডোলেৰে বান্ধি থৈ অসমীয়া জাতিটোক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰি থৈ গ'ল। এইজনা মহাপুৰুষৰ সৃষ্টিৰাজিৰ অবিহনে অসমীয়া সংস্কৃতি, অসমীয়া সাহিত্য আধৰুৱা। শেষত "যতীন দুৱৰা দেৱৰ উক্তিৰে "তোমাৰ জীৱনী লিখে এনে সাধ্যকৰ গোটেই অসম বিস্তৃত জীৱনী যাৰ।"❑

*"A life of Joy and happiness is possible only on the basis of knowledge and science."*
*- Dr. Sarvepalli Radhakrishnan*



# হাঁহিঃ এক বিশ্লেষণ

সন্ধ্যা দেৱী

হাঁহিৰ শক্তি অসীম। হাঁহিয়ে মানুহৰ সৌন্দৰ্য্যক প্ৰজ্বলিত কৰি তোলে। মনৰ সুখ আৰু আনন্দ প্ৰকাশ কৰাৰ মাধ্যম হ'ল হাঁহি। হাঁহিয়ে প্ৰাণ সঞ্চলিত কৰে। ছেক্সপীয়েৰে কৈছিল "হাঁহিব নজনা মানুহ-সি দেৱতা বা চয়তান।" জীৱনৰ কাইটীয়া বাটেৰে খোজ লওঁতে হাঁহিয়ে সেই কাইটীয়া কঠিন বাটটোৰ যন্ত্ৰণাৰ উপশম ঘটায়, হাঁহিত মুকুতা সৰে।

নমস্কাৰ কৰমৰ্দন আদি সম্ভাষণ বোৰ সংস্কৃতিগতভাৱে পোৱা এক পৰম্পৰা। কিন্তু হাঁহি গোটেই পৃথিৱী জুৰি একে অৰ্থাৎ ই হ'ল মানুহৰ এক স্বভাৱগত প্ৰবৃত্তি । হাঁহি হ'ল আৱেগৰ অভিব্যক্তি, ই বাস্তৱ সত্য। চাৰ্লিচে পলিনৰ মতে- এগৰাকী ৰূপহীৰ ওঁঠত হাঁহি পৰ্দাত মাৰাত্মক হৈ উঠিব পাৰে। বিজ্ঞানীসকলৰ গৱেষণাৰ পৰা গম পোৱা গৈছে যে এটা প্ৰকৃত হাঁহিৰ আয়ুসকাল মাত্ৰ চাৰি চেকেণ্ড। হাঁহিয়ে মগজুৰ আৱেগ অনুভূতিক উজ্জীৱিত কৰিব পাৰে। এটা পূৰ্ণ বিকশিত হাঁহিয়ে মুখৰ আটাইবোৰ মাংসপেশীৰ ব্যায়াম কৰে।

সমাজ বিৱৰ্তনৰ পিছতো আমাৰ মানুহৰ কোটিকলীয়া কিছুমান ধাৰণাৰ সম্পৰ্কত বেজবৰুৱাদেৱে হাঁহি নামৰ প্ৰবন্ধটোত এনেদৰে লিখিছিল (আমাৰ সমাজত) "বাপেকে পুতেকৰ আগত হাঁহি কথা নকয়। যদি দৈবাৎ বাপেক-পুতেকৰ আগত পাতল হৈ পৰে আৰু যদি পুতেক

লাই-পাই বাপেকক নমনা হয়। মুঠতে আমাৰ বাপেক-পুতেকৰ মাজৰ সম্বন্ধটো ভয়াবহ আৰু ঘোৰ নিৰানন্দ। বাপেকৰ মুখত হাঁহিয়ে খুন্দা মাৰি ধৰিলেও তেওঁ পিতপানী উজাৰ খাই উঠিছে বুলি ভাবি মিছিৰিৰ চৰ্বত খাব। তথাপিও নাহাঁহে।”

পুৰুষতান্ত্ৰিক আমাৰ সমাজত বহুতো গিৰীয়েক ঘৈনীয়েকৰ আগত দপদপনিৰ বাহিৰে সহজে নাহাঁহে। হাঁহিবলৈ হ'লেওঁ এনেবোৰ কঠোৰ নিয়ম কানুন পালন কৰিব লগা হোৱাৰ বাবে হয়তো লক্ষ্মীনাথ বেজবৰুৱাই “হাঁহি” নামৰ সেই ৰসাল ব্যংগাত্মক ৰচনাটোৰ জৰিয়তে অসমীয়াক সোঁৱৰাই দিছিল যে, অসমীয়া মানুহে হাঁহিব নাজানে আৰু হাঁহি মানুহৰ বাবে কিমান প্ৰয়োজন?

কোনো অসহনীয় দুৰ্যোগ অথবা দুৰ্ঘটনাৰ সন্মুখীন হোৱাৰ বাহিৰে প্ৰাচুৰ্যতা তথা সফলতাৰ উচ্চ শিখৰত উঠাৰ পিছতো মানুহে হাঁহিব নোৱাৰে। ইয়াৰ মূল কাৰণ প্ৰকৃত আনন্দ তথা সুখৰ অভাৱ। বৰ্তমান মানুহৰ আনন্দবোৰ যেন লেৰেলি গৈ এক যন্ত্ৰ মানৱলৈ ৰূপান্তৰিত হৈছে। মনোবিজ্ঞানী সকলৰ মতে, মানুহক অহৰহ আত্ম সন্তুষ্টিয়ে খেদি ফুৰে, অৰ্থাৎ মানুহে আত্ম সন্তুষ্টি লভিবলৈ জানিব লাগিব।

ইংৰাজীৰ “Lough and grow” কথাষাৰ আমাৰ সমাজৰ মানুহে আজিও হৃদয়ংগম কৰিব নোৱাৰে। কেৱল মনৰ আনন্দৰ বাবেই যে হাঁহিব লাগে এনে নহয়, ই স্বাস্থ্যৰ বাবেও যথেষ্ট উপকাৰী। হাঁহি মানুহৰ আভ্যন্তৰীণ অংগৰ বাবেও উপকাৰী। এটা সুন্দৰ হাঁহি সকলোৰে বাবে উপভোগ্য।

সেয়ে হয়তো ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল যে, পূব-পশ্চিম, উত্তৰ-দক্ষিণ চৌদিশতে থকা মানুহবোৰে হাঁহক। হাঁহক সকলোৱে হাঁহক ল'ৰাই হাঁহক, ডেকাই হাঁহক, বুঢ়াই হাঁহক, আদহীয়াই হাঁহক...................... ।❑

- কিতাপে মানুহক কুসংগ আৰু কুকৰ্মৰ পৰা ৰক্ষা কৰাৰ উপৰিও মানসিক অৱসাদৰ পৰা ৰক্ষা কৰে। ই মানুহক সংগ দিয়ে, শিক্ষা দিয়ে, আনন্দ দিয়ে।

  \- হোমেন বৰগোহাঞি

- প্ৰতিশোধতকৈ ক্ষমাহে মনুষ্যত্বৰ চিনাকি।

  \- মহাত্মা গান্ধী

# সাম্প্ৰদায়িকতাবাদঃ মানৱতাৰ প্ৰতি ভাবুকি

কাকলি কোঁৱৰ

*"আজি ধৰ্মান্ধতাত তোমালোকৰ নিচিনা আপোন মাতৃৰ শৰীৰ শ শ ধ্বনি আৰু আজানে তোমালোকক নুশুনায় সমন্বয়ৰ সুৰ-সমলয়। পূজাৰীয়ে এতিয়া নিৰ্মালীৰ ৰূপত দিয়ে এই দেশৰ সন্তানৰ কেচঁা কেঁচা তেজ আৰু মছজিদৰ কাষেৰে যোৱা নাবালিকাক গণ ধৰ্ষন কৰে পিতৃসম জোৱানসকলে"।*

এই যে ধৰ্ম নামৰ মানৱ সভ্যতাৰ আজন্মলগ্ন পঁয়ালগা অংশটো, যাৰ গাত ভেজা দি বিকাশ লাভ কৰিছে সাম্প্ৰদায়িকতা নামৰ ঘিনাৰ ভ্ৰূনটো, ই নিতান্তই বৰ্বৰতাৰ এখন মুকলি দ্বাৰ, এক উন্মাদনা। আদিম বিশৃংখলতাৰ এক সংহতৰূপৰ যি প্ৰচেষ্টাত ধৰ্ম বা ঈশ্বৰৰ প্ৰয়োজনীয়তা আছিল, যি এতিয়া উদ্দেশ্য প্ৰণোদিতভাৱে চালিত হৈ ঠায়ে ঠায়ে সময়ে সময়ে দুষ্ট মানৱতাৰ মৃত্যু-ঘন্টা মাতি আনিছে।

ধৰি লওঁক, গোধৰাৰ অপ-ঘটনাটো। সৰ্বজনবিদিত এই কু-ঘটনাৰ মাধ্যমেৰে এনে এটা আবহাৱাৰ সৃষ্টি কৰাৰ চেষ্টা চলোৱা হ'ল যে বিষুৱাঞ্চলত এন্টাৰ্কটিকাৰ শীতলতা সম্ভৱ হ'লেও হিন্দু আৰু মুছলমানৰ সহাৱস্থান কাহানিও সম্ভৱ হ'ব নোৱাৰে।

'সবৰমতী এক্সপ্ৰেছৰ দুটাকৈ দবাত জুই জ্বলিল আৰু সেই জুইত জাহ গল হিন্দু বিশেষৰ শৰীৰ। স্বাভাৱিকতে হিন্দুসকলৰ মাজত এই বিহংগম ধাৰাই গঢ় লৈ উঠিল যে এই কুটাঘাতমূলক কাৰ্য নিশ্চয়কৈ মুছলমান সম্প্ৰদায়ৰ লোকৰ দ্বাৰা সংঘটিত। প্ৰতিক্ৰিয়া স্বৰূপে সৃষ্টি হ'ল এক অভূতপূৰ্ব প্ৰতিক্ৰিয়া আৰম্ভ হ'ল এক সাম্প্ৰদায়িক অস্থিৰতাৰ। হিন্দু বিশেষকৈ গোড়ামিৰ সঙ্কীৰ্ণতাৰে পৰিবেষ্টিত সকলে প্ৰতিশোধ পৰায়ণ হৈ নৃশংগতাৰ পোহাৰ মেলে। দুৰ্ঘটনাটোৰ সাময়িক পৰালি পৰাৰ পিছত কেইজনে জানিব পাৰিলে সেই সম্পৰ্কে কেন্দ্ৰীয় অনুসন্ধান আয়োগে কৰা তদন্তৰ স্পষ্টীকৰণ? মুছলমান সম্প্ৰদায়ৰ ব্যক্তিয়ে অভিশপ্ত সবৰমতীত অগ্নিসংযোগ কৰা নাছিল, সেয়া আছিল অসৎ ৰাজনৈতিক উদ্দেশ্য আগত ৰাখি কৰা

স্বাৰ্থান্বেষী নাৰকীয়তা। আমাৰেই দুৰ্ভাগ্য যে সেই অসৎ উদ্দেশ্যত সংশ্লিষ্টসকল সফলো হ'ল। মানুহৰ বিৰুদ্ধে মানুহক উচটাই ৰং বিচৰা কেতবোৰ প্ৰবীন নেতাই উদাত্ত কণ্ঠেৰে সেই জ্বলা জুইত ঘিউ দিলে। 'ক'টোৰ পাচঁটা চুক বুলি কলেও 'হয় হয়' কৰা আমি অৰ্ধশিক্ষিতবোৰে অন্য সম্প্ৰদায়ৰ বিৰুদ্ধে যেন হাতত ত্ৰিশূল তুলিহে ল'লো। কথা প্ৰসংগত প্ৰাক-ৰবীন্দ্ৰনাথ কালৰ বঙালী সাহিত্যৰ বঙ্কিমচন্দ্ৰ চট্টোপধ্যায়ৰ কথা মনলৈ আহিছে, যাৰ লিখনিয়ে বংগীয় মুছলমান সাহিত্য সমাজ আৰু হিন্দু সাহিত্য সমাজ বুলি দুটাকৈ সংগঠন সৃষ্টিত অৰিহণা যোগাইছিল আৰু সেই সূত্ৰে সাম্প্ৰদায়িকতাবাদত হাত উজান দিছিল "আজি ধৰ্মান্ধিতাত তোমালোকৰ নিচিনা আপোন মাতৃৰ শৰীৰ শ শ ধ্বনি আৰু আজানে তোমালোকক নুশুনায় সমন্বয়ৰ সুৰ সমলয়। পূজাৰীয়ে এতিয়া নিৰ্মালীৰ ৰূপত দিয়ে এই দেশৰ সন্তানৰ কেঁচা কেঁচা তেজ আৰু মছজিদৰ কাষেৰে যোৱা নাৱালিকাক গণ ধৰ্ষণ কৰে পিতৃসম জোৱানসকলে।"

ক'তবাৰ যে বলকিলো- ' যাৰ পৰা হ'ল।' নালাগে...থাকক, এনেকৈ আমি নিজৰ মাজতে চুলিয়াচুলি কৰি প্ৰাক ঐতিহাসিক কালৰ ডাইনচ'ৰ বিলাকৰ দৰে বিলুপ্ত কৰি দিওঁ শত্ৰুভাৱাপন্ন সম্প্ৰদায়ৰ লোকক মৃতদেহৰ ওপৰত উঠি ডিঙা মেলি চাওঁ প্ৰতিহিংসাৰ দাবানল- যত, এক বাহুল্য মাত্ৰ। তথাপি আশা কৰিছো বিপৰ্যয়ৰ গিৰি প্ৰান্তৰেই বহন কৰক সভ্যতাৰ নতুন সূৰুয।❑



# নাৰীজনিত অপৰাধ আৰু সবল মানসিকতা

জোনমণি মহন্ত



"ভাৰতবৰ্ষ এখন বৈচিত্ৰময় দেশ", বৈচিত্ৰ এই ভাৰতভূমি। বৈচিত্ৰময় ইয়াৰ প্ৰকৃতি। ভিন্নৰসী ইয়াৰ সংস্কৃতি বৈচিত্ৰময় ইয়াৰ জাতি উপজাতি। য'ত এফালে শান্তিৰ জয়গান, এফালে জেহাদৰ শ্লগান। ভাৰতবৰ্ষত অতীজৰে পৰা দেখা গৈছে দ্ৰৌপদী, সীতাৰ নিপিড়িত নাৰী। বৰ্তমান ভাৰতবৰ্ষত নাৰীজনিত অপৰাধ ইমান বাঢ়িব ধৰিছে যে বিশ্বদৰবাৰত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। অদ্ভুত এই ভাৰতবৰ্ষ য'ত দুৰ্গাক শান্তি হিচাপে, কালিক অসুৰ নাসিনী হিচাপে, লক্ষ্মীক ধন ঐশ্বৰ্যৰ দেৱী, সৰস্বতীক শিক্ষাৰ দেৱী হিচাপে আৰাধনা কৰা সেই দেশত নাৰীৰ জন্ম নহওঁতেই ভ্ৰূণতে হত্যা কৰা হয়। য'ত কুমাৰ পূজা কৰা হয় তেনে দেশত **২** বছৰীয়া শিশুৰ পৰা লৈ **৬০** বছৰীয়া বৃদ্ধাও সাৰি নাযায়। প্ৰতিদিনে ধৰ্ষণ, শোষণ, হত্যা হয় নাৰীৰ আৰু অন্যান্য কু-সংস্কাৰসমূহ বাদেই

দিওঁ। এই সামাজিক স্থানৰ বাবে ব্যাধিৰ জগতত দায়ী কোন? কোন জগৰীয়া? সৃষ্টিকৰ্তা নে যিজনে 'প্ৰকৃতি' ৰূপী নাৰীৰ ৰচনা কৰিলে নে সেই মাতৃগৰাকী যি গৰাকীয়ে ন মাহ গৰ্ভ ধাৰণ কৰি কন্যা সন্তানটিক পৃথিৱীলৈ আনিলে। আমি সকলোৱে এই ব্যাধিৰ প্ৰতিকাৰ কৰিব লাগিব। ইয়াৰ বাবে পৰিৱৰ্তন আনিব লাগিব আমাৰ মানসিকতাৰ, পৰিৱৰ্তন আনিব লাগিব সামাজিক ব্যৱস্থাৰ, আইন শৃংখলতাৰ কঠোৰ দৃষ্টি ভংগীৰে চাব লাগিব অপৰাধীসকলক। সকলোতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল সবল মানসিকতাৰ। এই অপৰাধৰ বিৰুদ্ধে যুঁজিবলৈ প্ৰয়োজন দৃঢ় সংকল্প আৰু দৃঢ় সবল মানসিকতাৰ। নাৰী জীৱনটো এখন শুকুলা কাগজৰ দৰে যিখন কেতিয়াবা কাৰোবাৰ হাতৰ চাপ পৰি নষ্ট হৈ যায়। আৰু কেতিয়াবা জিলিকি উঠে শীৰ্ষতাৰ শিখৰত। এচিড ঢালি জ্বলাই নষ্ট কৰা ছোৱালীকেইজনীৰ যিগৰাকীয়ে সাহস কৰিলে তেওঁ জীৱন জিনিলে। কৰ্মক্ষেত্ৰৰ পৰা আৰম্ভ কৰি ৰাজহুৱা উৎসৱ পাৰ্বন আদিলৈকে প্ৰতি **১০** গৰাকী নাৰীৰ মাজত **৪** গৰাকী, শোষিত, নিপীড়িত।

এতিয়া জোৰ পুৰি হাত পালেহি। সমাজৰ প্ৰতিজন পুৰুষ তথা নাৰীয়ে সমস্বৰে মাতিবৰ হ'ল এই সামাজিক ব্যাধিৰ বিৰুদ্ধে, একেলগে থিয় দিব হ'ল সুৰক্ষাৰ বাবে কাৰণ গোটেই সমাজখন ছানি ধৰিছে এই নাৰীজনিত সীমাহীন অপৰাধে। আনৰ মাতৃ, ভগ্নীৰ লগত হোৱা দুষ্কাৰ্য্য যে মোৰ মাতৃ ভগ্নীৰ লগত নহ'ব তাৰ কোনো যুক্তি। নাই হিংস্ৰতাৰ বৰ্বৰতাত কোনো জাত নাই, নিচিনে কোনো সম্বন্ধ। অপৰাধ সহ্য নকৰি অপৰাধীৰ বিৰুদ্ধে থিয় হৈ ৰাইজৰ কাঠগড়াত শাস্তি দিয়ক। এখন কঠোৰ আইনৰ সৃষ্টি হওঁক। সমাজৰ ধৰ্ষণকাৰী, নাৰী শোষণকাৰীসকলক ৰাজহুৱা স্থানত ফাঁচি কাঠত ওলমাওক অথবা অংগক্ষত কৰক। তেতিয়া আৰু কাৰোৱে 'বৰ্ণালী' অথবা 'ডামিনী'ৰ দৰে অৱস্থা নহয়। আৰু কৰণীয় কৰিব লগা বহুত আছে যদিও, সমাজখন অপৰাধমুক্ত কৰিবলৈ সুস্থিৰ, সবল মানসিকতাৰ প্ৰয়োজন। হে মানৱ আপোনালোক সবল মনৰ অধিকাৰী হওঁক, সময়ত কঠোৰ আৰু দৃঢ় হওঁক আৰু সুৰক্ষা দিয়ক ঘৰৰ, বাহিৰৰ নাৰীসকলক।❑

টকায়েই সৰ্বস্ব বুলি মনে-প্ৰাণে ভৱাজনৰ পৰা সাৱধানে চলিব।
কিয়নো ধনৰ বাবে তেওঁ তোমাৰ সৰ্বনাশ ঘটাব পাৰে।
- মণ্টেইন

# ONLINE SHOPPING AND ITS ADDICTION

Mainu Swargiary



The internet and e-commerce has drastically revolutionized the way we shop. Because of the numerous advantages and benefits, more and more people these days prefer buying online over the conventional method of going into stores each and every day, the social networking sites, the print as well as the electronic media are flooded with the advertisements from various websites like flipkart, Amazon, Myntra, Snapdeal, Homeshop 18, etc. These websites open up a Plethora of options and give the customers the ease of shopping at their own pace with great variety, deals and discounts. One who orders the products online gets it delivered to their doorsteps without any hassle.

Online shopping can be a dangerous habit for many consumers. Certain usages of online shopping can turn into problematic behaviors such as online shopping addiction (OSA) or Compulsive buying disorder (CBT). The combination of anonymity, accessibility, convenience, prices and range of goods can fuel online shopping addiction. According to April Lane Benson, a psychologist specializing in compulsive buying disorder, Monomania, pathological buying when the individual tend to lose control overt their buying disorders. A shopping addiction is very different

from the love of shopping. The addicted person spend money constantly to soothe stress and anxiety, buy unnecessary items despite the problematic financial conditions and spends unnecessarily. Online shopping addicts may get emotional reasons. According to researchers', Workman and paper, 2010', stress, anxiety and depression are major motives for online shopping. As with other addictions, victims feel lost and out of control. The person constantly feel the urge to buy things unnecessarily. While shopping, they are in an illusion that they are not really spending money because of the use of credit or debit cards.

Online compulsive buying influences all individuals in the society. Infact people who are more knowledgeable and more explored to the internet are more into online shopping. Studies and research shows that female are more into online shopping than male. The age group between 20 to 30 go for more online shopping . This is because the young generation are more often purchasing form online sites because of the revolution in the technology for their well-being than other age category. Although shopping compulsively may not seem to have effect on Persion physical health, there are spiritual and mental detriments many shopping addicts face financial problems and are overwhelmed with debts. Because of high shopping expenditures, personal and family conflicts are likely to occur. The person denies about spending money on online shopping. There are a lot of commonalities among shopaholics and other addicts for instance, while alcoholics will hide their bottles, shopaholics will hide their purchases. This addiction can be dangerous when left untreated.

At present, There are no proven pharmacological treatments for addiction to online shopping compulsion but it neads to be given guidance and counseling services. The addicted person should learn to be careful and conscious about spending money wisely. The best way to overcome this problem is to unsubscribe from all promotional emails, blocking internet access to the favourte sites or deleting shopping apps from their mobile or other devices.❑

# মামণি ৰয়চম গোস্বামীৰ উপন্যাসত প্ৰতিবাদী নাৰী চৰিত্ৰৰ উপস্থাপন




ৰশ্মি কোঁচ

**অ**সমীয়া ৰামায়ণী সাহিত্যৰ সাধক জ্ঞানপীঠ বটাঁপ্ৰাপ্ত মহান কথাশিল্পী মামণি ৰয়চম গোস্বামী একাধাৰে গল্পকাৰ, ঔপন্যাসিক আৰু আত্মজীৱনীকাৰ। **১৯৭২** চনত ৰচিত চেনাবৰ সোঁত নামৰ উপন্যাস খনেৰে তেওঁ ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰে। তেওঁৰ আন আন উল্লেখযোগ্য উপন্যাস হ'ল- নীলকণ্ঠী ব্ৰজ (**১৯৭৬**), অহিৰণ (**১৯৮০**), মামৰে ধৰা তৰোৱাল (**১৯৮০**), দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা (**১৯৮৮**), সংস্কাৰ উদয়ভানুৰ চৰিত্ৰ (**১৯৮৯**), জখমী (**১৯৯০**), তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা (**১৯৯৪**), ঈশ্বৰী জখমী যাত্ৰী (**১৯৯০**), দাশৰথীৰ খোঁজ (**১৯১৯**), তেং ফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল (**২০০৯**) ইত্যাদি।

মামণি ৰয়চম গোস্বামীৰ প্ৰায়বোৰ উপন্যাসৰ বিষয়বস্তু অগতানুগতিক। সত্ৰৰ ৰক্ষণশীলতা বৃন্দাবনৰ মন্দিৰ কেন্দ্ৰিক জীৱন, শ্ৰমিক আন্দোলন, দিল্লীৰ ৰাজনৈতিক গণহত্যা, মন্দিৰৰ বলিবিধান, সুৰাসক্ত চৰিত্ৰৰ জীৱন দৰ্শন আদিয়ে তেওঁৰ উপন্যাসত স্থান পাইছে। ইয়াৰ উপৰিও তেওঁ সংস্কৃত সাহিত্যৰ বিদূষী কমল ৰত্নকৰ জীৱনৰ আধাৰ হিচাপে লৈ এক মহীয়সীৰ জীৱন বৃত্তান্ত আৰু থেং ফাখ্ৰীৰ জীৱনক লৈ অতি সুন্দৰভাৱে থেং ফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল এই দুখন উপন্যাস লিখে।

হৃদয়ৰ তীব্ৰ সংবেদনশীলতাৰে আধুনিক মানুহৰ সমস্যাজৰ্জৰ জীৱনৰ অন্তজগতৰ সূক্ষ্মাতিসূক্ষ্ম কোণত অবগাহন কৰা গোস্বামীৰ প্ৰতিখন উপন্যাসেই যেন একো একোখন দলিল। আধুনিক মানুহৰ দুখবোধ, বিচ্ছিন্নতা বোধ, পৰম্পৰাৰ বিপৰীতে জীয়াই থকাৰ বাসনা সংগ্ৰাম আদি অতি হৃদয়স্পৰ্শী ৰূপত বৰ্ণনা কৰিছে। দুৰূহ সত্যানুসন্ধান তেওঁৰ লক্ষ্য। তেওঁ নিজেই কৈছে মই মানৱতাবাদী লেখিকা। সেয়ে মানুহৰ দুখ-যান্ত্ৰণা জীৱনৰ অনুদঘটিত গোপন সত্যবোৰ মৰ্মস্পশী ৰূপত বাস্তৱ ৰূপত প্ৰকাশ কৰাই তেওঁৰ সাহিত্যৰ উদ্দেশ্য।




মামণি ৰয়চম গোস্বামীৰ উপন্যাসৰ এক অন্যতম বৈশিষ্ট্য হল ঃ চৰিত্ৰ চিত্ৰণ। প্ৰতিবাদী সমাজৰ ধৰ্মৰ নামত শোষিত, নিপীড়িত আদি চৰিত্ৰৰ সমাৱেশ তেওঁৰ উপন্যাসত দেখা যায়।

মামণি ৰয়চম গোস্বামীৰ উপন্যাসৰ চৰিত্ৰ চিত্ৰনৰ এটা প্ৰধান বৈশিষ্ট্য হ'লঃ 'প্ৰতিবাদী অথবা বিদ্ৰোহী নাৰী চৰিত্ৰৰ উপস্থাপন সমাজ, ধৰ্ম চলোৱা উৎপীড়নৰ বিৰুদ্ধে এই চৰিত্ৰবোৰে সময়ে সময়ে প্ৰতীবাদ কৰি আহিছে।

হিন্দুৰ পবিত্ৰ তীৰ্থভূমি ব্ৰজধামৰ পটভূমিত ৰচিত নীলকণ্ঠী ব্ৰজ উপন্যাসখনত প্ৰতিবাদী নাৰী চৰিত্ৰৰ চিত্ৰণ দেখা যায়। উপন্যাসখনৰ নায়িকা ভৰযৌৱনত স্বামীহাৰা বৃন্দাবনৰ নাৰী 'সৌদমিনী'। নিসংগতা আৰু যান্ত্ৰণাৰে পিষ্ট তেওঁৰ জীৱন। কোমল বয়সীয়া ছোৱালীটিয়ে বিধৱা হোৱাৰ পিছত এটি খ্ৰীষ্টান যুৱকৰ সতে মিলা প্ৰীতিৰ আয়োজন আৰম্ভ কৰিলে। গোড়া মতৱালম্বী আৰু ধৰ্মভীৰু ৰায়চৌধুৰীৰ পৰিয়ালৰ এয়া এক অবিশ্বাস্য কাহিনী। সেয়ে সৌদামিনীৰ মনৰ পৰিৱৰ্তন আহিব বুলি ব্ৰজধামলৈ পঠায়। কিন্তু ব্ৰজধামত থাকি সৌদামিনীৰ কোনো মানসিক উত্তৰণ নঘটিল। সুদীৰ্ঘ দিন তাই অৰ্ন্তদ্বন্দত ভুগিল। ব্ৰজধামত থাকিও তাই তিল তিলকৈ উপলদ্ধি কৰে যে "তাই সেই মাটিৰ তিৰোতা, যাৰ দেহ মনত এতিয়াও ধূলি মাকতিৰে ধূসৰিত" যাৰ মনত "জৈৱিক স্পৃহাৰ সেই তৰংগ ৰাশিৰ কোনো পৰিৱৰ্তন হোৱা নাই।" তাইৰ জৈৱিক স্পৃহা জাগ্ৰত। ব্ৰজধামত তাই অহৰহ কঢ়িয়াই ফুৰিছিল নিসংগতা আৰু অতৃপ্তি তথা অসন্তুষ্টি। বিতুষ্ট হৈ তাই মাক-দেউতাকক কচাইৰ লগত তুলনা কৰে।

" মই মহীয়সী নহওঁ যে তোমালোকৰ দৰে জনকল্যাণমূলক কাম কৰি মই মোৰ গোটেই জীৱন অতিবাহিত কৰিব পাৰিম। মই স্বাধীন মই কাকো ভয় নকৰোঁ....। তোমালোকে যদি মই সলনি হোৱা বুলি ভাবিছা তেতিয়াহলে..." ৰায়চৌধুৰীলৈ আঙুলি টোৱাই তাই চিঞৰি উঠিল ঃ "তোমালোক ভণ্ড।। তোমালোকক মই কচাইৰ লগত ৰিজাব পাৰো।" অৱশেষত তাই প্ৰেমিকজনক নিচেই কাষত পাইয়ো অস্থিৰ তথা অপ্ৰাপ্তিৰ ৰাগিত কৰুণ মৃত্যুক সাৱটি ল'লে। সৌদামিনী অসন্তুষ্ট হৈ ৰ'ল তাইৰ মৃত্যুৰে প্ৰকট কৰি তুলিলে তাইৰ প্ৰতিবাদ।

এই উপন্যাসখনৰ আন এক উল্লেখযোগ্য চৰিত্ৰ শশীপ্ৰভা, যি সময়ত ব্ৰজবাসীৰ মনত বিধৱা নাৰীসকলে পুৰুষৰ লগত ফুৰা-চকা কৰাটোও পাপ বুলি গণ্য কৰা হৈছিল, সেই সময়ত বিধৱা শশীপ্ৰভাই ঘোষণা কৰিছে-

" আজি কিছুদিন হল- মই প্ৰেমত পৰিবলৈ আৰম্ভ কৰিছোঁ"

ই ব্ৰজৰ সংৰক্ষণশীল সমাজ ব্যৱস্থাৰ সন্মুখত প্ৰতিবাদ স্বৰূপ।

দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা, উপন্যাসৰ গিৰিবালা চৰিত্ৰক ঔপন্যাসিকাই প্ৰতিবাদী হিচাপে চিত্ৰায়িত কৰিছে। আমৰঙা সত্ৰৰ সত্ৰাধিকাৰ কন্যা গিৰিবালাৰ উচ্চবৰ্ণৰ হিন্দুৰ নিয়ম অনুসৰি পুষ্পিতা

হোৱাৰ পূৰ্বেই বিয়া দিয়া হৈছিল। কিন্তু অতি সোনকালেই স্বামীৰ মৃত্যু হোৱাত গিৰিবালা পিতৃগৃহলৈ উভতি আহিব লগীয়া হয়। গিৰিবালাৰ অৱস্থাৰ বুজ লবলৈ অহা তিৰোতাবোৰক কৰা ব্যৱহাৰৰ মাজত গিৰিবালাৰ প্ৰতিবাদী স্বৰূপ পৰিলক্ষিত হয়।

"ঠিক এইখিনি সময়ত দুৱাৰ গুৰিত যেন এটা প্ৰচণ্ড বিস্ফোৰণহে হ'ল। দুৱাৰ খুলি গুলি খোৱা বাঘিনীৰ দৰে ওলাই আহিল গিৰিবালা। মূৰৰ দীঘল চুলি পিঠিৰ ওপৰত মুক্ত হৈ পৰিল। মোটা সূতাৰ পাতল মেখেলাৰ মাজত তাইৰ পাতল শৰীৰ থক্‌থক্‌কৈ কৰিবলৈ ধৰিলে।

তহঁতে মোক চাব আহিছিলি। দেখা পালি, যা এতিয়া যা ।"

আনকি গিৰিবালাই প্ৰাচীন পুথি অনুসন্ধানৰ বাবে সত্ৰলৈ অহা খ্ৰীষ্টান যুৱক মাৰ্কৰ প্ৰেমত পৰি ধৰ্ম সলনি কৰিম বুলি ক'বলৈও কুণ্ঠাবোধ কৰা নাই।

"সন্ন্যাসী চাহাব মোৰ কি ভাব হৈছে জানানে সন্ন্যাসী চাহাব ? মোৰ ভাব হয় উঘাৰ দৰে লগা আৰু ডিঙিত আলম লৈ ফুৰা সেই ক্ৰুছৰ আত্মহত্যা কৰাৰ আগত মাজতো প্ৰতিবাদৰ স্বৰূপ দেখা যায়। মাৰ্ক চাহাবৰ আগত তাইৰ গঢ়ি উঠা সম্পৰ্কৰ কাৰণে তাইক প্ৰায়শ্চিৎ কৰোৱাৰ সময়ত আত্মহত্যা কৰি তাই সেই ধৰ্মীয় ব্যৱস্থা বা তাৰ বাহক সমাজখনৰ বিপক্ষে পৰোক্ষভাবে প্ৰতিবাদ সাব্যস্ত কৰিছে। এইখন উপন্যাসৰ 'সৰু গহেনী' চৰিত্ৰটোও এটা অন্যতম প্ৰতিবাদী চৰিত্ৰ।

ভাৰতৰ সৰ্বপ্ৰথম মহিলা তহচিলদাৰ 'থেং ফাখ্ৰীৰ জীৱনক লৈ ৰচিত থেং ফাখ্ৰী তহচিলদাৰ তামৰ তৰোৱাৰ উপন্যাস নায়িকা থেং ফাখ্ৰীয়ে শেষত ব্ৰিটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰি তহচিলদাৰ পদৰ পৰা ইস্তাফা দিয়ে। উপন্যাসখনৰ শেষত তেওঁ বিপ্লবী ৰামচন্দ্ৰৰ ফাঁচি দিয়া চাবলৈ গৈছে।

"থেং ফাখ্ৰী থিয় হ'ল ? ককাক ত্ৰিভুবনৰ ভৰি স্পৰ্শ কৰি তাই কলে তহঁতে মোক বাধা নিদিবি। ৰাতিপুৱাই মই ৰামচন্দ্ৰৰ ফাঁচি দিয়া চাবলৈ যাম। তাৰ পাছত খৰ্গেশ্বৰ সূত্ৰধাৰে যোগাৰ কৰা মতে মই দল এটাৰ লগত নাৱত উঠিম। মোৰ বিচাৰ তহঁতে নকৰিবি। এয়া মোৰ জন্মভূমি মই আকৌ উভতি আহিম।

ইয়াৰ উপৰিও মামৰে দৰা তৰোৱাল উপন্যাসৰ নাৰায়ণী সাপৰ দালৰ জোতা উপন্যাসৰ গায়ত্ৰী প্ৰতিবাদী নাৰী চৰিত্ৰৰ উদাহৰণ।

এইদৰে সৌদামিনী, গিৰিবালা, সৰু গহেনী, থেং ফাখ্ৰী, নাৰায়ণী, গায়ত্ৰী আদি তেওঁৰ উপন্যাসৰ নাৰী চৰিত্ৰই সততে প্ৰতিবাদ কৰি আহিছে। এওঁলোকৰ প্ৰতিবাদ সমাজ তথা ধৰ্মৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে আৰু শাসক শ্ৰেণীৰ বিৰুদ্ধে। সমাজে ধৰ্মই তেওঁলোকৰ ওপৰত কৰিব বিচৰা উৎপীড়নৰ প্ৰতিবাদ এই নাৰী চৰিত্ৰবোৰে সাহসেৰে কৰিছে। অৱশ্যে সমাজে, ধৰ্মই অত্যাচাৰ চলোৱা নিপীড়িত চৰিত্ৰৰ সংখ্যাও কম নহয় যিসকলে বিনা প্ৰতিবাদে কপালৰ, ভাগ্যৰ দোষ বুলি মানি লৈছে। এইক্ষেত্ৰত দুৰ্গা ৰাধেশ্যামীহতঁৰ কথা ক'ব পাৰি। চৰিত্ৰৰ মনস্তাত্বিক বিশ্লেষণ মামণি ৰয়চম গোস্বামীৰ উপন্যাসৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।

এনেদৰে ড° মামণি ৰয়চম গোস্বামীৰ সম্পূৰ্ণ বাস্তৱভিত্তিত ৰচিত উপন্যাসবোৰৰ চৰিত্ৰসমূহে উপন্যাসবোৰক অধিক মনোগ্ৰাহী কৰি তোলাৰ উপৰিও পৰম্পৰাশ্ৰিত সমাজলৈ বাৰ্তা যোগান ধৰিছে। এইক্ষেত্ৰত তেখেতৰ উপন্যাস সমূহক সফল আখ্যা দিব পাৰি।❑

# সামাজিক পৰিবৰ্তনত শিক্ষা

দেৱ খনিকৰ

**শি**ক্ষাই সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। সমাজলৈ পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত শিক্ষা এবিধ সুদক্ষ আহিলা আৰু শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হৈছে। সমাজলৈ পৰিবৰ্তন আহে নানা ধৰণৰ মাধ্যমৰ জৰিয়তে। কিন্তু মাধ্যমবোৰৰ স্থায়িত্ব তেনেই অস্থায়ী। যেনে এখন দেশৰ সৈন্যসকলে আন এখন দেশ আক্ৰমণ নানা ধৰণৰ আন্দোলন, বিভিন্ন ধৰণৰ বিকল্প আদিৰ সমাজত প্ৰতিফলিত ক্ষন্তেকীয়া। শিক্ষাই সমাজলৈ পৰিৱৰ্তন আনে লাহে লাহে, ধীৰ গতিৰে। শিক্ষাই অনা পৰিৱৰ্তন স্থায়ী আৰু যুগজয়ী হৈ থাকে। প্ৰত্যেকজন মানুহে তেওঁলোকৰ নিজৰ প্ৰয়োজন সমূহ কাৰ্যৱলীৰ মাজেৰে পূৰণ কৰাৰ প্ৰচেষ্টা চলাই থাকে। সেই প্ৰয়োজন সমূহ স্বাৰ্থজনিত, শাৰীৰিক, মানসিক আৱেগিক বা আধ্যাত্মিক হ'ব পাৰে। যেতিয়া সামাজিক শক্তি সমূহে এই প্ৰয়োজন সমূহ পূৰণৰ বাবে দাবী জনায় তেতিয়া প্ৰশাসনে দাবীসমূহ পুৰণ কৰিবলৈ বাধ্য হৈ পৰে। এই প্ৰয়োজন সমূহ পুৰণ কৰিবলৈ যোৱাৰ পক্ষতে সামাজিক অথবা সাংস্কৃতিক পৰিৱৰ্তন সম্ভৱ হৈ উঠে। সেই পৰিৱৰ্তনৰ ফলস্বৰূপে সমাজলৈ আকৌ নতুন প্ৰয়োজন আহি পৰে।

জীৱনজগতত সমাজৰ ভাৱধাৰা উদ্ভৱ হোৱাৰ লগে লগে শিক্ষাৰ ধাৰণাও আৰম্ভ হৈছিল। সমাজৰ সংৰক্ষণ আৰু বিকাশৰ বাবে ডাঙৰবোৰে উঠি অহা শিশুসকলক ভৱিষ্যত জীৱনৰ বাবে প্ৰয়োজনীয় সকলোধৰণৰ দক্ষতা অৰ্জন কৰাৰ শিক্ষা দিছিল। পুৰণি কালৰ সমাজ ব্যৱস্থা অতি সহজ-সৰল আছিল আৰু সেই ধৰণে শিক্ষাদান পদ্ধতিয়ো সহজ আছিল। সমাজৰ ৰীতি -নীতি, ভাষা, জীৱন-নিৰ্বাহৰ বৃত্তি আদি ডাঙৰৰ পৰা সৰুৱে শিকাৰ মাধ্যমেৰে আহৰণ কৰিছিল। সমাজৰ বিকাশ সভ্যতাৰ অগ্ৰগতি, মানুহৰ নতুন নতুন প্ৰয়োজনে যুগৰ পৰিৱৰ্তন অনাৰ লগে লগে শিক্ষা পদ্ধতিৰো সলনি হৈ পৰিল।

সমাজ পৰিৱৰ্তনত শিক্ষাৰ ভূমিকা অতি বিস্তৃত। সু-শিক্ষাৰ মাধ্যমৰেহে নাগৰিকসকলৰ কৰ্ম দক্ষতা বৃদ্ধি হ'ব। সমাজৰ অৰ্থনৈতিক অৱস্থানৰ

ভেটি সুদৃঢ় কৰিবলৈ, খাদ্যৰ আত্মনিৰ্ভৰশীল হ'বলৈ, সমাজৰ পৰা নিবনুৱা সমস্যা দূৰ কৰিবলৈ শিক্ষা ব্যৱস্থাটোক উৎপাদনমুখী কৰি তুলিব লাগিব। তেতিয়াহে সমাজখন সমৃদ্ধিশালী হ'ব আৰু পৰিৱৰ্তনৰ ক্ষেত্ৰত আগুৱাই যাব পাৰিব।

শিক্ষাক সামাজিক পৰিৱৰ্তন আটাইতকৈ শক্তিশালী আহিলা হিচাপে গণ্য কৰা হয়। সমাজৰ প্ৰয়োজনীয় পৰিৱৰ্তন আৰু আধুনিকীকৰণৰ বীজ ৰোপণ কৰে। শিক্ষাই সমাজক আধুনিকীকৰণ কৰা আৰু পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত উদ্ভৱ হ'ব পৰা সকলো দিশৰ বিষয়ে চিন্তাবিদসকলে বিভিন্ন ধৰণৰ অধ্যয়ন সমাপ্ত কৰিছে। এই অধ্যয়নৰ লগত আধুনিকীৰণ দিশটোও সামৰি লৈছে। সমাজ এখন উন্নয়নৰ পথত অগ্ৰগতি হ'বলৈ হ'লে সকলো দিশতে যেনে- সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, আৰোগিক, বৌদ্ধিক আদিত পৰিৱৰ্তন হ'ব লাগিব। এই সকলোবোৰ দিশৰ প্ৰগতিশীল উন্নয়নত শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কোনো এখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ বাবে মূলধনৰ ভূমিকা অসীম। মূলধন মানে হ'ল যিবোৰ সম্পদৰ দ্বাৰা অধিক উৎপাদন কৰিব পাৰি, অৰ্থাৎ মূলধন সৃষ্টি কৰিবলৈ সম্পদৰ প্ৰয়োজন। আকৌ সম্পদ মানে হ'ল যিবোৰ প্ৰকৃতি প্ৰচুৰ পৰিমাণে পোৱা নাযায় অৰ্থাৎ অপ্ৰচুৰতা আছে তেনে দ্ৰব্যবোৰকে সম্পদ বোলে। দেশ তথা সমাজ এখনৰ উন্নয়নৰ মাপকাঠি হ'ল সেই ঠাইৰ সম্পদৰ উপযুক্ত ব্যৱহাৰ, সেই ফালৰ পৰা চাবলৈ গ'লে এখন দেশৰ জনসংখ্যা সেইখন দেশৰ সম্পদ। মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰ নহ'লে দেশত অত্যাধিক জনসংখ্যা বৃদ্ধি, দৰিদ্ৰতা, নিৰক্ষতা, উগ্ৰপ্ৰন্থী সমস্যা, নিবনুৱা সমস্যা আদিয়ে গা কৰি উঠিব পাৰে। সেয়ে এই সমস্যা সমূহ নিৰাময়ৰ উপায় হ'ল পৰিৰ্ৱতিত পৰিস্থিতি আৰু পৰিৱেশৰ লগত মিলিব পৰা উপযুক্ত শিক্ষা ব্যৱস্থা। শিক্ষাৰ দ্বাৰা মানৱ সম্পদবোৰ মানৱ মূলধনলৈ ৰূপান্তৰিত কৰিব পাৰি যাৰ দ্বাৰা সমাজ বা দেশখন অৰ্থনৈতিকভাৱে স্বাৱলম্বী পথলৈ আগবাঢ়ি যাব পাৰিব। অৰ্থনৈতিকভাৱে স্বাৱলম্বী এখন সমাজৰ সকলো বিলাক সমস্যা নিৰাময় হোৱাৰ সম্ভৱপৰ হয়। সেয়ে সমাজ পৰিৱৰ্তনত শিক্ষাৰ অভূতপূৰ্ব ভূমিকা পৰিলক্ষিত হয়।❑

এলেহুৱা মানুহৰ শৰীৰ পেলাই থোৱা চাবিৰ নিচিনা।
ব্যৱহাৰ নকৰা চাবিত যেনেকৈ মামৰে ধৰে,
কামত নলগোৱা শৰীৰতো সেইদৰে ৰোগ হয়।
- জ্ঞনীৰ ৰিচাৰ্ড

# আজিৰ সমাজ শিক্ষাৰ লক্ষ্য নিৰ্ধাৰণত পথভ্ৰষ্ট নেকি ?

বুদ্ধ গগৈ



**শি**ক্ষা মানৱ জীৱনৰ লগত জড়িত এক অবিৰত প্ৰক্ৰিয়া, যি মানুহৰ জন্মৰ মূহুৰ্তৰ পৰা সমাধি কাললৈকে চলি থাকে। যি সকলে শিক্ষাৰ সংকীৰ্ণ অৰ্থক অনুধাৱন কৰিব খোজে তেওঁলোকৰ বাবে শিক্ষা বিদ্যালয়, মহাবিদ্যালয়, আৰু বিশ্ববিদ্যালয় পৰ্যায়তে সীমাবদ্ধ আৰু সঁচাকৈয়ে আজিৰ সমাজে শিক্ষাৰ সেই সংকীৰ্ণ অৰ্থকেই প্ৰকৃত শিক্ষা বুলি গ্ৰহণ কৰিছে। আজিৰ তথাকথিত আধুনিক সমাজৰ অশিক্ষিত (আনুষ্ঠানিকভাৱে) সকলতো বাদেই আনুষ্ঠানিক শিক্ষাৰ উচ্চতম শিখৰ আৰোহন কৰা শিক্ষিত লোকসকলেও এনে ধাৰণা পোষণ কৰাটোৱে ভৱিষ্যতৰ সমাজখনৰ অশুভ ইংগিত বহন কৰিছে। সেই বাবেই বৰ্তমানো নিম্ন পৰ্যায়ৰ বৃত্তিমূলক শিক্ষাৰে শিক্ষিতসকলে সমাজত আগস্থান নাপায়। উদাহৰণস্বৰূপে এজন মটৰ মেকানিকক এইখন সমাজে কেতিয়াও এজন ডাক্তৰৰ সমানে সামাজিক মৰ্যদা দিয়া নাই। ইয়াৰ কাৰণ আমি অনুধাৱন কৰিবলগীয়া নহয়নে ? এনেকুৱা দেখাৰ উদাহৰণ আছে যি আমাৰ শিক্ষাৰ ওপৰত থকা সংকীৰ্ণ ধাৰণাক বহন কৰে। এনে চিন্তাধাৰাই শিক্ষাৰ ব্যক্তিতান্ত্ৰিক উদ্দেশ্যক প্ৰতিফলিত কৰিছে। শিক্ষাৰ ব্যক্তিতান্ত্ৰিক উদ্দেশ্যই ব্যক্তিৰ ব্যক্তিগত কল্যাণ সাধনৰ জৰিয়তে সমাজৰ কল্যাণ সাধন হোৱাটো বিচাৰে

যিটো পশ্চিমীয়া উদাৰবাদ ব্যক্তিস্বাতন্ত্ৰ্যবাদৰ প্ৰসাৰ মাথো। অৰ্থাৎ সমাজতকৈ ব্যক্তিৰ প্ৰাধান্য বেছি হোৱাৰ বাবে এনে ব্যৱস্থাত প্ৰত্যেক ব্যক্তিয়ে নিজৰ প্ৰাপ্যৰ কথাহে চিন্তা কৰে। তেওঁ সমাজৰ প্ৰতি থকা দায়িত্বৰ কথা দায়বদ্ধতাৰ কথা চিন্তা নকৰে। যিকোনো ক্ষেত্ৰতেই পশ্চিমীয়া সভ্যতা সংস্কৃতিক বিনা বিচাৰে গ্ৰহণ কৰাৰ বাবেই ভাৰতীয় সমাজ ব্যৱস্থা আজি লক্ষ্যভ্ৰষ্ট যেন অনুভৱ হয়।

শিক্ষা প্ৰসাৰতাৰ ক্ষেত্ৰত ভাষাৰ অৱদান অনস্বীকাৰ্য। ইংৰাজ সকলে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ জৰিয়তে ভাৰতৰ নিজৰ ভাষা, সাহিত্য, সংস্কৃতিৰ প্ৰসাৰ সাধনৰ বাবে ভাৰতীয় শিক্ষা ব্যৱস্থাত (আনুষ্ঠানিক) ইংৰাজী ভাষা কৌশলগতভাৱে প্ৰয়োগ কৰিলে। চাৰ্টাৰ আইন **১৮১৩** ৰ শিক্ষাৰ মাধ্যমৰ ক্ষেত্ৰত ভাৰতীয় তথা ইংৰাজী ভাষাৰ প্ৰয়োগক লৈ প্ৰাচ্য আৰু পাশ্চ্যতৰ বিবাদৰ সূচনা হয়। লড মেক্‌লে তেওঁৰ প্ৰতিবেদন (**১৮৩৫**) ৰ জৰিয়তে বিবাদৰ অন্ত পেলাই কৌশলগতভাৱে ইংৰাজী ভাষাক শিক্ষাৰ মাধ্যম হিচাপে প্ৰয়োগ কৰাৰ পৰামৰ্শ আগবঢ়ায়। সেয়াই ভাৰতীয় শিক্ষা ব্যৱস্থাত পশ্চিমীয়া শিক্ষাৰ ধ্যান ধাৰণাৰ আগ্ৰাসনৰ আৰম্ভণি বুলি ক'লে অত্যুক্তি কৰা নহয়। পশ্চিমীয়া ধ্যান ধাৰণাই যেনেদৰে ভাৰতীয় শিক্ষা ব্যৱস্থাত নতুন সভ্যতাৰ পোহৰ দেখুৱালে ঠিক তেনেদৰে ভাৰতীয় থলুৱা ভাষা-সাহিত্যৰ বিকাশৰ গতিক স্তিমিত কৰি পেলালে। তেনে পশ্চিমীয়া শিক্ষাৰ আঁত ধৰিয়েই আজি ভাৰতীয় শিক্ষাব্যৱস্থাই নিজৰ হাজাৰ বছৰীয়া ধ্যান ধাৰণাক জলাঞ্জলি দি বিশ্বায়নৰ ধামখুমীয়াত নিজকে বিলীন কৰি দিছে। ভাৰতীয় শিক্ষা ব্যৱস্থাৰ হাজাৰ বছৰীয়া ঐতিহ্যক বিশ্ব দৰবাৰত ইংৰাজ সকলৰ দৰে প্ৰতিষ্ঠা কৰিব পৰা সমল আছিল। কিন্তু পাশ্চাত্যৰ উদাৰবাদী ব্যক্তিতান্ত্ৰিক আগ্ৰাসনৰ কোবাল সোঁতত এইবোৰ বিলীন হ'ল। ভাৰতীয় ভাষা-সাহিত্যৰ তথা দৰ্শনক ভুল বুলি কোৱা মেক্‌লে চাহাবৰ অগ্ৰজ ৱাৰেণ হেষ্টিংছে **১৭৮৯** খ্ৰীঃত "অভিজ্ঞানম শকুন্তলয়" ৰ ইংৰাজী অনুবাদ কৰি ইংৰাজী সাহিত্যৰ ভঁৰাল চহকী কৰিলে। ঠিক তেনেদৰে চালচ্ উইলকিনচনৰ "ভাগৱত গীতা" ৰ অনুবাদেও তাকেই সূচায় কিন্তু আমি ভাৰতীয়ই আজিও তেওঁলোকৰ সেই উদাৰবাদী নীতিকেই বিশ্বাস ৰাখি শিক্ষাক ব্যক্তিগতকৰণ কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। সেয়ে এনে সময়ত শিক্ষাৰ সংকীৰ্ণ ধাৰণাক আমি পোষকতা কৰাটো স্বাভাৱিক।

বৰ্তমান শিক্ষাৰ লক্ষ্য ব্যক্তি বিশেষে বেলেগ হোৱা দেখা যায়। সামগ্ৰিক দৃষ্টিত শিক্ষা লাভৰ মূল লক্ষ্য হ'ব লাগে জ্ঞান আহৰণ কৰা যি জ্ঞানৰ জৰিয়তে সমাজৰ তথা ৰাষ্ট্ৰৰ কল্যাণ সাধন হয়। কিন্তু বৰ্তমান তাৰ বিপৰীত ছবিহে দেখা পোৱা যায়। জ্ঞান আহৰণৰ হাবিয়াসৰ পৰিৱৰ্তে ব্যক্তিগত লাভালাভৰ তুলাচালনীত শিক্ষাক জোখা হৈছে। নিজ নিজ স্বাৰ্থপূৰণৰ তাগিদাতহে মানুহে শিক্ষা গ্ৰহণ কৰিছে। কাৰোবাৰ বাবে ই যদি অৰ্থোপাজনৰ আহিলা কাৰোবাৰ বাবে আকৌ ই সামাজিক প্ৰস্থিতিৰ বাহক। সেয়ে সকলোৰে বাবে শিক্ষাৰ অৱধাৰণা আৰু লক্ষ্য বেলেগ বেলেগ হৈ পৰিছে। শিক্ষাৰ ক্ষেত্ৰখনত চৰকাৰ (ৰাষ্ট্ৰ)ৰ মূল লক্ষ্য হ'ল শিক্ষিতৰ হাৰ বঢ়োৱা আনহাতে ব্যক্তিৰ লক্ষ্য হৈ

পৰিছে ভাল অৰ্থোপাজন কৰিব পৰা সংস্থাপন লাভ কৰা। শিক্ষাৰ বৃত্তিমূলক লক্ষ্যই তাকেই সূচায় প্ৰকৃতজ্ঞান আহৰণৰ স্পৃহাৰ অভাৱে শিক্ষা ব্যৱস্থাটোক অৱনমিত কৰিছে। এনে শিক্ষাব্যৱস্থাৰে পৰিচালিত সমাজক আমি সঠিক পথেৰে ধাৱমান বুলি ক'ব পাৰিমনে? ব্যক্তিস্বাৰ্থ সৰ্বোচ্চ শিক্ষাব্যৱস্থাৰ বাবেই আমি প্ৰকৃত জ্ঞান লাভৰ পৰা বঞ্চিত হোৱা নাইনে? সেয়েহে হয়তো আমাৰ নিৰ্দিষ্ট স্বাৰ্থসিদ্ধিৰ পিছতেই আমাৰ জ্ঞান বিস্মৃতিৰ গৰাহত হেৰাই যায়। উদাৰহণ স্বৰূপে আমাৰ কোনো আত্মীয় যাৰ লগত আমাৰ বিনাস্বাৰ্থৰ মৰম চেনেহৰ সম্বন্ধ আছে, তেওঁক বহু বছৰৰ মূৰত লগ পালেও আমি চিনি পাঁও তেওঁক আমি আমাৰ স্মৃতিত স্থায়ী ভাৱে ৰাখি থৈছো। তেওঁক আমি অন্তঃকৰণেৰে গ্ৰহণ কৰিছো। কিন্তু কোনো নিৰ্দিষ্ট স্বাৰ্থৰ খাতিৰত লগ পোৱা এজন ব্যক্তিক বহুবছৰৰ মূৰত আমি চিনি পোৱাটো সহজ নহয় কাৰণ তেওঁক আমি নিৰ্দিষ্ট স্বাৰ্থ পূৰণৰ পাছত প্ৰয়োজন বুলি অনুভৱেই কৰা নাই। ইয়াৰ অন্তৰালত মনোবৈজ্ঞানিক কাৰণ আছে। সেয়ে নিৰ্দিষ্ট স্বাৰ্থসিদ্ধিৰ কাৰণে গ্ৰহণ কৰা শিক্ষা আমি স্বাৰ্থ পূৰণৰ পাছতেই পাহৰি পেলাওঁ। মহাভাৰতৰ চৰিত্ৰ কৰ্ণৰ ক্ষেত্ৰটো আমি তেনে এক সামঞ্জস্য আনিব পাৰো। কৰ্ণই সময়ৰ শৰ সময়ত মাৰিব পাহৰিছিল কিয়নো তেওঁৰ স্বাৰ্থৰ আছিল শ্ৰেষ্ঠ ধনুবিদ হোৱা সেয়ে তেওঁৰ উদ্দেশ্য হৈ পৰিছিল অৰ্জুনক পৰাস্ত কৰা। সেয়ে হয়তো কৰ্ণই শিক্ষা লাভৰ সময়তো সেই উদ্দেশ্যকেই সুঁৱৰি থকাৰ বাবে শিক্ষাত মনোযোগ দিব পৰা নাছিল। আনহাতে কৰ্ণৰ গুৰু পৰশুৰামৰ অভিশাপক আমি তেনে এক মনোবৈজ্ঞানিক ভিত্তি বুলি ধৰি ল'ব পাৰো। গতিকে ক'ব পাৰি নিৰ্দিষ্ট স্বাৰ্থজড়িত শিক্ষাই আমাক প্ৰকৃত জ্ঞান আহৰণৰ পৰা বঞ্চিত কৰে।

আমি যদি ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ইতিহাস লুটিয়াই চাওঁ আমি দেখা পাম বৈদিক যুগত শিক্ষাৰ মূল উদ্দেশ্য আছিল আধ্যাত্মিক তথা আত্মাৰ উৎকৰ্ষ সাধন কৰা, ঠিক তেনেদৰে বৌদ্ধিক শিক্ষা ব্যৱস্থাৰো উদ্দেশ্য আছিল পাৰ্থিৱ প্ৰয়োজন সমূহৰ নিয়ন্ত্ৰণৰ জৰিয়তে এক নিয়ন্ত্ৰিত জীৱন যাপন কৰি নিৰ্বাণ লাভ কৰা। এনে এক ঐতিহ্যমণ্ডিত শিক্ষাৰ ভেটি থকা ভাৰতবৰ্ষ বৰ্তমান আমি এনে এক সমাজত বাস কৰো য'ত শিক্ষাৰ লক্ষ্য হ'ল ব্যক্তিৰ মুনাফা। সেয়ে প্ৰশ্ন হয় বৰ্তমান সমাজ শিক্ষাৰ লক্ষ্যনিৰ্ধাৰণত পথভ্ৰষ্ট নেকি?❑

যি মানুহৰ অন্তৰত মনুষ্যত্ব আছে, যি ঈশ্বৰক ভয় কৰে তেওঁ কেতিয়াও আৰু কাকো ভয় নকৰে।
- মহাত্মা গান্ধী

# বৃহত্তৰ অসমীয়া জাতি গঠনত চুতীয়াসকল ঃ এক চমু অৱলোকন

অজয় কুমাৰ চুতীয়া

**ব**ৰ অসমৰ পটভূমিত স্বকীয় বৈশিষ্ট্যৰে মহিমামণ্ডিত হৈ থকা জাতি জনগোষ্ঠীবিলাকৰ ভিতৰত চুতীয়াসকল অন্যতম। সংমিশ্ৰিত আৰু সমন্বয়ৰ বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত চুতীয়াসকলৰ ৰাজনৈতিক, সামাজিক, ধৰ্মীয় তথা সাংস্কৃতিক জীৱনৰ বহু উপাদান লেখত ল'বলগীয়া। আমাৰ আলোচনাত এই বিষয়ে এটি চমু আভাস দিবলৈ যত্ন কৰা হৈছে।

অসমৰ উত্তৰ-পূৱ অঞ্চল আৰু অৰুণাচল প্ৰদেশত প্ৰাক ঐতিহাসিক কালৰে পৰা চুতীয়া ৰাজ্যৰ অৱস্থিতি সম্পৰ্কে পুৰাণ মহাভাৰত আৰু যোগিনী তন্ত্ৰত পোৱা যায়। মহাভাৰতত সুন্দৰ বিৱৰণ থকা ভীষ্মক ৰজাই প্ৰতিষ্ঠা কৰা ঐশ্বৰ্যশালী বিদৰ্ভ ৰাজ্য, চুতীয়া ৰাজ্য বুলি ঐতিহাসিক পণ্ডিতে মন্তব্য আগবঢ়াইছে। গতিকে মধ্যযুগৰ শদিয়াকেন্দ্ৰিক চুতীয়া ৰাজ্যত চুতীয়া সাম্ৰাজ্যৰ ইতিহাস সীমাবদ্ধ কৰিব নোৱাৰি। মধ্যযুগৰ চুতীয়া ৰাজ্যখন প্ৰতিষ্ঠা হোৱাৰ পূবতে চুতীয়া ৰাজ্যৰ অৱস্থিতি সম্পৰ্কত বিভিন্ন জন বুৰঞ্জীবিদে বিভিন্ন তথ্য আগবঢ়াইছে। অসমলৈ বিভিন্ন সময়ত অহা আন জাতি- জনগোষ্ঠীৰ দৰে চুতীয়াসকলৰ আগমনৰ কাহিনী পোৱা নাযায়। অৰ্থাৎ চুতীয়াসকল অসমৰ আদিম বাসিন্দা। চুতীয়াসকল হ'ল মঙ্গোলীয় গোষ্ঠীৰ অন্তভুক্ত এক জাতি। তেওঁলোকৰ মূল ভাষা বড়ো ভাষাৰ লগত সম্পৰ্ক আছে।

প্ৰাচীন চুতীয়া ৰাজ্যৰ সময়কাল ষষ্ঠ শতিকাৰ মাজভাগৰ পৰা তেৰশ শতিকাৰ আগভাগলৈকে বুলি অনুমান কৰা হয়, যদিও এই বিষয়ত কোনো লিখিত বিৱৰণ পোৱা নাযায়। প্ৰাচীন চুতীয়া ৰাজ্যত উত্তৰাধিকাৰ সম্পৰ্কত অস্থিৰ পৰিৱেশ হোৱাৰ সময়ত এই ৰাজবংশৰ দুগৰাকী লোক বিভাজিত হৈ দুখন সুকীয়া ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। কিন্তু পৰৱৰ্তী কালত বীৰপাল আৰু ৰত্নধ্বজপালে প্ৰাচীন চুতীয়া ৰাজ্য নিজ ৰাজ্যৰ লগত চামিল কৰাত চুতীয়া ৰাজ্যৰ এক নতুন ইতিহাসৰ সূচনা হয়। পাল বংশৰ পতন আৰু কামৰূপ ৰাজ্যৰ বিভাজনৰ পৰৱৰ্তী সময়ত চুতীয়াসকল ব্ৰহ্মপুত্ৰ উপত্যকাত এক প্ৰভাৱশালী শক্তিত পৰিণত হয়। এয়োদশ শতিকাৰ মাজভাগৰ পৰা যোড়শ শতিকাৰ মাজভাগলৈকে দহ গৰাকী চুতীয়া ৰজা ক্ৰমে বীৰপাল, ৰত্নধ্বজপাল বা গৌৰী নাৰায়ণ, জয়ধ্বজপাল বা প্ৰমত্ত নাৰায়ণ, হৰি নাৰায়ণ, ব্ৰজ নাৰায়ণ,

সিদ্ধি নাৰায়ণ আৰু সাধনীয়ে ৰাজত্ব কৰে। এই চুতীয়া ৰাজ্য দক্ষিণে দিচাং নদীৰ পৰা পূৱ সীমান্তলৈকে আৰু উত্তৰে সোৱণশিৰিৰ পৰা শদিয়ালৈকে বিস্তৃত আছিল। বৰ্তমানৰ শদিয়া বা কুণ্ডিল নগৰক কেন্দ্ৰ কৰিয়েই চুতীয়া ৰাজ্য প্ৰতিষ্ঠা হৈছিল। অৱশ্যে এই চুতীয়া ৰাজ্য স্বধয়া, মধয়া আৰু শদিয়া নামেৰেও পৰিচিত আছিল।

মধ্যযুগৰ চুতীয়া ৰাজ্যৰ প্ৰতিষ্ঠাপক ৰজা আছিল বীৰপাল। দ্বিতীয় ৰজা ৰত্নধ্বজ পালে অধিক শক্তিশালী ৰূপত চুতীয়া ৰাজ্য প্ৰতিষ্ঠা কৰে। বীৰপালৰ পুত্ৰ গৌৰীনাৰায়ণে ৰত্নপুৰত ৰাজধানী পাতি ৰত্নধ্বজ পাল নাম লয়। ৰত্নপুৰ বৰ্তমান অৰুণাচল প্ৰদেশৰ ইটানগৰ বুলি বুৰঞ্জীবিদসকলে অনুমান কৰিছে। মধ্যযুগত চুতীয়া সকলে প্ৰায় তিনিশ বছৰ ৰাজত্ব কৰিছিল। আহোম ৰজা চুহুংমুঙৰ ৰাজত্বকালত **১৫২৩** খ্ৰীষ্টাব্দত চুতীয়া ৰাজ্য অধীনলৈ অনাত এক অৰ্থত চুতীয়া সাম্ৰাজ্যৰ পতন হয়। আহোম আৰু চুতীয়াৰ শেষ ৰণত ৰাণী সাধনীয়ে বীৰত্বৰে যুঁজ দিয়ে যদিও শেষ ৰক্ষা কৰিব নোৱাৰি চুতীয়া সাম্ৰাজ্যৰ অন্যতম সম্পদ বীৰপালে সপোনৰ যোগেদি লাভ কৰা কুবেৰ প্ৰদত্ত সম্পত্তি সাধনীয়ে বুকুত বান্ধি চন্দনগিৰি পৰ্বতৰ পৰা জঁপিয়াই আত্মহুতি দিয়ে। লগে লগে চুতীয়া ৰাজ্য আহোম সাম্ৰাজ্যৰ লগত চামিল হয়।

কালক্ৰমত চুতীয়া সম্প্ৰদায়ৰ লোকসকল অসমৰ আন ঠাইলৈও সিঁচৰিত হৈ পৰে। আহোম ৰাজত্বকালত চুতীয়াসকল যাতে পুনৰ সংগঠিত হ'ব নোৱাৰে সেই কথা চিন্তা কৰি চুতীয়া সম্প্ৰদায়ৰ লোকসকলক স্থানান্তৰ আৰু সংস্থাপন নীতিৰ আধাৰত বিভিন্ন ঠাইলৈ স্থানান্তৰ কৰাৰ লগতে দক্ষতা অনুযায়ী চুতীয়া সম্প্ৰদায়ৰ বহু লোকক বৰা, শইকীয়া, হাজৰিকা, বৰুৱা, ৰাজখোৱা, হিলৈদাৰী, খনিকৰ, ৰাজখনিকৰ, পাত্ৰ, বৰা, ভাজনী, পাঠক, ডেকা, তামুলী, সেনাপতি, গগৈ, দাস, হাতীবৰুৱা, কোঁৱৰ, দলৈ, বৰদলৈ, কমাৰ বৰা, ভাগৱতী, বেজ, বেজবৰুৱা, মুদৈ, বৰমুদৈ, নেওগ, কাকতী, চমুৱা, বৰা, ভূঞা, লেখাৰু, গন্ধিয়া, বাৰুৱাতী, পাতৰ, চলিহা, দোলাকাষৰীয়া, অভয়পুৰীয়া, লস্কৰ, ফুকন, লিগিৰা, চাবুকধৰা ইত্যাদিৰ বিষয়বাব প্ৰদান কৰি আহোম ৰাজকাৰ্য পৰিচালিত নিয়োগ কৰিছিল। আকৌ মানৰ আক্ৰমণৰ

সময়ত ভীতি গ্ৰস্ত চুতীয়াসকল মেঘালয় আৰু অৰুণাচলৰ বিভিন্ন স্থানলৈ প্ৰব্ৰজিত হয়।

পৰাক্ৰমী চুতীয়াসকল প্ৰথম অৱস্থাত আহোমসকলৰ প্ৰভুত্ব মানি লোৱা নাছিল যদিও পৰৱৰ্তী সময়ত চ্যুকাফাই দাঙি ধৰা 'বৰ অসম'ৰ আদৰ্শ সৰোগত কৰি অসমীয়া জাতি গঠনত আত্মনিয়োগ কৰিছিল। আহোমসকলৰ উপৰিও চুতীয়া ৰাজ্যৰ কাষতে থকা অকা, ডফলা, আবৰ, মিৰি (মিচিং), মিচিমি, কোঁচ, কলিতা আদি জাতি-জনগোষ্ঠীৰ লগতো বিবাহ আৰু সামাজিক সম্বন্ধৰে বান্ধ খাই নতুন নতুন গোষ্ঠীগত পৰিচয়ত চুতীয়াসকল বিলীন হৈ গ'ল। এনে কাৰণতে চুতীয়াসকল এটা সময়ত হিন্দু চুতীয়া, আহোম চুতীয়া, মিৰি চুতীয়া, লালুং চুতীয়া, মৰাণ চুতীয়া মটক চুতীয়া আদি বিভিন্ন নামেৰে জনা গৈছিল। কিন্তু বৰ্তমান সময়ত চুতীয়াসকলৰ এনে ভাগ বা খেল পৰিলক্ষিত নহয়। মুঠ কথাত বৰ অসমৰ পটভূমিত আন জাতি-জনগোষ্ঠীৰে সংমিশ্ৰণত চুতীয়াসকলে এনে সংমিশ্ৰিত ৰূপ লাভ কৰিলে। বৃটিছে ইতিহাসবিদ এডবাৰ্ড গেইটৰ লেখনিত এনে বিৱৰণ পোৱা যায়।

অসমৰ জাতীয় জীৱন সমৃদ্ধ কৰা চুতীয়াসকলৰ অৱদান এটি চমু আলোচনাৰ পৰিসৰত সীমাবদ্ধ কৰিব নোৱাৰি। সূক্ষ্মভাৱে পৰ্যবেক্ষণৰ অন্তত জাতীয় জীৱনৰ উপযোগী চুতীয়া সম্প্ৰদায়ৰ কিছু কথা উল্লেখ কৰিব পাৰি। চুতীয়াসকলৰ জাতীয় চেতনা তথা জাতিপ্ৰেম অনুকৰণীয়। অসমত জাতীয় চেতনা সঞ্জীৱিত কৰাত চুতীয়াসকলে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। চুতীয়াসকলৰ কাৰিকৰী বিদ্যাৰ বহু জ্ঞানে বৃহৎ অসমীয়া জাতি শক্তিশালী কৰাত সহায় কৰিছিল। চুতীয়াসকল এক ৰুচিবোধসম্পন্ন, সংস্কৃতিবান আৰু স্বাৱলম্বী জাতি আছিল। অসমৰ সুন্দৰ প্ৰাকৃতিক পৰিৱেশ আৰু ভূ-খণ্ডৰ সুবাদত তেওঁলোকে গঢ়ি তোলা অৰ্থনৈতিক বুনিয়াদ আন জাতি-জনগোষ্ঠীৰ বাবে অনুকৰণীয় আছিল। তেওঁলোকৰ জাতীয় চেতনালব্ধ আবেগ প্ৰশংসনীয়। সাম্প্ৰতিক সময়তো ইয়াৰ উদাহৰণ পোৱা যায়। সংখ্যাগৰিষ্ঠ চুতীয়া বসতিপ্ৰধান সামাজিক অনুষ্ঠানত তেওঁলোকৰ সংগবদ্ধতা আৰু কৰ্ম সংস্কৃতি সাম্প্ৰতিক সময়তো প্ৰত্যক্ষ কৰা হয়।

দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় বহু সামগ্ৰীসহ কুটীৰ শিল্পজাত সামগ্ৰী নিৰ্মাণত চুতীয়াসকল পাৰ্গত আছিল। চুতীয়াসকলৰ ৰণ কৌশল আৰু যুদ্ধত ব্যৱহৃত সামগ্ৰী আহোমসকলে গ্ৰহণ কৰিছিল। বিশেষকৈ বৰটোপৰ ব্যৱহাৰ আৰু নৌ চালনৰ কৌশল চুতীয়াসকলৰ অৱদান বুলিব পাৰি।

অসমত তাম আৰু লোৰ ব্যৱহাৰ চুতীয়াসকলে প্ৰথমে কৰিছিল বুলি বুৰঞ্জীবিদ সৰ্বেশ্বৰ বৰুৱাই দাবী কৰিছে। অৰুণাচল থকা চুতীয়াসকলৰ উপাসনাৰ অন্যতম স্থল কেঁচাইখাতি শালৰ চালখন তামেৰে নিমিত আছিল। যত কেঁচাইখাতি গোঁসানিক পূজা অৰ্চনা কৰা হৈছিল।

অসমীয়াৰ হিয়াৰ আমঠু ৰঙালী বিহুৰ পৰম্পৰা আৰু উদ্‌যাপনৰ ক্ষেত্ৰতো চুতীয়াসকলক অন্যতম দিকদৰ্শক বুলি ক'ব পাৰি। অসমীয়া বিহু সংস্কৃতিৰ ক্ষেত্ৰত চুতীয়াসকলৰ নিজস্ব শৈলীৰ যঁজা নাচ আৰু ধৰ্মহুঁচৰি উজ্জ্বল সংযোজন।

অসমৰ উপাদেয় খাদ্য সম্ভাৰৰ বহু উপাদান চুতীয়াসকলৰ পৰা আহিছিল বুলি বিশ্বাস কৰা হয়। অসমীয়া সংস্কৃতিৰ বিবিধ জলপান যেনে-চিৰা, পিঠা, সান্দহ, কড়াই, হুৰুম, ঘিলাপিঠা, চুঙাপিঠা, চুঙাচাউল,ভাত পিঠা, খোলাত দিয়া পিঠা, কাহুদি, খাৰলি আদিৰ প্ৰচলনত চুতীয়া সকলৰো অৱদান আছিল। আনহাতে সাঁচপানী, শুকান মাছৰ ব্যঞ্জন, শুকতি আদি চুতীয়াসকলে প্ৰস্তুত কৰিছিল।

চুতীয়া সমাজৰ মহিলাসকল সাজ-পাৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত পাৰ্গত আছিল। এৰী চাদৰ, খনিয়া চাদৰ, চেলেং কাপোৰ, ৰিহা চুতীয়াসকলৰ অৱদান। তিৰোতাসকলে এৰী পলু আৰু পুৰুষসকলে মুগা পলু পোহাটো চুতীয়াসকলৰ অন্যতম পৰম্পৰা। তদুপৰি নৱজাত কন্যা শিশুৰ হাতত কপাহ আৰু মাকো তুলি দিয়াৰ পৰম্পৰাই সাজপাৰ তৈয়াৰ কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ আগ্ৰহ আৰু স্বাৱলম্বিতাৰ কথাকেই প্ৰতীয়মান কৰে।

চুতীয়া সমাজত নাৰীক উচ্চ আসন দিয়া হৈছিল। নাৰীক অপদস্থ কৰা গাত দিয়াটো চৰম অপৰাধৰূপে গণ্য কৰা হয়। বিশ্বব্যাপী নাৰী সবলীকৰণৰ আন্দোলন অব্যাহত থকাৰ সময়ত অসমৰ জাতীয় জীৱন সবল কৰাত চুতীয়াসকলৰ আদৰ্শ গ্ৰহণ কৰা উচিত।

গতিশীল সময়ৰ অহ্বানত চুতীয়াসকলৰ

সমাজিক জীৱন জীৱনশৈশী, পৰম্পৰা লোকচান ধৰ্মীয় বিশ্বাস আদিৰ পৰিৱৰ্তন হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ধৰ্মীয় দৰ্শনৰ প্ৰভাৱতো চুতীয়া সম্প্ৰদায়ৰ বহু জনজাতীয় পৰম্পৰা লোপ পাইছো। আধুনিক শিক্ষাৰ প্ৰভাৱ আৰু যুগৰ আহ্বানত চুতীয়াসকলৰ বহু লোকাচাৰ এলাগী যেন হৈ পৰিছে। যেনে- ধনু বিদ্যাত বিশেষ ব্যুৎপত্তি থকা বাবেই চুতীয়াসকলৰ পুত্ৰ সন্তান জন্ম হ'লে হাতত ধনু কাঁড় দিয়া পৰম্পৰাৰ প্ৰচলন নাইকীয়া হৈছে।

চুতীয়াসকল আমাৰ অসমৰ আদিম জনগোষ্ঠী হোৱা সত্বেত্ত সাম্প্ৰতিক সময়ত ৰাজনৈতিক আৰু অন্যান্য কাৰণত বহু পিছপৰি আছে। প্ৰায় **২০** লক্ষাধিক জনসংখ্যাৰ চুতীয়া সম্প্ৰদায়ৰ সামগ্ৰিক বিকাশ চকুত পৰা বিধৰ নহয়। উচ্চ শিক্ষাৰে শিক্ষিতসকল নগৰমুখী হোৱাত (মুষ্টিমেয়) স্বকীয় জাতীয় চেতনা সবল কৰি ৰখাত জাতিটো প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বিভিন্ন কাৰণত বিচ্ছিন্ন হৈ পৰা চুতীয়াসকলক সম উন্নয়ণ আৰু সম বিকাশৰ ধাৰণাই স্পৰ্শ কৰিব পৰা নাই। বিশেষকৈ বৰাক উপত্যাকাত থকা চুতীয়াসকলে জাতিগত বৈশিষ্ট্য অটুট ৰখাত ব্যৰ্থ হৈছে।

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন স্থানত সিঁচৰিত হৈ থকা চুতীয়াসকলক সংঘবদ্ধ কৰি আত্ম পৰিচয়ৰ চেতনা জাগ্ৰত কৰাত চুতীয়া জাতি সন্মিলন আৰু চুতীয়া ছাত্ৰ-সন্থাই নিৰৱচ্ছিন্ন প্ৰচেষ্টা অব্যাহত ৰাখিছে। **২০১৫** চনত কংগ্ৰেছ চৰকাৰৰ দিনত গঠন হোৱা চুতীয়া উন্নয়ন আৰ্শীবাদস্বৰূপ বুলি আশা কৰা হৈছিল, কিন্তু বৰ্তমান ই কাৰ্যকৰী হৈ থকা নাই। অঞ্চলবিশেষ চুতীয়া সম্প্ৰদায়ৰ জীৱনধাৰণ আৰু অনগ্ৰসৰ অৱস্থা উন্নতি কৰিবৰ বাবে শিক্ষিত যুৱ প্ৰজন্মই দায়িত্ব পালন কৰা উচিত চুতীয়া উন্নয়ণ পৰিষদ আৰু জাতি সন্মিলনে বিভিন্ন দিশত পাৰদৰ্শীসকলক চিনাক্ত কৰি তেওঁলোকৰ প্ৰতিভাক সঠিকভাৱে লালন কৰাৰ পৰিৱেশ সৃষ্টি কৰিলেহে জাতিটোৰ সামগ্ৰিক বিকাশ হ'ব। জাতিটোৰ উন্নয়নৰ বাবে জন জাতিকৰণৰ মৰ্যদা তথা সংৰক্ষণ ব্যৱস্থাৰ আৰশ্যকতা আছে যদিও কেৱল জনজাতিৰ মৰ্যদা আৰু সংৰক্ষণে সামগ্ৰিক উন্নয়ন সাধন কৰিব বুলি নিশ্চিতভাৱে ক'ব নোৱাৰি। কিয়নো অসম ভূমিত একে সময়তে আন জাতি-জনগোষ্ঠীয়েও জনজাতিৰ মৰ্যদা লাভ কৰিলে সংৰক্ষণৰ মাধ্যমতো সম্প্ৰদায়ৰ একোটাৰ অৱস্থা একে থাকিব।

গতিকে জাতিৰ উন্নয়নৰ পৰিপ্ৰেক্ষিতত চুতীয়া সম্প্ৰদায়ৰ শিক্ষিত সমুদায়ে সৰ্তকতাৰে নীতি নিধাৰণ কৰা উচিত।

তথ্যসমুহ ঃ

(১) চুতীয়া জাতিৰ বুৰঞ্জী, মুখ্য সম্পাদক- ড° স্বৰ্ণলতা বৰুৱা

সম্পাদক- ড° ডম্বৰুধৰ নাথ

❑❑



# " ভগৱান জগন্নাথৰ আৱিভাব" এক জনশ্ৰুতি

ডলীমেধী দত্ত

**পু**ৰীৰ জগন্নাথ মন্দিৰ ভাৰতৰ এক অন্যতম প্ৰাচীন মন্দিৰ। বছৰৰ সকলো সময়তে অগনন ভক্তই জগন্নাথ সুভদ্ৰা আৰু বলৰামক দৰ্শন কৰে। প্ৰভু জগন্নাথৰ কাহিনী বৈদিক ইতিহাসৰ এক চমৎকাৰ বিষয়।

ৰজা ইন্দ্ৰদুম্ন ভগৱান বিষ্ণুৰ পৰমভক্ত আছিল। ভগৱান বিষ্ণুৰ দৰ্শনৰ বাবে তেওঁ বৰ উদগ্ৰীৰ আছিল। এদিন ভগৱান বিষ্ণুৰ নিৰ্দেশত তেওঁৰ এজন ভক্ত ৰজাই ইন্দ্ৰদুম্নৰ ৰাজসভাত উপস্থিত হ'ল আৰু আলোচনাৰ মাজতে ৰজাক ভগৱানৰ এটা ৰূপ নীলমাধৱৰ কথা ক'লে। ৰজাই নীলমাধৱৰ কথা শুনি তেওঁৰ সন্ধানত চাৰিওফালে ব্ৰাহ্মন সকলক খবৰ কৰিবলৈ পঠালে। বিদ্যাপতি নামে এজন ব্ৰাহ্মনৰ বাহিৰে আন সকলোবোৰ বিফল হৈ উভতি আহিল। বিদ্যাপতিয়ে বহুদূৰ ঘূৰি পকি 'শবৰ' গোষ্ঠীৰ বিসবাসু নামৰ এজন লোকৰ ঘৰত উপস্থিত হ'ল। কিছুদিন বিদ্যাপতি তাতে থাকিল আৰু বিসবাসুৰ অনুৰোধত তেওঁৰ জীয়েক ললিতাক বিদ্যাপতিয়ে বিয়া কৰায়।

প্ৰতিদিনেই বিসবাসু ঘৰৰ পৰা ওলাই যায় পিছদিনা পুঁৱা চন্দন কাঠ, কৰ্পূৰ আৰু কস্তুৰীৰ সুগন্ধিৰে সৈতে উভতি আহে। বিদ্যাপতিয়ে এই ঘটনাৰ বিষয়ে পৰিবাৰ ললিতাক সুধিলে, কিন্তু তেওঁ প্ৰথমে ক'বলৈ অস্বীকাৰ কৰিলে, কিয়নো পিতাক বিষবাসুৱে এই বিষয়ে কাকো ক'বলৈ মানা কৰিছিল। অৱশেষত পতিৰ অনুৰোধত ললিতাই ক'লে যে, বিসবাসু দৈনিক নীলমাধৱৰ পূজাৰ হেতু কোনো অজ্ঞাত ঠাইলৈ যায়। বিদ্যাপতিয়ে নীলমাধৱৰ দৰ্শনৰ বাবে উদগ্ৰীৰ হৈ বিসবাসুক কাতৰভাৱে অনুৰোধ কৰিবলৈ ধৰিলে। জোঁৱায়েকৰ অনুৰোধ পেলাব নোৱাৰি বিসবাসুৱে তেওঁক নীলমাধৱৰ দৰ্শনৰ বাবে লৈ গ'ল। বিসবাসুৱে বিদ্যাপতিৰ চকুদুটা কাপোৰেৰে বান্ধি নিছিল। বিদ্যাপতিৰ পিন্ধা চুৰিয়াৰ আগত ললিতাই সৰিয়হ বান্ধি দি সেইবোৰ যোৱা বাটত চটিয়াই যাবলৈ ক'লে আৰু বিদ্যাপতিয়েও তাকেই কৰিলে। নীলমাধৱৰ ওচৰ পাই বিসবাসুৱে বিদ্যাপতিৰ চকুৰ পতি খুলি দিলে। নীলমাধৱৰ সুন্দৰ ৰূপ দেখি বিদ্যাপতিয়ে তেওঁৰ সন্মুখতে

নাচিবলৈ ধৰিলে আৰু প্ৰাৰ্থনা কৰিলে। বিদ্যাপতিৰ প্ৰাৰ্থনা শেষ হ'লত বিসবাসুৱে সেই দেৱ বিগ্ৰহৰ সন্মুখত তেওঁক বহুৱাই পূজাৰ বাবে ফুল আনিবলৈ গ'ল। সেই সময়ত বিদ্যাপতিয়ে এক অদ্ভুত ঘটনা দেখিবলৈ পালে। গছৰ পৰা এটা নীলকাউৰী তলৰ হ্ৰদত পৰি ডুব গ'ল আৰু হঠাতে কাউৰীটো চতুৰ্ভূজ ৰূপ ধাৰণ কৰি আকাশৰ ফালে গতি কৰিলে। এই দৃশ্য দেখি বিদ্যাপতিয়েৰ গছৰ পৰা হ্ৰদলৈ জাঁপ মাৰিবলৈ গছলৈ উঠি গ'ল। তেনে সময়তে আকাশবাণী হ'ল " হে ব্ৰাহ্মণ, তুমি যে নীলমাধৱক দেখাপালা এই কথা ৰজা ইন্দ্ৰদুম্নক কোৱাগৈ।" বিদ্যাপতি গছৰ পৰা নামি আহিল। ইতিমধ্যে বিসবাসুৱে উভতি আহি পূজা আৰম্ভ কৰিলে। বিসবাসুৱে শুনিবলৈ পালে "মই ইমানদিনে তোমাৰ ফুল পাতেৰে দিয়া অৰ্ঘ্য গ্ৰহণ কৰিলোঁ। এতিয়া মই ৰজা ইন্দ্ৰদুম্নৰ ৰাজকীয় সেৱা, পাদ্য, অৰ্ঘ্য বিচাৰোঁ।" বিসবাসুৱে ভাবিলে যে তেওঁ এতিয়া নীলমাধৱৰ সেৱা পূজাৰ পৰা বঞ্চিত হ'ব। ইয়াকে ভাৱি জোঁৱায়েকক বন্দী কৰি থ'লে। ললিতাৰ অনুৰোধত অৱশেষত বিদ্যাপতিক মুকলি কৰি দিলে। বিদ্যাপতিয়ে তৎক্ষনাত গৈ ৰজাক বাতৰি দিলেগৈ।

ৰজাই মহা আনন্দেৰে ঢোলে-দগৰে বিদ্যাপতিক লগত লৈ নীলমাধৱক আনিবলৈ যাত্ৰা কৰিলে। ইমানদিনে সৰিয়হ গুটিবিলাক গজি উঠিছিল। সেই চিনে চিনে ৰজা ওচৰ পালেগৈ কিন্তু তাত নীলমাধৱক দেখা নাপালে। ৰজাই খঙতে শবৰৰ গাওঁ আক্ৰমন কৰি বিসবাসুক বন্দী কৰিলে। লগে লগে আকাশবাণী হ'ল " নীলপৰ্বতৰ ওপৰত তুমি মোৰ বাবে এটা মন্দিৰ নিমাৰ্ণ কৰিবা। মই তাত দাৰু ব্ৰাহ্মণ ৰূপে কাঠৰ অৱয়বৰে স্থিত হ'ম। তুমি নীলমাধৱৰূপে নেদেখা।"

নীলপৰ্বতৰ মন্দিৰ নিৰ্মাণৰ কামশেষ হ'ল। মাটিৰ তলত মন্দিৰটি আছিল **৬০** হাত আৰু মাটিৰ ওপৰত আছিল **১২০** হাত। ৰজাই মন্দিৰৰ চূড়াত এটা কলহ তৈয়াৰ কৰি দিলে আৰু মন্দিৰৰ গাত সোণেৰে আভৰণ পিন্ধাই দিলে। ৰজাই ইয়াৰ পিছতে ব্ৰহ্মলোকলৈ গৈ দীৰ্ঘদিন ব্ৰহ্মাৰ বাবে অপেক্ষা কৰিলে। ৰজাই ভাবিলে মন্দিৰটি ব্ৰহ্মাই উচৰ্গা কৰিলে পবিত্ৰ হ'ব। সমুদ্ৰৰ তেনেই কাষতে থকাত এই সময়ৰ ভিতৰতে সমুদ্ৰৰ ঢৌৱে মন্দিৰটি পুতি পেলালে।

ইন্দ্ৰদুম্নৰ দীৰ্ঘদিনৰ অনুপস্থিতিত তাত ৰজা হ'ল সুৰদেৱ আৰু তাৰ পিছত ৰজা নীলমাধৱ। নীলমাধৱে বহুদিন বালিৰ তলত পোত গৈ থকা মন্দিৰটি পৰিষ্কাৰ কৰি উলিয়ায়। ইন্দ্ৰদুম্ন ৰজা উভতি আহিল। এই সময়ত ৰজা নীলমাধৱে ক'লে যে তেওঁহে এই মন্দিৰৰ নিৰ্মাতা।

অৱশেষত মন্দিৰৰ কাষৰ এজোপা গছত বহুদিন বাস কৰি থকা এটি কাউৰী চৰায়ে সাক্ষী হিচাপে ক'লে যে ৰজা ইন্দ্ৰদুম্নইহে মন্দিৰটি সাজিছে, নীলমাধৱে মন্দিৰটি কেৱল পৰিষ্কাৰহে কৰিছে। নীলমাধৱৰ এনে ব্যৱহাৰত ব্ৰহ্মা বিতুষ্ট হৈ ৰজা নীলমাধৱক চৌহদৰ পৰা চিৰকাললৈ আঁতৰি যাব ক'লে।

ইন্দ্ৰদুম্নই তেতিয়া ব্ৰহ্মাক মন্দিৰৰ কাষৰ শ্ৰীক্ষেত্ৰক পবিত্ৰ কৰি দিবলৈ প্ৰাৰ্থনা জনালে। ব্ৰহ্মাই ক'লে "শ্ৰীক্ষেত্ৰ মহাপ্ৰভু জগন্নাথৰ কৃপাতে পবিত্ৰ, এইখন তেখেতৰ ঠাই। মই কেৱল মন্দিৰৰ চূড়াত

পতাকা স্থাপন কৰিম। এই পতাকা দেখি সেয়ে ভক্তিভাৱে নমস্কাৰ জনাব সেইজনেই মুক্তি পাব।"

নীলমাধৱৰ দৰ্শনত বহুদেৰি হোৱাত ৰজা দুখিত হ'ল। তেওঁ আহাৰ পানী এৰি প্ৰাণত্যাগ কৰিবলৈ স্থিৰ কৰিলে। প্ৰভু জগন্নাথে ৰজাক সপোনত দেখা দিলে আৰু ক'লে, "প্ৰিয়ৰজা চিন্তা নকৰিবা, মই দাৰু ব্ৰাহ্মনৰূপে কাঠৰ অবয়ৱেৰে সমুদ্ৰত ভাঁহি বাঁকিমুহন নামৰ ঠাইত থাকিম।" ৰজাই এজন সৈন্যৰ সৈতে গৈ সমুদ্ৰত কাঠ দেখা পালে আৰু হাতীৰে টনাই আনিবলৈ যত্ন কৰিলে কিন্তু লৰাবকে নোৱাৰিলে। পুনৰ প্ৰভু জগন্নাথে ৰজাকে ক'লে, "হে ৰজা তুমি বিসবাসুক নিয়ন্ত্ৰণ কৰা আৰু দাৰু ব্ৰাহ্মনৰ ওচৰত এখন সোণৰ ৰথ সাঁজু কৰা।" ৰজাই দাৰু ব্ৰাহ্মনৰ একাষে বিসবাসু আৰু একাষে বিদ্যাপতিক থিয় কৰালে আৰু সোণৰ ৰথ সাজু কৰিলে। ভগৱান জগন্নাথৰ জয়গান, প্ৰাৰ্থনা আৰম্ভ কৰাত সহজতে দাৰু ব্ৰাহ্মনক মন্দিৰৰ ওচৰলৈ আনিব পৰা হ'ল। যথাস্থানলৈ নিয়াৰ পিছত ব্ৰহ্মাই আহি পূজা কৰিলে আৰু নৃসিংহৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰিলে।

দাৰু ব্ৰাহ্মনৰ পৰা ভগৱান জগন্নাথৰ বিগ্ৰহ সাজিবলৈ ইন্দ্ৰদুম্নই বহু খনিকৰকে মতালে, কিন্তু কোনেও একো কৰিব নোৱাৰিলে। অৱশেষত জগন্নাথে নিজে এক শিল্পীৰ ৰূপেৰে দেখা দিলে আৰু নিজকে 'অনন্ত মহাৰাণা' বুলি পৰিচয় দি ক'লে, যদি **২১** দিন মন্দিৰৰ ভিতৰত অকলে সোমাই মূৰ্তি নিৰ্মাণৰ কাম কৰিব দিয়ে তেন্তে তেওঁ এই নিৰ্মাণ কাৰ্য হাতত ল'ব পাৰিব। এই সময়ত কোনেও মন্দিৰত দুৱাৰ খুলিব নোৱাৰিব। ৰজা মান্তি হ'ল। বৃদ্ধ শিল্পীয়ে দাৰু ব্ৰাহ্মনক মন্দিৰৰ ভিতৰলৈ লৈ গ'ল আৰু দুৱাৰ বন্ধ কৰি ভিতৰত সোমাল।

প্ৰথম কিছুদিন হাতুৰী- বটালিৰ শব্দ বাহিৰৰ পৰা শুনা গৈছিল কিন্তু লাহে লাহে নুশুনা হ'ল। ৰাণীৰ বহুত চিন্তা হ'ল। বৃদ্ধ মানুহজন ভিতৰতে নোখোৱাকৈ মৰিল বুলি ৰজাক চাবলৈ খাটনি ধৰিলে। উপায়হীন ৰজাই চৈধ্যদিন সম্পূৰ্ণ হওঁতেই মন্দিৰৰ দুৱাৰ খুলি দিলে। ৰজাই বৃদ্ধক দেখা নাপালে। ভগৱান জগন্নাথ, সুভদ্ৰা আৰু বলৰামৰ তিনিটা মূৰ্তিদেখা পালে, কিন্তু মূৰ্ত্তিৰ ভৰিৰ আঙুলি সম্পূৰ্ণ নহ'ল। ৰজাই বৰ দুখ পালে। পুনৰ অনশন কৰি মৃত্যুবৰণ কৰাৰ কথা ভাবিলে। ভগৱান জগন্নাথে সপোনত ৰজাক ক'লে "হে ৰজা মই ভগৱান জগন্নাথ, তোমাৰ মন্দিৰত স্থিতি লৈছোঁ। মোৰ এই ৰূপ দেখিয়েই যি ভক্তিভাৱে সেৱা পূজা কৰিব, তেৰেঁই মোৰ শ্যামসুন্দৰ ৰূপ দেখা পাব। তোমাৰ ইচ্ছা হ'লে মোৰ শৰীৰত সোণ-ৰূপৰ অলংকাৰ পিন্ধাই দিবা। " ৰজাক পুনৰ ক'লে, "বিসবাসুৰ বংশধৰ সকলে যুগ যুগ ধৰি মোৰ সেৱা-পূজা কৰিব। ব্ৰাহ্মণৰ শবৰ পত্নীৰ পুত্ৰসকলে মোৰ 'ভোগ' বান্ধিব।" ৰজাই ভগৱান জগন্নাথক অনুৰোধ কৰিলে যেন মন্দিৰৰ দুৱাৰ তিনিঘন্টাকৈ মাত্ৰ বন্ধ থাকে যাতে এই জগতৰ সকলো ভক্তই ভগৱানৰ দৰ্শন লাভ কৰিব পাৰে। ৰজাই পুনৰ ক'লে, "হে প্ৰভু কোনোৱে কোনো কালে যেন এই মন্দিৰ নিজৰ বুলি দাবী কৰিব নোৱাৰে।"❑

# প্ৰকৃতিৰ অনবদ্য অৱদান
# সৌন্দৰ্যৰ ৰম্যভূমি লেহ লাডাখ

অঞ্জলী চুতীয়া



**আ**জি একবিংশ শতিকাৰ বিজ্ঞানৰ জয়যাত্ৰাত আমি প্ৰত্যেকেই হৈ পৰিছোঁ একো একোজন যন্ত্ৰবৎ মানৱ, আমি যেন পাহৰি গৈছো বৰ্ণময় পৃথিৱীৰ অপূৰ্ব সৌন্দৰ্য সুদা কি দৰে পান কৰিব পাৰি। আমি পাহৰি গৈছোঁ হৃদয়ে হৃদয়ে বৈ অহা ভালপোৱা নৈখনৰ কথা। আমি ব্যস্ত কেৱল পাৰ্থিৱ সা-সম্পত্তি সংগ্ৰহ কৰা আৰু আত্ম প্ৰতিষ্ঠা লাভ কৰাত। এজন দাৰ্শনিকে কোৱা এষাৰ কথা আছে- "Travel makes one modest. You see what a tiny place you occupy in the world"; সঁচাকৈ আমি এই খন্তেকীয়া জীৱনত কৰিব লগীয়া বহুতো কামেই বাকী আছে। জীৱনৰ গতানুগতিক ব্যস্ততাৰ পৰা অলপ আঁতৰি অহাৰ মানসেৰে জুলাই মাহৰ গৰম বন্ধৰ কেইটামান দিন আমি লাডাখ ভ্ৰমণৰ বাবে থিৰাং ল'লো। ভবামতে মই মোৰ স্বামী আমাৰ সন্তানদ্বয় কল্যাণজ্যোতি আৰু বিশ্বজ্যোতিষ্মানাক লগত লৈ পৃথিৱীৰ সৌন্দৰ্যৰ আকৰ বৰফাবৃত অঞ্চল লেহ-লাডাখলৈ বুলি ডিব্ৰুগড়ৰ পৰা বিমানেৰে যাত্ৰা কৰিলো। প্ৰায় ১ ঘণ্টা অতিক্ৰম কৰা পাছত আমাৰ বিমানখন দিল্লীৰ ইন্দিৰাগান্ধী আন্তৰ্জাতিক বিমান বন্দৰত অৱতৰণ কৰিলে। সেইদিনা আমি দিল্লীৰ প্ৰখ্যাত ইন্দিয়া গেট দৰ্শন কৰি ৰাতিটো হোটেলত কটালো। পিছদিনা পুৱা ৫.০০ মান বজাত দিল্লীৰ পৰা লাডাখলৈ বুলি বিমানেৰে যাত্ৰা আৰম্ভ কৰিলো। প্ৰায় ডেৰ

ঘণ্টা সময় অতিক্ৰম কৰাৰ পাছত আমি লাডাখৰ ৰাজধানী লেহ বিমান বন্দৰত অৱতৰণ কৰিলো। এই বিমান বন্দৰৰ নাম 'কচুক বকুলা ৰিম্পচী'। পৃথিৱীৰ মূল বিমান বন্দৰ বিলাকৰ ভিতৰত ২২ নম্বৰ স্থানত। সাগৰৰ পৃষ্ঠৰ পৰা ৩,২৫৬ মিটাৰ উচ্চতাত অৱস্থিত এই বিমান বন্দৰটি তেনেই সৰু যদিও মনোমোহা।

আমি এখন সৰু গাড়ী ভাড়ালৈ আগেয়ে বন্দোবস্ত কৰি থোৱা হোটেল পালোগৈ। অতিপাত ঠাণ্ডা আৰু অক্সিজেনৰ অভাৱ। আমি এই অঞ্চলত ভৰি দিয়েই পদে পদে অনুভৱ কৰিলো সঁচাকৈ লেহ-লাডাখৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰিব লগীয়া। হোটেল পোৱাৰ লগে লগে আমাক লাডাখৰ পৰম্পৰা অনুসৰি বগা মাফ্লাৰ সদৃশ এখনকৈ বস্ত্ৰ ডিঙিত মেৰিয়াই আদৰণি জনালে। দেখিবলৈ পালো চৌদিশে শাৰী শাৰী বৰফাবৃত পাহাৰ। বৰফবোৰ পাহাৰৰ ওপৰত চকলা-চকলকৈ জিলিকি আছে, যেন চূণ-পিঠা গুৰিহে ছটিয়াই থৈছে। প্ৰাণ চঞ্চল কৰা ফিৰফিৰিয়া বতাহ, গছ-গছনি প্ৰায় কম। জুলাই মাহত লাডাখৰ উষ্ণতা ১৬/২০ ডিগ্ৰী চেলছিয়াচ। আমি খুউব ঠাণ্ডা অনুভৱ কৰিছিলোঁ। সাগৰৰ পৃষ্ঠৰ পৰা ১৮,০০০ ফুট উচ্চতা লেহ লাডাখৰ বাতাবৰণ আমাৰ বাবে অসহ্যকৰ হৈ পৰিছিল। গধূলিলৈ মোৰ আৰু ছোৱালীজনীৰ অৱস্থা বেয়া হৈছিল আৰু হস্পিতেলত ভৰ্তি হৈ গোটেই ৰাতিটো অক্সিজেন লৈ থাকিবলগীয়া হ'ল। হস্পিতেলত আমাৰ দৰে অক্সিজেনৰ অভাৱত অসুখত পৰা বহুতো বিদেশী পৰ্যটকৰ সান্নিধ্য লাভ কৰিলো। চিকিৎসা কৰ্মীসকলৰ ব্যৱহাৰ আৰু বিচনা পত্ৰ আদিৰ পৰিষ্কাৰ পৰিচ্ছন্নতাই আমাক আপ্লুত কৰিছিল।

লেহ লাডাখৰ বিশেষ বিশেষ স্থানবোৰ পৰিদৰ্শন কৰিবলৈ অনুজ্ঞাপত্ৰ উলিয়াই ল'ব লাগে। আমি সেই খিনি কাম নিয়াৰিকৈ সমাধান কৰি পিছদিনা ক্ষেত্ৰ পৰিদৰ্শন কৰিবলৈ যাত্ৰা আৰম্ভ কৰোঁ। পুৱা আহাৰ গ্ৰহণ কৰি আমি ভাৰতীয় সেনাৰ বীৰত্ব স্মাৰক 'Wall of Fame' বীৰগাঁথা সমূহ বৰ্ণনা সুন্দৰ ভাৱে দিয়া আছে, ভাৰতীয় সেনাৰ ত্যাগ আৰু বীৰত্বৰ কথাবোৰে প্ৰতিগৰাকী ভাৰতীয়ৰ মনত আলোকপাত কৰে।

তাত কিছুসময় থকাৰ পাছত আমি অন্য এক আকৰ্ষণীয় স্থল সিন্ধু আৰু মানস্কা নদীৰ সংগমস্থলী দৰ্শন কৰোঁ। সংগমৰ চাৰিওফালে গছ বিহীন লঠঙা পাহাৰ। সূৰ্যতাপত বৰফ গলি তললৈ বৈ অহা দৃশ্য কিমান মনোৰম, তাক নেদেখিলে বিশ্বাস কৰিব নোৱাৰি। ওখ ওখ পাহাৰৰ শিখৰত বহি সূৰ্য্য দেৱতাই সৃষ্টিৰ গীত জুৰিছে। কুলু কুলুকৈ বৈ অহা পানীৰ শব্দত ভাহি আহে সুৰৰ মূৰ্চনা। তাত আমি বহু সময় অতিবাহিত কৰি উভতি আহোঁ। উভতনি পথত আমি 'Megnatic Hill' অৰ্থাৎ চুম্বকীয় পাহাৰত ৰ'লোহি। ই এটা অদ্ভুট যাদুকৰী পাহাৰ, ই গাড়ী আৰু মটৰ চাইকেলবোৰ চুম্বকৰ দৰে ওপৰলৈ টানি নিয়ে। ইয়াৰ পৰা আমি গৈ পালো গৈ ভাৰতীয় সেনাৰ দ্বাৰা পৰিচালিত প্ৰখ্যাত পাথৰ সাহিব গুৰুদ্বাৰ। তাতে আমি সেনাই তৈয়াৰ কৰা বিভিন্ন সুস্বাদু শাক, চব্জী, ভাত, ৰুটি, চাহ, কফি আদিৰ সোৱাদ ল'লো। সেনাবাহিনীৰ আতিথ্য সেৱাত আমি বৰকৈ প্ৰভাৱিত হ'লো।

ক'বলৈ মন গৈছিল 'হে ভাৰতীয় সেনা তুমি সঁচাই মহান' ! গুৰু নানকৰ ধৰ্মীয় আশীৰ্বাদলৈ পুনৰ ৰাওঁনা হ'লো। তাৰ পাছত পৰিদৰ্শনৰ স্থল লেহৰ ঐতিহাসিক ৰাজকীয় প্ৰসাদ 'Leh place' । ১৬০০ খ্ৰীষ্টাব্দত লেহৰ ৰজা সেংগেনাম গ্যালৰ

দ্বাৰা নিৰ্মিত এই প্ৰসাদটো সেই সময়ৰ সৰ্ব্বোচ্চ অট্টালিকাৰ ভিতৰত অন্যতম। আজিও ই চালে চকুৰোৱা ৰূপতেই আছে। তাৰ পাছতেই আমি বলীউডৰ চিনেমাৰ 'Three Idiots' চুটিং কৰা বিখ্যাত 'Rancho school' ত দেখা পালো এক অপূৰ্ব নৈৰ্সগিকতা। আবেলি পৰত আমাক চুই যাব পৰা মনোৰম দৃশ্যই এপলক ভৰাই তুলিছিল। তেতিয়া সময় ৬ মান বাজিছিল কিন্তু লেহত তেতিয়াও সূৰ্যাস্তলৈ বহুপৰ বাকী। আমাৰ দিনটোৰ বাবে অন্তিম গন্তব্য স্থান আছিল 'শান্তিস্তুপা' (Santistupa)। ১৯৯১ চনত জাপানী বৌদ্ধ ভিক্ষুক এগৰাকীয়ে প্ৰতিষ্ঠা কৰা 'শান্তিস্তুপা' সঁচাকৈ যেন বিশ্ব শান্তিৰহে প্ৰতীক। দিনটোৰ অন্তত আমি দুমুঠিমান তেল বিহীন আহাৰ খাই বিচনাত পৰিলো।

তৃতীয় দিনা পুৱাই আমি নোব্ৰা উপত্যকালৈ বুলি যাত্ৰা আৰম্ভ কৰোঁ (Nubra Valley)। অকোঁৰা পকোৰা ৰাস্তাৰে পাহাৰৰ মাজে মাজে আমি গৈ গৈ প্ৰখ্যাত 'খাৰডুঙলা পাছ' পালোগৈ। বৰফাবৃত্ত 'খাৰডুঙলা' বিশ্বৰ আটাইতকৈ ওখ গাড়ী চলাচল কৰিব পৰা ঠাই। আমি তাৰ পাওঁগৈ মানে চিপ চিপ বৰষুণ আৰম্ভ হৈছিল। পানীৰ টোপালবোৰ বৰফৰ কোমল কঁপাহ হৈ নামি আহিছিল।

জীৱনত প্ৰথম বাৰৰ বাবে ইমান বৰফ দেখি অভিভূত হৈ পৰিছিলোঁ। তাতে Snowfall ৰ দৃশ্যই শৰীৰ ৰঞ্জিত কৰি তুলিছিল। আমি গৰম গৰম মেগী, চাহৰ সোৱাদ ল'বলৈ পাই ব্যৱসায় কৰি থকা ব্যক্তিকেইজনক প্ৰশংসা কৰিলোঁ। বৰ্ণনাতীত প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰি কৰি আমি কেতিয়ানো নোব্ৰা সোমালো গমকে নাপালোঁ। প্ৰথমে আমি বৌদ্ধ ধৰ্মৰ প্ৰখ্যাত ডিচকিট মনেষ্টেৰী (Diskit Monestery) ত প্ৰৱেশ কৰিলোঁহি। ভৱিষ্যত বৌদ্ধৰ প্ৰতিমূৰ্তি এই মনেষ্টেৰীৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰ বিন্দু। তাতেই দুপৰীয়া আহাৰ গ্ৰহণ কৰি আমি আগবাঢ়িলো সান্দেব মৰুভূমিলৈ বুলি। আচলতে ই মৰুভূমি নহয়, যদিও সান্দেৰত ইমানেই বালি আছে যে ই এক সৰু মৰুভূমিৰ দৰেই বালিময়। তাত দুটা কুঁজ থকা উচ্চ উট পোৱা যায়। সান্দেৰত উপস্থিত থাকোতে আকাশত ৰামধেনু ওলাইছিল। ওপৰত ৰামধেনু চাৰিওফালে উজ্বল নাঙঠ পাহাৰ সমতলত মৰুময় বালি শব্দৰে ইয়াৰ সৌন্দৰ্য বৰ্ণনা কৰিব পৰা নাযায়। আচলতে প্ৰত্যক্ষদৰ্শীয়েহে তাৰ অপৰূপ সৌন্দৰ্যৰ মহিমা উপভোগ কৰিব পাৰিব। আমি সপৰিয়ালে তাত থকা দুটা কুঁজ থকা উটৰ পিঠিত উঠাৰ আনন্দ উপভোগ কৰিলোঁ।

তাৰ পিছত হোটেললৈ বুলি ৰাওঁনা হ'লো। হোটেলখনৰ সন্মুখৰ বাৰীখনত থোপাথুপ লাগি থকা আপেল গছবোৰ নয়নভৰি চালো। কোনো দিন আপেল গছ দেখা নাছিলো। হোটেলৰ চাৰিবেৰাৰ মাজত ফুলনি বাগিছা, শাকৰ বাগিছা আৰু খেলা বাবেও কিছুমান আচবাব আছিল। ল'ৰা-ছোৱালীদ্বয়ৰহঁতে চাৰিওফালে ঘূৰা ফুৰা কৰি ফটো ল'লো। গছত থুপাথোপে লাগি থকা আপেলবোৰ দেখি লোভ লাগিল আৰু এটা আপেল চিঙি মুখত ভৰালো। মুঠতে আবেলিটো তাতেই কটাইদিলো।

আমাৰ যাত্ৰাত সহায় কৰা Mohadraylor গাড়ীখনৰ ড্ৰাইভাৰ জনে আমাক আগতেই সকীয়াই থৈছিল যে ৰাতি পুৱা ৬ বজাৰ আগতেই অৰ্থাৎ সূৰ্যৰতাপ কোমল হৈ থাকোতেই আমি আমাৰ যাত্ৰা আৰম্ভ কৰিব লাগিব। অন্যথা সূৰ্যৰতাপত পাহাৰৰ বৰফবোৰ গলি তাৰ পানীয়ে ৰাস্তা বন্ধ কৰি দিব। পেংগঙলৈ যোৱাৰ পথত চিয়ক

নদীখন আছে। চিয়কৰ পাৰে পাৰে যাব লাগে। সেয়েহে চতুৰ্থদিনাৰ যাত্ৰা পুৱাতেই আৰম্ভ কৰিলো। আমাৰ ভাগ্যভাল আছিল বুলিয়েই ক'ব পাৰি, কাৰণ সেইদিনা চিয়কখন খুৱেই শান্ত সমাহিত ৰূপত আছিল। সেয়ে আমিও অনায়াসে যাত্ৰাটো সম্পূৰ্ণ কৰিব পাৰিলো। চিয়কৰ পাৰে পাৰে জাক জাক য়াক, গাধ, ঘোঁৰা আৰু পছমিনা ছাগলী চৰি ফুৰিছিল। নদীৰ নিচেই কাষতে থিয়দি থকা নঙঠা পাহাৰৰ ফাঁকে ফাঁকে হৰিণী সদৃশ কিছুমান পশুৱে এনেদৰে বগাইছিল যেন এক পোহৰৰ ছাঁয়াহে চকুত ভাঁহি উঠিছে। মাজে মাজে গাড়ী ৰাখি আমি সিহঁতৰ ফটো ল'লো। পছমিনা ছাগলীবোৰৰ মাজত সোমাই সিহঁতক জোকাই, চুই চালো। আমাৰ ভয়ত পছমিনা জাকে দৌৰি ফুৰিছিল আৰু সিহঁতৰ গৰাকীয়ে এটা সুহুৰি মাৰি পছমিনা জাক ঠাইতে ৰখাই দিছিল। এনেবোৰ কাৰ্যই আমাক বৰকৈ আপ্লুত কৰি তুলিছিল।

প্ৰায় ৫ ঘণ্টামান যাত্ৰা কৰাৰ অন্তত আমি 'Leh Rani' পেংগঙত উপস্থিত হ'লো। হ্ৰদটোৰ পানীৰ ৰং সলনি হোৱাৰ কথা শুনিহে আছিলো। পানীৰ ডাঠ নীলা ৰং, আকাশত বগা ডাৱৰ, পাহাৰত সূৰ্যৰ সোণোৱালী পোহৰ আৰু দেশ বিদেশৰ পৰ্যটকে ভিৰ কৰা পেংগঙৰ পাৰ। আজি স্ব-চকুৰে প্ৰত্যক্ষ কৰিলোঁ।

সাগৰৰ ঢৌৰ দৰেই ডাঠ নীলা পানীৰে ঢৌবোৰ পাৰত খুন্দামাৰি নিমিষতে আঁতৰি যায় আৰু এই কাৰ্য পুনৰাবৃত্তি ঘটাই পৰ্যটকৰ মন মুগ্ধ কৰে। এনে মনোমোহা দৃশ্যৰ মাজত আমিবোৰ হেৰাই যাওঁ। দিনৰ পোহৰ নাইকীয়া হওঁ হওঁ। আমি আহি হ্ৰদৰ পাৰত থকা অত্যাধুনিক ভাৱে সু-সজ্জিত এটা কেম্পত ৰাতি যাপন কৰিলো। চিকিমিকি সময়ত হ্ৰদৰ পানীখিনিৰ নীলা ৰং নাইকীয়া হ'ল আৰু বগা ৰঙে পানীখিনিক সাৱটি ধৰিলে। আমিও সাজ সলনি



কৰি অসমৰ কৃষ্টি সংস্কৃতিৰ বাহক মিচিং সাজেৰে সাজি কাঁচি ল'লো আৰু সন্তানদ্বয় আৰু স্বামীও মুৰত গামোছা বান্ধি বিহুগীত গালে। স্বামীয়ে স্ব-ৰচিত বিহুগীতত নতুন সুৰৰ ধ্বনি তোলাত মই ৰৈ থাকিব নোৱাৰি নাচিবলৈ ধৰিলো।

আমাৰ সহযোগী লাডাখী ড্ৰাইভাৰজনে আপোন ভোলা হৈ'ৰ'লাগি চালে আৰু শেষত নিজৰ মোবাইলত ভিডিঅ কৰি ল'লে। সেই মুহূৰ্তত আমাৰ অনুভৱ হৈছিল যেন এইখনেই সেই স্বৰ্গ, যি স্বৰ্গৰ কথা মানুহে কল্পনা কৰে। মনে মনে গৰ্ব অনুভৱ কৰিছিলোঁ যে, এই ঠাই চোৱাৰ সৌভাগ্য কিমান জনৰ ঘটে! ৰাতিলৈ হ্ৰদৰ পাৰত বহু ঠাণ্ডা পৰিছিল। শিবিৰৰ কাষে কাষে পৰ্যটক সকলক জুই জ্বলাই দি জুই কাষত বহিবলৈ দিয়া আৰু শীতৰ সেমেকা ৰাতিবোৰ জুই তাপে উমাল কৰা, ইজনে সিজনৰ স'তে মত বিনিময় কৰি কথাৰ মেল পতা দৃশ্যই মোক অতীতৰ দিনলৈ মনত পেলাইছিল। আমি তাত পোৱা পছমিনা ছাগলী (ভেড়া)ৰ সুস্বাদু ভাঁজি মাংস আৰু Old Monk ৰাম সেৱন কৰি গা অলপ গৰম কৰি ল'লো।

পিছদিনা পুৱা আকৌ আমাৰ দৰ্শনৰ স্থল হ'ল মৰীৰ হ্ৰদ'ৰ অভিমুখে। পেংগঙৰ পাৰে পাৰে মনোৰম দৃশ্যই মন গা পুলকিত কৰিছিল। ৰাস্তাৰ কাষে কাষে পৰিভ্ৰমী জনজাতীয় (Nomadic) লোকে হাজাৰ হাজাৰ পছমিনা ছাগলী চ'ৰাই ফুৰিছিল। এই ছাগলীৰ নোমৰ পৰা কাশ্মীৰৰ SSIO পছমিনা শ্বল বনোৱা হয়। তাতে কোনো কোনো ঠাইত জাক জাক য়াক দেখিলো। তাত আহাৰ বিচৰণ কৰি ফুৰা কিছুমান গাধ আৰু ঘোঁৰা লৈ আঙুলিয়াই আমাৰ ড্ৰাইভাৰ জনে ক'লে যে সিহঁতৰ কোনো গৰাকী নাই।

পেংগঙৰ চোৱাৰ পাছত মৰীৰিৰ সৌন্দৰ্যই আমাক আকৰ্ষিত কৰিব নোৱাৰিলে। সেয়েহে মৰীৰিত বেছি সময় নকটাই আমি লেহৰ টাউনলৈ উভতিলোঁ। সেই ৰাতিটো লেহৰ হোটেলত থাকি পিছদিনা লেহ বজাৰত গোটেই দিনটো কটালো। লেহৰ নিজা ঠাইৰ উৎপাদিত সামগ্ৰী পছমিনা শ্বল দুখনমান কিনিলো। বস্তুৰ দাম তাত বহুত বেছি। এখন প্ৰকৃত পছমিনা শ্বলৰ দাম ১২০০০ টকা। মেচিনত বোৱা এখন শ্বলৰ দাম ৭০০০ টকা। গতিকে বেছি বস্তু কিনিব পৰা নহ'ল। লাডাখত উৎপাদিত কিছুমান ফলমূল খাই বৰ সুৱাদ পালো।

পিছদিনা আমি বিষন্ন মনেৰে লেহক বিদায় দি শ্ৰীনগৰলৈ বুলি ফ্লাইটত উঠিলো। শ্ৰীনগৰৰ বিমান বন্দৰটোৰ নাম 'চেখ-উল-আলাম'। শ্ৰীনগৰ এখন প্ৰাকৃতিক সম্পদে পৰিপূৰ্ণ ঠাই। বিমানৰ পৰা নামি বিমানবন্দৰ সন্মুখতে এখন ডাঙৰ বেনাৰত দেখিবলৈ পালো—

'धरती की स्वर्ग में आप सबको स्वार्गत हैं।' - কথাষাৰি তাৎপৰ্য তেতিয়াহে বুজিলো, যেতিয়া বিমান বন্দৰৰ চাৰিসীমালৈ নজৰ দিলো। সঁচাকৈ চাৰিওফালে ফুলৰ সুবাসে জাতিষ্কাৰ, এক অতুলনীয় দৃশ্য। মুক্ত আকাশ, মুক্ত বতাহ, পৰ্যটকৰ বাবে কাউন্টাৰত মনে বিচৰা ধৰণৰ গাড়ী উপলব্ধ। তাত আমি ডাললেকত গৈ চিকাৰা নাওঁত উঠিলো। মোগল ৰজাৰ দিনতে স্থাপন হোৱা নিশাদ, শালিমা, শ্বচমাশ্বাহী বাগান চালো। গোটেই বাগানবোৰেই অলেখ ফুলেৰে জাতিষ্কৃত।

প্ৰখৰ ৰ'দকো নেউচি মালিবিলাকে ফুলৰ যত্ন লৈছে। তেওঁলোকৰ কৰ্তব্য নিষ্ঠা দেখি মই ওচৰ চাপি গ'লো আৰু তেখেতলোকৰ কৰ্তব্য পৰায়ণতাক প্ৰশংসা কৰিলো। আন কিছুমানে আকৌ ফুলৰ গুটি বেচিবলৈ আহি মালিৰ ভেকশন ধৰাও পালো। তেখেতলোকৰ পৰা কিছু ফুলৰ গুটি কিনিলো।

শ্ৰীনগৰত এসাঁজ খালো। মোৰ ঘৰৰ ভাত যেন অনুভৱ কৰিলোঁ। যিহেতু ১০০ টকাত একাঁহী মাংসৰ ভাত। লাডাখলৈ যোৱা দিনাধৰি সেইদিনাহে একাঁহী ভাত দেখিলোঁ। লাডাখত কিন্তু এবাটি ভাত পায়, মূল্য ৩০০ টকা। শ্ৰীনগৰত পেট ভৰাই এসাঁজ খালো। পাছদিনা শ্ৰীনগৰৰ পৰা ফ্লাইটেৰে ডিব্ৰুগড়ত অৱতৰণ কৰিলো আৰু গধূলি ৫ মান বজাত ঘৰ পালোঁহি।

এই ভ্ৰমণৰ জৰিয়তে যি অনাবিল আনন্দ লাভ কৰিলো, তাক মই ভাষাৰে প্ৰকাশ কৰিব নোৱাৰিম। যদি পাঠকে পৃথিৱীৰ সৰগ স্ব-চকুৰে দৰ্শন কৰিব বিচাৰে, তেন্তে লাডাখলৈ যায় যেন।

"There are place you visit to know about them, you came back home you
Know more about yourself, visit to Leh ladhak".❑

কবিতা

ক

বি

তা



# মৰীচিকা

দেৱীকা গগৈ

নিজানত...,
কোনেও নজনাকৈ
দুখৰ বলুকাত
সুখৰ মৰীচিকা খেদি খেদি
ফুলাব খুজিছো
মৰুৰ বুকুত এপাহি সুখৰ ফুল!
তুমি চাগে হাঁহিছা
মোৰ এই আঁচহুৱা প্ৰচেষ্টাত
কিন্তু........
মোৰ হৃদয়ৰ কি অসুখ
তুমি জানো বুজিব পাৰিছা?
যদি নুবুজাই, তেন্তে হঁহাৰো
কোনো অধিকাৰ নাই তোমাৰ
যিদৰে নুবুজো কবিৰ বুজনি
তেওঁৰ মনৰ দুখ
তুমিও নুবুজিবা মোৰ কি অসুখ
তেন্তে হাঁহিছা কিয়
নিৰ্লজ্জৰ দৰে।
নাহাঁহিবা, নাহাঁহিবা,
মোৰ প্ৰচেষ্টাত
হঁহাৰ অধিকাৰ নাই তোমাৰ।❑



# "শীতৰ জেউতি"

লক্ষীজ্যোতি লাচন

ফেঁচুজনীৰ ফেঁহুজালিত
হঠাতে তন্দ্ৰা ভাগিল।
বেৰৰ জলঙায়েদি সিৰসিৰীয়া বতাহজাকৰ আগমন,
কম্বলখন এবাৰ টানি চাওঁ;
চকামকা পোহৰে দি গ'ল
এক কোমল পুৱাৰ উমান,
জুহালত এঙাৰ এটি খুচৰি পাওঁ।

ঠিক তেতিয়া.....
পিতাইৰ দৰে বহু কৃষকৰ অক্লান্ত যুঁজ,
পথাৰ ভৰি যা-যা, ঘূৰ-ঘূৰ ধ্বনি
আহুধান সিঁচিবই লাগিব, ভঁৰাল ভৰিবই লাগিব।

নাঙলৰ শিৰলুত পিতাইৰ সপোনবোৰ
সেউজীয়া হৈ উঠে।
জলপান দিয়াৰ চলেৰে
আকৌ মই শৈশৱলৈ উভতি যাওঁ
কৰবাত কিজানি শেলুক এটিকে পাওঁ।

ধূলিয়ৰী ফাগুনৰ বলীয়া বতাহ
লগৰী ৰঙচুৱা পলাশ-শিমলু
চৰাইজাকৰ সৈতে মোৰো মন চঞ্চল;
আৰু কৰবাত চাগে মিচিং কনেঙৰ
চঞ্চল মন প্ৰাণ, ফাগুনৰ পৰশত
প্ৰাণ পাই তাঁতশালৰ ৰঙা-বগা ৰিবি-গাছেং
আৰু মৰমৰ বিহুৱানখনি। ❑

# মানৱতা হেৰাই গ'ল

গীতাঞ্জলী ফুকন

কবিতা

তুমি আছিলা
সাহস প্ৰেৰণাৰ প্ৰতীক হৈ
যাৰ আঁচলত লুকাই
আছিল এক আজন্ম শক্তি।
অন্ধকুপৰ
মাজত তুমি আছিলা
পোহৰৰ উৎস
তোমাৰ হাতে হাতে ধৰি
ওলাই আহিছিলো
আমি সকলো।
কিন্তু সেই পোহৰ
আজি হেৰাই গ'ল,
এজাক হত্যাকাৰীৰ কিৰিলি
উন্মাদনাত তুমি আঁতৰি গ'লা।
পোহৰৰ বাটেৰে ওলাই অহা
আমি সকলো আজি
পুনৰ অন্ধকাৰৰ গুহাত
আৱদ্ধ হ'লো।
বধ্যভূমিৰ হাহাকাৰৰ মাজত
বাট দেখুওৱা
সেই মানৱতা
তুমি ক'ত হেৰাই গ'লা...... !❑



# ঐকান্তিক

ৰেখামণি শইকীয়া

সুপ্ত হৈ থকা
শব্দবোৰ বাক্য হৈ
ভাষালৈ ৰূপান্তৰ হ'ব ধৰিছে।
শত সহস্ৰজনে মাৰ বান্ধি
একতাৰ গীত জুৰিলে
উচ্চ-নীচ ভেদাভেদ পাহৰি।।
হেঙুলীয়া বৰণ হানি
সুখ-দুখক পৰম তৃপ্তিৰে
স্নেহৰ বন্যা বব লাগিছে।।।
কংক্ৰীটৰ হাবিৰ মাজতো
শৃগালৰ অট্টহাস্য
নিৰৱে শুনিছো যেন!
পাহৰণিৰ গৰ্ভত লুকাই যোৱা
স্নেহ, শ্ৰদ্ধা, ভক্তি ভাববোৰ
সজোৰে থিয় হ'ব লাগিছে।।
আইৰ বুকুৰ উমত
ধিয়াই থকা শব্দবোৰ
সতেজ, শক্তিধৰ ৰূপত, সমস্বৰে
“জয় আই অসম” বুলিছে।❑

# ৰাতিৰ আৰ্তনাদ



মুনমী গগৈ

ভঙা জুপুৰিলৈ ৰাতি সোমাই আহে
এচমকা জোনাক হৈ...
উৰলি যোৱা ছালবেৰত প্ৰলেপ সানে।
ক্ষত আৰ্তনাদবোৰে ক্ষন্তেক টোপনিয়াই
পোহৰে কুটি থোৱা সময়ৰ পৃষ্ঠাবোৰৰ জথমত
জোনাকে আত্মীয়তা আনে।
নিশাবোৰ কিমান গভীৰ হ'লে
হাইকামাণ্ডৰ কৰ্কশ শুনা নাপাই
কাৰ সাহস আছে উদং ঘৰত
সিন্দি দিবলৈ...।
কোঁৱাৰি ফালি ওলাই অহা তেজবোৰ
তেতিয়া গোট মাৰে।
সিহঁতৰ কেঁচা তেজ প্ৰিয়,
প্ৰিয় মানে, খক্ আছে।
আজোৰি অনা তেজত ভিটামিন আছে
বংশগতিৰ ই বাহক।
তেজৰ তুমুৰুলিত নাতিহঁতে
আবিৰ খেলে
জগন্নাথৰ আগত মূৰ দোৱাই
নিজক শুচি কৰে।❑



## সময়ৰ স্বাক্ষৰ

ধনীৰাম গগৈ


কবিতা

টিক্ টিক্ সময়
ঘড়ীৰ কাটাৰ
সময়বোৰ পাৰ হৈ গৈ
আছে;
পাৰিছোনে সময়ৰ লগত
খোজ মিলাবৰ
সময় এনেকুৱাই
কেতিয়াও কাহানিও
ই কাৰো সময়ৰ অপচয়
সহ্য নকৰে।
ব্যক্তি, দেশ, সমাজ, সংস্কৃতি
গতিশীল।
কোন বাৰু কাৰ বাবে ৰৈ থাকিব
সময়ে মাথোঁ কয়
নিজৰ সহায় নিজে হোৱা
নহ'লে নোৱাৰে ৰাখিব
গতিশীল সময়ৰ স্বাক্ষৰ
ক্ষন্তেক জিৰণি লৈ
নদীৰ বলুকাত;
থৈ যোৱা সময়ৰ খোজৰ চিন
কৰ্মৰ মাজেদি।❑

## স্মৃতিৰ এখিলা পাত

গিৰি মল্লিকা গগৈ

সোঁৱৰণীৰ দীঘলীয়া নৈ খন
ক্ৰমান্বয়ে বৈ যায়......
বুকুৰ নিভৃত কোণত একোলা দুকোলাকৈ
বাঢ়ি অহা সপোনবোৰেও দুখৰ কৰচ পিন্ধি
যাত্ৰা কৰে শূণ্যতাৰ কাষলৈ;
ক্ৰমে ধূসৰ হৈ আহে সেই
নামহীন সম্পৰ্কটো।
স্মৃতিৰ হালধীয়া পাতত
হেৰায় যায় ৰামধেনুৰ
সাতোৰঙী ৰঙবোৰ।
তথাপিও পাহৰা নহয়
সেই স্মৃতিবোৰ,
যি স্মৃতিয়ে কেতিয়াবা হঁহুৱাই
আৰু কেতিয়াবা গুজি দিয়ে
দুকচুত দুটোপাল অশ্ৰু।❑



## মোৰ কল্পনাৰ দেশ

বীৰেন্দ্ৰ কুমাৰ শ্ৰীবাস্তৱ



মই বিচাৰো এনে এখন দেশ
য'ত সমাগম হয় নানা পৰিৱেশ
য'ৰ ধূলি বালি হয় মুকুতাৰ তুল্য
য'ত মানুহে বুজে মানুহৰ মূল্য।
মই বিচাৰো এনে এখন দেশ
য'ত কৰে নিতৌ সভ্যতাই প্ৰৱেশ
য'ত মানুহৰ মাজত জাগে ভাতৃভাৱ
য'ত নাই কোনো বস্তুৰ অভাৱ।
মই বিচাৰো এনে এখন দেশ
য'ত নিবাৰণ হয় সকলো ক্লেৰ
য'ৰ বায়ু পানী হয় শীতল অমৃত
য'ত থাকে নানা বৃক্ষৰে আবৃত।
মই বিচাৰো এনে এখন দেশ
য'ত নচলে কোনো বাহিৰা আদেশ
য'ৰ শস্য ফল-মূল মন জুৰায়
যি মানুহৰ অভাৱ পুৰায়।
মই বিচাৰো এনে এখন দেশ
য'ত হয় নানা ধৰ্মৰ সমাৱেশ
য'ত নাই কোনো ভেদা-ভেদ
য'ৰ বান হয় যেন গীতা আৰু বেদ।
মই বিচাৰো তেনে এখন দেশ!❑

## হৃদয়ৰ আহ্বান

ধীৰেণ কোঁচ

সপোনবোৰ ভাঙিব নিদিবা তুমি
কাৰেঙৰ লিগিৰী হৈ,
দিঠকত চাব নোৱাৰিম তোমাক মই
নদী হৈ বৈ যাবলৈ দিয়া মোক
সাগৰ হৈ তুমি মোক আঁকোৱালি ল'বা।
তুমি মোক তোমাৰ হৃদয়ৰ মাজত ৰাখিব
নোৱাৰিলেওঁ.........
দূৰলৈ আঁতৰি যাব নকবা,
বাৰে বাৰে অভিমান কৰো মই
হয়তো তোমাক বেছি ভাল পোৱাৰ বাবে,
নাভাবিবা তুমি
আমাৰ সময় ক্ষন্তেকীয়া বুলি।
তুমি কোৱা
আমি দুয়ো সদায় এনেকৈ থাকিম
কেতিয়াও সময়ৰ সোঁতত উটি ভাঁহি
নাযাওঁ
আৰু তুমি কোৱা, সদায় কাষে কাষে
থাকিবা মোৰ,
বিশ্বাস আৰু মৰমেৰে আঁকোৱালি ৰাখিবা
মোৰ হৃদয়ক।❑

কবিতা



# প্ৰভাতী সূৰুযৰ আভা

আইৰিণ চুতীয়া

মই ধৰি ৰাখিব বিচাৰিছো
প্ৰভাতী সূৰুযৰ কোমল আভা;
সময়ৰ খোজত, মনৰ মাজত
আৰু
মোৰ সোঁৱৰণীৰ পাতত
হঠাৎ এজাক ধুমুহাই
জোকাৰি গ'ল মোৰ কলিজাৰ পাত।
থমকি ৰ'লো মই
হ'লো মই আশাহত।।

কিন্তু;
মই ধৰি ৰাখিব বিচাৰিছো;
প্ৰভাতী সূৰুযৰ কোমল আভা।
পাহৰিব খুজিছো মই
সময়ৰ বেদনাবোৰ; দুখৰ স্মৃতিবোৰ
আগবাঢ়ি যাব বিচাৰিছো;
নতুনৰ হাতত ধৰি।।
"মোৰ সপোনবোৰ"
ন-কৈ সজাব খুজিছো,
মই ধৰি ৰাখিব বিচাৰিছো
প্ৰভাতী সূৰুযৰ আভাবোৰ। ❑

# (The Negro Speaks of River)
## নদীৰ লগত কথাপতা কৃষ্ণাংগ মানুহজন

মূল ঃ Langston Hughes
অনুবাদক ঃ সুদীপ্তা দাস

মই নদীক ভালদৰে জানো
মই জানো পৃথিৱীৰ দৰে নদীৰ প্ৰাচীনতাৰ কথা।
তাতোতকৈয়ো গভীৰ মানুহৰ সিৰাৰ তেজৰ স্ৰোত।
নদীৰ দৰেই মোৰ আত্মাৰ গভীৰতা।

ইউফ্ৰেডচ নামৰ নদীখনত যেতিয়া পুৱাৰ ন-কিৰণে
ভুমুকি মাৰিছিল তেতিয়া মই তালৈ গা-ধুবলৈ গৈছিলোঁ
কংগ নামৰ নদীখনৰ কাষত মই এটা জুপুৰী
নিৰ্মাণ কৰিছিলোঁ তাত আছিল শান্তিৰ আশ্ৰয়।
নীল নদীলৈ চাইছিলো আৰু সকলো নদীৰ ওপৰত
মই কল্পনাৰ পিৰামিড নিৰ্মাণ কৰিছিলো।

আব্ৰাহাম লিংকন নিউ অৰলিয়েনচলৈ যোৱাৰ
সময়ত মই শুনি আছিলোঁ মিচিছিপিৰ গান।
সূৰ্য অস্ত যোৱাৰ সময়ত মই দেখিছিলোঁ তাৰ
বোকাবিলাকত সোণালী আভা বিয়পি পৰিছিল
মই নদীক ভালদৰে জানো
প্ৰাচীনতম সন্ধিয়াৰ নদী।
মোৰ আত্মাৰ গভীৰতাত নদীৰ দৰে। ❑



## যমৰ আত্মহত্যা

নিতুল গগৈ



ককাই, দেউতাই আশা কৰিছিল
মই এদিন
সেউজীয়া হৈ
সোণোৱালী হ'ম।
কিন্তু মই হ'ব বিচাৰিলো
ৰঙীন!
ককা, দেউতাৰ অবাধ্য হৈ
মই এতিয়া অসুখী।
অন্নৰ নামত বিষপান কৰি,
শ্বাসত ধোঁৱা সেৱন কৰি,
আঁকোৱালি লৈছো পংগুত্ব।
মোৰ বাবে জীৱনৰ অন্য নাম যন্ত্ৰণা।
দুৰ্নীতিৰ দুগৰ্ন্ধ লৈ লৈ
পচি গৈছে মোৰ স্নায়ু,
বকিচো প্ৰলাপ,
আচৰণ কৰিছো বলিয়াৰ।
সেয়েহে জ্বলা জুইৰ টুকুৰা-টুকুৰ শিখাবোৰ
খুচি-বিন্ধি ভৰাই ল'ব পাৰিছো নিজৰ গাত,
ধৰি বান্ধি, হানিখুচী সেইবোৰ
ভৰাইও দিছো আনৰ দেহবোৰতো।
এতিয়া আৰু শুনিবলৈ পোৱা যমৰ শাস্তিলৈ
আৰু নকৰোঁ ভয়।
মোৰ লক্ষ্য হ'ল, সকলোকে মোৰ দৰে
ৰঙীন হ'বলৈ শিকোৱা,
এই পৃথিৱীক যমৰ ৰাজ্যৰূপে সজোৱাৰ
তেতিয়াতো কৰ্মহীন যমে আঁকোৱালি ল'বই
লাগিব আত্মহত্যাক! ❑

## হেৰুৱা সময়

ভাস্কৰ বৰুৱা

ক'ত হেৰাল! সেই মধুৰ মাদকতা
প্ৰতিটো পৃষ্ঠাৰ প্ৰতিটো শব্দৰ মাজত
বুৰ গৈ আপোন পাহৰা হোৱাৰ অনাবিল
আনন্দ............
আকৌ ঘূৰাই পামনে, সেই সোণালী সুদিন!
কেতিয়াবা ???❑





## মানৱীয়তা

বিনু প্ৰভা পেগু

মানৱীয়তা! এতিয়া মাথোঁ
মৰুভূমিৰ মৰীচিকা
অৰ্থ আছে জানো
মানৱীয়তাহীন জীৱনৰ?
এচাম মুখা পিন্ধা মানুহেই
এতিয়া মানৱীয়তাক লৈ
বেচা-কিনা কৰে;
টকা তুলাচালনীত তুলে
জীৱন।
হয়তো এনেদৰেই এদিন
জীৱনৰ পৰা হেৰাই যাব
বুকুৰ পৰা হৃদয়লৈ
মৰম আৰু ভালপোৱা। ❑

## ফাগুন

ৰশ্মি ভূঞা

কুঁৱলীৰ ধূসৰতা ভাঙি
সেমেকা শীতৰ আকুলতাৰ
শেষ অনুভৱ শেষ স্পৰ্শ
তই ফাগুন।
আইৰ বুকু শুকানতাৰে
ভৰোৱা
তই ফাগুন
তোৰ নগ্নতাই উন্মাদনাই,
বিৰিলৰ কোমলতাত
বিৰহ ঢালে।
আউলী বাউলী চুলিৰে
অন্ধকাৰচ্ছন্ন আকাশ
উতলা কৰা
তই বলীয়া ফাগুন
কাৰ ওপৰত তোৰ
এই উন্মাদনা,
প্ৰতিশোধ?
শীতৰ মৌনতাক
উজ্বলাই তোল
কৃষকৰ আকুলতাৰে ভৰা নয়নত
আশাৰ ৰেঙনি আনি
হাঁহি বিৰিঙাই তোল
বসন্তৰ কোমলতা ভৰা
স্পৰ্শতা আন
কাৰণ,
তই ফাগুন। ❑

কবিতা

# আমি প্ৰেমত পৰো বাবেই

নীলাক্ষী গগৈ



আমি প্ৰেমত পৰো বাবেই আন্ধাৰ হৈ আহে আকাশ
জোন ওলাই, তৰা ওলাই
মেঘে বৰষুণে তিতোৱা ৰাতি তোমাক পথাৰত থিয় কৰি
সন্মুখা সন্মুখি হওঁ তোমাৰ।
আমি প্ৰেমত পৰো বাবেই।
ভাল লাগি আহে সন্ধিয়াৰ চেঁচা বতাহজাক,
ভাল পাওঁ পখিলা, সৰিয়হ এডৰাৰ সৈতে
সোনাৰুৰ হালধীয়া, নাহৰৰ গোন্ধবোৰ।
মানুহ মানুহ কেৱল মানুহ মোৰ প্ৰিয় সম্পদ।
মোৰ দোকানত বৰষুণৰ ইমান .............
নাকত লাগিছে জুই ভাঙি, ৰনভূমিৰ মাজেৰেও মানুহৰ গোন্ধ
ডাঠ হৈ আহিছে ক্ৰমশঃ কুঁৰলী
বাঢ়ি আহিছে চৰাই চুবুৰিৰ সংগীত।
আমি প্ৰেমত পৰো বাবেই
মিলবোৰে সভ্যতাৰ কথা কয়
অৰণ্য ক্ৰমশঃ প্ৰসাৰিত.. ।❑


# সোণালী সপোনৰ শেষত

সবিতা ৰাণী দেৱী



বিশ্বাসৰ সাৰ চতিয়াই চতিয়াই
আশাৰ বীজ বিলাক সিঁচি দি
এদিন তুমিয়েইটো মোক শিকাই দিছিলা
সোণালী সপোনৰ খেতি কৰিবলৈ।।
লহপহকৈ বাঢ়ি অহা মোৰ পথাৰ ডৰা
সময়ৰ শুকুলা ঘোঁৰাত উঠি,
মইতো অপেক্ষা কৰিছিলোঁ প্ৰতিদিন প্ৰতিপল
শস্য সোনোৱালী সোনগুটিবোৰ চপাই আনিবলৈ।।
কিয় আজি সেই সপোনৰ খেতিডৰা,
অকালতে শুকাই মৰহি গ'ল
মই চপাই আনি অতি আলফুলে
মনৰ কোঠৰীত জাপি থোৱাৰ আগেয়ে ।।
নিশ্চয় আবতৰীয়া বৰষুণ জাকেই দায়ী তাৰ বাবে
যিয়ে নেকি মোৰ কথা এবাৰো নাভাবে।
ন'হলেবা ভাগ্যৰ এই পৰিহাস
বিলাবলে নিৰাশাৰ বীজ সততে আমাক।।❑

কবিতা



# আত্মবোধ

ৰশ্মি ভূঞা

মোক এখন আকাশ দিয়া
সুবিশাল, সীমাহীন
এক মুক্ত আকাশ...........
মই ?
এই মায়াৱী সংসাৰৰ
পথভ্ৰষ্ট পথিক।
কংক্ৰিটৰ মায়াজালেৰে আৱদ্ধিত
এজন দিকভ্ৰষ্ট নাবিক।
মোৰ নিশাহত, মোৰ উশাহত
কৃত্ৰিমতা, বন্দিত্বৰ ঘ্ৰান
মই যেন একোটা মন্ত্ৰমানৱ
মোৰ চৌদিশ অন্ধকাৰচন্ন।
আকাশৰ বিশালতাত ডুবিব খোজো
বিচাৰো এটুকুৰা ঠাই।
য'ত থাকিব........
এখন সেউজীয়া দলিচা, নাথাকে কোনো যান্ত্ৰিকতা
জিৰাম তোৰ বুকুত,
প্ৰশান্তিৰে...।
উৰিম মুক্ত বিহংগিনী হৈ
অ' আকাশ....
দিবিনে মোক অলপ ঠাই ??❑

# সৈনিক

দীপামনি বকল

অনুপম জীৱন নজহা নপমাকৈ
উৎৰ্সগা কৰিলা আইৰ বেদীত,
সাহস, ত্যাগেৰে মহীয়ান
আইক সুখৰ শেতেলী দিবৰ বাবে
গুচি গ'লা মৃত্যু বিজয়ী হৈ।
বিশেষণৰে বিভূষিত উৰ্দ্ধত তুমি
হে মহান শ্বহীদ, হিয়াত উপচি থকা
কৃতজ্ঞতা শ্ৰদ্ধাঞ্জলি উবুৰিয়াই থ'লো
তোমাৰ পবিত্ৰ চৰণত।




ৰক্তত প্ৰৱাহিত হওঁক
তোমাৰ ত্যাগৰ আদৰ্শ
কোটি কোটি ভাৰতীয়ৰ সুৰক্ষাৰ প্ৰহৰী
মোৰ সুন্দৰ ৰণুৱা বীৰ
তোমাৰ সাহেই নিৰাপত্তাৰ শান্তিৰ
কৰচ পিন্ধি আমি প্ৰতিভাত হওঁ
কৰ্তব্যৰ প্ৰেৰণাত কৰ্তব্য কৰোঁ।
হে সুহৃদ আইৰ চেনেহৰ
দেউতাৰ শ্ৰেষ্ঠ বীৰ্য
তোমাৰ ত্যাগেৰে মহীয়ান নক্ষত্ৰ.........
মোৰ আই ভাৰত
তোমাক সশ্ৰদ্ধ প্ৰণাম।❑

# জীৱন এক অন্তহীন সন্ধান

মনীষা বৰগোহাঁই

কবিতা

সমস্যাৰ সমুদ্ৰত সাঁতুৰি নাদুৰি
কিম্বা সৰুৰ মৰীচিকাৰ পম খেদি
তৃষ্ণাতুৰ পথিকৰ দৰে
আমিবোৰ বাৰু উত্ৰাৱল হওঁ
কিহৰ আশাত............??
নিত্য নতুন বিলাসিতা
কিম্বা ক্ষমতাৰ বাদ্যজৰী পিন্ধি
অথবা আকাশলংঘী দালানতেই
জানো থাকে কেৱল
জীয়াই থকাৰ  মাদকতা ?
সমস্যা জৰ্জৰি জৰাজীৰ্ণ পঁজাত
এইয়া কিহৰ লালসা.......?
সময়ৰ  বৰ্বৰতাত আমিবোৰ
কোনোবা নৰ্দমাত উফাল খাই পৰোঁ
কোনোবা আকৌ
ৰাজনীতিৰ মেৰপাকত
অথবা
অদম্য কৰ্ম তৎপৰতাত



ক্ষমতা নাইবা প্ৰগতিৰ এভাৰেষ্টত আৰোহন কৰোঁ ।
আমাকেই কোৱা  হয়
একবিংশ শতিকাৰ
তথাকথিত সভ্য মানুহ  ।
দুচকুত অযুত নিশাৰ সোণোৱালী সপোন
জীৱন জিজ্ঞাসাৰ এক অন্তহীন সন্তান
হিংসা সন্ত্ৰাস আৰু অন্যায়ৰ
পৰিধি ভাঙি জাতি বৰ্ণ নিৰ্বিশেষে
আমিবোৰ আগবাঢ়ি যাওঁ
একেই লক্ষ্যৰে
যি মাথোন অনুভূতি
আশাৰ বেদীত বহি
সেয়েহে আমি আগুৱাই যাওঁ
সফলতা সমৃদ্ধি সততা
ইত্যাদিৰ পৰিণতি
সুখ আৰু শান্তিৰ
অভিমুখে..........❑

লিমাৰিক


# জতুৰা ঠাঁচৰ লিমাৰিক

পৰমদ্বীপ বুঢ়াগোহাঁই



(ক)

সম্বন্ধ বিচাৰিলে মুকুতাও হয় ভনী
দেখিলেই লাগে সি হাত ঘাটৰ হৈয়াকণী,
বগলী ভকত হৈ
মাছ খাব আছে ৰৈ
এদিন উদং হ'ব তাৰ সান্দহখোৰা তলি (বালি)।




(খ)

যদিও হ'লো মই ছাল ছিগা ভিকহু
হোৱা নাই মোৰ গাত লমা-লমে খহু,
আকাশত চাংপাতি
উজতত ঠেৰু ছিঙি
নপতা ফুকন হে খুজি কিল খালো।

(গ)

সৰ-সৰাই নাচি ফুৰে ডলাৰ বগৰী
ক'ৰ পৰা আহিল কথাটো কাণ বাগৰি,
কুকুৰে মৈ টনা
কথাটো কাণ দিয়া
কেনেকৈ জানিবা তুমি থাকি হাত সাৰটি। ❑

# লিমাৰিক

কণিকা চমুৱা



আজিকালি ল'ৰাৰ পঢ়াত নাই ধাণ্ডা
টকা-পইচা নাপালে মন হয় ঠাণ্ডা
পঢ়া-শুনাত পিঠি দিয়ে
মাক-দেউতাকক ফাঁকি দিয়ে
সৰ্বশেষত একো নাপাই অবাটতে বোলে বাট।

কিনো কম দুখৰ কথা
ক'লেও লাগে বৰ বেথা।
চাকৰি নাই ছোৱালীবোৰে নাচায়
চুলি দাড়ি পকি বয়সত লাগিল লেথা।


মূল্যবৃদ্ধি অতিপাত হ'ল
দেশখন আমাৰ ৰসাতলে গ'ল,
দুখীয়াৰ অৱস্থা হাহাকাৰ
সকলো লোকৰে মগজুত বিকাৰ
চৰকাৰী আঁচনিবোৰ অথলে গ'ল।

জলবিদ্যুৎ প্ৰকল্প স্থাপন হ'ব
জৈৱ-বৈচিত্ৰ্যত প্ৰভাৱ পৰিব।
এফালে পোহৰ হ'ব
আনফালে এন্ধাৰ হ'ব
কাষৰীয়া ৰাইজৰ সপোনবোৰ
মুদা মৰিব। ❑

# লিমাৰিক

অঞ্জলি চুতীয়া

কেবৰ পৰা কা হ'ল হাতে হাত ধৰি
ভায়ে ভায়ে কাজিয়া কৰি লাগে মৰামৰি,
অ'হৰি অ'ৰাম
যদি লাগে
ভাল নাম
মদত মুখ দি লাংখাই থাক পৰি। ❑



## চুটী গল্প



# পট-পৰিৱৰ্তন

লক্ষীপ্ৰভা লাচন

**আ**জি শুক্ৰবাৰ। ৰাজুহঁতৰ ৰেডিঅ'টোত সুৰৰ সাতঃসৰী অনুষ্ঠানৰ গানবোৰ বাজি উঠিছে। মাকৰ সদায় কাম-বন অঁতাই ৰেডিঅ' শুনাৰ চখ, সেই সময়খিনি তেওঁৰ নিজৰ। ৰাজুৰে আজি স্কুল যোৱা নাই; দেউতাকৰ এছাৰিৰ কোবটোৰ অভিমানত শুই আছে। স্কুল নোযোৱাকৈ থাকিব পৰা সুযোগকণ এৰিব বিচৰা নাই। মাকৰ মাত "ভৰ দুপৰীয়াখন শুই আছয়ে ককাইদেউৰ পৰা অকণ শিক, সি এইবাৰ মেট্ৰিকত ডিভিজন পাব, তই এল.পি. স্কুলতে ৰখি যাবি।" আই মোক সদায় গালি নিদিবি, এদিন মইও ডাঙৰ মানুহ হৈ দেখুৱাম।

এনেকৈয়ে পাৰ হয় ৰাজুহঁতৰ পৰিয়ালটো। দৰিদ্ৰতাৰে ভৰা ঘৰখনিত ৰাজুৰ দাদা প্ৰশান্ত নক্ষত্ৰস্বৰূপ। বিভিন্ন পৰীক্ষাত উত্তীৰ্ণ হৈ চৰকাৰী জলপানি পাবৰ সক্ষম হৈছে। প্ৰাৰ্থনাগৃহত জ্বলাই থোৱা বন্তিগছি ভমককৈ জ্বলি উঠে, চকু দুটা লাহেকৈ মেলি ৰাজুৰ হাঁহি উঠে, ককায়েকে একাগ্ৰতাৰে সাধনা কৰিছে; মাকৰ ধমকত আকৌ চিঞৰে প্ৰাৰ্থনাৰ কলি। সন্ধিয়া প্ৰাৰ্থনাৰ পিছত পঢ়া টেবুল। পঢ়া টেবুল বুলিবলৈ চাৰিডাল বাঁহৰ খুটা, ওপৰত ক'ৰবাৰপৰা গুটোৱা আধাভঙা তক্তা। প্লাষ্টিকৰ চকী এখন ককায়েকৰ বাবে দেউতাকে বুধবৰীয়া বজাৰৰ পৰা কিনি আনিছে। মেট্ৰিকো তেনেই সমাগত। ৰাজুৰে বিচনাখনৰ পৰা পঢ়ে, যুক্তাক্ষৰৰ জোঁটনিত সদায় খেলিমেলি লাগে। চিন্তাত আউল লাগে ককায়েকে কিয় ইমান পঢ়ে, কি হ'বলৈ পঢ়ে বহুতো প্ৰশ্ন ? ভাবনা গধুৰ মনটোত টোপনিয়ে হেঁচা মাৰি ধৰে।

ঘৰখনত উখল-মাখল পৰিৱেশ। পুৱাতেই জালখন লৈ দেউতাকে কৈ গৈছে ডাঙৰকৈ বৰালী এজনী ধৰিহে এৰিব। মাকৰ ঢেঁকীত হেন্দোলদোপ, পিঠা, লস্কৰা আৰু ক'তযে কি? ৰাজুৰ বাবে আচহুৱা লাগিছে দিনটো। শান্ত, অমায়িক, নিৰ্জুৰূপে পৰিচিত প্ৰশান্ত চিন্তাত মগ্ন। অৱশেষত চিন্তাৰ যতি পৰিল। হেডমাষ্টৰ ছাৰৰ চিঞৰ, চাইকেলৰ পৰা নামিয়েই ঘোষণা প্ৰশান্ত চাৰিখনত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ। ঘৰখনত সেইকেইদিন আলহীৰে ভৰপূৰ। ৰাজু যেন বুজা-নুবুজা ভাবত অকলশৰীয়া অনুভৱ কৰে। দেউতাকে বন্ধকত মাটিডৰা দিওঁ গৌৰৱত উৎফুল্লিত; গাঁৱৰ কিমানেনো মহানগৰীত সন্তানক

পঢ়ৱাইছে ? দেউতাৰ সপোন ডাক্তৰ হৈ উভতি আহিব সু সন্তান, বাট বুলিব নিজৰ আপোন গাঁওখনলৈ। আশীযেৰে ভৰি পৰিব ঘৰখন।

ছাত্ৰাবাসৰ আটাইতকৈ শান্ত ল'ৰাজন অৱশেষত ডাক্তৰ পঢ়াৰ সুযোগ পালে। ভাইটি ৰাজুৰো দুষ্টামিবোৰ কমি আহিছে। পঢ়াত মধ্যমীয়া হ'লেও অনুত্তীৰ্ণ হোৱা নাই। প্ৰশান্তৰ ডাকযোগে পঠিওৱা চিঠিবোৰ ৰাজুৱে পঢ়ি দিয়ে। আনন্দত মাক-দেউতাকৰ চকুলো সৰে; ৰাজুৱেও নিৰৱে মোহাৰে চকুৰকোণ ককায়েকৰ কৃতিত্বত তাৰো সুখ। সময় বাগৰিল, দিন বাগৰিল চাওঁতে চাওঁতে পৰিৱৰ্তনৰ ঢল আহিল। চিঠিবোৰো কমি আহিব ধৰিছে, নিৰস নিৰস ভাবেৰে চিঠিবোৰত প্ৰকাশ পাই কৃত্ৰিমতা। সময়ৰ পাকচক্ৰত পৰি প্ৰশান্ত প্ৰেমত পৰিল গুৱাহাটীৰ সম্ভ্ৰান্ত ঘৰৰ জীয়ৰী মধুস্মিতাক। তাইৰ কথাৰ ভুলত আভিজাত্যৰ পৰশত দুখীয়া সন্তানৰ পাখি গজিব ধৰিলে। ৰঙ-ৰহস্যত আপ্লুত হৈ ভঁৰালৰ তলি উদং হোৱা ঘৰখন পাহৰাৰ চেষ্টা কৰা হ'ল। একমাত্ৰ জীয়েকৰ সম্পত্তিৰ লোভত কৰ্ট মেৰিজ কৰিয়ে পেলালে। ৰাজুৰ মাকো ক'ৰবাত কিবা বিজুতিৰ উমান পাই ৰাজুক খবৰ কৰিব পঠিয়ালে। দুইমহলীয়া ঘৰৰ ভিতৰত লগ পোৱা, টাই পৰিহিত ব্যক্তিজন ডাঃ প্ৰশান্ত বৰুৱা, নামজ্বলা অভিনেত্ৰীৰ পতি, মদিৰাৰ কাপত চুমুক দিয়া সেইজন তেওঁৰ ককায়েকনে ? হ'বই নোৱাৰে।

মুখঠেকেচা খাই উভতি আহিল ৰাজু। গোটেই বাটটোত আকৌ প্ৰশ্নৰে ভৰি পৰিল মন-মগজুত। অক্ষীপটত ভাঁহি আহিল দেউতাকৰ কাম কৰি ফাটি যোৱা কৰ্মঠ হাত দুখন, ভঙা চাইকেলখন; য'ত নেকি বাৰীৰ শাক বিক্ৰী কৰি নিমখ, দালিৰ যোগান ধৰা সেই দিনবোৰ। বাছৰ কণ্ডাক্টৰৰ মাতত বাস্তৱলৈ ঘূৰি আহিল; ধেমাজি পালেহি। অযুত প্ৰশ্নৰ সন্মুখীন হ'বলৈ হৃদয়ত কম্পন উঠে। কিন্তু প্ৰশ্নৰ উত্তৰ দিবলৈ সাজু হ'বই লাগিব। উভতনি বাটত চিমেন নৈ আৰু মুক্ত আকাশক সাক্ষী কৰি ৰাজুৰ পণ- জন্ম ইয়াতেই, ইয়াতেই মৰণ, আমি মাটিৰ মানুহ, দৰিদ্ৰতাৰে ভৰা গাঁওখন শিক্ষাৰ আলোকেৰে আলোকিত কৰিবই লাগিব। ঘৰখন গোমা হৈ পৰিল, ৰাজুৰ দুইশাৰী উত্তৰত যেন সকলো বুজি গ'ল, বৃদ্ধা বয়সত মাক-দেউতাকৰ চকুপানী সৰে। আই, ইয়াত প্ৰতিষ্ঠানৰ অভাৱ, ককাইদেউ উভতি নাহিবও পাৰে।

দেউতাৰ সপোন এতিয়াও মাৰ যোৱা নাই, বানে গৰকা মাটিত খেতিৰে জীপাল হোৱাৰ দৰে, থান-বান হৈ যোৱা হৃদয়ত সপোনে আকৌ পোখা মেলে; একমাত্ৰ ৰাজুক লৈ। পঢ়িবলৈ মন নকৰা ল'ৰাটো সৌ সিদিনা টেটত উত্তীৰ্ণ হৈছে। সি আজি কালি টিউচনো কৰে। খেতিডৰাও চোৱা-চিতা কৰে, গ্ৰাম্য সংস্কৃতিৰ মোহত বেলেগ ঠাইত চাকৰি কৰাৰ কথা ভবা নাই। ৰাতি হ'লে আইৰ হুমুনিয়াহ - কত ভুল হৈ গ'ল, মৰমবোৰতো কৃপনালি কৰা নাছিল, ৰাজুকহে হেয়জ্ঞান কৰাৰ দৰে হ'ল। আইৰ মমতা ভৰা হৃদয়- কুশলে ডাঙৰ সন্তান, সুবুদ্ধিৰ উদয় হৈ উভতি আহক দুখীয়া পঁজাটিলৈ।

সপোনৰ ঘৰখন আকৌ সজাবলৈ দেউতাই তামোল-পাণৰ যোগান ধৰিছে। আজিয়েই হেনো যাব গাঁৱৰ মিতিৰ গঁগে ঘৰৰ ৰূপৱতী-গুণৱতী ৰাগিনীক বোৱাৰীৰ প্ৰস্তাৱ দিবলৈ। শৈশৱত একেলগে দৰা-কইনা খেলা ৰাগিনী। প্ৰেমৰ প্ৰথমজাক বৰষুণে তিয়াই পেলাই ৰাজুৰ সমগ্ৰ সত্ত্বা। ❑

# সপোনৰ চকৰী

ফুনুমনি কোঁৰৰ



হঠাতে গাড়ী ৰখোৱা শব্দত আশাভৰা চাৱনিৰে ৰমেনে আগন্তুক জনলৈ চাই ৰ'ল। ভাল ঠাইৰ পৰা বুটলি আনিছটো ? মোক এই তিনিও মুঠিকেই দেচোন। ঢেকীয়া কেইমুঠিলৈ দেখুৱাই দিলে মানুহজনে। ৰমেনে উৎফুল্লিত মনেৰে ঢেঁকীয়া কেইমুঠি বান্ধি লৈ ক'লে, 'ছাৰ লগতে পুঠিমাছ আধাকেজিমান আছে লৈ যাওঁক আৰু ঔটেঙাও আছে।' কথাকেইষাৰ একে উশাহতে কৈ লৈ সি ব্যক্তিজনৰ মুখৰ প্ৰতিক্ৰিয়ালৈ চালে। থেৰো-গেৰো কৈ মানুহজনে হ'ব দে মাছ কেইটা গেলা....., কথাষাৰ শেষ কৰিব নাপাওঁতেই ৰমেনে মোনাখনৰ পৰা সতেজ মাছ কেইটা দেখুৱাই ক'লে- 'মই অলপ আগতে জাল চাই আনিছো ছাৰ। খাবলৈ বহুত সোৱাদ পাব।' মানুহজনে মিচিকিয়া হাঁহি এটা মাৰি গোটেই কেইটা মাছ দিবলৈ কৈ মানিবেগটো উলিয়ালে। মানুহজনে আঁৰ চকুৰে ল'ৰাটোলৈ চালে তাৰ দুচকুত আনন্দৰ ঢৌ এটাই খেলি আছিল। বেচেৰাই ছাগে বৰ ৰং পাইছে। কিজানিবা ঘৰখনেও তাৰ এই টকাকেইটালৈকে বাট চাই আছে। মনতে তেওঁ নিজকে নিজে ধন্যবাদ দি গুচি গ'ল।



ৰমেনে মানুহজনৰ গাড়ীখন চকুৰে মনিব নোৱাৰালৈকে ৰ'লাগি চাই ৰ'ল। বহিবলৈ অনা বস্তাটো হাতত লৈ ঘৰলৈ বুলি বাট বুলিলে। বাটে বাটে ভাৰি গ'ল আজি তাৰ ভাগ্যখন বৰ ভাল, মানুহজনে খুচুৰা টকাৰ অভাৱতেই নে তাৰ প্ৰতি পুতৌ জন্মিলে নাজানিলে মাথোঁ এশ টকাৰ ঠাইত দুশ টকীয়া নোটখনলৈ চাই নেদেখা জনক ধন্যবাদ জনালে।

পঞ্চম শ্ৰেণীত পঢ়ি থকা ৰমেনে কেতিয়াবা জীৱনৰ বোজাবোৰ ভাৰ ব'ব নোৱাৰা হয়। চকুৰ সন্মুখত ঘৰখনৰ প্ৰতিচ্ছবি ভাঁহি আহিল।

মাকৰ কৰুণ আৰু আশাভৰা দৃষ্টি, ভনীয়েক জনীও পখিলা খেদি ফুৰাৰ বয়সতে অভাৱৰ কবলত কক্‌বকাই থকা.... । নাই নাই সি আৰু ভাৱিব নোৱাৰে। এই বয়সতে নিজৰ পঢ়াৰ লগতে ঘৰৰ সমস্ত দায়িত্ব তাৰ ওপৰত। দেউতাকৰ মদাহী চেহেৰাটো মনলৈ ননাৰ চেষ্টা কৰিও ব্যৰ্থ হ'ল সি। দ্বিতীয় শ্ৰেণীত পঢ়ি থাকোতেই হেৰুৱাইছিল দেউতাকক। কেঁচুৱা ভনীয়েকজনী আৰু তাক লৈ মাকে জীয়াই থকাৰ অন্য এখন যুঁজ দিব লগা হৈছিল। মানুহৰ ঘৰত কাম কৰি কোনোমতে তিনিটাপেট পুহিছিল। এসাঁজ খাই এসাঁজ নাখায় কত দিন ৰাতি পাৰ হ'ল হিচাপ নাই। ৰমেন পঢ়া-শুনাত ভাল আছিল খুউব। সেয়ে শিক্ষক-শিক্ষয়িত্ৰী সকলেও তাক বহুত মৰম আৰু সহায় কৰিছিল। মাকৰ আজিকালি এদিন দুদিনৰ মূৰে মূৰে বেমাৰ হ'বলৈ ধৰিছে। তাৰ ভালদৰে মনত আছে সিহঁত সৰু হৈ থাকোতে দেউতাকে মাকক প্ৰায়ে মাৰপিট কৰিছিল। নিজেইটো দায়িত্বৰ পৰা হাত সাৰিলেই মাকজনীকো চিৰ-বেমাৰী কৰি থৈ গ'ল। এসোপামান ক্ষোভেৰে ভৰি পৰিল তাৰ মন।

আবেলিৰ বেলি লহিয়াই কেতিয়ানো চাৰিওফালে আন্ধাৰে আগুৰি পেলালে সি গমেই নাপালে নিজৰ মাজতে বিভোৰ হৈ আহি থাকোতে। একা-বেকা পথটোৰে ঘৰ পাওঁ পাওঁ হৈছিলহে তেনেতে বেপাৰলৈ ওলাই আহোতে মাকে কোৱা কথাকেইশাৰীলৈ মনত পৰিল যে আজি ঘৰত খুদকন এটাও নাছিল। মাক আৰু ভনীয়েকে তাৰলৈয়ে ছাগে বাট চাই আছে।

ভিতৰত এটি ক্ষীণ পোহৰ। বেমাৰী মাকৰ চকুকেইটাহে জিলিকি আছে। মা, মোক ঘৰত কি কি নাই কচোন মই বেগেতে মানিক খুড়া দোকানৰ পৰা আনোগৈ। মাকে এফালৰ পৰা লিষ্ট দি গ'ল- চাউল, নিমখ, কেৰাচিন, আলু... ভনীয়েকে পিছফালৰ পৰা চিঞৰিলে দাদা চিপচ্‌ এটা আনিবি না..। দুশ টকাত কি কি আনিব পাৰি নিজৰ মাজতে হিচাপ কৰি গৈ কেতিয়ানো দোকানৰ খুটা এটাত আউজী আছিল গমেই নাপালে। তোক কি লাগে অ' ৰমেন আজি কিন্তু ধাৰলৈ নিদিওঁ। মানিক খুড়াকৰ গলগলীয়া মাতত উচ্‌প খাই গ'ল। ৰমেনে লগে লগে ক'লে নহয় খুড়া আজি টকা দিহে নিব আহিছো। এহ্ হয়নে হ'ব হ'ব তেন্তে কি কি লাগে কৈ যা। বস্তুবোৰ লৈ ঘৰলৈ আহি থাকোঁতেহে তাৰ মনলৈ আহিল যে কালিলৈ পৰা ছমহীয়া পৰীক্ষা আছে। ঘৰত চাগে ইমান পৰে মিঠাতেলৰ চাকি গছি নুমাবৰে হ'ল। সি যিমান পাৰে বেঙাকেইটা দীঘলকৈ দিছে। শৈশৱৰ ৰংবোৰ তাৰ এনেদৰেই হেৰাই গ'ল। আন্ধাৰতে গোটেই কেইপদ বস্তু আহিল নে নাই হেপিয়াই চালে। মাক, ভনীয়েক আৰু তাৰ সপোনবোৰ, প্ৰয়োজনীয়তাবোৰ সিয়েই পূৰাব লাগিব। ৰমেন আজি তাৰ মাকৰ সপোনৰ টোপোলা। তাৰ চকুৰ সন্মুখত সপোনৰ চকৰীটো খুউব দ্ৰুত গতিত ঘূৰিছে আৰু ঘূৰিছে....।❑

# ৰূপান্তৰ

মাইনু নাথ





'অহ ধৰ ধৰ.. তাইক ধৰ। তাই পাগলী আজি হাত মাৰি ক'ত পলাব? গাঁৱৰ সকলোকে এফালৰ পৰা খাই এতিয়া পলাব আহিছে। তোক আজি...."

ঘাইপথৰ পৰা নাতিদূৰত দেখিবলৈ পোৱা এটা জনসমাগমৰ পৰা উফৰি অহা তেনে কটু শব্দই বিজুলীৰ তীব্ৰ ধাৰৰ দৰে বাপুকনৰ বুকু ভেদ কৰি গ'ল। একো আও-ভাও নাপাই গালি বৰ্ষনৰ উৎস বিচাৰি সি সেই সমাগমৰ ভিৰ ফালি সোমাব বিচাৰিলে। উচপ খাই উঠিল বাপুকন। ইমান নিৰ্মমভাবে মানুহে মানুহক অত্যাচাৰ কৰিব পাৰেনে? আৰু বাকীসকল মানুহ? তেওঁলোকে বাৰু সমত্বৰে প্ৰতিবাদ কিয় কৰা নাই? "মুহূৰ্তৰ বাবে কথাখিনি ভাবি সি স্তব্ধ হৈ পৰিল।

বুকুত মলিয়ন কাপোৰ বান্ধি মাটিত লিপিট খাই পৰি থকা "তাইজনী"ৰ বিহ্বল চকুহালক পঢ়িব খুজিলে বাপুকনে। মানুহ গৰাকীৰ দেহৰ ভাগৰুৱা সন্ধিবোৰে যেন অপেক্ষা কৰি ৰৈছে এলানি সহায়ৰ হাত.. তৃষ্ণাৰ্ত অধৰে যেন প্ৰতীক্ষা কৰিছে এটোপাল সঞ্জীৱনী পানীৰ।

'এইজনীয়েই ডাইনী। গাঁওখনৰ ইমূৰৰ পৰা সিমূৰলৈ শেষ কৰা এইজনী কলংক।" স্বভাৱতে উদণ্ড অনুভৱ হোৱা কেইজনমান যুৱকৰ অবাইচ মাতত বাপুকনৰ সম্বিৎ ঘূৰি আহিল। ঘটনাটোৰ সম্পৰ্কে অজ্ঞ বাপুকনে পৰিস্থিতিৰ উমান লয় মানে সেই মুহূৰ্তত পুলিচসহ কেইজনমান ডেকা ঘটনাস্থলীত উপস্থিত হয় আৰু সিহঁতে তাৰ সজোৰে প্ৰতিবাদ কৰি ডাইনী অভিহিত মানুহ গৰাকীৰ প্ৰাণৰক্ষাৰ বাবে আগবাঢ়ি আহে।

বাপুকনে তেতিয়াহে পৰিস্থিতিটো অলপ চলপকৈ বুজি পাইছিল যে গাঁৱৰ মানুহবোৰে সেই মানসিকভাবে দুৰ্বল মানুহগৰাকীক ডাইনী সজাই তাইৰ ওপৰত নিৰ্মমভাবে অত্যাচাৰ চলাই গাঁৱৰ পৰা বাহিৰ কৰাৰ চেষ্টা চলাইছে।

ইতিমধ্যে সেই উদত্ত যুৱক কেইজনক গেপ্তাৰ কৰা হৈছিল আৰু মানুহগৰাকীক সঠিক চিকিৎসাৰ বাবে লৈ যোৱা হৈছিল।

বাপুকন ভিৰৰ মাজৰ পৰা ওলাই আহিব খুজোতেই জোৰকৈ বজোৱা হাত-চাপৰিত থত-মত খালে। একো টলকিব নোৱাৰি সোধ-পোচ কৰাতহে সেয়া যে এখন "বাটৰ নাটক" আছিল সি গম পালে। এক মুহূৰ্তৰ বাবে স্থবিৰ হৈ ৰ'ল সি। ভৰিৰ পৰা মূৰৰ লৈকে এক কম্পন অনুভৱ কৰা বাপুকনৰ বুকুত খুন্দা মাৰি ধৰা শোক কব নোৱাৰাকৈয়ে কান্দোন হৈ বাহিৰ হ'ল। এক অজান অপৰাধবোধে যেন তাক জুমুৰি ধৰিছিল।

ৰমলা বাই....। গাঁৱৰ ইঘৰে সিঘৰে কাম কৰি দুবেলা দুমুঠি ভাতৰ উপাৰ্জন কৰা সিহঁতৰ গাঁৱৰ ৰমলা বাই। যাক কেইদিনমান আগত কেইটামান অসৎ ল'ৰাই ডাইনী সজাই মানসিক অত্যাচাৰ কৰিছিল। কিন্তু সেইদিনা সিও জানো সকলো মানুহৰ দৰে নিৰব দৰ্শক হৈ মাথোঁ উপভোগ কৰা নাছিল? ৰমলা বাইৰ হৈ অকলে মাত-মতাৰ সাহস যোগাবৰে পৰা নাছিল।

কিন্তু আজি সি বুজিছে .. অন্ধবিশ্বাসৰ পৰিণাম। অন্ধবিশ্বাসত মানুহে কেনেকৈ আপোন পৰ একোকে বুজিব নোৱাৰি সমাজৰ অগ্ৰগতিত বাধা হৈ থিয় দিয়ে। সি ভালদৰে উপলব্ধি কৰিছে সমাজত শিপাব ধৰা কু-সংস্কাৰে গ্ৰাস কৰা মানুহৰ বিকাৰগ্ৰস্ত মানসিকতাক।


কিন্তু আজি সি নিজকে সাহস দিছে। নিজৰ ছাঁ-টোৱেই নিজৰ সাহস হৈ সি যুঁজিবলৈ ওলাইছে অন্যায়ৰ বিৰুদ্ধে। আজি যদি সি সাহস নকৰে আৰু কোনোদিনেই নোৱাৰিব। বাপুকনৰ সংকল্প-মানুহৰ বিকাৰগ্ৰস্ত মানসিকতাক ৰূপান্তৰিত কৰি উন্মেষ ঘটাব বৈজ্ঞানিক চিন্তাৰ। সমাজত কু-সংস্কাৰে যাতে শিপাব নোৱাৰে তাৰ বাবে সি সকলো কৰিব, সি পৰিৱৰ্তন আনিব।

নীড়মুখী পখীৰ কোলাহলত আবেলিৰ বতাহজাক আৰু শীতল হৈ পৰিছিল। এক নতুন দিগন্তৰ বাট দেখা বাপুকনে ৰূপান্তৰৰ সপোন লৈ ঘৰলৈ বাট বুলিছিল।

"অন্ধবিশ্বাস কু-সংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা" - বাটৰ নাটত উচ্চাৰিত এইকেইটা শব্দ তেতিয়াও তাৰ কাণত প্ৰচণ্ড জোৰে বাজি আছিল। ❑

# শৰতত তেজৰ ফাকু

সংগীতা বৰুৱা



**“বা**ওঁ চকু লৰিছে তুমি চাগৈ আহিবা” মনতে গুণ গুণাই কাম কৰি আছে পূৰবীয়ে। কিন্তু মোৰতো বাওঁ চকু লৰা নাই, সোঁ চকুহে লৰিছে। ধেৎ মোৰ যে কি গানটো মনলৈ আহিছে। দুদিনৰ আগতে সকলো মানে মাক-দেউতাক আহি আলোচনাৰ মাজেৰে শেষ সিদ্ধান্ত লৈ থৈ গৈছে। আজিনো প্ৰদ্যুত বাৰু কিয় আহিব ? মনতে কথাবোৰ ভাবিলে তাই।

ৰাতিপুৱাৰ পৰাই যে ইমান সোঁ চকুটো লৰি আছে। সকলোৰে কয় মাইকী মানুহৰ বোলে বাওঁ চকু লৰিলেহে ভাল। ভাল খবৰ পায়। সোঁ চকু লৰিলে অমংগল হয়। পূৰবীয়ে মনে মনে ভাবিলে- কিয়নো বাৰু এনে হয় ! ইমান ভাল ধৰণে এই কেইদিন পাৰ হৈছে, সকলোৰে মনৰ আনন্দৰে কামত লাগিবলৈ ধৰিছে। সেই দিনটোৰ বাবে ঘৰখনৰ সকলো উদ্বিগ্ন হৈ আছিল কিন্তু সকলোৰে মনৰ ভয়, শংকা আঁতৰাই তাইৰ জীৱনৰ আকাংক্ষিত সিদ্ধান্তটো এদিনৰ ভিতৰতে গ্ৰহণ কৰিলে। সেই দিনাৰ পৰা আজিলৈকে গা-মন পুলকিত হৈ আছে। ভৱিষ্যতৰ ৰঙীন সপোন দেখি আত্মবিভোৰ হৈ থকা পূৰবীৰ সোঁ চকুটো লৰিবলৈ আৰম্ভ কৰাৰ লগে লগে কিবা এক অজান আশংকাত মনটো কঁপি উঠিছে। কাকনো কম কথাটো তাই ভাবিলে; মাকক ক'লে মাকৰ ৰক্তচাপ বাঢ়িব, কাৰণ মাকে কথাবোৰ বেছিকৈ চিন্তা কৰে। দাদা বৌক ক'লেও সিহঁতে তাইক জোকাবহে। কাকো নকওঁ বুলি ভাবি তাইৰ অন্তৰংগ বান্ধৱী ৰীমাৰ ওচৰলৈকে যাওঁ বুলি ওলাই গ'ল। যাওঁতে মাকক কৈ থৈ গ'ল।

ঘৰৰ পৰা ওলাই অলপ দূৰ গৈছেহে মাথোন, ওচৰৰ আম গছ জোপাৰ পৰা কাউৰী এজনীয়ে বৰ ভয় লগাকৈ কা-কা কৰি তাইৰ মূৰৰ ওপৰেদি দুপাকমান ঘূৰি উৰি গুচি গ'ল। পূৰবীৰ খোজৰ গতি মন্থৰ হ'ল। গাটো জিকাৰ খাই উঠিল। কিয় হৈছে বাৰু ? এইবোৰ ভাবি ভাবি তাইৰ মনত

বৰ দুখ লাগিল।

ৰীমা চোতালতে আছিল পূৰবীক দেখি তাই হাঁহি হাঁহি আগবাঢ়ি গ'ল। "এই পূৰবী মই তহঁতৰ কথাকে ভাবি আছোঁ আৰু আহি হাজিৰ। তহঁত বহুতদিন জীয়াই থাকিবি" ৰীমাই ক'লে—

"ৰীমা মই অকলে আহিছোঁ। তই .... তহঁত বহুতদিন জীয়াই থাকিবি বুলি কলি যে? পূৰবীয়ে ক'লে। "হই যেনিবা নাজনেহে। মই কেৱল তোৰ কথাকে ভাবি থকা নাই। লগতে তোৰ জীৱন লগৰী প্ৰদ্যুত দত্তৰ কথাও ভাবি আছিলো। বাঃ কিযে সুন্দৰ যোৰা যেন সাক্ষাৎ হৰ গৌৰীহে। হিংসাই লাগে ভাই। মই ভাবি থাকোতে তোৰ আগমন সেয়ে তহঁত বুলি কৈছো বুজিলি?" হাঁহি হাঁহি ৰীমাই ক'লে।

"তোৰ মুখত ফুল চন্দন পৰক" পূৰৱীয়েও হাঁহি হাঁহিয়েই ক'লে। "আৰু মোক যে নিজৰ যোৰাটো হ'বলা এলা পেছা হ'ব। যিহে চিনেমাৰ নায়কৰ চেহেৰা। তোলৈহে মোৰ ঈৰ্ষা ওপজে ৰীমা। পিছে তহঁতৰ ঘৰত কথাটো জানেনে বাৰু? পূৰৱীয়ে সুধিলে।

"এই চুপ মনে মনে! ঘৰত দেউতাহঁতে গম পালে মোৰ অৱস্থা বেয়া হ'ব। আমাৰ ঘৰৰ মানুহবোৰৰ কথা তই দেখোন জানই। ফোপোলা আভিজাত্যৰ মাজত থাকি অন্য মানুহক বৰ অৱজ্ঞা কৰে। প্ৰকাশৰ নিচিনা সৰু মানুহক আমাৰ ঘৰত আদৰি নলয় পূৰৱী নাজানো মোৰ ভাগ্যত কি আছে? - ৰীমা গহীনহৈ গ'ল।

"ৰীমা তই একেবাৰে গহীন হৈ গলি যে? ইমান ভাবুকহৈ লাভ নাই ভাই। তোৰ ভাগ্যত যিটো হ'ব লগা আছে সেইটো হ'বই। তই পাবলগা খিনি তোৰ পৰা কোনেও কাঢ়িনিব নোৱাৰে। ভাগ্যত নথকাটো হাজাৰ চেষ্টা কৰিলেও পাব নোৱাৰি। তই মিছাতে মনটো বেয়া নকৰিবি। এই মোক ইয়াতে ৰাখিবিনে ভিতৰলৈ যাবলৈ দিবি? বৰমা ক'ত আছে?" পূৰৱীয়ে সুধিলে।

"প্ৰকাশৰ কথা ওলালেই মই বৰ দুৰ্বল হৈ যাওঁ পূৰৱী। সেয়ে তোক ভিতৰলৈ যাওঁ বল বুলি ক'বলৈও পাহৰি গৈছো। মা বোধহয় পাকঘৰত আছে। মায়েও তোৰ কথা কৈ আছে। তোৰ বিয়াৰ তাৰিখ ঠিক কৰা দিনা মা তেজপুৰৰ পৰা আহি নোপোৱাও বৰ দুখ কৰি আছে। বল একেবাৰে পাকঘৰত মাৰ ওচৰতে বহি চাহো খাম কথাও পাতিম" মা অ মা তুমি পূৰৱীৰ কথা কৈ আছিলা নহয় তাই নিজে আহি ওলাই দিছেহি।

"বৰমা মোৰ কথা কি পাতিছিল আপোনালোকে ? পূৰৱীয়ে সুধিলে। এই দুদিন ৰীমাই কেৱল তোমাৰ আৰু প্ৰদ্যুতৰ কথাকৈ আছে। প্ৰদ্যুতৰ মাক-দেউতাকৰ কথা কৈ তাই শেষেই কৰিব পৰা নাই। বিয়াখনৰ তাৰিখে বৰ সোনকালে ল'লে হেনো। মাইয়ে আহি নাপালেহি সেইদিনা। মোৰ বেয়াই লাগি আছে সেই কাৰণে। তুমিবা কি ভাবিছা মোক?" ৰীমাৰ মাকে ক'লে- "বৰমা নাজানো ৰীমাইনো আপোনাক ইমানকৈ কি কৈছে। বৰমা আপুনি আহি নোপোৱাৰ বাবে মই একো ভবা নাই। আচল বিয়াখন আগলৈহে আছে।" পূৰৱীয়ে উত্তৰ দিলে।

বিয়া বুলি ক'লে- ছোৱালী এজনীক বহুত বস্তুৰ দৰকাৰ হয়। বিশেষকৈ দৰা ঘৰৰ মানুহৰ মান ধৰিবলৈ গামোছা, চেলেংচাদৰ বহুত লাগে। সেইবিলাক যোগাৰ হৈছেনে নাই বুলি ৰীমাৰ মাকে

পূৰৱীক সুধিলে।

"অলপ অলপ আছে বাকীখিনি এতিয়া যোগাৰ কৰিব লাগিব বুলি পূৰৱীয়ে উত্তৰ দিলে। "তোমাৰ প্ৰয়োজনীয় কিবা বস্তু নহ'লে মোক ক'বা পূৰৱী। মই যোগাৰ কৰি দিম। ৰীমাৰ বান্ধৱী তুমিও মোৰ জীৰ দৰে। মোক ক'বলৈ সংকোচ নকৰিবা নক'লেহে মই বেয়া পাম।"

হ'ব বৰমা। বৰমা বহুত সময় বহিলোঁ। যাওঁ এতিয়া; দুপৰীয়া হ'বৰ হ'ল।"পূৰৱী যাবলৈ উঠিল। নহ'ব পূৰৱী তোমাক ভাত নোখোৱাকৈ যাবলৈ নিদিওঁ। ৰীমাই পূৰৱী ইয়াতে ভাত খাই যাব। তই ৰন্ধা সহায় কৰি দেহিচোন বুলি জীয়েকক মাতিলে।

"বৰমা ৰাতিপুৱাৰ পৰা মোৰ সোঁ চকুটো বেয়াকৈ লৰি আছে। ক'ব নোৱাৰোঁ কিয় জানো মোৰ মনটো কিবাখন কৰি আছে ভাল লগা নাই অলপো, আজি ভাত নেখাওঁ নহ'লে বৰমা! হেৰৌ আকৰি গাৰ অংগ এটা লৰিলে বুলিনো মনটো বেয়া কৰিবৰ কি কাৰণ আছে? কিবা বিজুতিত লৰিছে ছাগৈ। সোঁ চকু লৰিলে বেয়া বুলি ভৱাটো অন্ধবিশ্বাস বুজিছা; মুঠতে তুমি ভাত খাই যাব লাগিব।

হাঁহি হাঁহি ৰীমাই ক'লে- "মা আজি ভাত খালে পাছত বিয়াৰ ভাত খাবলৈ নামাতিম বুলি কিজানি পূৰৱীও ভয় কৰিছে।"ধেৎ পাগলীজনী মই তহঁতৰ ঘৰত বিয়াৰ ভাত বুলি বেলেগে ভাত খাব লাগে নেকি? সদায় দেখোন খায়েই থাকো। পূৰৱীয়ে খং কৰি ক'লে- হাঁহি ধেমালিৰ মাজেৰে দুপৰীয়া ভাত খাই পূৰৱী ঘৰলৈ গ'লগৈ।

আবেলি ৰীমাই বিচনাতে শুই উপন্যাস এখন পঢ়ি আছিল। বাহিৰত কোনোবাই ৰীমাৰ নাম কৈ ৰীমা বা ৰীমা বা মতা শুনি বাহিৰলৈ ওলাই আহিল। বাহিৰত এজন ল'ৰাই প্ৰচণ্ড বেগত উধাতু খাই দৌৰি আহি ৰীমাৰ ওচৰত বৈ কান্দিবলৈ ধৰিলে। ৰীমাৰ গাটো জিকাৰ খাই উঠিল।

কি হ'ল চন্দন? কিয় কান্দিছ তই? ৰীমাই তাৰ গাত ধৰি জোকাৰি দিলে। গুৱাহাটীত বোমা ফুটিছে, আপোনালোকে কি খবৰটো নাপায় নেকি বুলি চন্দনে কান্দি কান্দি ক'লে- গুৱাহাটীত বোমা ফুটিছে, কেতিয়া? আমি যে খবৰটো পোৱা নাই তহঁতৰ কাৰোবাৰ কিবা হৈছে নেকি?

"হৈছে ৰীমা বা" থুকাথুকি মাতেৰে চন্দনে ক'লে- প্ৰকাশদা আৰু প্ৰদ্যুতদা আজি গুৱাহাটীলৈ গৈছিল আৰু বোমা ফুটা ওচৰতে আছিল বুলি পুনৰ ডাঙৰকৈ কান্দিবলৈ ধৰিলে। তেতিয়াহে ৰীমাৰ মনত পৰিল প্ৰকাশে তাইক কৈছিল যে প্ৰদ্যুতৰ বিয়াৰ কাপোৰ কিনিবলৈ তাকো লগ ধৰিছে আৰু দুই এদিনতে সিহঁত গুৱাহাটীলৈ যাব। কিন্তু আজিয়েই যে সিহঁত গৈছিল তাই নাজানে। তাৰ কি হ'ল চন্দন তই নকৰ কিয় বুলি তাক সাৰটি ধৰি জোকাৰি দিলে।

চন্দনে দীঘলকৈ উশাহ এটা লৈ ক'লে- প্ৰকাশদাৰ বন্ধু এজনে এতিয়া আমাৰ ঘৰলৈ ফোন কৰি কৈছে প্ৰকাশদা আৰু প্ৰদ্যুতদাই পাট-মুগাৰ কাপোৰ কিনি দোকানৰ পৰা ওলাই আহিছিল। প্ৰকাশদা অলপ আগত ওলাই গৈছিল কিন্তু প্ৰদ্যুতদা দোকানখনৰ সন্মুখতে আছিল। বোমা ফুটাৰ লগে লগে প্ৰকাশদা ছিটিকি পৰিল। আঘাত পাইছে বহুত। এতিয়া বন্ধুজনৰ ঘৰতে আছে। চন্দনে ৰৈ গ'ল আৰু নকৰ কিয় চন্দন প্ৰদ্যুতৰ কি হ'ল বুলি ৰীমাই চিঞৰি দিলে।

"ৰীমা বা কি হ'ব পাৰে ভাবি লোৱা" একেই থোকা-থুকি মাতেৰে চন্দনে ক'লে- "প্ৰদ্যুতদা জ্বলি চিনিব নোৱাৰা হ'ল। কিয় এনে হ'ল বাৰু ৰীমাবা? কিয় এইবোৰ হয়? ৰীমাই মা বুলি চিঞৰ মাৰি ঠাইতে বহি পৰিল। মাকে তাইৰ ওচৰলৈ গৈ গবা মাৰি ধৰিলে। ৰীমাক কন্দা দেখি ওচৰ চুবুৰীয়া মানুহবোৰো চোতালত গোট খালেহি।

ৰীমাই কান্দি কান্দি মাকক ক'বলৈ ধৰিলে "কিয় এনে হ'ল মা; কি হ'ল এইবোৰ? কি দোষ আছিল প্ৰদ্যুতৰ? পূৰবীয়ে কি দোষ কৰিছিল? সেই সহজ সৰল মাক-দেউতাকহঁতে কাক অন্যায় কৰিছিল? বৰপুত্ৰক হেৰুৱাই কেনেকৈ জীয়াই থাকিব তেওঁলোক? বেচেৰী পূৰবী; তাইক আমি কি বুলি বুজনি দিম, কেনেকৈ যাম তাইৰ ওচৰলৈ? ৰাতিপুৱা তাই মোক বুজাইছিল যে ভাগ্যত থকাখিনি কোনেও কাঢ়ি নিব নোৱাৰে আৰু নথকাখিনি পাবলৈ হেজাৰ চেষ্টা কৰিলেও পাব নোৱাৰি। মা সচাঁকৈ বাৰু তাইৰ ভাগ্যত তাই বিচৰাখিনি নাছিলনে? পায় হেৰুৱা যান্ত্ৰণা কেনেকৈ সহ্য কৰিব পূৰবীয়ে? আমি কেনেকৈ বুজাম তাইক, কেনেকৈ? কান্দি কান্দি ৰীমা মাকৰ গাত ঢলি পৰিল।

মাকে ৰীমাক সাৱটি ধৰি উচুপি উঠিল আৰু ভাবিবলৈ ধৰিলে যে গোটেই পৃথিৱীত সন্ত্ৰাসবাদৰ ভয়াৱহতাত মানুহ বিপন্ন হ'ব লগা অৱস্থাৰ সৃষ্টি কোনে কৰিলে? কোন জগৰীয়া এই বোৰৰ বাবে? বিদ্ৰোহীসকলে কিয় ভাবিছে হিংসা, হত্যা, বোমা বাৰুদেৰে মানুহৰ মাজত গ্ৰাসৰ সৃষ্টি কৰিলেই তেওঁলোকৰ সফল হ'ব? তেওঁলোকে এই পথ বাছি ল'লে কিয়? গণতন্ত্ৰৰ ধ্বজা বহন কৰা চৰকাৰৰ ইয়াৰ বাবে একো দ্বায়িত্ব আৰু কৰ্তব্যবোধ নাইনে? বন্দুকৰ গুলিৰ উত্তৰ বন্দুকৰ গুলিৰে দি কোনো সমস্যাই সমাধান কৰিব নোৱাৰে। ক্ষন্তেকতে বহুত কথাই ভাবিলে তেওঁ। লগতে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে- "হে ভগৱান কোনেও যেন ভৱিষ্যতে ক'তো এনেদৰে নিৰীহৰ তেজেৰে ফাকু নেখেলে। কোনো জনেই যেন আগলৈ পুত্ৰহী পিতৃ-মাতৃ; ভাতৃ-ভগ্নীহীনা নহয়। অকালতে কাৰো যেন আগলৈ কপালৰ সেন্দুৰ মচি পেলাবলগীয়া নহয় সকলোকে সুমতি দিয়া প্ৰভু। সকলোকে শান্তিৰে জীয়াই থাকিবলৈ দিয়া! শান্তিৰে জীয়াই থাকিবলৈ দিয়া। ❑

# আৰ্তনাদ

ভূৱন চন্দ্ৰ বৰা

**স**ময় বৰ নিষ্ঠুৰ। সময়ে কাকো ক্ষমা নকৰে। কোনে জানে কেতিয়া কাৰ কি হয়? কোনে বাৰু ভাবিছিল এক সুন্দৰ জীৱন জ্যোতিয়ে পোহৰ বিলাবলৈ নৌ-পাওঁতেই যে অকালতে নশ্বৰদেহ পঞ্চভূতত বিলীন হ'ব! জীৱনৰ ৰং ৰস, হাঁহি-আনন্দবোৰ উপভোগ কৰিবলৈ নাপাওঁতেই যে ই দুঃখ সাগৰৰ মৰুৰ তৃষ্ণাত পৰিণত হ'ব!! কোনে বাৰু ভাবিছিল, কোনে বাৰু জানিছিল....!!!

মৃদুলানন্দ শইকীয়া ওচৰৰ প্ৰাথমিক বিদ্যালয় এখনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক। সৎ আৰু আদৰ্শবান এই শইকীয়া ছাৰক সেই অঞ্চলৰ সকলোলোকে সমীহ কৰি চলে, এই শইকীয়া ছাৰৰে একমাত্ৰ পুত্ৰ দেবু। দেবু মানে দেৱৰাজ শইকীয়া। কলেজৰ দেওঁনা পাৰ হোৱা আজি কেইবা বছৰো হ'ল। এটি সংস্থাপনৰ আশাত অফিচে অফিচে ঘূৰি ক'ত বাৰ ইন্টাৰভিউ দিলে তাৰ হিচাব নাই। তাৰ মেধা শক্তি নথকা নহয়। প্ৰতিবাৰেই ইন্টাৰভিউ ভাল হয়। লাখ হিচাপত টকা দিব নোৱাৰা বাবে, অফিচাৰৰ অঙহী-বঙহী নোহোৱা বাবে বা ৰাজনৈতিক ব্যক্তি হাতত নথকা বাবেহে প্ৰতিবাৰেই সি বিফল হয়। ইফালে দেউতাকৰ পেঞ্চনৰ টকা কেইটাৰ বাবে গুৱাহাটীলৈ অহা যোৱা কৰি সি ভাগৰি পৰিছিল। একমাত্ৰ ভনীজনীৰ কলেজৰ ফিচ দিব নোৱাৰাত ভনীয়েকৰ চকুলৈ চাব নোৱাৰা হৈছিল। বেমাৰী মাকজনী ঔষধৰ অভাৱত বিচনাৰ লগৰী। তাৰ মন ভাৰাক্ৰান্ত হৈ পৰিছিল। সমাজৰ অন্যায়-দুৰ্নীতিবোৰ দেখি তাৰ মনটো টিঙিৰী তুলাৰ দৰে হৈ পৰিছিল। শেষত উপায়হীন হৈ গাঁৱৰে ল'ৰা বিক্ৰমৰ লগ লাগি বাংগালোৰত কোম্পানীৰ কাম কৰিবলৈ যাওঁ বুলি ঘৰৰ পৰা গুচি গৈছিল ম্যানমাৰলৈ। ইফালে বহুদিনলৈকে দেবুৰ কোনো খবৰ নাপাই ঘৰৰ সকলো মহা চিন্তাত পৰিল। বাংগালোৰৰ পৰা খবৰ এটা আহিবলৈতো দুবছৰ দিন সময় নালাগে! দেবুৰ কোনো অসুখ বিসুখ হোৱা নাইতো...? আজি কালি দিনকাল বেয়া........; নাই দেবুক কোনোবাই.....!! উপায়হীন হৈ দেউতাক মৃদুলানন্দ শইকীয়াই এদিন খবৰটো নিজে থানাত জনালেগৈ। অ'চি. মৃণাল হাজৰিকাই কথাটো শুনাৰ লগে লগে গেঙেৰি দি শইকীয়া ছাৰক ক'লে, আমি ইতিমধ্যে জানিব পাৰিছোঁ যে আপুনি এজন নিষিদ্ধ সংগঠনৰ

সন্ত্ৰাসবাদীৰ দেউতাক। আপুনি নিজেই আহিল ভালেই হ'ল। নহ'লে আমি ফৰ্চ লৈ আপোনাৰ ঘৰ ঘেৰাও কৰিলো হেঁতেন....। কথাষাৰ শুনাৰ লগে লগে মৃদুলানন্দ শইকীয়াৰ মূৰত সৰগ ভাগি পৰাৰ দৰে হ'ল। তেওঁ অ'চি. ক ক'লৈ, নাই নাই মোৰ পুত্ৰ তেনে হ'ব নোৱাৰে। মই দেবুক জানো। সি কেতিয়াও সন্ত্ৰাসবাদী সংগঠনৰ লগত জড়িত হ'ব নোৱাৰে। সি মোৰ ল'ৰা। আপুনি ক'লৈই নহ'ব। আপোনাৰ পুত্ৰ যে সন্ত্ৰাসবাদী, ইতিমধ্যে আমাৰ হাতত যথেষ্ট প্ৰমাণ আহি পৰিছে। ম্যানমাৰত প্ৰশিক্ষণ লৈ এমাহৰ আগত আহি এই অঞ্চলত সোমাইছেহি। মাজে মাজে আপোনাৰ ঘৰলৈও আহে। খবৰ খাতি লৈ খাই-বৈ যায়। চোৰাংচোৱা সুত্ৰত গম পোৱামতে আজি কিছুদিনৰ আগতে সংঘটিত হোৱা অবিনাশ গুপ্তাৰ হত্যা কাণ্ডকে ধৰি আৰু বহুকেইটা হত্যা কাণ্ডৰ লগত আপোনাৰ পুত্ৰ জড়িত। আপুনি এতিয়া যাওঁক। কালিলৈ আকৌ আহিব। আপোনাৰ পৰা বহু কথাৰ কৈফিয়ৎ লব লগা আছে। অ'চি ৰ কথা শুনি মৃদুলানন্দ শইকীয়া শিল পৰা কপৌৰ দৰে থৰ লাগি পৰিল। তেওঁৰ ভৰিৰ তলুৱাখনৰ পৰা পৃথিৱীখন যেন খহি পৰিছে। মূৰটো যেন ঘূৰাইছে চকৰিৰ দৰে। অলপ সময় তেনেদৰে থাকি লাহে লাহে থানাৰ পৰা ওলাই আহিল। ঘৰত কথাষাৰ ক'বনে নকয়, বেমাৰী পত্নী মনোৰমাৰে আগত কথাটো ক'লে, তেওঁৰ বা অৱস্থা কি হ'ব.... ওৰেটো ৰাস্তা ভাবি ভাবি আহি ঘৰ পালেহি। কি হ'ল- থানাত খবৰ পালেনে ? বেমাৰী মনোৰমাই বিচনাৰ পৰাই শইকীয়াক সুধিলে। শইকীয়াই কথাবোৰ কওঁ নকওঁকৈ সকলো কৈ পেলোৱাত মনোৰমা ফেকুঁৰি উঠিল।

টক্-টক্-টক্। ৰাতি ১২ মান বজাত মৃদুলানন্দ শইকীয়াৰ ঘৰৰ দৰ্জাত শব্দ কৰিল। শইকীয়াই লেম্পটোত শলাই কাঠি এটা মাৰি জ্বলাই হাততে লৈ দৰ্জাখন খুলি দিলে। পিছে পিছে মনোৰমা। দৰ্জাখোলাৰ লগে লগে শইকীয়াক ক'লে, আমি পুলিচৰ মানুহ। মই আপোনাক সিদিনাই কৈছিলোঁ যে আপোনাৰ পুত্ৰ এজন সন্ত্ৰাসবাদী। আপোনাৰ পুত্ৰই মাজে মাজে আহি আপোনাৰ খবৰ বাতৰি লোৱাৰ উপৰিও আৰ্থিকভাৱে সহায় কৰি আছে। আজি কিছুসময়ৰ আগতে আহি সি আপোনাৰ ঘৰত সোমাইছে, ক'ত আছে দেখাই দিয়ক। নহ'লে...। মই কৈছোৱেই নহয়, সি ঘৰৰ পৰা ওলাই যোৱাৰ দিন ধৰি ঘৰলৈ অহা নাই। আৰু সি ক'ত আছে আমি গম নাপাওঁ। আপোনালোকে মিছাতেই আমাক.... কথা বেছি বহলাই লাভ নাই। কওঁক আপোনাৰ ল'ৰা ক'ত আছে। নতুবা আপোনাকে...। মোক নিব খুজিছে নিয়ক। কিন্তু নথকা ল'ৰাজনক আমি ক'ৰ পৰা উলিয়াই দিওঁ। ... 'ঠিক আছে' বুলি কৈ অ'চি. হাজৰিকাই শইকীয়াক এটা চৰ সোধাই কনিষ্টবল দুজনক লগত লৈ ভিতৰ সোমাল। কিছুসময়ৰ পিছত কনিষ্টবল দুজন ওলাই আহি ভিতৰ সোমাব খোজা মাষ্টৰ আৰু মনোৰমাক আগভেঁটি ধৰিলে। ইতিমধ্যে শোৱনী কোঠাত জীয়েক অনিন্দিতাই চেঁপা মাতেৰে চিঞঁৰা যেন মাক-দেউতাক দুয়ো শুনি পাইছিল যদিও কনিষ্টবল দুজনৰ জেৰাত ভিতৰ সোমাব নোৱাৰিলে। যেতিয়া অ'চি হাজৰিকা ভিতৰৰ পৰা ফোপাই-জোপাই ওলাই আহিল, তেতিয়া মাষ্টৰৰ আৰু বুজিবলৈ একো বাকী নাথাকিলে।..... ক্ষন্তেকৰ ভিতৰতে ঘৰখনৰ ওপৰেদি যেন আন্ধাৰৰ লগতে এছাটি কাল

ধুমুহা পাৰ হৈ গ'ল।

ৰাতি দুইমান বজাত পুনৰ মাষ্টৰৰ ঘৰৰ দৰ্জাত শব্দ কৰিলে। ভিতৰৰ পৰা কোনো শব্দ নোহোৱাত মাত লগালে-বৌটি, অ' বৌটি। মইহে- দেবু। উঠচোন দৰ্জাখন খুলি দে। মাক মনোৰমাই পুতেকৰ মাত বুজিব পাৰি নৰিয়া গাৰেই বিজুলী বেগেৰে আহি দৰ্জাখন খুলি দিলে। ইমান দিনে হেৰুৱা পুতেকক হাততে পাই মনোৰমা একো ক'ব নোৱাৰা হ'ল। দেবুৱে মাত দিলে সেৱা এটা জনাই - কি হ'ল তহঁতে এতিয়াও শুৱা নাই? ভন্টি ক'ত??... ভনীয়েকৰ নাম লোৱাৰ লগে লগে ভনীয়েকে পাগলীৰ বেশেৰে ৰূমৰ পৰা দৌৰি আহি দাদাকক সাৱটি ধৰি চিঞঁৰি উঠিল। বেছি নিচিঞৰিবি। মোৰ পিছে পিছে পুলিচ-আৰ্মিয়ে খেদি ফুৰিছে। চাওঁ, পানী এগিলাচ দে চোন, বৰ পিয়াহ লাগি আছে। তহঁতক ক্ষন্তেক চাই যাওঁ বুলিহে ঘৰত সোমালো। পানী গিলাচ আনে মানে সি মাকক পুনৰ সেৱা এটা জনালে আৰু ভয়ে ভয়ে দেউতাকৰ কোঠাৰফালে আগবাঢ়িল। এনেতে তাৰ পকেটৰ ফোনটো বাজি উঠিল- "হেল্ল' ৭০৯? তই তাৰ পৰা অনতিপলমে পলা। তহঁতৰ ঘৰৰ ফালে ফৰ্চ গৈছে, পলম নকৰিবি বিপদ হ'ব। এক চেকেণ্ডো পলম নকৰিবি।" তাৰ আৰু পানী খোৱা নহ'ল। তৎক্ষণাত পিছ দুৱাৰেদি সি আন্ধাৰত মিলি গ'ল। খন্তেক পিছতে কিছুদূৰত কেইটামান প্ৰচণ্ড শব্দ শুনা গ'ল। মৃদুলানন্দ শইকীয়াৰ বুকু কঁপি উঠিল। তেওঁৰ আৰু বুজিবলৈ বাকী নাথাকিল যে এয়া কিহৰ শব্দ! তাৰ পিছত গাড়ীয়ে গাড়ীয়ে পুলিচ-আৰ্মিৰ সোঁত। অ'চি মৃণাল হাজৰিকাই মৃতদেহ চিনাক্ত কৰিলে। হয়, এইটোৱেই অৱসৰপ্ৰাপ্ত শিক্ষক মৃদুলানন্দ শইকীয়াৰ পুত্ৰ, যাক বিচাৰি ইমানবোৰ পুলিচ মিলিটেৰীয়ে টোপনি খতি কৰি দৌৰি ফুৰিছে।

মৃতদেহ বুটলি আনি যেতিয়া চোতালত শুৱাই দিয়ে, তেতিয়া পূৱে ঢল ঘাট দিছে।❑





# ভণ্ড দেশপ্ৰেমিক

দীপশিখা চুতীয়া



**দো**কানখন বন্ধ কৰিয়েই ৰাজীৱে খৰ্‌ধৰ্‌কৈ তাৰ সৰু ভাড়াঘৰটোলৈ খোজ ল'লে। তাৰ ফৰফৰাই থকা ৰঙাপৰা গাল দুখনত এবাৰ হাত ফুৰালে। মুখখন যেন ওখহি আহিছে তেনে অনুভৱ হ'ল। অনাহকতে চৰ দুটা খাই সি পোনতে একো ভাবিবই পৰা নাছিল। মানুহে মানুহক যে কোন মূহুৰ্তত কেনে ব্যৱহাৰ কৰিব পাৰে তাৰ তেনে কোনো অভিজ্ঞতা নাছিল। তাৰ সৰু সৰল মনটোত বিদ্ৰোহৰ জুইকুৰা দপ দপকৈ জ্বলিলেও খন্তেকতে মনতে মাৰ গ'ল। তাৰ মনটো যেনেকৈ সৰু সাহসো তেনেকৈ কম, তাৰ প্ৰতিবাদ কৰাৰ শক্তি সেই মূহুৰ্তত অলপো নাছিল। সাহস কম হলেও তাৰ এটা উদ্যমী মন আছিল, যাৰ বাবে সি ঘৰৰ পৰা প্ৰায় ডেৰশ কিলোমিটাৰ আঁতৰত এই শান্তিপুৰলৈ আহি এখন সৰু দোকানেৰে নিজক প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলাইছে।

নতুনকৈ গঢ়ি উঠা চহৰখনত এসময়ত কিজানি শান্তি আছিল, এতিয়া হ'লে তাৰ চিনমোকাম পাবলৈ নাই। এতিয়া মাছমৰীয়াৰ বৰজালৰ দৰে অশান্তিবোৰে চহৰখন হেঁচা মাৰি ধৰিছে। ইয়াতেই ছমাহ আগতে এখন সৰু দোকানেৰে সি তাৰ ব্যৱসায় আৰম্ভ কৰিছিল। উন্নতিও কৰিছিল। তাৰ নম্ৰ স্বভাৱৰ বাবে সি বহুতৰে প্ৰিয়পাত্ৰও হৈ উঠিছিল। প্ৰথমে তামোল- পাণেৰে আৰম্ভ কৰা তাৰ ব্যৱসায়ৰ লগত লাহে লাহে বিস্কুট-চানা, তেল-চাবোন আদি সংযোগ হৈ চকুত লগা হৈ আহিছিল। সৰু টেবুলখন কম সময়তে এখন দেখনিয়াৰ দোকানলৈ পৰিৱৰ্তিত হৈছিল। ঠাইখনো লাহে লাহে আপোন হৈ পৰিছিল। সম্ভৱ হলে ইয়াতেই সুকীয়াকৈ থাকি যোৱাৰ ঘৰ-বাৰী কৰাৰ সপোনো দেখিছিল। আজিৰ চৰটোৱে তাৰ চিন্তা-ভাৱনা সকলো ওলট পালট কৰি পেলালে।

সৰুৰে পৰাই ৰঙালী বিহু তাৰ প্ৰিয়। লগৰীয়াৰ লগত হুঁচৰি গোৱা, শৰাইত পোৱা মাননিৰে ভোজ এটা খোৱা, এটা সময়ত তাৰ বৰ আনন্দৰ আছিল। আজিও মনত পৰিলে মনত পুলক অনুভৱ কৰে। কিন্তু তাৰ ব্যৱসায়ৰ প্ৰতি অধিক গুৰুত্ব দিয়াৰ কথা চিন্তা কৰি এইবাৰ সি বিহু আৰম্ভ হওঁতেই ঘৰৰ পৰা গুচি আহিল। আচলতে নগ'লে বিধবা মাকজনীয়ে মনত দুখ পাব বুলিহে গৈছিল। বিহুৰ কেইদিনমান আগৰ পৰা তাৰ ব্যৱসায় বেছ ভালদৰেই চলিছিল। উঠি অহা তাৰ ব্যৱসায়টো এৰি আহিবলৈ তাৰ অলপো ভাল লগা নাছিল। ব্যৱসায়ৰ নিচা মনত বাৰুকৈয়ে লাগিছিল।

ধমক দি নগ'লৈও তামোল খাই পইচা নিদিয়াকৈ দমত গুচি যোৱা 'লোকেল গুণ্ডা' কেইটামানৰ বাহিৰে বাকী কথাত বৰ আমনি তাৰ আজিলৈকে হোৱা নাছিল। একেকেইজন ল'ৰাই কোনোবা নতুন অচিনাকী ৰাস্তাৰ কাষতে বহা ব্যৱসায়ী দেখিলেই ডকা দি টকা লোৱা দেখিলে মনটো অশান্ত হৈ উঠে, পিছে একো কবওঁ, নোৱাৰি। ইয়াত শত্ৰু বঢ়াই লোৱাতকৈ কেনেকৈ নিজে চলি যাব পাৰি তাৰ চিন্তাহে বেছি হয়।

বিহুৰ দ্বিতীয়দিনা ৰাজীৱ শান্তিপুৰলৈ ঘুৰি আহিল। দেৰি হোৱাৰ বাবে সি পাছদিনা মানে আজিহে দোকান খুলিলে। অলপ পাছতেই ল'ৰা দুটা আহি এটা ৰচিদ দিলে। কাষৰ বিদ্যালয়ৰ খেলপথাৰত বিহুমেলা পাতিছে চান্দা দিব লাগে। ৰচিদ দেখিয়েই তাৰ চকু কপালত উথিল। দহ হাজাৰ টকাৰ ৰচিদ। দোকানৰ গোটেইখিনি সামগ্ৰী বিক্ৰী কৰিলেহে কিজানি সিমান টকা ওলাব। লাভ দহহেজাৰ হ'বলৈ কিজানি তাৰ তিনিমাহ লাগিব। কি ভাবিছে এইখন দোকানত দহ হেজাৰ বিচাৰিছে, বৰ আচৰিত কথা।

"ইমান টকা মই ক'ৰপৰা দিম দাদা"! বৰ নম্ৰভাৱে সি ক'লে। "মোৰ দোকানখন আপোনালাকে দেখিছেই। মই ইমান টকা চান্দা দিব নোৱাৰিম।"

" কিয় নোৱাৰিবি?- এজন গপগপাই উঠিল। "আমাৰ ইয়াতে থাকি ব্যৱসায় কৰিবি আমাৰেই তেজ খাবি, এতিয়া চান্দা নিদিওঁ বুলি ক'ব আহিছ? " আনজনেও লগে লগে ক'লে।

" মইও দিম দাদা! পৰাখিনি মইও দিম। কিন্তু দহহেজাৰ টকা ক'ৰপৰা দিম।

আপোনালোকেই ভাবকচোন।"- সঞ্জীৱে ক'লে।

"ক'ৰপৰা দিয় তোৰ কথা। এইবাৰ আমি জুবিন গাৰ্গক আনিম। সৰহকৈ পইচা নিদিলে আমি নিজৰ মাটি বেচিম নেকি ? "

"জুবিনক নানিলে নহয়নে দাদা ? ইমান টকা অযথা খৰচ কৰাতকৈ আন ভাল কামত লগাব পৰা হ'লহেঁতেন।" কথাষাৰ শুনাৰ লগে লগে দুয়োজন গৰ্জি উঠিল। "চাল্লা, উপদেশ দিব আহিছ। আমি মিটিং কৰি সিদ্ধান্ত লৈছোঁ। তোৰ লেকচাৰ শুনিবলৈ অহা নাই নিদিলে কি কৰিম চাই থাক।" দুয়োজন খঙেৰে ওলাই গ'ল।

দিনটোৰ বাকীখিনি সময় নানা চিন্তাই তাৰ জুমুৰি দি ধৰিলে। জৰকাৰ ৰজাৰ সাধুটো তাৰ মনত বৰকৈ বাজিবলৈ ধৰিলে। সৰুতে সি আইতাকৰ মুখত শুনিছিল। মূৰ্খৰ ঠাইত সজ কথাৰ মূল্য নাই। এই ল'ৰা কেইটাৰ কথা সি ভাবিলে । "ইহঁত আচলতে মুৰ্খ নে ভাওধৰি দেশ লুটি খোৱা ভণ্ড সমাজকৰ্মী"।

তাৰ সকলো কথাই ওলট-পালট হৈ গৈছিল। এই ঠাইতে সি ব্যৱসায় কৰিব নে ঘৰতে গৈ কিবা দিহা কৰিব সি ঠিক কৰিব নোৱাৰা হ'ল। ওৰে দিনটো গধুৰ মন লৈ সি বহি থাকিল। দুই এক গ্ৰাহক আহিল সামগ্ৰীও নিলে। কিন্তু মনৰ উৎসাহ নোহোৱা হৈ গ'ল।

গধূলি লাহে লাহে আন্ধাৰ নামি আহিছিল। তাৰ মনলৈকো আহিছিল। সোনকালে দোকান বন্ধ কৰি ভাড়াঘৰলৈ যোৱাৰ সিদ্ধান্ত লৈ পেলাওঁতেই পুনৰ কেইটা মান ল'ৰা আহি উপস্থিত হ'ল। পুৱাবেলা অহা ল'ৰা কেইটাও আছে। তাৰ বুকুখন চিৰিংকৈ গ'ল।

"টকাখিনি দিবিনে নিদিয় ক' ? কোনো কথাৰ অৱতাৰণা নকৰাকৈ পোনে পোনে সিহঁতে সুধিলে।

" ইমান টকা মই ক'ৰ পৰা দিম।" মোৰ দোকানখনৰ কথাষাৰ শেষ হ'বলৈকে নাপালে। প্ৰচণ্ড এটা চৰ তাৰ মুখত পৰিলহি। লগে লগে অবাচ্য কিছু শব্দ।❑

# নিসংগতা, মই..........
# আৰু সন্মুকত এখন তেজৰ নৈ

দীপাশ্ৰী বৰপাত্ৰ গোহাঁই





**এ**নেদৰে পাৰ কৰিছো দিনবোৰ... ৰাতিবোৰ...। অস্থিৰতাৰ হুমুনিয়াহবোৰ বুকু দেই পুৰি বাহিৰ হৈ গৈছে। নাজানো কি মোৰ এনে দুখ বুকুৰ ভিতৰখনৰ পাহে পাহে বহুতো অচিনা অজানা অসুখ। চুই চাব নোৱাৰি যেন থিয় গৰা খহাদি এচপৰা বাগৰিহে পৰিব। কিমান দুখ হ'লে আদবাটতে নিফাত মাৰি থমকিব খোজে ওঁঠৰ ফাঁকেৰে খহি পৰিব খোজা এটা হাঁহি। বুকুখন ঘেটালি পেলোৱা শূণ্যতাখিনি পাৰ ভাঙি বৈ নহা এখন সেমেকা নদী। এয়াই নেকি শূন্যতা...অকলশৰীয়া.... নিসংগতা...।

নবহো বুলিও নদীখনৰ পাৰতেই বহি পৰো। নদীৰ ঢৌবোৰত ক'ব নোৱাৰাকৈয়ে বাৰে বাৰে হেৰাই যাওঁ। নদীৰ পকনীয়াই অকাই পকাই পাৰত থেকেচি দিলেহে ঘপককৈ সাৰপাই উঠো। কিমানবাৰ শপত খাইছো এই নদীকনৰ পাৰত নবহো বুলি। এই নদীখনে যে মোক উন্মাদ কৰি তোলে। ক'ত কি যে ভাৱনা আহিছে মনলৈ। এই ভাৱনাবোৰে চেপি খুন্দি লঠঙা কৰি তুলিব খুজিছে মোক....... সৌ গছজোপাৰ দৰে। সেই জোপা সৌ সিদিনা কিমান সেউজীয়া আছিল। কিমান সেউজীয়াৰে ভৰি আছিল বাঁহ গছজাপা ! এইখিনিত থকা ঘাঁহনিবোৰ, কহুঁৱাৰে ভৰি পৰা নদীৰ পাৰটো, হালোৱা- ৰোৱনীৰ ভৰিৰ আলতীয়া লেকেটা লেকেট বোকাবোৰ..। সেইবোৰতকৈ এই হাতৰ মুঠিৰ বালিবোৰৰ মূল্য বেছি নেকি? ধনী ঠিকাদাৰৰ জেপৰ ভোকতকৈ আমাৰ বানবিধস্তৰৰ পেটৰ ভোক বেছি জানো ?

পুৱাতেই ৰূপালী নিয়ৰ গছকি..তাই আহে। সন্ধিয়াৰ ৰাঙলী আকাশখনক আন্ধাৰবোৰে সাৱটি ধৰাৰ সময়ত তাই উভতে। আঘোনৰ পথাৰত তাইৰ হাতৰ কাঁচিখন দূৰৈৰপৰা জিলিকি থাকে।

দুপৰৰ বেলিটিয়েও তাইৰ সৌন্দৰ্য্যক ঈৰ্ষা কৰে। ময়ো ঈৰ্ষা কৰিছিলো তাইৰ ধুনীয়াখিনিক... তাইৰ চঞ্চলতাখিনিক। ডাঙৰি বান্ধোনত কাণপাতি শুনিছিলো সিহঁতৰ কঁপি ভাহি অহা হাঁহিবোৰ। ৰবাব টেঙাৰ মোনাটো হাতত গুজি দিওঁতে ৰঙা-চিঙা পৰা তাইৰ অৱস্থাটো।

উচ্চ শিক্ষিত আছিলো মই। চহৰত পঢ়িছিলো। ভালদৰে উত্তীৰ্ণও হৈছিলো। চাকৰী বিচৰাৰ নামত দুই তিনিটা বছৰ পাৰ কৰিলো। ঘৰৰ পৰা পইচা পঠিওৱা ক্ৰমান্বয়ে সেৰেঙা হৈ আহিল। নিবোকা চামোনৰ দৰে মই ঘৰত আহি সোমোৱাৰ দিন ধৰি দেউতাই এই পথাৰখনলৈ মুৰ নকৰা হ'ল। লাহে লাহে মই এই পথাৰখনক ভালপাই পেলালোঁ। যিদিনাই পথাৰৰ প্ৰেমত পৰিলো সেইদিনাৰপৰাই পথাৰখন সেউজীয়া হ'ল আৰু সেউজীয়া হ'ল মোৰ হৃদয়খনো। পথাৰৰ সেউজীয়াবোৰ এদিন সোনোৱালী হ'ল আৰু তেতিয়াই বহাগীয়ে পুৰাৰ নিয়ৰে ধুৱাই যোৱা দুৱৰি গছকি মোৰ পথাৰৰ সোণোৱালীবোৰ মুঠি কৰি গ'ল আৰু মই মুঠিবোৰ দাঙৰি নাম দি মোৰ হৃদয়ৰ ভঁৰাল ভৰাই পেলালো।

সদায় আহে তাই । খৰ খৰকৈ মোৰ পথাৰৰ সোণোৱালীবোৰ যায় আৰু মই পাছে পাছে লেচেৰি বুটলো। তাই উভতি যায়। পিছদিনা পুনৰ আহে। সেইদিনাও আহিছিল, কিন্তু উভতি যাওঁতে আগৰদৰে যোৱা নাছিল। যি দুখন হাতেৰে তাই মোৰ শস্যৰ ভঁৰাল বান্ধি গৈছিল সেই দুখন হাতেৰেই তাই সেইদিনা মোৰ মন ভঁৰালত জুই লগাই গুচি গৈছিল। হৃদয়েৰে ভালপাওঁ বুলি কোৱাৰ পাছতো মোৰ সৈতে একাত্ম হৈ পৰা তাইৰ মনটোক দেহটোৰে চোচৰাই টানি নিছিল। মই বিদায় জনাইছিলো হৃদয়েৰে-"তুমি সুখী হোৱা"। তাই চহৰলৈ বিয়া হৈ গৈছিল। হাঁহিৰে বিদায় জনাই মুখ ঢাকি মই হিয়া উজাৰি কান্দিছিলো। ভালপোৱাৰ প্ৰথমজাক বৰষুণে ঠেকেচি পেলোৱা হৃদয়খনেও আদ্ৰতাৰ উম বিচাৰি হায়ৰান হৈছিল। নতুন সংসাৰৰ পাতনি মেলিবলৈ তাই গ'লগৈ। এতিয়া সকলো ফালৰপৰাই তাই সুখী। মনত পৰিলেই তাই ঢাপলি মেলি আহে আৰু মোক কয়- মই সুখী। তুমিও সুখী হোৱাচোন। হাঁহি আনন্দেৰে ঘৰখন সজাই তোলাচোন...। তাই জোৰ কৰি পুনৰ মোক পথাৰৰ প্ৰেমিক কৰি তুলিছিল। মই সকলো ফালৰপৰাই উৰ্বৰ হৈ উঠিছিলো। কিন্তু মোৰ সেই উৰ্বৰতাখিনিতো চাগৈ ঈৰ্ষা হৈছিল । প্ৰবল বানে আমাৰ সমগ্ৰ সেউজীয়া এলান্ধু কৰি গ'ল মোৰ সৰ্বস্ব এই নদীখনে লুটি লৈ গ'ল। মোৰ পথাৰৰ সেউজীয়াখিনি লুটি লৈ গ'ল নদীখনে আৰু মোৰ হৃদয়ৰ সেউজীয়াখিনি...??? সেইকনো কাঢ়ি নিলে আমাক হিংসা কৰা আমাৰে ভাই ককাইবোৰে। বহাগীৰ দেহো বিস্ফোৰণত টুকুৰা টুকুৰ হৈ গ'ল। ব'হাগী আজি ব্যাকৰণিক পৃথিৱীৰ পৰা বহুযোজন দূৰত। হিয়া জোকাৰি কান্দিয়ো মই তাইক ঘুৰাই আনিব নোৱাৰিলো। আজি মই অকলশৰীয়া। এতিয়া নিসংগতা মোৰ সংগী আৰু এই নদীখন মোৰ সংগী যাৰ বুকুলৈ মোৰ নিসংগতা আৰু দৰিদ্ৰতাবোৰ দলিয়াই বিসৰ্জন দি মই স্বাধীন হ'ব খুজিছো। মোৰ নিসংগতাবোৰ বুৰবুৰনি তুলি পানীত বহল হৈ পৰিছে। কিন্তু মোৰ এনে লাগিছে যেন মই নদীখনলৈ মোৰ নিসংগতাবোৰ দলিওৱা নাই মই দলিয়াইছো কিছুমান নিষ্পাপ মানুহ যাৰ বুকুৰ তেজবোৰ বুৰবুৰণি তুলি বহল হৈ পৰিছে। এতিয়া যেন মোৰ সন্মুখেদি অহৰহ বৈ যাব ধৰিছে এখন... তেজৰ নৈ... মাথোঁ তেজৰ ...।❑


# আৰ্তনাদ

ত্ৰিবেনী বড়া



**মু**কলি নোহোৱা চকুযুৰি মুদি এতিয়াও নিৰ্ভয়ে শুই আছিল ছোৱালীজনী। সপোনেৰে মাকৰ হাতৰ আঙুলিত ধৰি খোজ লৈছিল মুক্ত আকাশৰ জোন, বেলি, তৰাৰ কথা সুধি সুধি। অনেক সপোন তাইৰ ৰ'দত খোজ কাঢ়িব, জোনাকৰ গীত ৰচি, সফলতাৰ শৃংগত উঠি ঘোষণা কৰিব মাক-দেউতাকৰ প্ৰতি কৃতজ্ঞতা ইত্যাদি। কিন্তু, কি হ'ল তৎক্ষণাত আগুৱাই অহা মন্ত্ৰ এটাই আঠুতে কাটি পেলালে তাইৰ সোঁভৰিখন আৰু বাঁওভৰিখন। তেজৰ ফোৰাঁৰা গোটেইখন। ধৰ্‌ফৰাই ধৰফৰাই ককাঁলৰ ওপৰছোৱাৰে তাই পূৰ-পশ্চিম উত্তৰা-দক্ষিণালৈ বাগৰি ফুৰিলে। মেলিব নজনা মুখ মেলি নিলিখা ভাষাৰে তাই কান্দি কান্দি কাকূতি কৰিলে মাকক, মা মোক বচোৱা, ইহঁতি কাটি আছে মোক, ককাঁল কাটিছে, ভৰি, পেট, বুকু, সকলো কাটিলে। মা মই তোমাক ভাল পাওঁ মোক ৰক্ষা কৰা। মই কেতিয়াও তোমালোকক আমনি দি আপত্তি নকৰোঁ, নিবিচাৰো একো, তোমাৰ ঘৰৰ এচুকত পৰি ৰ'ম যাৰ লৈকে দান দিয়া নীৰৱে গুচি যাম, কেৱল মোক বচোৱা মা... বহুত প্ৰাৰ্থনা আছিল তাইৰ, জীয়াই থকা হেঁপাহ আছিল। কিন্তু আগুৱাই অহা যন্ত্ৰৰ শব্দত মাকে তাইৰ মাত নুশুনিলে। তাইৰ সপোন ভাঙি চুৰমাৰ হৈ ৰ'ল। তাইৰ ডিঙি কাটি কুটি পেলালে অত্যাধুনিক যন্ত্ৰই। এতিয়া মাত নাই, মানুহ নাই, নিশব্দ পৰিৱেশত কেৱল তেজৰ সাকোঁৰ আৰু কন্যা ভ্ৰূণৰ হাহাকাৰ, আৰ্তনাতে ভৰি পৰে।❑

অনুভৱৰ স্বৰ



# সংগীত, কবিতা, জীৱন ইত্যাদি

নয়নমণি কছাৰী

**জী**ৱনৰ সংজ্ঞা কি? মই কম যে, জীৱন এটি সৰল অথচ জটিল কবিতা বা সংগীত। তাৰে কোনো এটি আনন্দৰ কোনোটি বিষাদৰ। যদি জীৱন এখন বাহন তেন্তে সংগীত, কবিতা ইত্যাদিবোৰ ইন্ধন স্বৰূপ সেই বাহনৰ। ৰোগাক্ৰান্ত মানৱদেহত সংগীত, কবিতা ইত্যাদিবোৰ মহৌষধসদৃশ। এই দুই উপাদান সুখ-দুখৰ লগৰী স্বৰূপ। জীৱনৰ তৃষ্ণাতুৰ ক্ষণত তৃষ্ণাতুৰ জীৱনৰ পথিকে কাষ-চাপে সংগীত আৰু কবিতাৰ নদীৰ পাৰলৈ আৰু জীৱন জীপাল কৰে সেই নদীৰ পানীৰে। মানুহে ভাল পাবলৈ শিকে, পবিত্ৰ হ'বলৈ শিকে ইয়াৰ যোগেদিয়ে।

অনুভৱ ফুলৰ কলি অনুভূতিপূৰ্ণ ফুলৰূপে প্ৰকাশ ঘটে অনুভৱী মনৰ দ্বাৰা। অনুভৱী মনে অনুভৱশীল লোকক থুপ-খোৱাই এক মহানুভৱৰ সৃষ্টি কৰে। অনুভৱীসকলে অনুভৱৰ মহাসাগৰত ডুব মাৰে আৰু নানা মাণিক, মুকুতা আহৰণ কৰি বিলাই দিয়ে সকলোকে। ই যেন সৰ্বহাৰাৰ সৰ্বস্ব ঘূৰাই আনে আৰু নতুন জীৱনৰ পাতনি মেলে। সংগীত আৰু কবিতাৰ বীজে মনৰ পথাৰত অংকুৰিত হৈ গজি উঠে নানা ফুলৰ গছ। তাতে ফুলি উঠে নানাৰঙী অনুভূতি স্বৰূপ ফুল। সংগীত, কবিতা পৃথিৱীকাননৰ পাৰিজাত। এই পাৰিজাতে পাহি মেলি পৃথিৱীকাননৰ সোনত সুৰগা চৰাই যায় অবিৰাম। এই ফুল মৰহিব নাজানে। এই ফুলে পৃথিৱীকাননৰ সৌন্দৰ্য কোনোদিনে ম্লান পৰিব দিয়া নাই।

শেষত কওঁ যে,

এই ধৰণী দুগচি বন্তি সংগীত আৰু কবিতা
হে পূজাৰী সংগীত কবিতাৰ নিতৌ লগোৱা শলিতা
হওঁক ধৰণীখনি চিৰ জ্যোতিমান
জীৱন নদীত ই সদা বহ্নিমান
মোৰ ধৰণী হোৱা চিৰ জ্যোতিষ্মান।❑

# নিয়ৰৰ মুকুতা সৰে
# অনুভৱৰ পাতে পাতে.............



ৰিমঝিম গগৈ

**শ**ৰৎ আহিলেই তাইৰ
সজীৱ হৈ পৰে সেমেকা উশাহবোৰ.........
কুঁৱলীৰ আৱৰণ ফালি
উজাই অহা অনুভৱে
সিচঁৰিত কৰে ভাবনাৰ ৰংবোৰ.......

তৰাফুলীয়া আকাশৰ গীত গাই গাই আপোন পাহৰা হৈ পৰে অনুভৱী ছোৱালীজনী। দুহাতেৰে আঁজুৰি আনিব বিচাৰে তাই কল্পনাৰ সেউজৰঙী পৃথিৱীখনৰ প্ৰতিটো হেঁপাহৰ ধূলিকনাক........। কিয় জানো তাইৰ নাম থৈছিল আকাংক্ষা। আশাবোৰ যেন তাইৰ শেষেই নহব জীৱনত। ব্যাকুলতাৰ চাকিগচিত শলিতাডাল আগবঢ়াই তাই ভাবে...... কিমান সুখী হ'লে মানুহে উপভোগ কৰিব পাৰে জীৱনটোক, কিমান মধুৰ হ'লে ভাললগাবোৰে ৰূপ লয় ভালপোৱাৰ একাত্মীয়তা আৰু কিমান সঁচা হ'লে আবেগৰ নিয়ৰবোৰ মুকুতা হৈ সৰি পৰে এটুপ দুটুপকৈ.....।

অনুভৱৰ পৃথিৱীখনলৈ তাই
বাৰে বাৰে আহে ঘূৰি...
ৰঙীন সপোন বুকুত বান্ধি
আহিনীয়া সুবাসে ভিৰ কৰেহি
তাইৰ সমগ্ৰ সত্বা জুৰি...

গতানুগতিকতাৰ ব্যস্ততাই যেন তাইৰ ভাৱনাত কেতিয়াবা যতি পেলাব খোজে। তথাপি তাই মনত ৰাখিব খোজে মাজনিশাৰ হেঁপাহ উজাৰি লিখা সেই পদ্যবোৰ, য'ত স্মৃতিৰ ফাঁকেৰে জুমি চালেই

তাই দেখা পাই শৈশৱৰ
উমাল মূহুৰ্ত্তৰ প্ৰতিচ্ছবিবোৰ..........।
সপোন কঢ়িয়াই আনে
ঔফুলীয়া সম্ভাৰেৰে ভৰপূৰ
শৈশৱৰ ৰঙীন ফেহুঁজালি....
তমসাসন্ন গভীৰ নিদ্ৰাতো
মন যে তেতিয়া তাইৰ
উঠিছিল নাছি..........


কেতিয়াবা ভয় হয় আকাংক্ষাৰ। তাইৰ সপোনবোৰ যদি বাস্তৱায়িত নহয় কেনেকৈ সুখী হ'ব তাই......। সুখী হোৱাৰ তাড়নাই তাইক জুমুৰি ধৰিব নেকি তেতিয়া ? নিজক বুজাবলৈ অলপ সময় লাগে তাইৰ, যদিও তাই বুজি পায়, সকলো আশা জানো মানুহৰ পূৰণ হয় ? কিন্তু তাই চেষ্টা কৰিব সপোনবোৰক বাস্তৱ ৰূপ দিবলৈ। জীৱনত সন্মুখীন হোৱা প্ৰত্যাহবানবোৰ নেওচি তাই আগুৱাই যাব, জীৱন সংগ্ৰামত জয়ী হ'বলৈ শিকিব তাই। সেউজীয়াবোৰৰ মাজত নিজক বিলাব খুজে আকাংক্ষাই...., কাৰণ সেউজীয়া তাইৰ অতি প্ৰিয়। সেউজীয়াৰ মাজত তাই বিচাৰি পায় জীয়াই থকাৰ প্ৰেৰণা, জীৱনটোক উপলব্ধি কৰিব পৰা তীব্ৰ বাসনা।

নিজানত কথা পাতে তাই
জোনাকৰ স'তে......
আকাশে দি যোৱা বিশালতাৰ মন্ত্ৰ
আওঁৰাই, জীৱনৰ নতুন পদ্য ৰচে............

মন গলেই যেন আকাংক্ষাই ভৰাই পেলাব ডায়েৰীৰ পৃষ্ঠাবোৰ.......। তথাপি তাই থমকি ৰয় কেতিয়াবা, অপ্ৰাপ্তিৰ অলেখ ঢৌবোৰে জুৰুলা কৰিব বিচাৰে তাইক। অনুভৱ হয় তাইৰ, পোৱা-নোপোৱাৰ মাজতেইতো জীৱন..... নোপোৱাবোৰতো যেন কেতিয়াবা লুকাই থাকে জীৱনৰ অনুপম ৰং......। প্ৰেমৰ বীজ ৰোপন কৰিব বিচাৰে তাই জীৱনৰ খলা-বমাবোৰত..আৰু তেতিয়াই ভালপোৱাৰ আন্মনা উশাহবোৰে সজীৱ কৰি তোলে আকাংক্ষাৰ ভিতৰ অন্তৰআত্মাক।

মুঠি মুঠি হেঁপাহৰ কঠিয়াবোৰে শিপাব ধৰে হৃদয়ৰ গভীৰৰ পৰা গভীৰতালৈ...............য'ত অজস্ৰ প্ৰতিশ্ৰুতি লৈ নিয়ৰী আৱেগবোৰে খোজ পেলাই আকাংক্ষাৰ অনুভৱৰ পৃথিৱীখনত............তাইৰ অজানিতে, অতি সংগোপনে......। ❑

# নীলাখামৰ চিঠি



জ্যোৎস্না ৰাণী চেতিয়া

**মোৰ অতি মৰমৰ শুভ্ৰনীল,**

**প্ৰ**থমে মোৰ মৰমবোৰ গ্ৰহণ কৰিবা। আজি বহুদিনৰ পৰা তোমালৈ বৰকৈ মনত পৰিছে। পাৰ হৈ অহা সময়বোৰে মনত দোলাদি ফুৰিছে। বহু কথা তোমাক ক'বলৈ মন গৈছে কিন্তু... তুমি যে কাষত নাই সেয়েহে তোমালৈ কলমৰ ভাষাৰে লিখিছো। মোৰ আশা তুমি মোৰ মনৰ অৱস্থাটো বুজিবা। শুভ্ৰ তুমি ভালে আছানে? আমি বাৰু আছেনে? এবছৰ, দুবছৰ... অ যে কেনেকৈ পাৰ হৈ গৈছে, দৰে। তোমাৰ বাৰু মোলৈ মনত তোমাক কেতিয়াবা আমনি নদীখনৰ কথা, য'ত ভৰি আছিল, নদীৰ পাৰৰ কলকলনিবোৰ, য'ত তুমি আৰু য'ত আছিল আমাৰ কথাবোৰৰ আগুৰাই নিব পাৰো তাৰ বিষয়ে




কিমানদিন লগ পোৱা নাই মনত নহয় সম্পূৰ্ণ তেৰ বছৰ। সময়বোৰ এনেয়ে নকয় সময় পাখিলগা কাড়ৰ পৰেনে? আমি পাৰ কৰা সময়বোৰে কৰেনে? আমাৰ গাঁৱৰ সিমূৰত থকা চাৰিওফালে সেউজীয়া ঘাঁহনিৰে গছবোৰত কলকলাই থকা চৰাই মই বহি মনৰ কথাবোৰ পাতিছিলো। লগতে আমাৰ গাঁওখনক কেনেকৈ পতা কিমান যে সপোন আমি ৰচিছিলো, কিন্তু.... সকলো নিমিষতে শেষ কৰি তুমি মোৰ পৰা যেন বহু দূৰলৈ গুচি গ'লা। কংক্ৰিটৰ নগৰীত তুমি এতিয়া খুব সুখী ন! য'ত তোমাৰ আছে ডাঙৰ অট্টালিকা, গাড়ী মটৰ আৰু যে ক'ত কি? সেইবোৰৰ মাজত ছাগে মোলৈ তোমাৰ এবাৰো মনত নপৰে.... আমাৰ গাঁৱৰ মানুহবোৰলৈ এবাৰ মনত পেলাবাচোন? যিসকলে তোমাক লৈ ক'ত যে সপোন দেখিছিল, তোমাৰ উন্নতিৰ বাবে নামঘৰত কিমানে যে বন্তি জ্বলাইছিল... তুমি কেনেকৈ পাহৰিব পাৰিছা শুভ্ৰ। তুমি সাৰ পোৱা, পুনৰ ঘূৰি আহা। নকওঁ তুমি তোমাৰ কৰ্মক্ষেত্ৰক এৰি আহা কিন্তু, তোমাৰ মানুহবোৰক কেনেকৈ পাহৰিব দিওঁ মই। এবাৰ আহি চোৱাচোন নিজৰ আপোনসকলৰ মাজলৈ য'ত তুমি পাবা অযুত মৰম, ভালপোৱা, যিখিনি তুমি তোমাৰ কংক্ৰিটৰ নগৰীত নোপোৱা। মই বাট চাই ৰৈ আছো আঘোনৰ সোণোৱালী পথাৰখনৰ সোঁমাজত ৰৈ, য'ত মই তোমাক প্ৰথম লগ পাইছিলো। মোৰ বিশ্বাস, তুমি আহিবা............... ❑

**তোমাৰ কেৱল তোমাৰেই**
**'নীলা'**



নীলাক্ষী গগৈ

**মৰমৰ,**

**জ্ঞান** ক'ৰ পৰা আৰম্ভ কৰো ? সুদীৰ্ঘ পাঁচটা বছৰে বুকুৰ অটল গহবৰত শুই থকা সুহুৰি এটা তোক দেখাৰ পাছত আকৌ সাৰ পাই উঠিল। তই যে এদিন ডুব যোৱা বেলিটোৰ দৰে হেৰাই গৈছিলি; ভাবিছিলো তোক আৰু মই দেখা নাপাম। কি যে অহসনীয় যন্ত্ৰণা এটাই খুলি খুলি খাব ধৰিছে মোক, এই যেন বুকুৰ মাজতে গধুৰ কিবা এটা লৈ ফুৰিছোঁ। তোৰ লগে লগে মোৰ মৰমৰ বন্ধু পিতাইও মোক এই জীৱনৰ বাবে এৰি গুচি গ'ল। আইক মই ভালদৰে বুজাই মেলি ৰাখো। নিসংগতাই মোক পাগল কৰি দিব খোজে কেতিয়াবা। তোক ভালপোৱা সৰু ছোৱালীজনীক কোনেও বুজিব নোখোজে। দুখবোৰে মোক কুটি-কুটি খাই প্ৰতি ৰাতি। তোক সঁহাৰি জনাব নোৱাৰাৰ অসহায়তাই মোক কোঙা কৰি তোলে। তই দিয়া চিঠি কেইখন সযতনে ৰাখিছো। তোৰ আখৰ কেইটাৰ মাজত তোক বিচাৰি পাওঁ।

তই যে লগ পাই সেইদিনা আকৌ মোক মৰমেৰে খবৰ সুধিলি, মৰম দেখুৱালি, বুকুখন ক'ৰবাত মোচৰ খাই গ'ল। সেয়ে হয়তো তোক একো কʼব নোৱাৰিলোঁ। কʼবলৈ বহু কথা, শব্দ নোলায়; ভেলেঙীৰ চঞ্চল চকুৰ ভিতৰৰ বিষাদ গাঁথা কোনে বুজি পায় ? তোক লগ পোৱাৰ কথা মোৰ এতিয়া সপোন সপোন যেন লাগে! আকৌ যেন টিউচন যাম, কাজিয়া কৰিম।।

আজিলৈ থওঁ দে।

তোৰেই বুকুৰ আমঠু
নী......

❑❑

ফ্ৰেগনে'নছ-প্ৰাচীৰ প্ৰত্ৰিকাৰ পৰা...

# SCIENCE EDUCATION IN SCHOOLS

Swastika Chutia




The study of science, since time immemorial, has been serving as fuel for any curious mind. Science is an exciting and engaging subject which has the potential to inspire interest in people of all ages. Learning science offers opportunities to find explanations about phenomena that are constantly going on around us all the time. With the advent of an era where our daily lives have been planned and made easier by the interference of science and technology, the knowledge of science has gained even more relevance and importance.

Science education aims to increase a student's understanding and inculcate conceptual knowledge of the subject as well as to promote scientific literacy and responsible citizenship. Science learning has been incorporated in the curriculum of all schools in the country, both public

and private institutions. However, it is a general observation that many students panics at the mere utterance of the word 'science'. A common fear shadows the life of a lot many students right from a very early age. It is very rare to hear a kid say that his aim in life is to be a scientist, whereas it is very common to hear them say their aim is to be a doctor or an engineer or a teacher. Such responses are often the result of memorization only. It doesn't come from the understanding of the child.

India is a fast developing country. Although India has a long history of scientific excellence to boast of, yet the progress in scientific research and science education is at a inadequately satisfactory phase. With a population of 1.15 billion people, India is the largest democracy of the world. The country has ample human resources to boost scientific innovations to an unfathomable height. Despite this fact, scientific research in the country continues to lag behind.

A snag, amongst an array of many others, is the lack of interest towards this subject among the students. Only a handful of students truly enjoy and engage in learning science. The rests sits for the exam only to get promoted to the next class. We are facing a sturdy challenge here because we are at some point failing to draw their attention towards the wonders of science during their growth years and hence quality contribution to the country in the fields of scientific innovations remains unfulfilled year after year. It is, therefore, the educator's responsibility to facilitate the learner's development which includes active construction of new knowledge about the subject content.

Many schools in the country lack quality teachers which triggers poor learning outcomes among its pupils, which in turn result in incompetence and inapt cognitive skills. It is a matter of fact that schools in many parts of the country, follow a traditional approach to


learning, based on teacher-centric learning, which is known as didactic approach. The teachers, speaking of science teachers here, tends to stick strictly to the content of the syllabus, which is basically theoretical in nature. The students are just involved in passive listening. There is rare scope of exploring the practical utility of the subject content. The very few practical lessons being incorporated in the syllabus are meagerly enough for understanding the whole subject content. Besides, some teachers are only sparingly interested in executing even these handful of practical classes. Students struggle to find a bridge between what they learn in their science classes and their day to day life tasks. They often fail to recognize the working principle behind daily chores, as basic as boiling a pot of water, which is in fact a slice of science learning itself.

Science is a subject which demands theoretical knowledge partnered with practical application. It is only through hands on practical tasks that any student can build his or her interest in this subject. If only the teacher can inculcate ample curiosity and eagerness to learn and explore science in the child at the lower primary level, he/ she will have a keen interest in the subject when they grow up. And only then, fruitful contributions will arise in the fields of innovation coming from young minds.

Today, we need trained professionals in our schools who can understand the needs of the students. Teachers who devote their time and skills to help students boost their interest in science are the need of the hour. The learning of science as well as other subjects should not be examination-centric and marks-oriented. Those are methods of the ancient education system which needs to be cut-off immediately. The era of learning practical application has to begin to achieve quality education that can deliver revolutionary contributions in every field. These changes

must start by providing students with an ample scope for questioning, analyzing and then understanding the concept. For science to be distinctive, teachers should make sure that when teaching a specific topic in the subject, the facts must be taught through context. Pupils should be able to form creative connectivity between their course content and their daily experiences. Primary school children are at such an age when their curiosity knows no bounds. Hence, it is even more easier to harness their enthusiasm and point them in the right direction.

While probing the lags and snags of science education, one has to acknowledge the fact that a lot have also been done to improve this condition. Science congresses, science exhibitions and children science societies are strong pillars that has adequate potential to augment science learning in schools. There is also a fraction of teachers who puts in efforts to make science interesting and worth-learning for students. Such teachers and educators are an asset to the country. If more teachers, not only science but across different subjects, devote their time and render their valuable skills and services towards helping students acquire adequate knowledge, there would be a miraculous improvement in the current condition of the country. A lion's share of a country's development depends on its pace of scientific innovations. Hence, proper science education in schools should be considered in the queue of key factors that drives development of the country.❑



# প্ৰাণায়াম

জনাৰ্দন দাস

**প্ৰা**ণায়াম মানে হ'ল শ্বাস বৃদ্ধি। প্ৰাণ + আয়াম = প্ৰাণায়াম প্ৰাণায়ামৰ মাধ্যমেৰে বিশুদ্ধ বায়ু গ্ৰহণ কৰা হয় আৰু সেইয়া দেহৰ আভ্যন্তৰত ৰখাও হয়। যাৰ ফলত আমাৰ দেহত প্ৰয়োজনীয় অক্সিজেনৰ অভাৱ নহয়। অক্সিজেন সমৃদ্ধ ৰক্তই আমাৰ শৰীৰ সুস্থ আৰু সবল কৰি তোলে। প্ৰাণায়ামে মানুহৰ শাৰীৰিক আৰু মানসিক শক্তিৰ বিকাশ ঘটায়। প্ৰাণায়াম প্ৰক্ৰিয়াৰ মাধ্যমেৰে যি শ্বাস - প্ৰশ্বাস লোৱা হয় তাক তিনিটা ভাগত ভাগ কৰিছে (১) ৰেচক (২) কুম্ভক (৩) পূৰক।

প্ৰাচীন কালৰ ঋষি মুনিসকলে প্ৰাণায়াম প্ৰক্ৰিয়াৰেই শৰীৰক সুস্থ ৰাখিছিল, সাধনাত সিদ্ধি লাভ কৰিছিল। কুম্ভক প্ৰক্ৰিয়াৰ মাধ্যমেৰে তেওঁলোকে দীৰ্ঘক্ষণ বাহিৰৰ বায়ুক ভিতৰত আটক কৰি ৰখাৰ ক্ষমতা অৰ্জন কৰিছিল। যাৰ ফলত তেওঁলোক মৃতবৎ হৈ থাকিব পাৰিছিল।

প্ৰাণায়াম ধ্যানাসনত কৰা হয়। ধ্যানাসনৰো বহুকেইটা জপ আছে। সিদ্ধাসন, পদাসন, যুগাসন, বজ্ৰাসন ইত্যাদি।

শাৰীৰিক কোনো কাৰণত ধ্যানাসন সম্ভৱ নহ'লে চকীত মেৰুদণ্ড পোন কৰি বহিব লাগিব। খোজকাঢ়ি থাকোতেও প্ৰাণায়াম কৰাটো সম্পূৰ্ণ অবৈজ্ঞানিক। ইয়াৰ দ্বাৰা যিকোনো সময়তে শৰীৰৰ ব্যাপক ক্ষতি হোৱাৰ সম্ভাৱনা থাকে। প্ৰাণায়ামৰ সময়ত কেইটামান নিয়ম পালন কৰি চলিব লগা হয়। প্ৰধানতে (১) অভ্যাস (২) সময় (৩) স্থান (৪) প্ৰস্তুতি (৫) পোচাক (৬) বায়ু (৭) আহাৰ যিবোৰ আসন স্থিৰ আৰু য'ত কোনো উত্তেজনা নাথাকে সেইবোৰ আসন অভ্যাস কৰা উচিত। সূৰ্যোদয়ৰ পূৱে আৰু সূৰ্যাস্তৰ প্ৰাণায়ামৰ বাবে এইখিনিয়েই প্ৰসস্ত সময়। ঘৰৰ ভিতৰত অথবা আৱদ্ধ ঠাইত প্ৰাণায়াম কৰা উচিত নহয়। প্ৰাণায়াম ধোঁৱা, ধূলিহীন মুক্ত স্থানতহে কৰা উচিত। ৰাতিপুৱা শৌচ কৰ্মাদি শেষ কৰি কোনো খাদ্য গ্ৰহণ কৰা আগতে আৰু সন্ধিয়া যেতিয়া পেট খালি হ'ব তেতিয়া প্ৰাণায়াম কৰা উচিত। প্ৰাণায়ামৰ অভ্যাস কৰিলে মাছ, মাংস আৰু মদ বৰ্জন কৰা উচিত। তেওঁলোকে নিৰামিষ আহাৰ খোৱা উচিত। প্ৰাণায়ামত সাত্তিক

প্ৰবন্ধ

আহাৰ একান্ত ভাৱে গ্ৰহনীয় কাৰণ এনে আহাৰ খালে মানুহৰ মন নম্ৰ আৰু বিনয়ী হয় লগতে স্বল্পভাগী আৰু নিতাচাৰী হয়।

হৃদৰোগ, উচ্চ ৰক্ত চাপ, টাইফয়েদ, টিবি প্ৰভৃতি ৰোগৰ ৰোগীসকলে যোগাচাৰ্য বা যোগ প্ৰশিক্ষকৰ পৰামৰ্শ অনুযায়ী প্ৰাণায়াম কৰিব লাগে। বৈজ্ঞানিক ভিত্তি আৰু আধ্যাত্মিক গুণ সম্পন্ন শ্ৰেষ্ঠ সাতটি প্ৰাণায়াম হ'ল- (১) ভস্ত্ৰিকা প্ৰাণায়াম (২) কপালভাতি (৩) বাহ্য প্ৰাণায়াম (৪) অনুলোম-বিলোম (৫) ভ্ৰামৰী প্ৰাণায়াম (৬) উদগ্ৰীব প্ৰাণায়াম (৭) উজ্জায়ী প্ৰাণায়াম।

যোগ ক্ৰিয়াৰ দ্বাৰা আমাৰ সুপ্ত স্নায়ুবোৰ পুনৰ সতেজ হৈ উঠিছে আৰু স্নায়ুতন্ত্ৰক তৎপৰ কৰি তোলে যাৰ ফলত ৰক্ত সঞ্চালন ক্ৰিয়া সঠিক হয় আৰু নতুন শক্তিৰ বিকাশ ঘটে। দেহৰ বিভিন্ন গ্ৰন্থি আৰু মাংসপেশীবোৰ কৰ্ষণ বিকৰ্ষণ, আকুঞ্চন প্ৰসাৰণ আৰু শিথিলকৰণ ক্ৰিয়াৰ দ্বাৰা ৰক্তবাহী ধমনী আৰু সিৰাবোৰ সজীৱ আৰু সচল হৈ উঠে। শৰীৰত মেদৰ জমা সম্পূৰ্ণ নোহোৱা হয় ফলত শৰীৰ সুস্থ সবল আৰু সুন্দৰ হয়।

মৰ্যদা সহকাৰে যোগ সাধনাত আত্মনিয়োগ কৰিব পাৰিলে শাৰীৰিক, মানসিক, বৌদ্ধিক, আত্মিক আৰু আধ্যাত্মিক দিশত উন্নত হৈ ঈশ্বৰৰ সান্নিধ্য লাভ কৰিব পাৰিম। ❑



# অনুভৱৰ তিনিটা স্তৱক



হিমাদ্ৰী বুঢ়াগোহাঁই

(১)

ক'ৰবাত চিনাকী বাঁহীৰ সুৰ এটাই
মোক খেদি ফুৰে অৰ্হনিশে
আমনি কৰে মোৰ ব্যস্ত সময়খিনিক
খেলি-মেলি কৰে মোৰ মন আৰু মগজুক...

(২)

পাৰে জানো মোৰ সত্বাটোক দুৰ্বল কৰিব!
বতাহত উৰি ফুৰা মোৰ মনটোক
নোৱাৰে কোনেও ৰোধিব।
সেইবাবেই উৰি থাকক
মোৰ সপোন, আশা-প্ৰত্যাশাবোৰ।

(৩)

অনুভৱৰ বাট ভেদি
অহা-যোৱা কৰা
সন্ধ্যাৰাগেৰে ভৰপূৰ মোৰ আজলি সপোন
উৰি থাকক মোৰ সেই সুমধুৰ সপোনবোৰ
চিৰদিন চিৰকাল...❑

# সাৱধান গঞা



পূজা গগৈ

সাৱধান গঞা !
বান আহিছে।
এফালৰ পৰা খহি আহিছে মথাউৰি
ভঁৰালৰ সোণগুটি কেইটি
অলপ চম্ভালি থ’
চেনেহৰ বলধ হালকো মোকলাই দে’
নাই নোৱাৰি ঐ...
বাত বিষৰ বুঢ়া ককাকো পাহৰি নাযাবি
কলৰ ভুৰত লৈ যা।
আৰু এবাৰ পাছলৈ চা
ঘৰৰ চাৰিবেৰ আজোককাৰ অস্তিত্ব,
কিজানি ঘূৰি নেদেখিবও পাৰ।
ততাতৰিয়াত বুকু ধপ্‌ধপ্ !
কণ মইনাৰ কিতাপৰ বেগটো
আৰু সাঁচতীয়া কেইটিও চাগে
পাহৰণিতে ৰ’ল।
আৰু যে ক’ত কি থাকি গ’ল!
দেউতাৰ পুৰণি চাইকেলখন,
আইতাৰ ছাগলী জনি।
আৰু
সকলো ফালেই যেন
চিঞৰ বাখৰ।
ককাই তই আহিলি নে?
প্ৰতিজন গঞাৰ হুমুনিয়াত যেন
মৃত্যুৰ শংকা।

কোনোবাই যদি বুকু ধকিয়াই কান্দিছে,
কোনোবাই নিৰৱে চকুলো টুকিছে।
নৈ পৰীয়া মাটি খিনিও
বৰ্তমানে খহনীয়াত জাহ গৈছে।
চকুপানীত দুখবোৰ নাইকীয়া ক’ৰ
পাহৰি যা সকলো।
চিন্তা নকৰিবি,
বান শিবিৰত এমুঠি অন্নৰ কাৰণে কৰা হাহাকাৰ
টিভিৰ পৰ্দাত নিশ্চয় দেখিব ৰাইজে।
হয়তো নেদেখে বৰমূৰীয়া সকলে
দেখিব ক’ত...
সামান্যতাৰ জীৱন
কাৰো মৃত্যুত হানি নহয় তেওঁলোকৰ।
এই হাহাকাৰ শেষ হ’ব,
সকলো সাৱটি শুকাই যাব বান।
তাৰ পাছত...
আকৌ একেই জীৱন
বাঁহৰ চাৰিখন বেৰ আৰু
চোতালৰ শুকান দুৱৰি।
এয়াইটো জীৱন সাধাৰণৰ!!!❑

# জীৱন

মনোৰঞ্জন চিৰিং

নোৱাৰো লিখিবলে কথাৰ ছন্দেৰে
তোমালৈ কবিতা প্ৰেম ভালপোৱাৰে।
শুৱলা শব্দৰ দীঘল সূতাৰে
নোৱাৰো গাঁঠিব মালা কবিতাৰে।
শব্দৰ অভাৱত ৰুদ্ধ কলম আজি
অনুভৱৰ অসীমত মনো হেৰাই আজি,
কবিতাৰ ভাষা আৰু ছন্দ বিচাৰি।
কেনেকৈ কওঁ তোমাক হৃদয়ৰ ভাষা উজাৰি।
উন্মত হৃদয় যে পাবলৈ বিচাৰে,
ভালপোৱা কেৱল তোমাৰ হৃদয়ৰে। ❑





# শ্ৰম

ৰিতেশ্বৰ লাগাছু


উত্তাল ৰ'দৰ ঘামৰ বৰনৈ সাঁতুৰি
শ্ৰমৰ পথাৰ চহাইছো।
উৰণীয়া বনহাঁহ জাকৰ
ডেউকাৰ সিপাৰে মেঘৰ গাজনি শুনিছো
ৰাতিলৈ দোপাল-পিটা বৰষুণ নামি আহিব!
কাইলৈ পুৱাৰ পৰা, ভাবিছো
দুখৰ চপৰাবোৰত মৈ দিম...
লাহে লাহে
তাহানি আই-পিতায়ে বুজনি দি কৈছিল
কাম কৰি যোৱা; কামৰ সৰু-বৰ নাই।
আৰু সেইয়ে আজি মই
শ্ৰমৰ দাপোনত বিচাৰি ফুৰিছো
নিজৰ পৰিচয়-প্ৰতিবিম্ব। ❑

কবিতা

## শৰৎ

ৰঞ্জিত শইকীয়া

শৰৎ তোমাক জনাইছোঁ স্বাগতম,
দুৰৰিত লাগি থকা নিয়ৰৰ টুপাল
এইয়া যেন শৰতৰ বতৰা।
শেৱালি সুবাস
এইয়া যেন শৰতৰ ঠিকনা।
বানপানীয়ে কোঙা কৰা,
খেতিয়কৰ শুকান মুখত
শাৰদীয়ই দিলে
নতুন জীৱনৰ সন্ধান।
শৰৎ তোমাক জনাইছোঁ অভিনন্দন।
বিলোৱা শান্তি
দিয়া নতুন সৃষ্টিৰ সন্ধান।❑





## Crimson Red

Jawakhi Dutta

Surprised was I to see the shine
Not in the sun but in the shade,
I immediatly acknowledge it to be more
And found that it was a crimsom red.
Something that shines not in the sun
But in the shade far ahead
It was a lovely crimson red.
Too gracious to be a smooth bread
Or a letter golden like 'z'
Two small chilly seeds dipped in it
With a splash of cabbage- a bit
It thrilled my fancies to the core
. enlightened my walk and healed l my sore
A small element the crimson red
Too lovley for a dog to be fed
Made my heart leap in the air
Then I realised it to be fair
To quote sometimes out of my head
For the well-urinated crimson red.❑

# Wondering Amidst the Clouds

Anindita Chetia



Here I find my serenity,
Floating in the sky, embracing my worries,
They make my demons disappear.
Like a feather in the rain, soft and pure,
My heart feels crystal clear.
Saying good bye's to the doubts, insecurities and fears.
With a wide grin from ear to ear.
And I want to fly beside these clouds
for a thousand years, so i never had to bear.
The burdens of being, in my adolescent years,
Where loneliness is hard to bear,
So i sing with my heart's centent,
A song sweet as a lyre.❑



# “উচুপনি”

ফুনুমণি কোঁৱৰ

**মা,** প্ৰিন্সিক চাব তাই শুই আছে, মই অলপ বজাৰৰ পৰা আহোঁ। মেঘনাৰ মাতত উচপ খাই কোনোমতে শাহুৱেকে মাতষাৰ উলিয়ালে হ'ব তুমি যোৱা...। প্ৰতিভা বৰুৱা এগৰাকী সুদক্ষা শিক্ষয়িত্ৰী আছিল, বৰ্তমান সমাজসেৱিকা। যিমান চেষ্টা কৰিলেও তেওঁ ব্যৰ্থ হৈছে মনৰ দুখবোৰ সামৰি থ'বলৈ। কেতিয়াবা জীৱনৰ সাকোঁ ডাল বগাবলৈ বহুত কষ্ট হয়। একমাত্ৰ নাতিনীয়েকৰ মুখলৈ চাইয়ে শাহু-বোৱাৰী দুয়োজনীয়ে দুয়োৰে সাহস হৈছে। খাবলৈ মন নাথাকিলেও খাব লগা হৈছে। বোৱাৰীজনীৰ উকা কঁপালখনলৈটো চাবই নোৱাৰি। সকলো সময়তে অকলশৰীয়া অনুভৱতেই ডুবি থকা মেঘনাজনীক শাহুৱেক হৈ কেতিয়াবা জীয়াই থকাৰ সাহস দিবলৈ নোৱাৰা হৈ পৰে। কিমান যে সপোন ৰচিছিল তাই অভিজ্ঞানৰ সতে এখন সুখৰ সংসাৰ কৰা। মাক হ'বলৈ লোৱা খবৰটো পোৱাৰ লগে লগে অভিজ্ঞানে অফিচ চুটি লৈ গুৱাহাটীৰ পৰা যোৰহাট পাইছিলহি বাপেক হ'বলৈ লোৱা গৌৰৱকন অনুভৱ কৰিবলৈ। কিমান যে যত্ন লৈছিল সি মেঘনাৰ। শহুৰেকৰো আনন্দৰ সীমা নাই ককাক যে হ'ব। মইও কমতিখন আনন্দ পাইছিলো নে মেঘনাক কোনো কাম কৰিবই দিয়া নাছিলো। অভিজ্ঞানৰ গাত ত'তেই নাছিল ল'ৰা হ'লে কি নাম ৰাখিব ছোৱালী হ'লে কি নাম। এখন দীঘলীয়া তালিকাই বনাই পেলাইছিল।

প্ৰতিভা বৰুৱাৰ মনলৈ সেই দিনটো ভাহি আহিল। সিদিনা আছিল লক্ষ্মীপূজা। মেঘনাক অপাৰেচন ৰোমৰ ভিতৰলৈ লৈ গৈছিল। অভিজ্ঞানে দেউতাকক ঘৰৰ পৰা আনিবলৈ গৈছিল যাতে ঘৰখনৰ নতুন আলহীক গোটেই কেইজন সদস্যই একেলগে দেখে। দেউতাকক গাড়ীত বহাই অভিজ্ঞানে হয়তো অলপ স্পীডতেই আহি আছিল। মইও উৎফুল্লিত হৈ তাক ফোনেৰে খবৰটো দি দিছিলো আমাৰ এজনী কনমানি লখিমী আহিল বুলি। অভিজ্ঞানে ছাগে দুগুণ উৎসাহেৰে গাড়ী স্পীড বঢ়াই দিছিল ভুল তাৰ সেইখিনিতেই হৈছিল। হস্পিতেল পোৱা আগতেই বিপৰীতমুখী এখন ট্ৰেভেলাৰে উফৰাই দিলে অভিজ্ঞানৰ গাড়ীখন।

নাভাবো বুলিও সেই অভিশপ্ত দিনটোৰে ভাহি থাকেহি মনত। নৱজাত শিশুৰ আগমনৰ উৎসাহ কৰবাতে ম্লান পৰিল। জীৱনৰ বাবে উকা হৈ ৰ'ল দুখন কঁপাল।


প্ৰতিভা বৰুৱাই আজিকালি প্ৰায়ে সমাজৰ কামত ব্যস্ত থাকে। নাতিনীয়েকক ওমলাই। শিক্ষয়িত্ৰী জীৱনৰ পৰা অৱসৰ লৈ এতিয়া সমাজতেই বিলাই দিছে নিজকে। মেঘনাইও জীৱনটোত সাহসেৰে আগুৱাই যাব শিকিছে অভিজ্ঞানৰ এটি তেজৰ অংশৰ বাবে। কালিলৈ প্ৰিন্সিৰ এবছৰ হ'ব। মেঘনাৰ কলেজৰ সহকৰ্মীসকল আৰু ওচৰ-চুবুৰীয়া অলপ মাতিছে। এফালে বছেৰেকীয়া শ্ৰাদ্ধ আৰু অন্যফালে জন্মদিন। কথাবোৰ ভাবি ভাবি প্ৰতিভা বৰুৱাই এবাৰ বাহিৰত কাম লগাই থোৱাবোৰ চাই আহিল গৈ। মেঘনাই আজি কলেজৰ পৰা ছুটি ল'লে। বজাৰ সমাৰবোৰ তাইয়ে কৰিছে। এটি হুমুনিয়াহ-বুকুভেদি ওলাই আহিল। আজি যদি মানুহজন আৰু অভিজ্ঞান থাকিল হেঁতেন। বুকুত যেন এটি ডাঙৰ শিলে হেঁচি ধৰিছে। কি হৈছে মোৰ মূৰটোও দেখোন আচন্দ্ৰাই কৰিছে। পিছফালৰ পৰা মেঘনাই কোনোমতে ধৰিলেহি শাহুৱেকক। মা আপুনি মানে আজি প্ৰেছাৰৰ টেবলেট খুৱাই নাছিল। আপুনিও নহয় মই বাৰম্বাৰ কোৱা সত্বেও... ৰ'ব মই টেবলেট আনি আহোঁ বুলি কেনোমতে চকীখনত বহুৱাই তাই বেগাই ৰুমলৈ গ'ল। টেবলেট খাই লওঁক মা। আপুনি আৰু প্ৰিন্সি মোৰ সাহস জীয়াই থকাৰ সম্বল। এতিয়া আপুনিও যদি এনেখন কৰে মই কি কৰিম কওঁক। মোৰলৈ এবাৰ চাওঁক মা, মইও জানো একেটা দুখকেই কঢ়িয়াই ফুৰা নাই..? হয়, মেঘনাই ঠিকেইটো কৈছে। দুয়ো - দুয়োৰে বুকুৰ উচুপনিবোৰ ভালদৰে শুনিছে। যোৱা মেঘনা প্ৰিন্সি শুইয়ে আছে, তুমিও ফ্ৰেচ হৈ লোৱা, মইও আগফালে কিমান কাম বাকী ৰৈছেগৈ চাই লওঁ। শাহু-বোৱাৰী দুয়োজনীৰে চকুত দুধাৰি অশ্ৰু, হৃদয়ত নীৰৱ উচুপনি মাথোন। মেঘনাই শাহুৱেকে নেদেখক বুলি ততাতৈয়াকৈ ভিতৰলৈ উঠি গ'ল। উচুপনিবোৰ বাঢ়ি আহিছে দিনক দিনে চেষ্টাৰ পাৰ ভাঙি। ❑

## চিত্ৰ শিল্প






শিল্পী ঃ মালবিকা গগৈ



শিল্পী ঃ ৰিছা দলে



শিল্পী ঃ দেবীকা গগৈ



শিল্পী ঃ হিমাদ্ৰী বৰুৱা



শিল্পী ঃ দেবীকা গগৈ




শিল্পী ঃ মালবিকা গগৈ

# শিক্ষা প্ৰসাৰত গ্ৰন্থাগাৰৰ ভূমিকা

মৌচুমী চুতীয়া দাস
গ্ৰন্থাগাৰিকা



"উন্নত গ্ৰন্থাগাৰৰ সমূহে কম্পিউটাৰ ব্যৱহাৰ কৰি নেটৱৰ্ক ব্যৱস্থা, ইন্টাৰনেট ব্যৱস্থা আদিৰ জৰিয়তে বিভিন্ন বিষয়ক পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ তথ্যৰ যোগান ধৰে। ইয়াৰ উপৰিও বিভিন্ন বিষয়ত গৱেষক তথা লেখকসকলৰ গ্ৰন্থাগাৰত তেওঁলোকে নিৰ্দিষ্ট বিষয়ৰ লগত সম্পৰ্ক থকা গ্ৰন্থৰ যোগান ধৰা হয়।

এনেবোৰ কাৰণতে গ্ৰন্থাগাৰক শিক্ষানুষ্ঠানৰ প্ৰাণ কেন্দ্ৰ বোলা হয় আৰু গ্ৰন্থাগাৰৰ মানদণ্ডই শিক্ষানুষ্ঠানটোৰ শিক্ষা ব্যৱস্থাৰ মানো নিৰূপন কৰে।"

আমি ক'ব পাৰোঁ যে, অতি প্ৰাচীন কালৰ পৰা গ্ৰন্থাগাৰৰ প্ৰচলন হৈ আহিছে, অৱশ্যে সেই সময়ৰ গ্ৰন্থাগাৰসমূহ বিশেষকৈ অনুষ্ঠান যেনে- মঠ-মন্দিৰ, গীৰ্জা, নামঘৰ আদিতে সীমাবদ্ধ আছিল আৰু সমাজৰ উচ্চ শ্ৰেণী লোকেহে ইয়াক ব্যৱহাৰ কৰিব পাৰিছিল। মানুহৰ শিক্ষা আহৰণ প্ৰক্ৰিয়াক আমি তিনি ভাগত ভগাব পাৰোঁ।

১। আনুষ্ঠানিক শিক্ষা (Formal)
২। অনানুষ্ঠানিক শিক্ষা (Informal Education) আৰু
৩। সংগঠিত অনানুষ্ঠানিক শিক্ষা (Nonformal Education)

জীৱনৰ যি কোনো স্তৰতে অনুষ্ঠান বহিৰ্ভূত ভাৱে পৰিৱেশ, কৰ্মঅভিজ্ঞতা, ৰেডিঅ' দূৰদৰ্শন,



প্ৰদৰ্শনী সংগ্ৰহালয়, চলচিত্ৰ, বাতৰিকাকত, আলোচনাচক্ৰ আদিৰ পৰা আহৰণ কৰা শিক্ষাই হৈছে অনানুষ্ঠানিক শিক্ষা (Informal Education) গতিকে অনানুষ্ঠানিক শিক্ষাত গ্ৰন্থাগাৰৰ ভূমিকাক আমি বিশেষ আলোচনা কৰিব বিচৰা নাই।

আনহাতে বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহে দিয়া শিক্ষাই হৈছে আনুষ্ঠানিক শিক্ষা। এনে শিক্ষাৰ নিৰ্ধাৰিত নীতি-নিয়মৰ মাজেৰে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰতে পাঠ্যক্ৰম অনুযায়ী অৰ্হতা সম্পন্ন শিক্ষকে ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰে আৰু পৰীক্ষা ব্যৱস্থাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক অৰ্হতাৰ মূল্যায়ন কৰা হয়। ছাত্ৰ জীৱনৰ কঠোৰ অধ্যয়নৰ জৰিয়তেই ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতৰ কৰ্ম প্ৰন্থা তথা লক্ষ্যত উপনীত হ'ব লগা হয়।

আনুষ্ঠানিক শিক্ষাত প্ৰতিখন শিক্ষা অনুষ্ঠানৰ লগতে একোটাকৈ গ্ৰন্থাগাৰ জড়িত হৈ থাকে য'ত পাঠ্যক্ৰমৰ লগত সংগতি ৰাখি কিতাপ আলোচনী আদি অধ্যয়নৰ বাবে ৰখা হয়। আদিতে গ্ৰন্থাগাৰক শ্ৰেণীকোঠাৰ ভিতৰত দিয়া শিক্ষাৰ ওপৰুৱা অংগ হিচাবে ধৰা হৈছিল যদিও বৰ্তমানত বিশেষকৈ মহাবিদ্যালয়, বিশ্ববিদ্যালয় সমূহত গ্ৰন্থাগাৰ মুখী শিক্ষা ব্যৱস্থাত পৰিলক্ষিত হয়। আনুষ্ঠানিক শিক্ষাত



শিক্ষক সকল হৈছে, ছাত্ৰ আৰু গ্ৰন্থসমূহৰ মাজত এজন আঁত ধৰোঁতা সেয়ে শিক্ষকসকলে নিজৰ নিজৰ অভিজ্ঞসকলৰ গ্ৰন্থ, প্ৰবন্ধ তথা মূল লিখকৰ মূল গ্ৰন্থ সমূহ অধ্যয়ন কৰি বিষয়বস্তুৰ ওপৰত এটা নিজস্ব ধ্যানধাৰণাত উপনীত হয় আৰু এই ধাৰণাৰ লগত প্ৰত্যক্ষভাৱে সংযোগ ঘটে আৰু বিষয়ৰ ওপৰত নিজস্ব ধাৰণাৰ সৃষ্টি হয়। এনে কৰিলে ছাত্ৰৰ মগজুৰ প্ৰয়োগ হোৱা উপৰিও চিন্তা শক্তিৰ বিকাশ হয় যি নেকি প্ৰকৃত জ্ঞান আহৰণৰ বাবে অতি প্ৰয়োজন। আকৌ দেখা যায় শিক্ষানুষ্ঠান সমূহত সাধাৰণ জ্ঞান আৰু দেশ-বিদেশৰ সমসাময়িক ঘটনাৱাজিৰ ওপৰত বিশেষ আলোচনা বা শিক্ষা দান কৰা নহয়। সেয়ে ছাত্ৰ সমাজে গ্ৰন্থাগাৰত অধ্যয়নৰ জৰিয়তে এইবোৰ বিষয়ত সম্পূৰ্ণ জ্ঞান আহৰণ কৰিব পাৰে।

আনহাতে আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত লোক সকলক শিক্ষা প্ৰদানৰ বাবেই সংগঠিত অনানুষ্ঠানিক শিক্ষাত থকা নীতি নিয়ম যেনে - পাঠ্যক্ৰম সময়সীমা, স্থান, পৰীক্ষাব্যৱস্থা, ছাত্ৰ-ছাত্ৰীৰ অৰ্হতা আদিত কিছু শিথিলতা দেখা যায়। দূৰ শিক্ষা (Distance Education) মুক্ত বিশ্ববিদ্যালয় (Open university), প্ৰাপ্তবয়স্ক শিক্ষা, স্বাক্ষৰতা অভিযান, সৰ্বশিক্ষা আঁচনি আদি সংগঠিত অনানুষ্ঠানিক শিক্ষা ব্যৱস্থাৰেই উদাহৰণ। এনে শিক্ষাব্যৱস্থাৰ জৰিয়তে বিভিন্ন কাৰণত আনুষ্ঠানিক শিক্ষাৰ পৰা আঁতৰি থাকিব লগা লোকসকলক উচ্চ শিক্ষাৰ দিয়াৰ লগতে নিৰক্ষৰ সকলকো স্বাক্ষৰতা শিক্ষা দিয়া হয়।

শিক্ষানুষ্ঠান গ্ৰন্থাগাৰৰ লগতে ৰাজহুৱা পুথিভঁৰাল (যেনে- জিলা পুথিভঁৰাল, গাঁৱৰ পুথিভঁৰাল, যুৱক সংঘ পুথিভঁৰাল) সমূহে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব লগা লগা হয়। এই পুথিভঁৰাল সমূহৰ জৰিয়তে নিজাকৈ স্বাক্ষৰতাৰ শিক্ষা দিয়াৰ লগতে নিৰক্ষৰ সকলকো স্বাক্ষৰতাৰ শিক্ষা দিয়া হয়।

মুক্ত বিশ্ববিদ্যালয় আৰু দূৰ শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰমৰ আনুষ্ঠানিক শিক্ষাৰ লগত সম্বন্ধ আছে যদিও এনে শিক্ষা ব্যৱস্থাত শ্ৰেণীকোঠা, শিক্ষক আৰু পাঠ্যক্ৰম অনুযায়ী কিতাপৰ যোগান নোহোৱাৰ বাবে, ছাত্ৰী-ছাত্ৰীসকলে শিক্ষা আহৰণৰ বাবে আন শিক্ষানুষ্ঠানৰ গ্ৰন্থগাৰৰ বা ৰাজহুৱা গ্ৰন্থাগাৰ সমূহত অধ্যয়ন কৰিব লগা হয়। গতিকে শিক্ষাৰ প্ৰসাৰতাৰ বাবে গ্ৰন্থাগাৰৰ এনেবোৰ প্ৰচেষ্টা অতি লক্ষণীয়। বৰ্তমানৰ জটিল পৰিস্থিতি আৰু নিম্নগামী সমাজ ব্যৱস্থাত দেশৰ জনসাধাৰণক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰাৰ ক্ষেত্ৰত গ্ৰন্থাগাৰৰ ভূমিকাও অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। গ্ৰন্থাগাৰেই হৈছে একমাত্ৰ অনুষ্ঠান য'ত জাতি, ধৰ্ম, বৰ্ণ, ধনী-দুখীয়া, শিক্ষিত অশিক্ষিত সকলো শ্ৰেণীৰ লোকে অধ্যয়নৰ বাবে সুবিধা পায়। যাৰ বাবেই গ্ৰন্থাগাৰক জনসাধাৰণৰ জ্ঞানৰ ভাণ্ডাৰ বোলা হয়। ❑

# প্ৰশিক্ষাৰ্থী একতা সভাৰ সমন্বয়ক সকলৰ প্ৰতিবেদন... ২০১৯-২০ বৰ্ষ

## সাধাৰণ সমন্বয়কৰ একাষাৰ



হীৰেণ বৰুৱা
সাধাৰণ সমন্বয়ক

**ব্যক্তি**ৰ জীৱনত, চেষ্টা, মনোবল, সাহস, ধৈৰ্য আৰু আগ্ৰহ স্থায়ীভাৱে মনত প্ৰতিষ্ঠা কৰি ল'ব পাৰিলে জীৱন কালত বহুতো অসম্ভৱ কাৰ্যক সময়ৰ চকৰীত বাস্তৱ ৰূপত প্ৰতিফলিত কৰিব পাৰি। মানুহৰ কৰ্ম জীৱনত আগ্ৰহেৰে চেষ্টা কৰিলে জটিল বিষয়বোৰ সহজ সৰল ভাৱে পৰিসমাপ্তি ঘটে। এনে ধৰণৰ সাহসী, আগ্ৰহী, দুৰদৃষ্টি সম্পন্ন, মনোবলী কেইজন মান বিশেষ ব্যক্তিৰ একনিষ্ঠ ভাৱে ত্যাগ স্বীকাৰ কৰি গ্ৰহণ কৰা প্ৰচেষ্টাৰ ফলতেই আজিৰ পৰা ৩০ বছৰৰ আগত ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়খনে জন্ম লাভ কৰিছিল। এই সুযোগতে প্ৰতিষ্ঠা দিন ধৰি ১৯৯১ চনৰ ০৩ মাৰ্চৰ পৰা মহাবিদ্যালয়ৰ লগত শৈক্ষিকভাৱে, আৰ্থিকভাৱে, বিভিন্ন দিহা-পৰামৰ্শ আৰু পৰিচালনাৰ ক্ষেত্ৰত যি সকল নিষ্ঠাৱান নমস্য ব্যক্তিয়ে সেৱা আগবঢ়াই আহিছে, সেই সকললৈ মোৰ অন্তৰৰ পৰা প্ৰণিপাত নিবেদন কৰিছো। কাৰণ সেই সকল পূণ্যোধাৰ ব্যক্তিয়ে শিক্ষণৰ বৌদ্ধিক জগতত নতুন কৌশল সমূহৰ সংযোগ ঘটালে, হাজাৰ হাজাৰ প্ৰশিক্ষণ প্ৰাপ্ত বৃত্তিধাৰী স্নাতক গঢ়ি তুলিলে। ধেমাজি জিলাখনতে শিক্ষক প্ৰশিক্ষণৰ নতুন যুগ সূচনা কৰিলে।

বৌদ্ধিক জগতৰ শৈক্ষিক ক্ষেত্ৰত উত্তৰণৰ বাবে এই প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰশিক্ষক, প্ৰশিক্ষাৰ্থী আৰু বিভিন্ন দিশৰ পাৰদৰ্শি ব্যক্তি সকলৰ মননশীল লিখনিৰে সমৃদ্ধ “প্ৰবাহিনী” নামৰ বাৰ্ষিক মুখপত্ৰ স্বৰূপ আলোচনী খনেও জন্ম লাভ কৰিছিল। এই “প্ৰবাহিনী”খন হৈছে মহাবিদ্যালয়ৰ এক দাপোন স্বৰূপ স্মৃতিৰ প্ৰতীক। ইয়াৰ জৰিয়তেই আমি জানিব পাৰো ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়খনৰ অতীত আৰু বৰ্তমানৰ প্ৰতিবিম্ব। মহাবিদ্যালয়খনত অধ্যয়নৰত ২০১৯-২১ শিক্ষা বৰ্ষক সামৰি প্ৰশিক্ষাৰ্থী সকলৰ লগতে প্ৰশিক্ষক শিক্ষাগুৰু সকলৰ যুটীয়া প্ৰচেষ্টাত প্ৰকাশৰ বাটত খোজ দি থকা **“প্ৰবাহিনী”**ৰ বাবে এটি চমু প্ৰতিবেদন যুগুতাবলৈ চেষ্টা কৰিলোঁ।

বিদ্যালয়ৰ পৰা স্নাতকোত্তৰ শিক্ষক প্ৰশিক্ষাৰ্থী হিচাপে প্ৰশিক্ষণলৈ পঠিওৱাত ২০১৯ চনৰ ০১ আগষ্ট তাৰিখে মহাবিদ্যালয়খনত নামভৰ্তি কৰি পুনৰ এবাৰ নতুন শৈক্ষিক জগতত চামিল হৈছিলো। বহুতো সহপাঠী প্ৰশিক্ষাৰ্থীৰ সৈতে সমন্বয় স্থাপন হৈছিল, যি সকল নেকি মোৰ সমবয়সীয়াৰ

পৰা মোৰ পুত্ৰ-কন্যাৰ সমবয়সৰো আছিল। তথাপিতো এই সকলো প্ৰশিক্ষাৰ্থীৰ মোৰ প্ৰশিক্ষণৰ সহপাঠী, বন্ধু-বান্ধৱী। কাৰণ আমাৰ লক্ষ্য আৰু উদ্দেশ্য একেটাই। আমি সকলোৱে শিক্ষণ কৌশল আহৰণ কৰি ভৱিষ্যতৰ প্ৰজন্মক মূল্যবোধৰ মানৱ সম্পদ সৃষ্টি কৰা। প্ৰত্যেকেই একোজন সুদক্ষ, সু-চৰিত্ৰৱান, নিয়মানুৱৰ্তিতাপূৰ্ণ একোজন আদৰ্শৱান শিক্ষক হিচাপে নিজকে আত্ম প্ৰতিষ্ঠা কৰা।

বিশ্ববিদ্যালয়ৰ পাঠ্যসূচী অনুসৰি ০৫ আগষ্ট ২০১৯ তাৰিখৰ পৰা সম্পূৰ্ণ নিয়মীয়া পাঠদান আৰম্ভ হৈছিল। পাঠদানৰ মাজতেই ২০ আগষ্ট তাৰিখে তৃতীয় যান্মাসিকৰ প্ৰশিক্ষাৰ্থী সকলে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰিছিল। উক্ত নৱাগত আদৰণি সভাত আমি ন-পুৰণি সকলোৱে পৰিচয় বিনিময় কৰা সুযোগ লাভ কৰিছিলো। পৰৱৰ্তী কালত ২৬ আগষ্ট ২০১৯ তাৰিখে প্ৰশিক্ষাৰ্থী সকলৰ সংসদ গঠন কৰিছিল। উক্ত সভাতেই প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা অভাজনকেই সাধাৰণ সমন্বয়ক হিচাপে মনোনীত কৰি দ্বায়িত্বভাৰ অৰ্পণ কৰিছিল।

সাধাৰণ সমন্বয়কৰ দ্বায়িত্বভাৰ গ্ৰহণ কৰিয়ে মহাবিদ্যালয়খনৰ কেইটামান শৈক্ষিক দিশ আৰু আন্তগাঁথনি পৰি কাঠামোৰ ক্ষেত্ৰত দেখা পোৱা সমস্যা সমাধান কৰিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক দৃষ্টিগোচৰ কৰি আবেদন কৰা হৈছিল। সেইবোৰৰ ভিতৰত কাৰ্য ৰূপায়ণ কৰা ক্ষেত্ৰ কেইটা হ'ল—

শৈক্ষিক ক্ষেত্ৰত —

১। প্ৰথম যান্মাসিকৰ শ্ৰেণীকোঠাত পাঠদানৰ সময়ত পৰ্য্যাপ্ত পোহৰৰ বাবে Invitor ব্যৱস্থা কৰা।

২। প্ৰথম যান্মাসিকৰ শ্ৰেণীকোঠাত স্থায়ী ওখ প্লেটফৰ্ম গঢ়ি তোলা হয়।

৩। ফুটা থকা পানী পৰা টিনপাত সমূহ সলনি কৰি নতুন টিনপাত লগোৱা হয়।

৪। বহু বছৰ আগতে ৰং কৰা শ্ৰেণীকোঠাৰ ৱালবোৰত নতুন ৰং দিয়া হয়।

৫। পুৰুষ আৰু মহিলা প্ৰসাৱগাৰ আৰু শৌচাগাৰ পৃথকে পৃথকে পুনৰ নিৰ্মাণ কৰা হয়।

৬। চাইকেল ষ্টেণ্ডটো আহল-বহল কৈ পুনৰ নিৰ্মাণ কৰা হয়।

৭। এটা লেকচাৰ ষ্টেণ্ড বনোৱা হয়।

৮। ৰাজহুৱা সভা পাতিব পৰা এটা আহল-বহল কমিউনিটি হ'ল নিৰ্মাণ কৰা হয়।

**মহাবিদ্যালয়খনত অনুষ্ঠিত কৰা বিভিন্ন দিশৰ অনুষ্ঠান সমূহ—**

(১) ০৫ ছেপ্তেম্বৰ ২০১৯ ত "শিক্ষক দিৱস" বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা হৈছিল। ধেমাজি স্থ-তিনি গৰাকী, শিক্ষা আৰু বহুতো সামাজিক কাম-কাজৰ সৈতে জৰিত ব্যক্তি ড০ বুদ্ধিন্দ্ৰ বৰুৱা (প্ৰাক্তন অধ্যক্ষ, ধেমাজি মহাবিদ্যালয়) শ্ৰীযুত দুলাল দত্ত (প্ৰাক্তন অধ্যক্ষ, ধেমাজি উচ্চতৰ মাঃ বিঃ) শ্ৰীযুত ডিম্বেশ্বৰ বৰুৱা (প্ৰাক্তন অধ্যাপক, ধেমাজি বাণিজ্য মহাবিদ্যালয়)ক ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ বাবে নিষ্ঠাৰে সেৱা আগবঢ়োৱা হেতু বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়।

(২) শিক্ষক দিৱসৰ দিনাই প্ৰশিক্ষাৰ্থীসকলে লিখা বিভিন্ন মননশীল প্ৰবন্ধ, কবিতা, গল্প, লিমাৰিকা আদিৰে সমৃদ্ধ ফ্ৰেগ'নৈনছ নামৰ প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰা হৈছিল।

(৩) প্ৰশিক্ষণত অসমীয়া আৰু ইংৰাজী ভাষাক শিক্ষণ পদ্ধতিৰ বিষয় হিচাপে অধ্যয়ন কৰা

প্ৰশিক্ষাৰ্থী সকলে হাতে লিখা বিষয় বস্তু সমূহৰ দুখন আলোচনীক্ৰমে ‘প্ৰজ্ঞান্বেষা’ আৰু 'Epiphany' প্ৰকাশ কৰা হৈছিল।

(৪) মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ ৩-৭ ফেব্ৰুৱাৰী, ২০২০ লৈ বহিঃ ক্ৰীড়া আন্তঃক্ৰীড়া আৰু সাহিত্য-সাংস্কৃতিক আদি সকলো দিশতেই প্ৰতিযোগিতা অনুষ্ঠিত কৰি বিজয়ী প্ৰশিক্ষাৰ্থী সকলক পাৰদৰ্শীতাৰ বাবে মানপত্ৰ সহ পুৰস্কৃত কৰা হৈছিল।

(৫) মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাৰ সন্মুখত থকা ফুলনি বাগিছা দুখন প্ৰশিক্ষাৰ্থী সকলে চাফ-চিকুন কৰি, জেওৰা বেৰা দিয়া, বন-বাথ চিকুনাই, ওখ-ওখ অনাৰশ্যকীয় গছবোৰ কলম কৰি দিয়া ইত্যাদি কামবোৰত অংশ গ্ৰহণ কৰিছিল।

**কৃতজ্ঞতা** ঃ- ২০১৯-২১ শিক্ষা বৰ্ষৰ প্ৰশিক্ষাৰ্থী সকল এটা পৰিয়ালৰ নিজৰ বাই-ভনী, ককাই-ভাই দৰে সহোদৰ মনোভাৱে দিনবোৰ অতিবাহিত কৰি ভাতৃত্ববোধ, দয়া, ক্ষমা, সহনশীলতা, ধৈৰ্য, একাগ্ৰতা ইত্যাদি মানৱীয় সদ গুণৰ পৰিচয় দাঙি ধৰি ঐক্য সুদৃঢ় কৰাৰ বাবে সকলো প্ৰশিক্ষাৰ্থীকেই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোক সাধাৰণ সমন্বয়কৰ বিভিন্ন কাম কাজত ছাঁ টো দৰে একেৰাহে দিহা-পৰামৰ্শ, সহায়-সহযোগিতা কৰি সকলো কাৰ্যতে উৎসাহ যোগোৱা মোৰ বন্ধুবৰ দেৱ খনিকৰ দেৱক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰোপৰি মনোৰঞ্জন শইকীয়া, পৰমদ্বীপ বুঢ়াগোহাঁই, নলিনী দলে, ৰবিন্দ্ৰ বৰা, ৰঞ্জীত শইকীয়া, ধিৰেণ কোঁচ, মুনমী গগৈ, জয়শ্ৰী শইকীয়া, অনিন্দীতা চেতিয়া, ৰূপাংকৰ চুতীয়া, গিৰি মল্লীকা গগৈ, বিস্মিতা কোঁচ ইত্যাদি প্ৰশিক্ষাৰ্থীসকলৰ সহায়-সহযোগিতা সমূহ আছিল মোৰ প্ৰেৰণাৰ সমল। শেষত, মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ মাননীয় সভাপতি মহোদয়ে মহাবিদ্যালয়খনৰ বিশেষ সমস্যা সমূহ সৰ্বাধিক গুৰুত্ব প্ৰদান কৰি এটা এটাকৈ কাৰ্য ৰূপায়ণৰ ব্যৱস্থা গ্ৰহণ কৰা কাৰণে আমি সকলো প্ৰশিক্ষাৰ্থীয়ে ড০ বৰুৱা চাৰক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ দাস ছাৰ আৰু কৰ্মচাৰী বৃন্দই আমাৰ সমস্যা আৰু অসুবিধা সমূহ সমাধান কৰি দিয়াত সঠিক পদক্ষেপ গ্ৰহণ কৰা বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত, মহাবিদ্যালয়ৰ প্ৰশিক্ষক শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলে নিয়মীয়াভাৱে নিজৰ বিষয়বোৰ পাঠদান কৰা উপৰিও শিক্ষকৰ অভাৱত বাদ পৰি যোৱা বিষয় আৰু পাঠ সমূহৰ পাঠদান কৰি প্ৰশিক্ষাৰ্থী সকলক যি উপকাৰ সাধন কৰিলে তাৰ বাবে শ্ৰদ্ধাগুৰু সকল আমাৰ কৃতজ্ঞতাৰ পাত্ৰ। প্ৰশিক্ষাৰ্থীসকলক নিজৰ সন্তানৰ দৰে জ্ঞান কৰি, শিক্ষণ প্ৰণালীৰ যিবোৰ কৌশল আয়ত্ব কৰোৱাত যথা সাধ্যে প্ৰচেষ্টা গ্ৰহণ কৰিলে, তাৰ বাবেও আমি প্ৰশিক্ষক গুৰু বৃন্দ সকলৰ ওচৰত সদায় ঋণী হৈ ৰম। সদৌ শেষত ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সৰ্বাংগীন বিকাশ আৰু উত্তৰোত্তৰ কামনা কৰি সাধাৰণ সমন্বয়ক হিচাপে একাষাৰৰ সামৰণি মাৰিলো।

।। জয়তু ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়।।

।। জয়তু সমন্বয়ক গোট।।

❑❑

# সমাজ সেৱা বিভাগৰ সমন্বয়কৰ প্ৰতিবেদন



নলিনী কুমাৰ দলে
সমাজ সেৱা সমন্বয়ক

**জয়** জয়তে ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰুসকল আৰু কৰ্মচাৰী বৃন্দলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়খনৰ সমূহ শিক্ষক প্ৰশিক্ষাৰ্থীলৈ আৰু সমন্বয়ক বিষয়-ববীয়াসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা জনালোঁ।

২০১৯-২০ বৰ্ষৰ ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সমন্বয়ক হিচাপে এটা বছৰৰ বাবে মহাবিদ্যলয়খনৰ সেৱা কৰিবলৈ সুবিধা পোৱাৰ বাবে নিজকে ধন্য মানিছো। মহাবিদ্যালয়খনৰ সমাজ সেৱা বিভাগৰ সমন্বয়কৰ যিখিনি গুৰুদায়িত্ব থাকে, সেই দায়িত্বখিনি কিমান সুচাৰুৰূপে সম্পাদন কৰিব পাৰিলোঁ মই নিজে নাজানো। মোৰ কাৰ্যকালৰ সকলো সফলতা আৰু বিফলতা বিচাৰৰ ভাৰ আপোনালোকৰ হাতত অৰ্পণ কৰিলো।

এটা বছৰত যিমানখিনি সফলতা অৰ্জন কৰিব লাগিছিল Covid-19 ৰ কাৰণে সফল হ'ব নোৱাৰিলো। মোৰ অজানিতে যদি কেতিয়াবা ভুল-ক্ৰুটি হৈছে সেই ভুলৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা জনাইছোঁ। লগতে মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত প্ৰতিটো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা- হিৰেণ বৰুৱা, দেৱ খনিকৰ, ৰবীন্দ্ৰ বৰা, ৰণজিৎ শইকীয়া, ধীৰেণ কোঁচ, পৰমদ্বীপ বুঢ়াগোহাঁই, মুনমী গগৈ, অনিন্দিতা চেতিয়া, বিস্মিতা কোঁচ, পূজা গগৈ, সুদিপ্তা দাস, গিৰি মল্লিকা গগৈ আদি প্ৰশিক্ষাৰ্থীসকলক এটা মেডেল আৰু একোখনকৈ মাস্ক উদ্‌গনিমূলক ভাৱে পুৰস্কৃত কৰা হয়।

সদৌ শেষত মহাবিদ্যালয়ৰ শিক্ষাগুৰু ও কৰ্মচাৰী তথা প্ৰশিক্ষাৰ্থী শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰা ভুল-ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি কলম সামৰিলো।

।। জয়তু ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়।।

।। জয়তু সমন্বয়ক গোট।।

❑❑

# Report by Sports Co-ordinate



Rupankar Dev Chutia
Sports Co-ordinate

Curtains falls on yet another eventful year, here at Dhemaji P.G.T College. All the trainees of Dhemaji P.G.T College have proved yet again that, its not just studies we excel in, but every single endeavour that we choose to Sports are very integral and necessary part of our lives which provides a variety of benefits other than physical benefits.

I would like to express my sincere thanks as well as gratitude to those great persons who contributed their fireless effort and dedication for upliftment of the institution to such a height. I, take the opportunity to thank all the faculty members and all the trainees for giving me a fine opportunity to serve as sports secretary in the session 2019-20.

I would like to thank Mr. Partha Pratim Chetia, who helped me out during my session and most of times getting involved himself in almost all the activities. I would also like to thank Mr. P.K. Das, Principal. Things would not have gone so easier without their involvement and dedication.

I would like to convey my heartful thanks and appreciation to Ranjit Saikia, Chitra, Gauri, Rocky, Kamal, Gautam, Bijit and all my friends as well for their enthusiastic effort in fulfilling my duties and responsibilities.

The constant encouragement and involvement from the management has been strong catalyst on which we have built up our success. So for all those trainees who leave this campus this year, it was worth the journey. And for all those who are still pursuing their dreams here, charge on.

Thanking You.❑

# Report by Cultural Secretary



Joyshree Saikia
Cultural Co-ordinate

As like every year the college week 2020 of Dhemaji P.G.T. College was held and it was of grand success. I as a cultural secretary of the year 2020 is hereby very pleased to share with everyone that I had organised many cultural events in which the trainees has shown their great co-operation and support. I had to thank the Principal of Dhemaji P.G.T. College. Sir Pradip Das and also very sincere thanks to ma'am Bobby Neog for guiding me throughout the events. The talents of the trainees in different events was no less than a surprise.

The different events organised was Prayer Competition.
Jyoti Sangeet Competition
Rabha Sangeet Competition
Bhupendra Sangeet Competition
Modern Hindi Song Competition
Modern Assamese Song Competition
Folk Song Competition
Western Song Competition
Modern Dance Competition
Traditional Dress Competition
Antarkshi Competition

The best singer 2020 was Pulak Gogoi. Kamal Gogoi won the title of Mr Dhemaji P.G.T. College and Lakhijyoti Lachan won the title of Miss Dhemaji P.G.T College.

Interestingly Pulak Gogoi was also able to grab the best participator award. All the prizes were distributed away on the cultural night was also held and everybody enjoyed and danced to the step of every beat of music with great joy.❑

# সাহিত্য আৰু আলোচনী সমন্বয়কৰ প্ৰতিবেদন



পৰমদ্বীপ বুঢ়াগোহাঁই
সাহিত্য আৰু আলোচনী সমন্বয়ক

**ধে**মাজি জিলাৰ বৌদ্ধিক জগত খনৰ উৎকৰ্ষ সাধনত সদা বৰ্তি থকা 'ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ত কোনো এটা গুৰুদায়িত্বৰ সেৱা ভাগ গ্ৰহণ কৰাৰ সৌভাগ্য সকলো প্ৰশিক্ষাৰ্থীৰ নহয়। সামাজিক দিশত প্ৰত্যক্ষভাৱে জড়িত থাকি সামান্য হ'লেও নিজা দায়িত্ব পালন কৰি লাভ কৰাৰ মাদকতাই সুকীয়া।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত বৰ্তমান সময়ত অতিকৈ সমাদৃত পাঠ্যব্যৱস্থাৰ শৈক্ষিক কাৰ্যসূচীৰ এক অংশ হ'ল বি.এড পাঠ্যক্ৰম। ২০১৯ বৰ্ষত এই বি.এড পাঠ্যক্ৰমৰ সোৱাদ বুটলিবলৈ প্ৰথম বাৰৰ বাবে মহাবিদ্যালয়লৈ আহিলো। প্ৰথম অৱস্থাত কোনো দায়িত্ব গ্ৰহণৰ কথা কেতিয়াও ভবা নাছিলো। কিন্তু সময়ৰ পৰিস্থিতিয়ে মোক মহাবিদ্যালয়খনৰ সাহিত্য আৰু আলোচনী সমন্বয়কৰ গুৰু দায়িত্ব প্ৰদান কৰিলে। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ পৰিৱেশ, শিক্ষক, সহ প্ৰশিক্ষাৰ্থীৰ অনুপ্ৰেৰণাই মোক এই দায়িত্ব পালন কৰাত মনোবল প্ৰদান কৰিছিল।

**বৰ্ষটোৰ কৰ্মৰ খতিয়ান ঃ**

**ক) ফ্ৰেগ'নেনছ**- মহাবিদ্যালয়ৰ এখন প্ৰাচীনতম ধাৰাবাহিক প্ৰাচীৰ প্ৰত্ৰিকা। নিৰ্দিষ্ট বিভাগৰ সমন্বয়ক দায়িত্ব গ্ৰহণ কৰা পিছতেই প্ৰথম কাৰ্য হিচাপে শিক্ষক দিৱসৰ পবিত্ৰ দিনটোত 'ফ্ৰেগ'নেনছ'-ক নতুন সৃষ্টিৰে সমৃদ্ধ কৰাৰ প্ৰচেষ্টা হাতত লওঁ। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত প্ৰদীপ কুমাৰ দাস, শ্ৰদ্ধাৰ শিক্ষাগুৰু ৰবী দত্ত  নেওঁগ, সুৰজিৎ বৰা আৰু সূৰ্য বৰুৱা দেৱৰ তত্বাৱধানে ফ্ৰেগ'নেনছে ন-ৰূপ পালে।

**খ) মহাবিদ্যালয় সপ্তাহ** - মহাবিদ্যালয়ত বৌদ্ধিক, শাৰীৰিক, মানসিক, সামাজিক আদি সকলো দিশৰ উৎকৰ্ষ সাধনৰ বাবে অতিকৈ প্ৰয়োজন এটা বিভাগ হৈছে সাহিত্য আৰু আলোচনী। এই বিভাগৰ সমন্বয়কৰ দায়িত্ব গ্ৰহণ

কৰি আমাৰ প্ৰচেষ্টা অব্যাহত আছিল, মহাবিদ্যালয়ৰ বৌদ্ধিক দিশৰ বিকাশৰ পৰিধি বৃদ্ধি কৰা। যাৰ বাবে বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অন্তৰ্ভুক্ত কৰি মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থীসকলৰ মানসিক বিকাশ সাধনত গুৰুত্ব দিয়া হৈছিল। **২০১৯-২০** বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ মোৰ অধীনত থকা বিভিন্ন প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে সম্পাদন কৰা হয়। মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থীসকলৰ সহাঁৰিয়ে সাহিত্য আৰু সুকুমাৰ কলা শিতানত ২৫তকৈ অধিক বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় আৰু প্ৰতিযোগিতাসমূহ তিনিদিন ধৰি অনুষ্ঠিত কৰা হয়।

**গ) প্ৰজ্ঞান্বেষা আৰু Epiphany**- অসমীয়া বিভাগ আৰু ইংৰাজী বিভাগে প্ৰস্তুত কৰি উলিওৱা দুখন হাতে লিখা আলোচনী। পাঠ্যক্ৰম ভিত্তিক কাৰ্যসূচীৰ অন্তৰ্গত এই আলোচনী প্ৰস্তুত কৰা কাৰ্য মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থীৰ এক গধুৰ দায়িত্ব। বিশেষকৈ মহাবিদ্যালয়ৰ প্ৰথম আৰু তৃতীয় যান্মাসিকৰ ফচল এই **প্ৰজ্ঞান্বেষা** আৰু **Epiphany**। সম্পাদক হিচাপে প্ৰত্যক্ষ ভাৱে প্ৰজ্ঞান্বেষাৰ দায়িত্ব লৈ সহ প্ৰশিক্ষাৰ্থী আৰু তত্বাৱধায়িকা ববী দত্ত নেওঁগৰ সহযোগত এই আলোচনী প্ৰকাশ কৰা হয়।

ঘ) **প্ৰবাহিনী**- প্ৰবাহিনী হৈছে আমাৰ মহাবিদ্যালয়ৰ এক পৰিচয়। এই আলোচনীখন সুন্দৰৰূপে উপস্থাপন কৰাতো মোৰ বাবে এক প্ৰত্যাহ্বান আছিল। ক'ৰোণা সংকতে পিছুৱাই নিলেও পলমকৈ হ'লেওঁ ইয়াক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ শুভক্ষণত প্ৰকাশ ও উন্মোচন কৰা হয়।

**ক্ষমা বিচাৰি ঃ** মোৰ কাৰ্যকালত অজানিতে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষা গুৰু, কৰ্মচাৰী, প্ৰশিক্ষাৰ্থী সকলৰ মনত যদি কিবা আঘাত দিছিলো, তাৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ।

**কৃতজ্ঞতা ঃ** সাহিত্য আৰু আলোচনী সমন্বয়কৰ দায়িত্বভাৰ গ্ৰহণ কৰি সাধ্য অনুসৰি নিজা কৰ্ম কৰি গৈছিলো। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত প্ৰদীপ কুমাৰ দাস ছাৰ, শ্ৰদ্ধাৰ শিক্ষাগুৰু ববী দত্ত নেওঁগ, সুৰজিত বৰা, সূৰ্য্য বৰুৱা, ৰূপান্তৰ বৰপাত্ৰগোহাঁই, বিনিতা গোহাঁই, নিৰ্মালী বৰুৱা, দ্বিপেন গগৈ- এই সকলে বিভিন্ন সময়ত বিভিন্নধৰণে উপদেষ্টা, তত্বাৱধায়ক হিচাপে থাকি মোক যথেষ্ট সাহস, অনুপ্ৰেৰণা আৰু মনোবল দিছিল। তেওঁলোকৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা নিবেদিলোঁ। মোৰ এই কাৰ্যকালত মোক বিভিন্নসময়ত লেখনি প্ৰদান, অংশ গ্ৰহণ,সংগ প্ৰদান, সহায় কৰা সকলোকে ধন্যবাদ জ্ঞাপন কৰিলোঁ। তদুপৰি মোক প্ৰত্যক্ষভাৱে সদায় সহায়ৰ বাবে থিয় হৈ থকা মোৰ সহপ্ৰশিক্ষাৰ্থী বন্ধুৰ নাম নল'লে ভুল কৰা হ'ব, তেওঁলোক- দেৰ খনিকৰ, হিৰেন বৰুৱা, ৰঞ্জিত শইকীয়া, নলিনী দলে, ৰবীন্দ্ৰ বড়া, মনোৰঞ্জন শইকীয়া,ধীৰেণ দেউৰী, ধীৰেণ কোঁচ, ইন্দ্ৰজিৎ বুঢ়াগোহাঁই, বীৰেন্দ্ৰ কুমাৰ শ্ৰীবাস্তৱ, মুনমী গগৈ, পূজা গগৈ, সুদিপ্তা দাস, অনিন্দিতা চেতিয়া, বিস্মৃতা কোঁচ, মানসী শইকীয়া, গিৰিমল্লীকা গগৈ, দেবিকা গগৈ, ৰিছা দলে, মাইনু নাথ, জয়শ্ৰী শইকীয়া, হিমাদ্ৰী বৰুৱা, ৰূপম চুতীয়া, ৰাহুল দলে, চিত্ৰজ্যোতি কলিতা, দয়ামাই পেগু, লক্ষীপ্ৰভা লাচন, ৰাজীৱ গগৈ, গৌতম গগৈ, হিমাদ্ৰী বুঢ়াগোহাঁই, মালবীকা গগৈ, যুতিকা পাটোৱাৰী, গীতামণি পেগু, স্বস্তিকা চুতীয়া- কে আদি কৰি মহাবিদ্যালয়ৰ সমূহ অগ্ৰজ, অনুজ আৰু বন্ধু প্ৰশিক্ষাৰ্থীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

।। জয়তু ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় ।।

।। জয়তু সমন্বয়ক গোট ।।

**মহাবিদ্যালয়ৰ সপ্তাহৰ ফলাফল ঃ**

➢ **কবিতা আবৃত্তি -**

অসমীয়া

প্ৰথম- লক্ষীজ্যোতি লাচন

দ্বিতীয়- পৰমদ্বীপ বুঢ়াগোহাঁই

তৃতীয়-নয়নমণি কছাৰী

ইংৰাজী

প্ৰথম- জয়শ্ৰী শইকীয়া

দ্বিতীয়- লক্ষীজ্যোতি লাচন, মনোৰঞ্জন শইকীয়া

তৃতীয়- মণিকা বৰুৱা

➢ **আকস্মিক বক্তৃতা**

প্ৰথম-দেৱ খনিকৰ

দ্বিতীয়- জয়শ্ৰী শইকীয়া

তৃতীয়- ৰঞ্জিত শইকীয়া,বিৰেন্দ্ৰ কুমাৰ শ্ৰীবাস্তৱ

➢ **স্মৃতি পৰীক্ষা-**

অসমীয়া

প্ৰথম-বিৰিঞ্চি বৰগোহাঁই

দ্বিতীয়- গিৰিমল্লিকা গগৈ

তৃতীয়- ৰঞ্জনা পাল

ইংৰাজী

প্ৰথম- মণিকা বৰুৱা,তৃষ্ণা দাস

দ্বিতীয়-বিস্মিতা কোঁচ, অনিন্দিতা চেতীয়া

তৃতীয়- মানসী শইকীয়া

➢ **গল্প প্ৰতিযোগিতা (ঘৰত)**

প্ৰথম-লক্ষীজ্যোতি লাচন

দ্বিতীয়- ৰিছা দলে

তৃতীয়- ৰঞ্জিত শইকীয়া

➢ **গল্প প্ৰতিযোগিতা (থিতাতে)**

প্ৰথম-মুনমী গগৈ

তৃতীয়- হীৰেণ বৰুৱা

➢ **প্ৰবন্ধ প্ৰতিযোগিতা (ঘৰত)**

প্ৰথম-মুনমী গগৈ

দ্বিতীয়- ধীৰেণ কোঁচ

নিচুকণি- অঞ্জলি চুতীয়া

➢ **লিমাৰিক প্ৰতিযোগিতা**

পৰমদ্বীপ বুঢ়াগোহাঁই

➢ **কবিতা লিখা প্ৰতিযোগিতা (ঘৰত)**

প্ৰথম-লক্ষীজ্যোতি লাচন,দেৱিকা গগৈ

দ্বিতীয়-মুনমী গগৈ

তৃতীয়-ৰেখামণি শইকীয়া, গীতাঞ্জলি ফুকন

➢ **কবিতা লিখা প্ৰতিযোগিতা (থিতাতে)**

প্ৰথম-মুনমী গগৈ

দ্বিতীয়- ধীৰেণ কোঁচ

তৃতীয়-লক্ষীজ্যোতি লাচন, হীৰেণ বৰুৱা

➢ **নীলা খামৰ চিঠি (ঘৰত)**

প্ৰথম-গিৰিমল্লিকা গগৈ

দ্বিতীয়-লক্ষীজ্যোতি লাচন

তৃতীয়-মুনমী গগৈ

➢ **নীলা খামৰ চিঠি (থিতাতে)**

প্ৰথম-জোৎস্না ৰাণী চেতীয়া

দ্বিতীয়- লক্ষীজ্যোতি লাচন

তৃতীয়-নীলাক্ষী গগৈ

➢ **শ্ল’গান লিখন**

প্ৰথম-মুনমী গগৈ

দ্বিতীয়- অঞ্জলি চুতীয়া

তৃতীয়-লক্ষীজ্যোতি লাচন

➢ **ৰস ৰচনা (ঘৰত)**

প্ৰথম-মুনমী গগৈ

দ্বিতীয়- পৰমদ্বীপ বুঢ়াগোহাঁই

➢ **<u>অনুভৱৰ স্বৰ</u>**
প্ৰথম-মুনমী গগৈ
তৃতীয়-বিৰেন্দ্ৰ কুমাৰ শ্ৰীবাস্তৱ

➢ **<u>পোষ্টাৰিং প্ৰতিযোগিতা</u>**
প্ৰথম-অমৰজিত গগৈ
দ্বিতীয়- ৰঞ্জনা পাল
তৃতীয়- বিৰিঞ্চি বৰগোহাঁই

➢ **<u>কলাজ প্ৰতিযোগিতা</u>**
প্ৰথম-মুনমী গগৈ
দ্বিতীয়- পৰমদ্বীপ বুঢ়াগোহাঁই
তৃতীয়- দেৱিকা গগৈ

➢ **<u>তৰ্ক প্ৰতিযোগিতা</u>**
প্ৰথম-সোনাৰাম গগৈ
দ্বিতীয়- হীৰেণ বৰুৱা
তৃতীয়- দেৱ খনিকৰ

➢ **<u>শ্ৰেষ্ঠ দ'ল (বিপক্ষ)</u>**- দেৱ খনিকৰ, ৰবিন্দ্ৰ বড়া, ধীৰেণ কোঁচ,সোনাৰাম গগৈ,ৰঞ্জিত শইকীয়া

**<u>শ্ৰেষ্ঠ তাৰ্কিক</u>**-সোনাৰাম গগৈ

➢ **<u>চিত্ৰাংকণ</u>**

**পেঞ্চিল ছেদিং (ঘৰত)**
প্ৰথম-দেৱিকা গগৈ
দ্বিতীয়-ৰিছা দলে

**পেন ছেদিং (ঘৰত)**
প্ৰথম-দেৱিকা গগৈ
দ্বিতীয়-হিমাদ্ৰী বৰুৱা

**ৱাটাৰ ছেদিং (ঘৰত)**
প্ৰথম- ৰিছা দলে

**পেঞ্চিল ছেদিং (থিতাতে)**
প্ৰথম-গীতাঞ্জলি বৰুৱা
দ্বিতীয়- তৃষ্ণা দাস
তৃতীয়-গৌতম গগৈ

**পেন ছেদিং (থিতাতে)**
প্ৰথম-দেৱিকা গগৈ
দ্বিতীয়-হিমাদ্ৰী বৰুৱা
তৃতীয়-তৃষ্ণা দাস

**ৱাটাৰ ছেদিং (থিতাতে)**
প্ৰথম-হিমাদ্ৰী বৰুৱা
দ্বিতীয়-তৃষ্ণা দাস
তৃতীয়- ৰঞ্জনা পাল

**<u>শ্ৰেষ্ঠ চিত্ৰ শিল্পী</u>** - দেৱিকা গগৈ

➢ **<u>ষ্টেচু (Statue) প্ৰতিযোগিতা</u>**
প্ৰথম-জয়শ্ৰী, পৰমদ্বীপ, বিৰিঞ্চি,কমল (Group-F)
দ্বিতীয়- গিৰিমল্লিকা, দেৱিকা,ৰূপম,ৰিছা (Group-D)
তৃতীয়- দীপশিখা, তৃষ্ণা, লক্ষীজ্যোতি, সুদিপ্তা (Group-C)
পুলক,গৌতম,গীতাঞ্জলী,ৰঞ্জনা (Group-A)
বিশেষ বটাঁ- মানসী, বিস্মিতা, অনিন্দিতা,হিমাদ্ৰী (Group-B)

❑❑

# লেখক-লেখিকাৰ পৰিচিতি

| | |
|---|---|
| ❍ প্ৰদীপ কুমাৰ দাস | ঃ অধ্যক্ষ, ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় |
| ❍ ড° বুধিন্দ্ৰ বৰুৱা | ঃ অৱসৰ প্ৰাপ্ত অধ্যক্ষ, ধেমাজি মহাবিদ্যালয় |
| ❍ পল্লবী ডেকা বুজৰবৰুৱা | ঃ অসমীয়া বিভাগৰ প্ৰবক্তা, ডিব্ৰুগড় বিশ্ববিদ্যালয় |
| ❍ ডিম্বেশ্বৰ বৰুৱা | ঃ অৱসৰপ্ৰাপ্ত অধ্যাপক, ধেমাজি বাণিজ্য মহাবিদ্যালয় |
| ❍ ৰবী দত্ত নেওঁগ | ঃ সহকাৰী অধ্যাপিকা, ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় |
| ❍ সুৰজিত বৰা | ঃ সহকাৰী অধ্যাপক, ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় |
| ❍ ৰূপান্তৰ বৰপাত্ৰগোহাঁই | ঃ সহকাৰী অধ্যাপক, ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় |
| ❍ মানস প্ৰতিম দত্ত | ঃ কবি, বিজ্ঞান লেখক |
| ❍ মৌচুমী হাজৰিকা | ঃ সহকাৰী অধ্যাপিকা, ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় |
| ❍ ড° বুলজিত বুঢ়াগোহাঁই | ঃ কেৰিয়াৰ গাইড, অধ্যাপক,অভিযান্ত্ৰিক বিভাগ, ডনবস্ক বিশ্ববিদ্যালয় |
| ❍ ড° প্ৰদীপ বড়া | ঃ সহকাৰী অধ্যাপক, গোলাঘাট বাণিজ্য মহাবিদ্যালয় |
| ❍ নিৰ্মালী বৰুৱা | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী ও বিজ্ঞান শিক্ষয়িত্ৰী, ঢকুৱাখনা টাউন হাইস্কুল |
| ❍ বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী, কবি, সহকাৰী অধ্যাপক , পাৰিজাত একাডেমী, ডিব্ৰুগড় |
| ❍ কবিতা বুঢ়াগোহাঁই, দেৱজিৎ বৰা | ঃ লেখক, সাংবাদিক, অসম আদিত্য, ডিব্ৰুগড় |
| ❍ মৌচুমী চুতীয়া দাস | ঃ গ্ৰন্থাগাৰিকা, ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয় |
| ❍ হীৰেণ বৰুৱা | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ বিশ্বজিৎ বৰুৱা | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ ধীৰেণ কোঁচ | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ অনিন্দিতা চেতিয়া | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ প্ৰসাদ চন্দ্ৰ মিলি | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ ৰিতেশ্বৰ লাগাছু | ঃ নৱাগত প্ৰশিক্ষাৰ্থী |

| | |
|---|---|
| ❍ বেদ্ৰব্ৰত গগৈ | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ মৌচুমী বৰুৱা | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ প্ৰিয়ংকা দেউৰী | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ নিতুল কাকতি | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ জ্যোস্নাৰাণী চেতিয়া | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ সন্ধ্যা দেৱী | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ কাকতি কোঁৱৰ | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ জোনমণি মহন্ত | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ মাইনু স্বৰ্গীয়াৰী | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ ৰশ্মি কোঁচ | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ দেৱ খনিকৰ | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ বুদ্ধ গগৈ | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ অজয় কুমাৰ চুতীয়া | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ ডলী মেধী দত্ত | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ অঞ্জলী চুতীয়া | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ দেবিকা গগৈ | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ লক্ষীজ্যোতি লাচন | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ গীতাঞ্জলী ফুকন | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ ৰেখামণি শইকীয়া | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ মুনমী গগৈ | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ ধনীৰাম গগৈ | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ গিৰিমল্লিকা গগৈ | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ বীৰেন্দ্ৰ কুমাৰ শ্ৰীবাস্তৱ | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ আইৰিণ চুতীয়া | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ সুদীপ্তা দাস | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ ভাস্কৰ গগৈ | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ নিতুল গগৈ | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ বিনুপ্ৰভা পেগু | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ ৰশ্মি ভূএঁা | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ নীলাক্ষী গগৈ | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ দীপামণি বকল | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ মনিষা বৰগোহাঁই | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ পৰমদ্বীপ বুঢ়াগোহাঁই | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ কনিকা চমুৱা | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ ফুনুমণি কোঁৱৰ | ঃ নৱাগত প্ৰশিক্ষাৰ্থী |
| ❍ মাইনু নাথ | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ সংগীতা বৰুৱা | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ ভূবন চন্দ্ৰ বৰা | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ দীপামণি চুতীয়া | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ ত্ৰিবেণী বড়া | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ নয়নমণি কছাৰী | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ ৰিমঝিম গগৈ | ঃ প্ৰাক্তন প্ৰশিক্ষাৰ্থী |
| ❍ স্বস্তিকা চুতীয়া | ঃ নৱাগত প্ৰশিক্ষাৰ্থী |
| ❍ জৰ্নাদন দাস | ঃ নৱাগত প্ৰশিক্ষাৰ্থী |
| ❍ হিমাদ্ৰী বুঢ়াগোহাঁই | ঃ নৱাগত প্ৰশিক্ষাৰ্থী |
| ❍ পূজা গগৈ | ঃ নৱাগত প্ৰশিক্ষাৰ্থী |
| ❍ মনোৰঞ্জন চিৰিং | ঃ নৱাগত প্ৰশিক্ষাৰ্থী |
| ❍ ৰঞ্জিত শইকীয়া | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ জৰাক্ষী দত্ত | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ ৰূপাংকৰদেৱ চুতীয়া | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ নলিনী দলে | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ জয়শ্ৰী শইকীয়া | ঃ প্ৰশিক্ষাৰ্থী |
| ❍ মালবিকা গগৈ | ঃ নৱাগত প্ৰশিক্ষাৰ্থী |
| ❍ হিমাদ্ৰী বৰুৱা | ঃ প্ৰশিক্ষাৰ্থী |

❑❑


সময়ৰ পৃষ্ঠা খুচৰি
"NATIONAL EDUCATION DAY"
on
11th November 2019
Observe by
DHEMAJI POST GRADUATE TRAINING COLLEGE
ধেমাজি স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়
"শিক্ষক দিৱস"
মুকলি সভা ও বঁটা বিতৰণী অনুষ্ঠান
বাৰ্ষিক ক্ৰীড়া আৰু সাংস্কৃতিক সমাৰোহ
বিদায় সভা
বাৰ্ষিক ক্ৰীড়া সমাৰোহ, ২০১৮-১৯ বৰ্ষ

## সময়ৰ পৃষ্ঠা খুচৰি



# কৃতজ্ঞতা স্বীকাৰ

এই সংখ্যাৰ "প্ৰবাহিনী" আলোচনীখনিৰ প্ৰস্তুতি পৰ্বৰ পৰা সম্পূৰ্ণৰূপে প্ৰকাশ হৈ উঠালৈকে জড়িত থকা মহাবিদ্যলয়ৰ সন্মানীয় অধ্যক্ষ, তত্বাৱধায়কদ্বয়,মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষাগুৰু, শুভেচ্ছাবাণীৰ প্ৰেৰক সকল, সমূহ অতিথি লেখক, বৰ্তমানৰ লেখক প্ৰশিক্ষাৰ্থী আৰু প্ৰাক্তন লেখক প্ৰশিক্ষাৰ্থী, সমন্বয়ক সমিতিৰ সতীৰ্থবৃন্দ, সম্পাদনা সমিতি, অংগ সজ্জা আৰু অলংকৰণ, বেটুপাতৰ শিল্পী আৰু চিত্ৰাঙ্কণ প্ৰেছৰ সমূহ কৰ্মকৰ্তালৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

-সম্পাদক